## অসমৰ চৰিত পুথিত

# অসমীয়া সমাজ জীৱন



ড° বিপুল মালাকাৰ

Donated to
Nowgong Girls' College Library
by Dr. Bipul Malakar
Lecturer, Deptt. of Assamese

REFERENCE COPY
( NOT FOR ISSUE )

KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

Mahesh Chandra Dev Goswami Library
Acc. No. 35849
Date 2.1.10
Nowgong Girls' College

SOUL
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

S(L) A/St-5.

REFERENCE COPY
( NOT FOR ISSUE )

অসমৰ চৰিত পুথিত
অসমীয়া সমাজ জীৱন

মহেশ চন্দ্ৰ দেৱগোস্বামী পুথিভঁৰাললৈ —
নগাঁও ছোৱালী মহাবিদ্যালয়।

বিপুল মালাকাৰ
প্ৰৱক্তা, অসমীয়া বিভাগ
নগাঁও ছোৱালী মহাবিদ্যালয়
নগাঁও
২৯।১২।২০০৯

# অসমৰ চৰিত পুথিত
# অসমীয়া সমাজ জীৱন

ড° বিপুল মালাকাৰ

Mahesh Chandra Dev Goswami Library
Acc. No. 35849/10
Date.............
Nowgong Girls' College

ক্ৰান্তিকাল প্ৰকাশন
নগাঁও

ASAMAR CARIT PUTHIT ASAMĪYĀ SAMĀJ JĪWAN :
A book with critical analysis of reflection of the Assamese Life and Culture in the Caritas, written by Dr. Bipul Malakar, Lecturer, Department of Assamese, Nowgong Girls' College, Nagaon, Assam, and Published by Krantikaal Prakashan, Nagaon - 782 001.
First edition, Dcember, 2009 Price : 165.00 Rupees

অসমৰ চৰিত পুথিত

# অসমীয়া সমাজ জীৱন

গ্ৰন্থস্বত্ব : লেখক

প্ৰকাশক : কৈলাশ কুমাৰ ৰাজখোৱা
ক্ৰান্তিকাল প্ৰকাশন
নগাঁও - ৭৮২ ০০১

প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ২০০৯

প্ৰচ্ছদ পৰিকল্পনা : নিৰ্মালি বৰা মালাকাৰ

আৰ্হিপাঠ : হেমন্ত কুমাৰ বৰা

দাম : ১৬৫.০০ (এশ পঁইষষ্ঠি ) টকা

ছপা : অজন্তা প্ৰেছ
হয়বৰগাঁও, নগাঁও : অসম

891.45095/MAL

## উছৰ্গা

পাঠশালালৈ প্ৰথম দিনা মায়ে লৈ গৈছিল হাতত ধৰি।
হাতত পেঞ্চিল গুজি দি আখৰ লিখিবলৈ শিকাইছিল দেউতাই।
চকুত অলেখ স্বপ্ন।
নাজানো, সপোনৰ কিমানে বাস্তৱ ৰূপ পালে।
গ্ৰন্থখন
মা-দেউতা (সানু মালাকাৰ আৰু পদ্মৰাম মালাকাৰ)ৰ
হাতত দিলোঁ।

— বিপুল

# আগকথা

ড° বিপুল মালাকাৰৰ অসমৰ চৰিত পুথিত অসমীয়া সমাজ-জীৱন গ্ৰন্থখনিৰ মুদ্ৰণ-পূৰ্ব ৰূপ এটি চোৱাৰ সুযোগ পালোঁ। গৱেষণা-লব্ধ তথ্য-পাতিৰে প্ৰস্তুত কৰা গ্ৰন্থখনি 'লেখকে' চৈধ্যটি অধ্যায়ত ভাগ কৰিছে। তদুপৰি গ্ৰন্থপঞ্জীৰ উপৰিও পৰিশিষ্টতো চৰিত পুথিৰ ছাঁ-পোহৰত বৈষ্ণৱী তত্ত্ব-সঁফুৰা শিৰোনাম দি ধৰ্মৰ লগত জড়িত কিছু বিষয় সংযোগ কৰি দিছে।

অসমত চৰিত পুথি শব্দটোৱে শঙ্কৰদেৱ-মাধৱদেৱকে মুখ্য কৰি প্ৰধান ধৰ্মগুৰুসকলৰ পদ্য আৰু গদ্যত লিখা জীৱনী আৰু জীৱনী-ভিত্তিক আখ্যান যুক্ত গ্ৰন্থসমূহকে বুজায়। আৰু বিভিন্ন গুৰুসকলৰ ভিতৰত ঘাইকৈ শঙ্কৰদেৱ আৰু মাধৱদেৱক লৈ লিখা গ্ৰন্থখিনিকে সৰ্বসাধাৰণে গুৰু-চৰিত বা চৰিত পুথি বুলি জ্ঞান কৰে। পিছে, অসমত শঙ্কৰদেৱ-মাধৱদেৱক লৈ লিখা চৰিতৰ আহিঁত বাকী প্ৰধান গুৰুসকলৰ জীৱন-কাহিনী লিখাৰ ধাৰা এটি সৃষ্টি হৈ চৰিত পুথিৰ ভঁৰালটি চহকী কৰি তুলিলে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শঙ্কৰদেৱ-মাধৱদেৱ প্ৰমুখ্যে গুৰুসকলৰ জীৱিত কালত চৰিত পুথি লিখা হোৱা নাছিল। মহাপুৰুষ শঙ্কৰদেৱৰ তিৰোভাৱৰ কমেও পঞ্চাছ বছৰ মানৰ পিছৰ পৰাহে, অৰ্থাৎ সোতৰ শতিকাৰ আগভাগৰ পৰাহে চৰিত পুথি ৰচিত হোৱা বুলি ঠাৱৰ কৰিব পাৰি। যদিও ৰামচৰণ ঠাকুৰে লিখা চৰিতখনিকে প্ৰথম বুলি অনেকে ক'ব খোজে, পিছে অন্তৰ সাক্ষ্যই প্ৰমাণ কৰে যে সেই পুথি ৰামচৰণ ঠাকুৰৰ

নামত পিছত লিখা হৈছে। ড° মালাকাৰে সেই কথাও সঠিকভাৱেই আঙুলিয়াই দিছে। অৱশ্যে শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছতে চৰিত পুথি কোনেও নিলিখিলেও ভক্তিভাৱে তিৰোভাৱ তিথি পালনৰ সময়ৰ পৰা মহাপুৰুষগৰাকীৰ গুণানুকীৰ্তন কৰি চৰিত তোলা প্ৰথা এটি প্ৰৱৰ্তিত হ'বলৈ আৰম্ভ কৰে। এক প্ৰকাৰ চৰিত পুথি ৰচনাৰো সেয়ে আৰম্ভণি বুলিব পাৰি। গুৰুচৰিত-কথাৰ বীজটিও এই চৰিত তোলা প্ৰথাৰ মাজতে পোত গৈ আছে। পিছলৈ সংহতি-বিভাজনৰ ফলত, তদুপৰি বংগ দেশৰ শাক্ত গুৰু কৃষ্ণৰাম ভট্টাচাৰ্যৰ আগমনৰ পিছত অবৈষ্ণৱ পূজা-পাতলেও কোনো কোনো ক্ষেত্ৰত বৈষ্ণৱ মাৰ্গৰ সত্ৰৰো অনুমোদন লাভ কৰাৰ ফলত সংহতিসমূহৰ মাজতো দুৰত্ব সৃষ্টি নোহোৱাকৈ নাথাকিল। আনকি কোনো কোনো ক্ষেত্ৰত ব্ৰাহ্মণ-অব্ৰাহ্মণৰ বংগমূলীয় ধাৰণাটিও সোমাই আহিবলৈ যত্ন কৰিলে। ইয়াৰ প্ৰভাৱ চৰিত পুথি ৰচনাতো আহি পৰিলহি। এনেবোৰ চৰিত পুথিক পণ্ডিত ড° মহেশ্বৰ নেওগে গ্লানিকৰ চৰিত বুলি কৈছে। এনে গ্লানিকৰ চৰিতৰ নীৰৱ সুঁতি এটি এতিয়াও বৈ থকাৰ উমান পোৱা যায়। এই বিষয়টোৰ গুৰুত্ব ইয়াতেই যে এনে চৰিত পুথিয়েও কিন্তু অসমৰ ধৰ্মীয় সামাজিক দ্বন্দ্বৰ ইতিহাস এটিৰ পৰিচয় ধৰি ৰাখিছে।

চৰিত পুথিসমূহত গুৰুক ঈশ্বৰৰ অৱতাৰ স্বৰূপে দাঙি ধৰাৰ প্ৰৱণতা এটা আছে। এই প্ৰৱণতা পৃথিৱীৰ সকলো দেশৰ আৰু সকলো কালৰ গুৰুসকলৰ জীৱনী ৰচনাৰ মাজত দেখা যায়। ভাৰতবৰ্ষতো গুৰুক ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ বুলিয়েই ক্ষান্ত হোৱা নাই, বৰং গুৰুদেৱ পৰম ব্ৰহ্ম তস্মৈ শ্ৰীগুৰৱে নমঃ বুলি নমস্কাৰ কৰিছে। সন্তসকলৰ অলৌকিক শক্তি আৰু প্ৰতিভা প্ৰকাশৰ বাবে ঈশ্বৰত্ব আৰোপ কৰাৰ ফলত এনে জীৱন-চৰিত্ৰসমূহ (Hagiography বা Hagiographical writings)ক ঐতিহাসিক গুৰুত্ব দিবলৈ অনেকেই স্বাভাৱিকতে টান পাইছিল। এতিয়া এনে দৃষ্টিভংগীৰ সলনি ঘটিছে। বৰং অলৌকিকত্বৰ আৱৰণ আঁতৰাই তাৰ তলত ঢাক খাই থকা সত্যৰ অন্বেষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেই সত্য সামাজিক হ'ব পাৰে, সাংস্কৃতিক হ'ব পাৰে, আধ্যাত্মিক হ'ব পাৰে, মানসিক বা বৌদ্ধিক হ'ব পাৰে ইত্যাদি বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। আনকি ড° মহেশ্বৰ নেওগে কোৱা গ্লানিকৰ চৰিতসমূহৰ মাজতো সামাজিক-মনস্তাত্ত্বিক কাৰণ নিশ্চয় লুকাই আছে।

সোতৰ শতিকাৰ পৰা লিখা হ'লেও চৰিত পুথিসমূহত অসমৰ মধ্যযুগৰ শঙ্কৰদেৱৰ সমকালীন আৰু শঙ্কৰোত্তৰ কালৰ ধৰ্মীয় তথা সামাজিক-সাংস্কৃতিক মূল্যবোধ সমন্বিতে একোখন ছবি আমি পাওঁ। আনকি সমকালীন ৰাজনৈতিক ঘটনাৰ তথ্যও পোৱা যায়। ড° বিপুল মালাকাৰে তেওঁৰ এই গ্ৰন্থখনিত এনে প্ৰায় সকলো



দিশৰ এক শৃংখলাবদ্ধ অধ্যয়ন উপস্থাপন কৰিছে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পূৰ্বপুৰুষৰ পৰিচয়ৰ পৰা আৰম্ভ কৰি দুয়োগৰাকী সন্তৰ জীৱনৰ কিছু গুৰুত্বপূৰ্ণ বিষয়ৰ বিচাৰেৰে অধ্যয়নৰ ভেটিটি প্ৰতিষ্ঠা কৰি লৈ মালাকাৰে চৰিত পুথিত সিঁচৰতি হৈ থকা তথ্যৰ অনুসন্ধানেৰে সমকালীন অসমৰ সামাজিক ৰীতি-নীতি আৰু সংস্কাৰৰ, দৈনন্দিন জীৱনচৰ্যাৰ, বিভিন্ন শিল্প কলা চৰ্চাৰ এখনি তথ্য-সমৃদ্ধ ছবিৰ পৰিচয় দাঙি ধৰিছে। ইয়াৰ লগতে মহাপুৰুষীয়া ধৰ্ম আৰু সংস্কৃতিৰ বিকাশ আৰু সমকালীন ৰাজনৈতিক ঘাত-প্ৰতিঘাতৰ তথ্যৰ আভাসো তেওঁ দান কৰিছে। ইতিপূৰ্বে গুৰুচৰিত-সম্পৰ্কে কিছু অধ্যয়ন হৈছে। ড° বিপুল মালাকাৰৰ এই অধ্যয়নে গুৰুচৰিত অধ্যয়নক এটা নতুন মাত্ৰা দিছে বিশেষকৈ উল্লিখিত বিষয়সমূহ স্পষ্টকৈ দাঙি ধৰি। মই তাৰ বাবে ড° মালাকাৰক অভিনন্দন জনাইছোঁ। ড° মালাকাৰে উত্থাপন কৰা বিষয়বোৰে নিশ্চয় বিস্তৃত অধ্যয়নৰ বাট কাটি দিছে। কোনো কোনো বিষয়ে, যেনে শঙ্কৰদেৱে চৈতন্যদেৱক লগ পাইছিল নে নাই, শঙ্কৰদেৱৰ জন্মৰ তাৰিখ আৰু তিথি আদিয়ে নিশ্চয় লেখকৰ নিজস্ব মত আৰু সিদ্ধান্ত বিচাৰে। মই আশা কৰোঁ, ড° মালাকাৰে নিজৰ গ্ৰন্থত দাঙি ধৰা বিষয় যিবিলাকে যেনে ব্যাখ্যা বা বিচাৰ দাবী কৰে, তেনে ব্যাখ্যা বা বিচাৰেৰে নতুন অধ্যয়ন ভৱিষ্যতে নিশ্চয় কৰিব। ড° মালাকাৰৰ এই পুথিখনে অধ্যয়নৰ যিটি বাট কাটি দিছে, সেই বাট প্ৰশস্ত কৰাৰ দায়িত্ব অৱশ্যেই কেৱল মালাকাৰৰে নহয়, অনুৰাগী অনুসন্ধিৎসুসকলৰো সেই দায়িত্ব আছে বুলিও মই অনুভৱ কৰোঁ। ড° মালাকাৰৰ অধ্যয়নৰ যাত্ৰা অব্যাহত থাকক। চৰৈৱেতি চৰৈৱেতি।

১১ ডিচেম্বৰ, ২০০৯

(নগেন শইকীয়া)

# বাটচ'ৰাত একাষাৰ

চৰিত পুথি অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এটি বিশিষ্ট আংগিক আৰু অসমৰ ভক্তিজাগৰণৰ এক অন্যতম সুকৃতি। তদুপৰি সত্ৰ বিশেষে চৰিত চৰ্চা এটি পৰিৱেশ্য পৰম্পৰা (performance tradition) ৰূপেও প্ৰবাহিত হৈ আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত শ্ৰীশ্ৰীমাধৱদেৱে বৰপেটাত 'গুৰুজনৰ চৰিতকথা চৰ্চন' কৰাৰপৰা আৰম্ভ কৰি ওঠৰ শতিকাৰ সামৰণি পৰ্বলৈকে অসমৰ মহাপুৰুষানুবৰ্তী সমাজত ভিন ভিন তৰহৰ চৰিতৰ চৰ্চা আৰু ৰচনা কথা আৰু কাব্যৰ ৰূপত চলোতে সেই চৰিতসমূহে গুৰুপৰম্পৰাৰ সন্তসকলৰ জীৱনকথাক আধ্যাত্মিক সাধনৰ দৃষ্টিৰে চোৱাৰ উপৰিও সিসকলৰ জীৱন আৰু কৰ্মৰ চাৰিওকাষৰ সামাজিক সংঘটনসমূহৰ অংশবিশেষো তুলি ধৰিছিল। গতিকে সাহিত্য কৰ্মৰূপে চৰিতসমূহ অসমীয়া সাহিত্যৰ এটা বিশিষ্টধাৰা আৰু অসমীয়া জীৱনী সাহিত্যৰো প্ৰাৰম্ভিক স্তৰ হোৱাৰ উপৰি চৰিতসমূহ অসমৰ সামাজিক ইতিহাস (social history) ৰচনাৰো এটা স্তৰ বুলি ক'ব পাৰি। ৰাজ আনুগত্যৰে ৰচিত বুৰঞ্জীসমূহত ৰাজকীয় জীৱন আৰু ৰাজভগনৰ খুঁটিনাটি চিত্ৰিত হোৱাৰ সলনি চৰিত্ৰসমূহত সমসাময়িক সমাজ, পূৰ্বাপৰ ৰীতি-নীতি, সামাজিক সংস্কাৰ আৰু ঘটনাপ্ৰবাহ আপোনা-আপুনি আহি থিত লৈ সেইবোৰক অধিক প্ৰাণৱন্ত আৰু প্ৰতিনিধিত্বমূলক কৰি তুলিছে। এইবোৰ দিশৰপৰাই চৰিতসমূহৰ সোঁৱে-বাঁৱে আৰু তলে-ওপৰে

ফঁহিয়াই চোৱাৰ অৱকাশ আছে। তেনেদৰে আছে চৰিতসমূহে তুলিধৰা দুই শতিকাৰো ওপৰ কালজোৰা অসমৰ সামাজিক-সাংস্কৃতিক জীৱনধাৰা অধ্যয়নৰ অৱকাশ।

এনে এক দৃষ্টিকোণ লৈয়েই সম্প্ৰতি নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ শিক্ষক ড° বিপুল মালাকাৰ চৰিত পুথি বিষয়ক অধ্যয়নত বহিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত শিক্ষকতাৰ কালত আমাৰ তত্ত্বাৱধানত। তেওঁৰ কষ্টসাধ্য যাত্ৰাৰ সুফলক এই গ্ৰন্থই অসমৰ সাহিত্য-সংস্কৃতি অনুৰাগী সুধীজনৰ আগত তুলি ধৰিছে। ড° মালাকাৰৰ গৱেষণাৰ অভিজ্ঞতা আৰু সমলেই এই অধ্যয়ন পথৰ শেষ কথা নহয় বা গৱেষকে তেনে দাবীও কৰা নাই। সময়ৰ লগে লগে ক'ৰবাত অপ্ৰকাশিত হৈ লুকাই থকা নতুন চৰিতবো সন্ধান ওলাব পাৰে অথবা সাহিত্য-সংস্কৃতিতত্ত্বৰ পৰিৱৰ্তনশীল তত্ত্বান্বেষণেৰে এইবোৰ চৰিতৰ নতুন মূল্যায়নো হ'ব পাৰে। কিন্তু চৰিত অধ্যয়নক ড° মালাকাৰৰ গৱেষণাপ্ৰসূত এই গ্ৰন্থই এঢাপ আগুৱাই দিছে। সিয়েই সন্তোষৰ বিষয়। নিষ্ঠাৰে সৈতে কৰা তেওঁৰ এই সাধুকৰ্মৰ বাটচ'ৰাতে দুআষাৰ ক'বলৈ পাই নিজেও আনন্দিত হৈছোঁ আৰু সেই আনন্দবোধেৰে সুধী পাঠকসমাজক গ্ৰন্থখনৰ ভিতৰ চ'ৰালৈ আগবঢ়াই দিছোঁ।

(প্ৰদীপজ্যোতি মহন্ত)

সংস্কৃতি অধ্যয়ন বিভাগ
তেজপুৰ বিশ্ববিদ্যালয়

## লেখকৰ একাষাৰ

চৰিত পুথিৰ প্ৰতি মোহ জাগিছিল স্নাতক পৰ্যায়ৰ পৰাই। এই মোহৰ বশৱৰ্তী হৈয়ে পৰৱৰ্তী সময়ত গৱেষণা কৰ্মত আগ বাঢ়ো। অসমৰ চৰিত পুথিৰ পৰম্পৰাৰ মাজেদি প্ৰতিফলিত অসমীয়া জীৱন আৰু সংস্কৃতি শীৰ্ষক বিষয়ত গুৱাহাটী বিশ্বাবিদ্যালয়ে ২০০৬ চনৰ জুন মাহত মোক পি. এইচ. ডি. উপাধি প্ৰদান কৰে। গৱেষণা গ্ৰন্থৰ মৌখিক পৰীক্ষাৰ বিশেষজ্ঞ তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, বিশিষ্ট লোকসংস্কৃতিবিদ, সাহিত্যিক, সমালোচক শ্ৰদ্ধেয় ড° বীৰেন্দ্ৰ নাথ দত্ত ছাৰৰ পৰামৰ্শ অনুসৰি মূল গৱেষণা গ্ৰন্থৰ কিছু বঢ়া-টুটা কৰি আংগিক ন-সাজ (সাতটা অধ্যায়ৰ সলনি চৈধ্যটা অধ্যায়)ত সজোৱা হৈছে। ছাৰৰ ওচৰত মই কৃতজ্ঞ।

গৱেষণা গ্ৰন্থৰ নিৰীক্ষক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, মিত-ভাষৰ স্ৰষ্টা বিশিষ্ট সাহিত্যিক, সমালোচক, শ্ৰদ্ধেয় ড° নগেন শইকীয়া ছাৰে আগকথা লিখি নৈৰ বালি ধুই সোণৰ কণিকা বাচি দি গ্ৰন্থখনৰ মৰ্য্দা দুগুণে বঢ়াইছে। ছাৰৰ ওচৰত মই চিৰ ঋণী হৈ ৰ'লো।

গ্ৰন্থ প্ৰকাশৰ আঁৰত আছে মোৰ গৱেষণা কৰ্মৰ তত্ত্বাৱধায়ক তথা শিক্ষাগুৰু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তদনীনন্তন ৰীডাৰ, বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ অধ্যাপক ড° প্ৰদীপজ্যোতি মহন্ত ছাৰৰ তাগিদা আৰু সকীয়নি। ছাৰে বাটচ'ৰাতে একাষৰ লিখি

গ্ৰন্থখন সোণত সুৱগা চৰাইছে। ছাৰৰ ওচৰতো মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

কৃতজ্ঞতা যাচিলোঁ মিনতি চৌধুৰী, অপূৰ্ব শৰ্মা, ড° ৰাজেন শইকীয়া, থানেশ্বৰ মালাকাৰ, পাবাৰাম বৰা, বাসন্তি বৰা, দীপক দা, জয়ন্ত, ভাইটি নাৰায়ন আৰু মনোজলৈ।

পাণ্ডুলিপি ছপোশালিলৈ নিয়া ভাতৃপ্ৰতীম হেমন্ত কুমাৰ বৰা, মনোজ ৰাজকুমাৰ আৰু ক্ৰান্তিকাল প্ৰকাশৰ স্বত্বাধিকাৰী কৈলাস কুমাৰ ৰাজখোৱাৰ মহানুভৱতাৰ বাবেই ছপা আখৰৰ মুখ দেখিলে। দুয়োজনৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

গৱেষণা গ্ৰন্থখন কিতাপ আকাৰে প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিবলৈ সকলো সময়তে প্ৰেৰণা যোগাই অহা সহধৰ্মিনী নিৰ্মালি বৰা মালাকাৰৰ শলাগ নলৈ নোৱাৰিলোঁ। গ্ৰন্থখনৰ লগত লাগি থাকিবলৈ সময় দিয়া বাবে পুত্ৰ নিয়ৰলৈ থাকিল ধন্যবাদ।

গ্ৰন্থ এখনৰ জন্ম যন্ত্ৰণা প্ৰসৱ বেদনাৰ দৰে। গতিকে, পাঠকসকলে পুথিখনৰ আদৰ কৰিলে আৰু বিশিষ্টসকলে দোষ-ত্ৰুটি আঙুলিয়াই গঠনমূলক দিহা-পৰামৰ্শ দিলে কৃতাৰ্থ মানিম।

২৮ ডিচেম্বৰ, ২০০৯
হাজো, বৰদধি

শ্ৰদ্ধাৰে —
বিপুল মালাকাৰ

## প্ৰাক্-কথন

সমাজ জীৱনৰ লগত সাহিত্যৰ সম্পৰ্ক অতি নিবিড়। এটা আনটোৰ পৰিপূৰক। বিশ্বৰ সকলো সাহিত্যতে মানৱ জীৱনৰ ছাঁ প্ৰতিফলিত হোৱাৰ দৰে অসমীয়া সাহিত্যতো প্ৰাচীন কালৰপৰাই অসমীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজপাৰ-বাসস্থান, যাতায়ত তথা দৈনন্দিন জীৱনচৰ্যাৰ প্ৰকাশ ঘটিছে। প্ৰাচীন সাহিত্যত মানুহৰ জীৱন ধাৰণ প্ৰণালী কেনেদৰে প্ৰতিফলিত হৈ আছে সেয়া বিচাৰ্য বিষয়।

অনাক্ষৰী জনসাধাৰণৰ মুখে মুখে চলি অহা লোকসাহিত্যৰ সময়ৰপৰাই সিবোৰৰ মাজত অসমীয়া সমাজ জীৱনৰ সম্যক ছবি অংকিত হৈ আহিছে যদিও প্ৰকৃতাৰ্থত বৈষ্ণৱ যুগৰপৰাই অসমীয়া সাহিত্যত মানৱ জীৱনৰ ৰূপৰ উপৰি সমসাময়িক জীৱনৰ ছবি তুলি ধৰাৰ প্ৰচেষ্টা বিদ্যমান। শংকৰোত্তৰ অসমীয়া বৈষ্ণৱ সাহিত্যই অসমীয়া সাহিত্যৰ এটি প্ৰধান অংশ জুৰি আছে। শঙ্কৰ-মাধৱৰ পৰৱৰ্তী কালত সত্ৰ-সংস্কৃতিক কেন্দ্ৰ কৰি ৰচিত চৰিত পুথিসমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদেই নহয়; বৰং এইবোৰ অসমীয়া জাতীয় জীৱনৰ দলিল স্বৰূপ। অমূল্য এই জাতীয় সম্পদ ৰাশিৰ যথাযথ আলচ আৰু নৱমূল্যায়নৰ দ্বাৰা জাতীয় ভাব আৰু জাতীয় সাহিত্যৰ স্বৰূপ উদ্‌ঘাটিত হোৱাৰ পথ সুচল হ'ব। এই পুথিবোৰত গুৰুসকলৰ জীৱনপঞ্জী তথা কাৰ্যাৱলী নিহিত হৈ থকাৰ উপৰি সেই সময়ৰ অসমৰ ভৌগোলিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ পৰিচয়

ড) শৰণ প্ৰসংগ /৬৭
ঢ) শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ /৬৭
ণ) বিষ্ণু মূৰ্তি স্থাপন /৬৮

অষ্টম অধ্যায় ঃ অসমৰ চৰিত পুথিত চিত্ৰিত সামাজিক ৰীতি-নীতি আৰু সংস্কাৰৰ ছবি /৬৯-১০৯
ক) জন্ম-মৃত্যুৰ সংস্কাৰ /৬৯
খ) বৈবাহিক জীৱন /৮১
গ) পঞ্চামৃত/৮৬
ঘ) বৈধব্যৰ প্ৰকাশ/৮৭
ঙ) অতিথি পৰায়ণতা/৮৮
চ) সুহৃদয়ৰ অসহৃদয়তা/৯০
ছ) মুহুৰ্দি/৯০
জ) দাঁত-খৰিকোৰা/৯১
ঝ) শৌচাদি কৰ্মৰ অন্তত সংস্কাৰৰ নিয়ম/৯২
ঞ) অশুচি/৯২
ট) উপবাস/৯২
ঠ) মহাপুৰুষীয়া ধৰ্মত সিধা আৰু ইয়াৰ প্ৰচলন/৯৩
ড) মহাপুৰুষীয়া ধৰ্মত শৰণ ৰীতিৰ গুৰুত্ব আৰু প্ৰচলন/৯৪
ঢ) বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান প্ৰদৰ্শন/৯৫
ণ) পদধূলি/৯৭
ত) বাব্‌দাদিয়া বা পাতিলোৰা/৯৭
থ) পোষ্য পুত্ৰ/৯৮
দ) সন্তান হীনতা/৯৮
ধ) পতি পৰায়ণতা/৯৯
ন) পৰদাৰাগমন/৯৯
প) যৌন জীৱনৰ চিত্ৰ/৯৯
ফ) ঋতুস্ৰাৱ/১০০
ব) সন্দেহ/১০০
ভ) শুভ কৰ্মৰ শুভাৱন্ত/১০১
ম) বৃত্তি অনুযায়ী ঠাইৰ নাম/১০১
য) বিহুৱান/১০১
ৰ) দান-দক্ষিণা/১০২
ল) জাত-পাতৰ বিচাৰ/১০২
ৱ) অন্ধবিশ্বাস/১০৪
শ) লোক নিন্দা/১০৪
ষ) লোক বিশ্বাস/১০৫
স) গো-হত্যা/১০৭
হ) নৰ-হত্যা/১০৭
ক্ষ) জৰা-ফুঁকা/১০৮
ড়) দেৱতা-অপদেৱতা/১০৮
ঢ়) আশীৰ্বাদ/১০৯

নৱম অধ্যায় ঃ অসমৰ চৰিত পুথিত চিত্ৰিত দৈনন্দিন জীৱন-চৰ্যা/১১০-১৪০
ক) জীৱিকা/১১০
খ) দাস প্ৰথা/১২৩
গ) খাদ্যাদিৰ প্ৰকাশ/১২৪
ঘ) বাসগৃহ/১৩৩
ঙ) বাচন-বৰ্তন/১৩৪
চ) সাজপাৰ/১৩৫
ছ) আ-অলংকাৰ/১৩৫
জ) জীৱ-জন্তু/১৩৬
ঝ) বেমাৰ-আজাৰ /১৩৭
ঞ) যাতায়ত/১৩৮

দশম অধ্যায় ঃ অসমৰ চৰিত পুথিত চিত্ৰিত ৰাজনীতি ঃ সম্প্ৰীতি আৰু সংঘাত/১৪১-১৫৩

একাদশ অধ্যায় ঃ অসমৰ চৰিত পুথিত চিত্ৰিত মহাপুৰুষীয়া ধৰ্ম আৰু সংস্কৃতিৰ ক্ৰমবিকাশৰ ছবি/১৫৪-১৭১

দ্বাদশ অধ্যায় ঃ অসমৰ চৰিত পুথিত প্ৰতিফলিত কলা-চৰ্চাৰ প্ৰসংগ/১৭২-১৮৫
ক) চিহ্নযাত্ৰা/১৭২
খ) ভাওনা/১৭৩
গ) ছোঁ/১৭৪
ঘ) ছোঁ-ঘৰ/১৭৪
ঙ) মুখা/১৭৪

চ) যাত্ৰা/১৭৫
ছ) বাদ্য/১৭৬
জ) ৰামযাত্ৰা/১৭৭
ঝ) দৌল উৎসৱ/১৭৭
ঞ) পুতলা নাচ/১৭৮
ট) ওজাপালি/১৭৯
ঠ) ঢুলীয়া/১৮০
ড) গায়ন-বায়ন/১৮০
ঢ) পাঠক/১৮১
ণ) নৃত্য/১৮২
ত) গীত/১৮২
থ) ভটিমা/১৮৪
ত্ৰয়োদশ অধ্যায়ঃ অসমৰ চৰিত পুথিত প্ৰতিফলিত শিক্ষা, সপোন আৰু অলৌকিকতা /১৮৬
ক) শিক্ষা/১৮৬
খ) সপোন/১৮৯
গ) অলৌকিকতা/১৯৪

চতুৰ্দশ অধ্যায় ঃ উপসংহাৰ /১৯৯-২০৩
গ্ৰন্থপঞ্জী /২০৪-২১৪
পৰিশিষ্ট ঃ চৰিত পুথিৰ ছাঁ-পোহৰত বৈষ্ণৱী তত্ত্ব-সঁফুৰা/২১৫-২২১
শব্দসূচী/২২২-২৩৯

## প্ৰথম অধ্যায়

# অসমৰ নৱ-বৈষ্ণৱ জাগৰণ ঃ এটি ভূমিকা

বৈষ্ণৱ ধৰ্মৰ ইতিহাস সুপ্ৰাচীন আৰু সুদূৰপ্ৰসাৰী। খ্ৰীষ্টপূৰ্ব কালতে প্ৰাচীন কামৰূপৰ সৈতে হিন্দু ধৰ্মৰ সম্পৰ্ক ঘটিছিল। ভাৰতীয় সাহিত্যত বৈদিক যুগতেই হিন্দু ধৰ্মৰ দৰ্শন স্পষ্ট। হিন্দু ধৰ্মৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধাৰা অসমীয়া সাহিত্যত প্ৰাচীন কালৰেপৰা অতি ঘনিষ্ঠ। "মধ্যযুগীয় কামৰূপ অসমৰ অঞ্চলভেদে বিভিন্ন ধৰ্মৰ চলতি আছিল যদিও শাক্ত, শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰাদুৰ্ভাৱ বেছি আছিল।"[১] খ্ৰীষ্টীয় ৪ৰ্থ আৰু ৫ম শতিকাত শক্তি উপাসনাই কামৰূপত জনপ্ৰিয়তা লাভ কৰিছিল; যাৰ ফলস্বৰূপে যোগিনীতন্ত্ৰমত "অন্যত্ৰ বিৰলা দেৱী কাম ৰূপে গৃহে গৃহে"[২] বুলি কোৱা হৈছিল। পূৰ্বৰ এক শক্তি বা দেৱীক সতী, দুৰ্গা, কামাখ্যা, পাৰ্বতী, কেঁচাইখাইতী, উগ্ৰতাৰা, তাম্ৰেশ্বৰী আদি অনেক ৰূপত পোৱা গৈছিল। জনজাতীয় জীৱনধাৰা আৰু উপাসনা পদ্ধতি, বজ্ৰযানী বৌদ্ধ পৰম্পৰা, শৈৱ পৰম্পৰাৰ লগতে শাক্ত পৰম্পৰাৰ সংযোগত গঢ় লোৱা তন্ত্ৰ শাস্ত্ৰ, তান্ত্ৰিক আচাৰ পদ্ধতিয়ে কালক্ৰমত শক্তি আৰাধনাৰ প্ৰাধান্য বঢ়াইছিল।

খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ কবি মাধৱ কন্দলিয়ে তেওঁৰ ৰামায়ণত মহাষ্টমীত দেৱীলৈ আগবঢ়োৱা বলিৰ ছাগলীৰ প্ৰসংগৰ উল্লেখে সেই সময়ত দুৰ্গা পূজাৰ বহুল প্ৰচলনৰ ইংগিত দিয়ে —

> সুহৃদত তোহোৰ গুছিল অনুৰাগ।
> আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।।[৩]

অসম-কামৰূপ-বেহাৰত নৱ-বৈষ্ণৱ ধৰ্মৰ জোৱাৰ তোলোঁতা শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব পুৰুষেও শক্তি উপাসনা কৰাৰ কথা চৰিত পুথিত পোৱা যায় — "দুৰ্গাক

---

১। পৰীক্ষিত হাজৰিকা, *আলোচনা সাহিত্য*, পৃ ঃ ৫৭
২। চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য দলৈ (সানুবাদম), *যোগিনীতন্ত্ৰম*, পৃ ঃ ৪২৭
৩। কনক চন্দ্ৰ শৰ্মা (সম্পাঃ), *মাধৱ কন্দলি ৰামায়ণ*, পৃ ঃ ১২৯

সাক্ষাত কৰে পূজাত (চণ্ডীবৰে)"[৪] তদুপৰি—

ই দেশত পূৰ্ব্বকালে নাছিল ভকতি।
নানা ধৰ্ম্ম কৰ্ম্ম লোকে কৰিল সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ পাৰ কাটে সহস্ৰ প্ৰমান।।[৫]

শাক্ত ধৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ অভ্যুদয়ৰ সময়তো শৈৱ ধৰ্ম প্ৰাচীন কামৰূপত চলি আছিল। কালিকাপুৰাণত বৰ্ণিত মতে নৰক ৰজাক প্ৰাগ্‌জ্যোতিষপুৰত কামাখ্যা দেৱীক পূজা কৰিবলৈ বিষ্ণুৱে আদেশ দিয়াৰ লগে লগে সেই সময়ৰ শৈৱসকলক নৰকে প্ৰাগ্‌জ্যোতিষপুৰৰপৰা খেদি পঠায় আৰু শাক্ত ধৰ্ম প্ৰচাৰত গুৰুত্ব দিয়ে।[৬]

বৰ্তমানলৈকে প্ৰাপ্ত তামৰ ফলি; বিশেষকৈ সপ্তম শতিকাৰ ভাস্কৰ বৰ্মাৰ নিধনপুৰৰ তামৰ ফলি,[৭] নৱম শতিকাৰ বনমালদেৱৰ ফলি[৮] আৰু একাদশ শতিকাৰ ইন্দ্ৰপালৰ [৯] ফলিত শিৱৰ উল্লেখ পোৱা যায়। প্ৰাক্-আহোম কালত কামৰূপত,

৪। মহেশ্বৰ নেওগ (সম্পাঃ) :*গুৰু-চৰিত-কথা*, পৃ ঃ ৮
৫। দৈত্যাৰি ঠাকুৰ *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত*, পৃ ঃ ২
৬। "নিমজ্যাক্ষন মাত্ৰেণ প্ৰাগ্‌জ্যোতিষ পুৰং গতঃ মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা।।
স চ দেশঃ স্ব ৰাজ্যাৰ্থে পূৰ্ব্বং গুপ্তশ্চ শম্ভুনা।।" *কালিকাপুৰাণ*, ৩৮। ৯৫-৯৬
৭। "ওঁ প্ৰণম্য দেৱং শশিশেখৰ (ং) প্ৰিয়ং
পিনাকিনং ভস্মকণৈৰ্বিভূষিতং"
"ভস্মেৰে বিভূষিত ইষ্টদেৱ শশীশেখৰ
পিনাকী মহাদেৱক প্ৰণাম কৰি"
*ডিম্বেশ্বৰ শৰ্মা (সম্পাঃ), কামৰূপ শাসনাৱলী*, 'ভাস্কৰ বৰ্মাৰ নিধনপুৰৰ তামৰ ফলি', পৃঃ ২০
৮। "স পুনাতু পিনাকীৱো যচ্ছীৰ্ষে স্বৰ্ধুনী জলম্
কীৰ্ণং ৰেচক বাতেন তাৰকা প্ৰকৰায়িতং।।"
"যাৰ শিৰত থকা গংগাজলে ৰেচক বায়ুৰ দ্বাৰা বিক্ষিপ্ত হৈ তাৰকাসমূহৰ সৌন্দৰ্য্য ধাৰণ কৰিছে সেই পিনাকীধাৰী মহাদেৱে আপোনালোকক পৱিত্ৰ কৰক।"
*পূৰ্বোক্ত গ্ৰন্থ*, 'বনমালদেৱৰ তেজপুৰ তাম্ৰশাসন', পৃঃ ৪৪
৯। " স্বস্তি। খটাঙ্গ(ং) পৰশুবৃষঃ শশিকলেত্যাদ্বিদীয়ংময়া
সৰ্বস্বংজিতমদ্য নাম কিতব প্ৰত্যৰ্পিতং তেপুনঃ।
প্ৰেষ্যা কেৱলমস্তু মে জলবহা গঙ্গেতি গৌৰীগিৰা
শম্ভোৰ্দ্যূতক লাজ্জিতস্য জয়তি ব্ৰীড়া কিনম্ৰং শিৱঃ।।"
-"স্বস্তি হে কিতৱ, তোমাৰ খট্টাঙ্গ, কুঠাৰ, বলদ, চন্দ্ৰকলা ইত্যাদি যথাসৰ্বস্ব আজি মই (জুৱাখেলত) জিকি লাভ কৰিছো, কিন্তু সেই সকলোবোৰ তোমাক আকৌ ওভতাই দিছো; কেৱল গংগা মোৰ পানী অনা দাসী হৈ থাকক - গৌৰীৰ এই বাক্যত দ্যূতকৌশলত পৰাজিত শিৱৰ লাজত দোঁখোৱা মুখটোৰ জয় হওঁক।"
*পূৰ্বোক্ত গ্ৰন্থ, ইন্দ্ৰপালৰ প্ৰথম তামৰ ফলি (গুৱাহাটী লিপি)*, পৃ ঃ ৯২



তেজপুৰৰ বিশ্বনাথৰ শিৱমন্দিৰ, গোলাঘাটৰ নেঘেৰিটিং শিৱমন্দিৰ, গুৱাহাটীৰ উমানন্দৰ শিৱমন্দিৰ নিৰ্মাণেই শৈৱ ধৰ্মৰ জনপ্ৰিয়তাৰ কথাকে সূচায়।

শঙ্কৰদেৱৰ আগৰ কালছোৱাতো শিৱকে 'শ্ৰেষ্ঠ' বুলি পূজা কৰিছিল—

নুপূজে হৰিক নকৰয় হৰি কৰ্ম্ম।
ভৈৰৱক পূজে মাত্ৰ বুলি শ্ৰেষ্ঠ ধৰ্ম্ম।[১০]

শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাই শিঙৰীৰ গোপেশ্বৰ মন্দিৰত শিৱক পূজা কৰি পুত্ৰ লাভ কৰিছিল কাৰণে পুত্ৰৰ নাম 'শংকৰ' ৰখা বুলি চৰিতসমূহে উল্লেখ কৰিছে- "শংকৰদাতা বৰ দেখি শংকৰ।"[১১] তদুপৰি দৈত্যাৰি ঠাকুৰৰ চৰিততো উল্লেখ আছে—

শংকৰৰ বৰত পুত্ৰক লভিলন্ত।
এতেকে শঙ্কৰৱৰ নামক থৈলন্ত।।[১২]

প্ৰাচীন কালৰপৰাই কামৰূপত শাক্ত আৰু শৈৱ পৰম্পৰা খ্ৰীষ্টীয় পঞ্চদশ শতিকালৈকে যথেষ্ট সবল আছিল যদিও পঞ্চদশ শতিকাত মহাপুৰুষ শঙ্কৰদেৱৰ বিশাল প্ৰতিভা আৰু যুগজয়ী সাংস্কৃতিক প্ৰমূল্যযুক্ত নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ ফলত শক্তি উপাসনা আৰু শৈৱ ধৰ্মৰ প্ৰভাৱ স্তিমিত হৈ আহিবলৈ ধৰিলে।

বৈষ্ণৱ ধৰ্মৰ মূল উপাস্য দেৱতা বিষ্ণুৰ উল্লেখ বৈদিক সাহিত্যতে পোৱা যায় যদিও, তেতিয়া ই এটা স্বতন্ত্ৰ ধাৰা ৰূপে পৰিগণিত হোৱা নাছিল। স্বতন্ত্ৰ আৰু এক প্ৰধান ধৰ্ম ধাৰা ৰূপে পৰিগণিত হয় খ্ৰীষ্টীয় পঞ্চম শতিকাৰ গুপ্ত ৰজাসকলৰ দিনৰপৰা। 'বিষ্ণু' শব্দই ব্যাপ্ত হৈ থকা শক্তিক বুজায়। বিষ্ণুক 'মোক্ষদাতা' বুলিও বিশ্বাস কৰা হয়। এই বিষ্ণু অৱতাৰভেদে নাৰায়ণ, বাসুদেৱ, ৰাম, কৃষ্ণ নামেৰে অভিহিত হ'ল। মহাভাৰতৰ সময়ত বিষ্ণু, নাৰায়ণ, বাসুদেৱ, গোবিন্দ, মাধৱ, কেশৱ আদি নানা নাম শ্ৰীকৃষ্ণত আৰোপিত কৰা দেখা যায়। বৈষ্ণৱ ধৰ্মত 'ৰাম' আৰু 'কৃষ্ণ' অভিন্ন। মাধৱ কন্দলিৰ ৰচনাতো ৰামৰ মাজত ঐশ্বৰিক ৰূপ প্ৰকাশিত হৈছে —

ৰাম ৰূপে অৱতাৰ ভৈলন্ত ঈশ্বৰ।[১৩]

ইয়াৰ উপৰি,

পৰম পুৰুষ হৰি লীলা নৰতনু ধৰি
ৰাম ৰূপে হুয়া অৱতাৰ।[১৪]

১০। ৰামানন্দ দ্বিজ *শ্ৰীগুৰু-চৰিত*, পৃঃ ৬
১১। মহেশ্বৰ নেওগ (সম্পাঃ) *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ১৭
১২। দৈত্যাৰি ঠাকুৰ *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৭
১৩। কনক চন্দ্ৰ শৰ্মা (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, আদিকাণ্ড, ২৩ অধ্যায়, পৃ ঃ৪২
১৪। *পূৰ্বোক্ত গ্ৰন্থ*, আদিকাণ্ড, ২৪ অধ্যায়, পৃ ঃ৪৪

তদুপৰি—

নমো নমো নাৰায়ণ চৰণত ধৰি।
দশৰথ গৃহে ৰাম ৰূপে অৱতৰি।।[১৫]

শংকৰদেৱে কীৰ্ত্তন-ঘোষা পুথিতো জাম্ববন্তৰ মুখেৰে ৰামে যে পৰৱৰ্তী কালত কৃষ্ণ ৰূপ লৈছিল সেই কথা 'স্যমন্তক হৰণ' অধ্যায়ত কৈছে —

আগে নিচিনিলো এবেসে জানিলো
তেন্তে তুমি ছিৰী ৰাম।[১৬]

কামৰূপ শাসনাৱলীৰপৰা জনা যায় যে অসমৰ বহুতো প্ৰাচীন ৰজা বৈষ্ণৱ ধৰ্মাৱলম্বী আছিল। দ্বাদশ শতিকাৰ ৰজা ধৰ্মপালৰ পুষ্পভদ্ৰা তাম্ৰশাসন আৰু পঞ্চদশ শতিকাৰ আদিভাগৰ স্বধয়াপুৰীৰ (উত্তৰ লক্ষীমপুৰ) ৰজা সত্যনাৰায়ণ-লক্ষ্মীনাৰায়ণৰ তাম্ৰশাসনত বৈষ্ণৱ ধৰ্মৰ অস্তিত্ব ভালকৈ অনুমান কৰিব পাৰি।[১৭] খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰপৰা খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ ভিতৰত তান্ত্ৰিক ৰূপত বিষ্ণু পূজাই প্ৰাধান্য লাভ কৰিছিল—

সদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, কামৰূপৰ কামাখ্যা আৰু জয়ন্তপুৰৰ
জয়ন্তাদেৱীৰ মন্দিৰ তান্ত্ৰিক সাধনাৰ কেন্দ্ৰস্বৰূপ হৈছিল।[১৮]

বৈষ্ণৱ ধৰ্মৰ বিকাশ তথা জনপ্ৰিয়তা খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰপৰাই হৈছিল বুলি ভাবিব পাৰি। ৰজা দুৰ্লভ নাৰায়ণৰ ৰাজ-পৃষ্ঠপোষকতাত হেম সৰস্বতীয়ে প্ৰহ্লাদ-চৰিত আৰু হৰিবৰ বিপ্ৰই অশ্বমেধ যজ্ঞ ৰচনা কৰাৰ পৰা ক'ব পাৰি যে বৈষ্ণৱ সাহিত্যৰ বিকাশত ৰজাঘৰেও গুৰুত্ব দিছিল।

খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পাচত শঙ্কৰদেৱৰ যোগেদি একেশ্বৰবাদী বৈষ্ণৱ ধৰ্মই সমকালীন সকলোবোৰ তান্ত্ৰিক ধৰ্মক ম্লান কৰি পেলাইছিল যদিও শঙ্কৰদেৱৰ সময়তো তান্ত্ৰিক বৈষ্ণৱ ধৰ্ম অন্তৰ্হিত হৈছিল বুলি ক'ব পৰা নাযায়। প্ৰাচীন কামৰূপত ধৰ্মৰ নামত অধৰ্ম আৰু অনৈতিকতা চলিছিল——

শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰা কাল আৰু তাৰ আগডোখৰতো আসামত তান্ত্ৰিক শাক্ত ধৰ্ম যে প্ৰচলিত আছিল সেইটো ভালকৈ জানিব পাৰি। তান্ত্ৰিক শাক্ত হিন্দু ধৰ্মই অসভ্য জাতিবোৰৰ জঘন্য

১৫। *পূৰ্বোক্ত গ্ৰন্থ*, আদিকাণ্ড, ২০ অধ্যায়, পৃ ঃ ৩৪
১৬। মহেশ্বৰ নেওগ (সম্পাঃ), *কীৰ্ত্তনঘোষা আৰু নামঘোষা*, স্যমন্তক হৰণ, পৃ ঃ ৩৮৯
১৭। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ ঃ ৯৯
১৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৯৮



ধৰ্ম প্ৰথাৰে সৈতে মিহলিকৈ অধোগতি প্ৰাপ্ত হৈ কালক্ৰমত জঘন্য আকাৰ ধৰিছিল।[১৯]

অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ বিপৰীতে অনেক তান্ত্ৰিক মতৰ প্ৰাধান্য আছিল। মধ্যযুগৰ অসমত ধৰ্ম প্ৰচাৰৰ প্ৰতিকূল পৰিস্থিতিত নৱ-বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল শংকৰদেৱে —

সেই কালত উত্তৰ ভাৰতত জন্ম পোৱা নৱ-বৈষ্ণৱ আন্দোলনৰ ( Neo-Vaishnavism) লগত শঙ্কৰদেৱৰ আগলৈকে অসমৰ কোনো সম্পৰ্ক নাছিল বা জনসাধাৰণৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কোনো চেষ্টা দেখা নাযায়, তাত সন্দেহ নাই।[২০]

শঙ্কৰদেৱৰ ভক্তি আন্দোলনক ' নৱ-বৈষ্ণৱ আন্দোলন' বুলিও কোৱা হয়। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত সমাজত নৈতিক, আধ্যাত্মিক আৰু মানৱীয় মূল্যবোধ নকৈ প্ৰতিষ্ঠিত হ'ল। ব্যায়বহুল কৰ্মকাণ্ড আৰু তান্ত্ৰিক ক্ৰিয়া-কাণ্ডৰ পৰিৱৰ্তে নৱধা ভক্তিৰ মাধ্যমত জটিলতা বিহীন ভগৱৎ উপাসনা পদ্ধতি ৰচিত হ'ল। সত্য, দয়া, প্ৰেম, অহিংসা, পৰোপকাৰ আদি নৈতিক গুণসমূহে সমাজত আগস্থান পালে। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত সংস্কৃত ভাষাৰ ধৰ্মীয় গ্ৰন্থসমূহ প্ৰান্তীয় ভাষালৈ অনুদিত হোৱাত শাস্ত্ৰজ্ঞানৰ যোগেদি বৌদ্ধিক তথা সাংস্কৃতিক বিকাশৰ পথো মুকলি হ'ল।[২১]

বৈষ্ণৱ ধৰ্ম হ'ল ভক্তি ধৰ্ম। আন্তৰিক পৰিশুদ্ধতা তথা ভগৱৎ ভক্তি এই ধৰ্মৰ ঘাই ভেটি। সেয়ে ভক্তি ধৰ্ম গ্ৰহণৰ ক্ষেত্ৰত পাত্ৰাপাত্ৰৰ বিচাৰ নাই। সকলোৱে শুচি সংযত হৈ জাতি-বৰ্ণ নিৰ্বিশেষে এই ধৰ্ম আচৰণ কৰিব পাৰে। শংকৰদেৱে এই ভক্তি আন্দোলনৰ জৰিয়তে পাঁচশ বছৰ আগতেই এক নতুন জনজীৱনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সত্ৰসমূহত পৰিৱেশিত হোৱা গীত, বাদ্য, নৃত্য আৰু নাটে জনগণক একত্ৰিত কৰিলে। সত্য-শিৱ-সুন্দৰ সনাতনৰ সান্নিধ্য লাভৰ কেন্দ্ৰ হৈ পৰিল কীৰ্তনঘৰ আৰু মণিকূটসমূহ। নাট-ভাওনাৰ বাহিৰেও কীৰ্তনঘৰত পুৱাৰ গীত, নাম-কীৰ্তন, গায়ন-বায়নৰ সেৱা-কীৰ্তন, ঘোষা-কীৰ্তন আদি বিভিন্ন নিত্য-নৈমিত্তিক কীৰ্তনে জনগণক এক কৰি তুলিলে। তেওঁৰ পূৰ্বসুৰীসকলে একেবাৰে স্পৰ্শ নকৰা এটা সামাজিক দিশ শংকৰদেৱে জুকিয়াই চাইছিল, সেই কথাটোৱে তেওঁৰ সমগ্ৰ সাধনাক এক নতুনত্ব

১৯। লক্ষ্মীনাথ বেজবৰুৱা, *শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ* ,পৃ ঃ৫৪
২০। ডিম্বেশ্বৰ নেওগ, *বৈষ্ণৱ ধৰ্মৰ আঁতি-গুৰি*, পৃ ঃ ৮
২১। পীতাম্বৰ দেৱগোস্বামী, *সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য*, পৃ ঃ ৯

প্ৰদান কৰিছিল। সমকালীন ধৰ্মৰ বিভ্ৰান্তিক নিৰ্মূল কৰি তাৰ ঠাইত সমাজত জনকল্যাণমূলক তথা গতিশীল ধৰ্মৰ ভেটি ৰচনা কৰিবলৈ যাওঁতে মূল ধৰ্মৰ ভেটিৰপৰা আঁতৰি অহা নাছিল। প্ৰচলিত আদৰ্শক গ্ৰহণ নকৰি গভীৰ অধ্যয়নৰ দ্বাৰা আৰ্জিত জ্ঞানেৰে নতুন ৰূপত সজাই তোলাতহে গুৰুত্ব দিছিল।[২২] দৰাচলতে জনকল্যাণমূলক ধৰ্ম কেতিয়াও যাদুবিদ্যা বা ঐন্দ্ৰজালিক বিদ্যাৰ দৰে হ'ব নোৱাৰে।

যি সময়ত প্ৰাচীন অসম শাক্ত, শৈৱ আৰু বৌদ্ধ তান্ত্ৰিক আদৰ্শৰ প্ৰভাৱেৰে চাৰিওফালে শক্তিশালী হৈ উঠিছিল, সেই সময়তে শঙ্কৰদেৱৰ আবিৰ্ভাৱ হয় ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱাত —

> কাৰ্তিকৰ সংক্ৰান্তি ঃ বাৰ বৃহস্পতি ঃ তিথি পূৰ্ণিমা ঃ শ্ৰৱণা
> নৈক্ষেত্ৰ মধ্যনিশা জৌতিষক ১৩৭১ তেৰশ একসতৰি শকত।।
> শ্ৰীশ্ৰীমন্ত ভক্তৰ তিনি নিবন্ধৰ কল্পতৰু আত্মা মহাপুৰুষ গুৰু
> অৱতাৰ।[২৩]

শংকৰৰ উপৰিপুৰুষ বাৰভূঞাসকল জাতত কায়স্থ আৰু ধৰ্মত আছিল শাক্ত। শংকৰদেৱে ১৪৭০ খ্ৰীঃত একৈশ বছৰ বয়সত শিৰোমণি ভূঞাৰ দায়িত্ব লয় আৰু সূৰ্যাৱতীৰ লগত বিবাহ পাশত আবদ্ধ হয় বুলি চৰিত পুথিয়ে কয়।

শঙ্কৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱৰ জন্ম হয় লক্ষ্মীমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰী গাঁৱত ১৪৮৯ খ্ৰীঃত। এই ঠাই বিহপুৰীয়াৰ উত্তৰ-পশ্চিমে কাঁচিকটা আৰু ৰঙাজান নদীৰ মধ্যস্থলত আৰু পিচলা বা দিক্ৰুং নদীৰ তীৰত অৱস্থিত। মাধৱদেৱৰ আৱিৰ্ভাৱ হয় —

> জেঠ মাহ ৰবিবাৰ আমাবাস্যা তিথি ঃ ভৰণী নৈক্ষেত্ৰ ১৪১১।।
> এদিন জাওঁতে দুই প্ৰহৰ নিশা ছদ্ম নৰদেহ বেকত হৈছে
> গুৰুজন ।[২৪]

মাধৱদেৱৰ পিতৃ গোবিন্দগিৰী আৰু মাতৃ মনোৰমা বা মনোহৰি। মাধৱদেৱ জীৱনৰ প্ৰথমছোৱাত শাক্তধৰ্মী আছিল। ডেৰকুৰি দুবছৰ বয়সত ধুৱাঁহাট বেলগুৰিত মাধৱদেৱে শঙ্কৰদেৱৰ সান্নিধ্য লাভ কৰাৰ পাচত ইতিপূৰ্বে জোৰণ পিন্ধাই থোৱা বিবাহৰ কন্যাও পৰিত্যাগ কৰে। সাংসাৰিক জীৱনৰ ভোগ-বিলাসৰ প্ৰতি নিস্পৃহ হৈ বৈৰাগ্য জীৱনক আঁকোৱালি লৈ গুৰুজনাৰ চিন্তাধাৰাৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত উঠি-পৰি লাগে।

২২। প্ৰহ্লাদ কুমাৰ বৰুৱা, *ধৰ্ম সমীক্ষা,* পৃ ঃ ১৬
২৩। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা,* পৃ ঃ ১৭
২৪। *পূৰ্বোক্ত গ্ৰন্থ,* পৃ ঃ ৪৩



শংকৰদেৱে প্ৰথমা পত্নীৰ বিয়োগৰ পাচত ১৪৮১ খ্ৰীঃত প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰে। বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি তীৰ্থ, মঠ-মন্দিৰ দৰ্শন কৰি নিজ দেশ, কাল আৰু পাত্ৰৰ উপযোগী ৰূপত বৈষ্ণৱ ভক্তিমাৰ্গ প্ৰৱৰ্তন কৰে। নাম, দেউ, গুৰু আৰু ভকত — এই চাৰিটা তত্ত্বক ভক্তি সাধনাৰ অপৰিহাৰ্য অংগ স্ব ৰূপে *এক শৰণ নাম ধৰ্ম* প্ৰচাৰ কৰি জনসমাজক উদ্বুদ্ধ কৰি তোলে।[২৫]

অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ হ'ল সত্ৰ। "অকল সেয়ে নহয়, সত্ৰই আমাৰ সংস্কৃতিৰ আৰু সাংস্কৃতিক ঐক্যৰ এটি যেন প্ৰতীক।"[২৬] মন কৰিবলগীয়া যে সেই সময়ত সত্ৰ শব্দ বহুলভাৱে প্ৰয়োগ হোৱা নাছিল। সত্ৰ শব্দৰ ঠাইত কীৰ্তনঘৰ, হৰিগৃহ, থান আদি শব্দৰহে ব্যাপক প্ৰচলন আছিল। বৰদোৱা থান, বৰপেটা কীৰ্ত্তনঘৰ আদি নামেৰেহে অধিক পৰিচিত। আলিপুখুৰীত নিজান ঠাইত সৰিয়হ তলীত হৰি কীৰ্তন কৰি, কৃষ্ণ কথা চৰ্চা কৰিবৰ কাৰণে শংকৰদেৱে চাৰিহাটী কৰি হৰিগৃহ বন্ধা কথা গুৰু-চৰিত-কথাৰপৰা জানিব পাৰি।[২৭] এয়ে সত্ৰৰ প্ৰাক্ আৰ্হি। আনহাতে ভূষণ দ্বিজৰ চৰিতত দেৱগৃহ আৰু সত্ৰগৃহৰ কথাহে আছে —

> শংকৰে বোলন্ত ভাই শুনিয়োক ৰামৰাই
> দেৱগৃহ সাজিয়ো যতনে।
> হেন কথা শুনিলন্ত সত্ৰগৃহ সাজাইলন্ত
> ৰামৰাই মহাৰঙ্গ মনে।।[২৮]

শংকৰদেৱে পোনতে বৰদোৱাতে সত্ৰসভা পাতি ভক্তি প্ৰকাশ কৰে ; তাৰ পাচত মাজুলীৰ বেলগুৰি বা ধুৱাঁহাটত প্ৰায় চৈধ্য বছৰ, কামৰূপৰ চুণপোৰা বা পালেংদি, গণককুছিত কিছুদিন ৰৈ শেষত কমাৰকুছিৰপৰা পাটবাউসীলৈ গৈ তাত সত্ৰ পাতি থাকিবলৈ লয়। পাটবাউসীতে শঙ্কৰদেৱৰ লগত দামোদৰ আৰু হৰিদেৱৰ মিলন ঘটে। পিচলৈ শংকৰ, মাধৱ, দামোদৰ আৰু হৰিদেৱৰ পাৰস্পৰিক মিলন আৰু সম্প্ৰীতিৰ ফলতেই বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ আৰু সত্ৰীয়া সংস্কৃতিৰ বিকাশ ঘটে।

মাধৱদেৱ, মথুৰা দাস বুঢ়া আতা প্ৰভৃতি শঙ্কৰদেৱৰ পৰম্পৰাৰ অন্যান্য গুৰুসকলেও একে আৰ্হিতে সত্ৰ স্থাপন কৰিছিল। দামোদৰদেৱেও মূল সত্ৰৰ গাতে লগাই পাটবাউসী সত্ৰ প্ৰতিষ্ঠা কৰিলে। মাধৱদেৱে শঙ্কৰদেৱৰপৰা মূল সম্প্ৰদায়টিৰ ভাৰ পাই তাক সংগঠন কৰিবলৈ আৰম্ভ কৰে; নাৰায়ণ দাস ঠাকুৰ আতাই সেই কাৰ্যত

২৫। সত্যেন্দ্ৰ নাথ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ,* পৃ ঃ ৯৯
২৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পবিত্ৰ অসম,* ভূমিকা, পৃ ঃ ৩৪
২৭। তদীয়, *গুৰু-চৰিত-কথা,* পৃ ঃ ২৯
২৮। ভূষণ দ্বিজ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ,* পৃঃ ৩৬

সহায় কৰে। মাধৱদেৱে বাৰজন ধৰ্মাচাৰ্য পাতি অসম-কামৰূপত সত্ৰ প্ৰতিষ্ঠা কৰি ভক্তি প্ৰচাৰ কৰিবলৈ দিয়ে ঃ মথুৰাদাস বুঢ়া আতা (বৰপেটা), ভৱানীপুৰীয়া গোপাল আতা, বদুলাপদ্ম আতা (কমলাবাৰী), বংশী গোপালদেৱ (ডেবেৰাপৰা, কাঁহিকুছি, কুৰুৱাবাহী), যদুমণিদেৱ (মাহৰা,ঘাৰমূৰ, পটিয়ৰি, কমলাবৰীয়া, ডোখৰামুখীয়া), ৰামচৰণ ঠাকুৰ (সুন্দৰীদিয়া), শ্ৰী হৰিদেৱ (লাইআটি), লেচাকণীয়া গোবিন্দ (খট্‌ৱা), বৰবিষ্ণু আতা (মালচা, চমৰিয়া), লক্ষ্মীকান্ত (ধোপগুৰি), ভাটৌকুচীয়া কেশৱচৰণ (বৰজহা), পৰিহাপাৰৰ গোপাল ওৰফে পটিয়া আতৈ (হেৰমদ)।[২৯]

কামৰূপ আৰু বেহাৰ অঞ্চলত গুৰুসকলে যিঠাইত থাকি ধৰ্ম প্ৰচাৰ কৰিছিল, সেই স্থানসমূহ পাচলৈ থান ৰূপে পৰিচিত হ'ল। প্ৰথমে স্থান বা ঘটনাৰ নাম অনুসৰিয়েই সত্ৰৰ নাম হৈছিল ; পাচত সেই পৰম্পৰাৰ গুৰুজন য'ত থাকে ত'তে সত্ৰীয়া পৰম্পৰাসূচক নামকে গ্ৰহণ কৰিছিল। শঙ্কৰদেৱৰ ধৰ্ম, কলা আৰু সমাজ দৰ্শনৰ আধাৰতেই সত্ৰ ব্যৱস্থা গা-কৰি উঠিছিল।[৩০] এই ' সত্ৰ, নামঘৰ, কীৰ্ত্তন ঘৰলৈ পিঠি দিলে আমাৰ ঐতিহ্যপূৰ্ণ জাতীয় জীৱন তথা শিষ্ট সংস্কৃতিৰ বিপৰ্যয় ঘটিব।"[৩১] কিয়নো, 'নামঘৰ' অসমীয়া সমাজৰ নাড়ী স্বৰূপ।[৩২]

সময় আগবঢ়াৰ লগে লগে সত্ৰসমূহে শাখা-প্ৰশাখাৰে বিস্তৃতি লাভ কৰিলে। সত্ৰসমূহত মহাপুৰুষসকলৰ চৰিত কীৰ্তন কৰাটো নিত্য-নৈমিত্তিক প্ৰসংগৰ ভিতৰুৱা হৈ পৰিল। শঙ্কৰদেৱৰ প্ৰয়াণৰ পাচত মাধৱদেৱে "গুৰু বাক্য শিৰে ধৰি গুৰুজনৰ চৰিত্ৰ সদা-সৰ্ব্বদা কীৰ্ত্তন কৰিছিল ঃ আতৈ সৱে শ্ৰৱণ কৰে।"[৩৩] ইয়াতেই চৰিত সাহিত্যই পাতনি মেলে। প্ৰথম অৱস্থাত মুখে মুখে ব্যক্তিগত অভিজ্ঞতা অথবা পৰম্পৰাগতভাৱে পোৱা জ্ঞানৰ আধাৰতে দুজনা গুৰুৰ চৰিত চৰ্চা হৈছিল। সময় পাৰ হোৱাৰ লগে লগে অন্যান্য ধৰ্মগুৰুসকলৰ জীৱন চৰিত আৰু সত্ৰৰো ইতিহাস চৰ্চা, আলোচনা আদি হ'বলৈ ধৰিলে। সত্ৰাধিকাৰৰ অভিষেক বা নিৰ্মালি লোৱা অনুষ্ঠানত সেই সত্ৰৰ স্বৰ্গগত অধিকাৰসকলৰ জীৱনী আৰু কাৰ্যাৱলীৰ একাদিক্ৰমে চমু বৰ্ণনা দিয়াটো নিয়মত পৰিণত হৈ পৰিল।[৩৪] সত্ৰ সংখ্যা বৃদ্ধি পোৱাত চৰিত চৰ্চায়ো প্ৰসাৰ লাভ কৰিলে।

২৯। মহেশ্বৰ নেওগ(সম্পাঃ), *পবিত্ৰ অসম,* ভূমিকা, পৃঃ ৩৪- ৩৫
৩০। ৰাপচন্দ্ৰ মহন্ত, *ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ,* পৃ ঃ ৩২২
৩১। *আমাৰ অসম, ২৬ জানুৱাৰী, ২০০৪ ত প্ৰকাশিত* (ধিঙৰ শ্ৰীশ্ৰীজগন্নাথদেৱ মন্দিৰৰ তোৰণ আৰু ভকত গৃহ উদ্বোধনী সভাত কেশৱানন্দ দেৱগোস্বামীয়ে দিয়া ভাষণ প্ৰসংগত)
৩২। জিতাঞ্জলী বৰপূজাৰী (বৰঠাকুৰ), *অসমীয়া উপন্যাসত জনজাতীয় জীৱন,* পৃ ঃ ৭
৩৩। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা,* পৃ ঃ ১
৩৪। কেশৱানন্দ দেৱগোস্বামী, *সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা,* পৃ ঃ ১৩৯



প্ৰথম অৱস্থাত ই গদ্যাতে চৰ্চিত হৈছিল। গদ্য চৰিতবোৰ সকলোৱে মনত ৰাখিব নোৱাৰে। আনকি এইবোৰ গোৱাৰ কোনো সুবিধা নথকাত পদ্যতে চৰিত ৰচনা হ'বলৈ ধৰিলে। গদ্য-পদ্য উভয়তে ৰচিত এই চৰিত সাহিত্য সত্ৰ অনুষ্ঠানৰ অবিহণা।[৩৫] এই চৰিত পুথিসমূহ গুৰুসকলৰ অকল জীৱনীয়েই হৈ থকা নাই, এফালে ই যেনেকৈ এক অপূৰ্ব সাহিত্য তথা গদ্যৰ চানেকি, আনফালে তৎকালীন সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক তথা ধৰ্মীয় দিশত বুৰঞ্জীয়ে যোগাব নোৱৰা সমলেৰে ভৰি আছে।

৩৫। *পূৰ্বোক্ত গ্ৰন্থ,* পৃ ঃ ১৪১

## দ্বিতীয় অধ্যায়

# জীৱনী সাহিত্য ঃ উদ্ভৱ আৰু বিকাশ

জীৱনী সাহিত্যৰ সূচনা হয় বহুকাল পূৰ্বেই। সম্প্ৰতি জীৱনী বা জীৱন কথাই জীৱনী সাহিত্যৰ ৰূপ পৰিগ্ৰহ কৰি সাহিত্যৰ এক বিশিষ্ট আৰু স্বতন্ত্ৰ বিভাগ ৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। জীৱনী সাহিত্যই মানুহৰ জীৱন-কথাক শব্দৰ মাজত পুনৰ অংকিত কৰে। এই জীৱন কাহিনী লেখকৰ নিজৰ বা আনৰো হ'ব পাৰে। লেখকে নিজে নিজৰ জীৱনত ঘটি যোৱা ঘটনাসমূহৰ ওপৰত আলোকপাত কৰি পুংখানুপুংখ ৰূপত দাঙি ধৰিলে সি আত্মজীৱনীৰ ৰূপ লয়। আনহাতে, কোনো এজন বিশেষ ব্যক্তিৰ জীৱনৰ ঘটনাৱলীৰ প্ৰাপ্ত তথ্যসমূহৰ ওপৰত ভিত্তি কৰি সম্ভাৱনীয় ঘটনাৰ সংযোগ ঘটাই শৃংখলাবদ্ধভাৱে অন্য ব্যক্তিয়ে কলাত্মক ৰূপত দাঙি ধৰিলেই হয় জীৱনী।

ইংৰাজী 'বায়োগ্ৰাফি' শব্দটোৰ অসমীয়া প্ৰতিশব্দ হ'ল জীৱনী, জীৱন-বৃত্তান্ত, জীৱন-চৰিত। গ্ৰীক লেখক ডমাস্কাচে ষষ্ঠ শতাব্দীত 'বায়োগ্ৰাফি' শব্দটো গ্ৰীক ৰূপত গ্ৰীক ভাষাত প্ৰথম ব্যৱহাৰ কৰে।[1] সোতৰ শতাব্দীলৈকে 'বায়োগ্ৰাফি' শব্দৰ ব্যৱহাৰ ইংলেণ্ডতো হোৱা নাছিল। ইংৰাজ কবি, সমালোচক ড্ৰাইডেন[2] -এ 'বায়োগ্ৰাফিয়া' শব্দটোক ১৬৮৩ চনত বিশেষ ব্যক্তিৰ ইতিহাস বুলি উল্লেখ কৰিছিল।

ড° জনচনে জীৱনীৰ কলাগত মূল্য সম্পৰ্কে প্ৰথম আলোচনা কৰে। সাহিত্যৰ এক প্ৰয়োজনীয় অংগ ৰূপে জীৱনী স্বীকৃত হয় অষ্টাদশ শতাব্দীৰ দ্বিতীয়াৰ্ধতহে[3]। অক্সফোৰ্ড ডিক্সনাৰি[4] ৰ মতে, জীৱনী সাহিত্য মানুহৰ জীৱন কথাৰ সাহিত্য ৰূপ। ৱেবষ্টাৰ্চ নিউ ইণ্টাৰনেশ্যনেল ডিক্সনাৰি[5] ৰ মতে জীৱনী সাহিত্য বা 'বায়োগ্ৰাফি' হ'ল এজন মানুহৰ লিখিত

১। *Everyman's Encyclopaedia*, Vol.2,P.393

২। *Ibid* P. 394

৩। গোবিন্দ প্ৰসাদ শৰ্মা, *জীৱনী আৰু অসমীয়া জীৱনী*, পৃ. ১-২

৪। *The Concise oxford Dictionary of Current English*, 4th Ed. 1951, P. 117

৫। *Webster New International Dictionary*, 2nd Ed.P. 271



জীৱন ইতিহাস। দ্যা চেন্চুৰী ডিক্সনাৰি[6] ৰ মতে, জীৱনী হ'ল ব্যক্তি বিশেষৰ জীৱনৰ ইতিহাস।

জীৱনী বুলিলে কোনো এজন মানুহৰ জীৱন কথাকেই প্ৰধানকৈ বুজায়। থমাচ কাৰলাইলৰ মতে জীৱনী সাহিত্য হ'ল এজন মানুহৰ জীৱন কাহিনী।[7] জীৱনী সাহিত্যই এজন মানুহৰ জীৱনৰ ঘটনাৱলীক ৰূপায়িত কৰে।[8] কিন্তু কেতিয়াবা যিজনৰ জীৱন-কথাক জীৱনীৰ ৰূপ দিয়া হয়, তেওঁৰ জীৱনৰ লগত জড়িত অন্য লোকৰ কথায়ো ঠাই পায়। ইয়াত অন্য ব্যক্তিৰ জীৱন কথাই মূল নায়কজনক উজ্জ্বল ৰূপত প্ৰকাশ ঘটোৱাত সহায়ক হ'ব লাগে। এই ক্ষেত্ৰত যাৰ জীৱনী লিখা হয়, তেওঁৰ কথাই মুখ্য স্থান পোৱাটো উচিত। জন. এ. গেৰেটিৰ মতে জীৱনী হ'ল — "মানুহৰ জীৱন এটিৰ অভিলেখ।"[9] তেওঁ আকৌ কৈছে যে জীৱনী হৈছে "এগৰাকী মানুহৰ জীৱনৰ ইতিহাস।"[10]

জীৱনীকাৰ আৰু জীৱনীতাত্ত্বিক হেৰল্ড নিকোলচনে জীৱনীক ইতিহাস আখ্যা দিব পৰা অক্সফোৰ্ড ডিক্সনাৰিৰ সংজ্ঞাটোকে স্বীকাৰ কৰি কৈছে — "সাহিত্য ৰূপত ব্যক্তি বিশেষৰ জীৱনৰ ইতিহাস।"[11] জীৱনীৰ তিনিটা প্ৰধান সমল এই সংজ্ঞাটোৱে সামৰি লৈছে — ইতিহাস, ব্যক্তি আৰু সাহিত্য। এই তিনিওটাৰ ত্ৰিবেণী সংগমত জীৱনীও সাহিত্যৰ দৰে ৰসাল আৰু মনোগ্ৰাহী হয়। এনচাইক্লোপিডিয়া ব্ৰিটানিকাৰ মতে "জীৱনী হ'ল — ব্যক্তি বিশেষৰ জীৱন কথাৰ বিৱৰণ দিব পৰা এবিধ সাহিত্য আৰু ই সেই ব্যক্তি গৰাকীৰ ব্যক্তিত্বৰ পুনৰ্বিন্যাস কৰে।"[12]

মানৱ জীৱন কথাৰ লগত পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱ অপৰিসীম। গতিকে জীৱনী লিখোতে বিষয়ৰ ওপৰত পাৰিপাৰ্শ্বিক অৱস্থাই পেলোৱা প্ৰভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। সেই ফালৰপৰা "জীৱনী হ'ল কোনো বাস্তৱ ব্যক্তি বিশেষৰ জীৱনৰ বৃত্তান্ত; যুগে তেওঁৰ ওপৰত পেলোৱা আৰু তেওঁ যুগৰ ওপৰত পেলোৱা প্ৰভাৱৰ কলা-কৌশলৰ লিখিত বৰ্ণন আৰু লগতে সেই ব্যক্তিৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ চিত্ৰণ।"[13]

৬। *The Century Dictionary*, Vol-I P. 558

৭। *Encyclopaedia Americana*, Vol-III Ed. 1960, P. 722.

৮। *The New Encyclopaedia Britannica*, Vol.2, 15th Ed. P. 722

৯। John A. Garraty : *The Nature of Biography*. P.3

১০। *Ibid*

১১। Harold Nicolson : *The Development of English Biography*. P.7

১২। *The New Encyclopaedia Britannica*; Vol-2, P. 1006

১৩। গোবিন্দ প্ৰসাদ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৫

ব্যক্তিৰ মনত স্বদেশ প্ৰেম, স্বজাতি প্ৰীতিৰ লগতে অতীত প্ৰীতিও এক স্বাভাৱিক অনুভূতি। মহৎ ব্যক্তিৰ জন্ম আৰু উত্তৰণৰ ফলত তেওঁলোকৰ মহৎ কৰ্ম আৰু আদৰ্শই সমকালীন তথা পৰৱৰ্তী প্ৰজন্মক অনুকম্পিত কৰি তোলে।[১৪]এই মহৎ ব্যক্তিসকলৰ জীৱনৰ বিষয়ে জনাৰ কৌতূহল মানুহৰ এক চিৰন্তন প্ৰবৃত্তি। প্ৰাচীন কালত ৰজা-মহাৰজা, সন্ত-মহন্তসকলৰ জীৱন কাহিনী মানুহৰ মাজত মৌখিক ৰূপত প্ৰচলিত হৈ আছিল। সময় আগুৱাই যোৱাৰ লগে লগে মানুহে এইবোৰ লিপিবদ্ধ কৰি ৰাখিবলৈ যত্নপৰ হ'ল।

জীৱনী সাহিত্য সৃষ্টিৰ মূলতেই হ'ল মানৱ জীৱন-কথাক জনগণৰ মাজত স্থায়ী কৰাৰ অভিপ্ৰায়। হাজাৰ হাজাৰ বছৰৰ আগতেই ৰজা মিছৰৰ পিৰামিডবিলাকত মিছৰৰ ৰজাৰ কৰ্মজীৱন, যশ কাহিনী লিপিবদ্ধ কৰা হৈছিল; যাতে তেওঁলোকৰ জীৱন যুগমীয়া হয়। ইয়াতেই জীৱনী সাহিত্যৰ বীজ অংকুৰিত হয় বুলি ধৰিব পাৰি; কিয়নো ইয়াত মিছৰৰ ৰজাসকলৰ জীৱন-কথাক ধৰি ৰাখিবলৈ চেষ্টা কৰা হৈছিল।

বেবিলন আৰু এচাইৰাছত খ্ৰীঃপূৰ্ব ১৪শ শতিকাত মাটিৰ ফলিত বা শিলৰ টুকুৰাত ৰজাসকলৰ জীৱন-কথাক ধৰি ৰখাটো নিয়ম আছিল।[১৫] সেইবোৰত ৰজাসকলৰ জীৱন-যুদ্ধৰ কাহিনী লিপিবদ্ধ কৰাৰ উপৰি তেওঁলোকৰ হাঁহি-কান্দোন, হিংসা-দ্বেষ, পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱ আদিৰ কথাই স্থান পাইছিল। ৰজা দেৰিয়াছে পাৰস্যৰ মধ্য-পূৱ খণ্ড জয় কৰাৰ পাচত বেবিলনৰপৰা পূৱলৈ যোৱাৰ পথৰ দাঁতিত নিজৰ বিজয়ৰ কথা লিপিবদ্ধ কৰাইছিল — "ময়েই দেৰিয়াছ, মহান ৰজা, ৰজাৰো ৰজা, পাৰস্যৰ ৰজা, ভূমিখণ্ডৰ ৰজা।"[১৬] এইবোৰেই নিশ্চয় পাচৰ যুগত জীৱনী সাহিত্য ৰচনাত অনুপ্ৰেৰণা যোগাইছিল।

ভাৰততো তিনি হেজাৰ বছৰ পূৰ্বৰপৰাই এনেদৰে জীৱনৰ কীৰ্তি ফলিত, শিলত বা স্তম্ভত খোদিত কৰি ৰখাৰ প্ৰথা প্ৰচলিত আছিল। সেইবোৰ নৃপতি বিশেষৰ সোঁৱৰণি হোৱাৰ উপৰি কোনো কোনো ফলকত ৰাজত্ব কাল আৰু পূৰ্বপুৰুষৰ চমু পৰিচয় পোৱা যায়। মধ্যযুগত গীৰ্জাসমূহে জীৱনী সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ বৰঙণি যোগাইছিল। খ্ৰীষ্ট ধৰ্মাৱলম্বী সন্তসকলৰ, বীৰপুৰুষসকলৰ, শ্বহীদসকলৰ জীৱন

---

১৪। দয়ানন্দ পাঠক, 'অসমীয়া জীৱনীমূলক উপন্যাস', *এশ বছৰৰ অসমীয়া উপন্যাস* (সম্পাঃ), নগেন ঠাকুৰ, পৃঃ ২০৮

১৫। গোবিন্দ প্ৰসাদ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬-৩৭

১৬। "I am the Darius, the great king, king of kings, king of persia, king of the lands.", John A. garraty, *Ibid*, P.33



কাহিনীয়েই মধ্যযুগৰ জীৱনী সাহিত্যৰ প্ৰধান উৎস আছিল। তৃতীয় শতিকাত গীৰ্জাসমূহে সন্তসকলৰ দিনপঞ্জীসমূহৰ উৎকৰ্ষ সাধন কৰি শেষত সেইবোৰক অধিক বিস্তৃত কৰি তেওঁলোকৰ জীৱনত ঘটা অসাধাৰণ, অলৌকিক ঘটনাসমূহৰ বিৱৰণ, জীৱনলৈ অহা ঘাত-প্ৰতিঘাতসমূহকো সংযোগ কৰি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। গোটেই ইউৰোপ জুৰি যেতিয়া খ্ৰীষ্ট ধৰ্মই গীৰ্জাসমূহত প্ৰভাৱ বিস্তাৰ কৰিলে তেতিয়াৰপৰাই সন্তসকলৰ জীৱন-কথা লিখাটো নিয়মত পৰিণত হ'ল।

নৱম শতিকালৈকে গ্ৰীক আৰু লেটিন ভাষাতহে এই জীৱন কাহিনীসমূহ লিখা হৈছিল। খ্ৰীষ্ট ধৰ্মৰ পুৰোহিতসকলে ইয়াক ধৰ্মীয় কথা হিচাপে পাঠ কৰাইছিল। নৱম শতিকাৰ আৰম্ভণিৰপৰাই এই জীৱন কাহিনীসমূহ দেশীয় ভাষাত ৰচনা হ'বলৈ ধৰিলে। এইবোৰ পদ্যত লিখিছিল আৰু চাৰণসকলে দেশে দেশে গাই ফুৰিছিল।

সাধাৰণতে জীৱনী সাহিত্য বা জীৱন-বৃত্ত মানে ব্যক্তি বিশেষৰ ব্যক্তিত্বৰ বৰ্ণনাত্মক ৰূপায়ণ। ব্যক্তি বিশেষ বোলোতে এই প্ৰসংগত সামাজিক, ৰাজনৈতিক, সাহিত্যিক, সাংস্কৃতিক বা আন কোনো দিশত কম-বেছি বিশেষত্ব থকা লোকক বুজোৱা হয়। তেওঁলোকৰ জন্মৰপৰা মৃত্যুলৈকে সকলো কৰ্ম আৰু কীৰ্তি সুসংগতভাৱে ইয়াত বৰ্ণনা কৰা হয়। উক্ত জীৱনবিশেষ যিহেতু সমাজৰ লগত জড়িত, তেওঁৰ জীৱনপ্ৰবাহ সামাজিক, ৰাজনৈতিক আদি সমস্যাৰ ঢৌৰে আৰু বহু সংশ্লিষ্ট লোকৰ ভাবৰ বুৰবুৰণিৰে পৰিপূৰ্ণ। জীৱন-বৃত্তৰ অন্তৰ্গত ব্যক্তি বিশেষৰ জীৱনটো এনেধৰণে যিমানেই কৰ্ম বহুল আৰু বৈচিত্ৰ্যপূৰ্ণ হয়; সিমানেই তাৰ মাজত সামাজিক আদি দিশবোৰ সোমাই থাকে, তেনে অৱস্থা বা পৰিৱেশতে জীৱনবৃত্ত অধিক মূল্যৱান ৰূপে বিবেচিত হয়। জীৱন-বৃত্ত প্ৰকৃত জীৱনৰ অংকণ কাৰণে ই উপন্যাসৰপৰা পৃথক। জীৱন-বৃত্ত ব্যক্তি বিশেষৰ ব্যক্তিত্বৰ অকল বাহ্যিক ফালৰ বিৱৰণেই নহয়, ইয়াত তেওঁৰ আভ্যন্তৰীণ দিশৰ বা তেওঁৰ অন্তৰ্জগতখনৰ ৰূপায়ণৰ গুৰুত্বও সমানেই। দোষ বৰ্জন কৰি অকল গুণৰাশিৰ মাজেদি ব্যক্তিবিশেষক আদৰ্শ ৰূপে জীৱন-বৃত্তত প্ৰতিষ্ঠা কৰাটো পূৰ্বৰেপৰা চলি অহা এটা গতানুগতিক প্ৰথা আছিল। লিটন ষ্ট্ৰেছীয়ে এই প্ৰথাৰপৰা ফালৰি কাটি এক নতুন শৈলীৰ প্ৰৱৰ্তন কৰে। ইয়াকে 'নতুন জীৱনী' বোলা হয়। বিংশ শতিকাত পৰম্পৰাগত জীৱনীৰ নিয়ম-শৃংখলা উলংঘা কৰি এক নতুন শৈলীৰে নতুন জীৱনীয়ে আত্মপ্ৰকাশ কৰিলে। বিষয়ক কেৱল প্ৰশংসাৰ দৃষ্টিৰে নাচাই প্ৰয়োজন সাপেক্ষে সমালোচনাৰ দৃষ্টিৰে চোৱা নতুন জীৱনীৰ বৈশিষ্ট্য। জীৱনী যিহেতু কলা, সেই ফালৰপৰা ইয়াত কল্পনা থকাতো বাঞ্চনীয়। অৱশ্যে কল্পনা যাতে সম্ভাৱনীয় ঘটনাৰ গণ্ডীৰপৰা আঁতৰি নাযায় তাৰ প্ৰতি জীৱনীকাৰ সচেতন হ'ব লাগে। পাঠকৰ

মনত সন্দেহ নোপোজাৰ বাবে নতুন জীৱনীত কিছুমান সংলাপ দিয়াৰ কথাও ভবা হ'ল। গতানুগতিক জীৱনীৰ দৰে চন, তাৰিখ আদিৰ উল্লেখ নতুন জীৱনীত কৰা নহয়, কিয়নো এইবোৰৰ কোনো গুৰুত্ব নাই। নায়কৰ জীৱনৰ অনাৱশ্যকীয় কথাবোৰ বাদ দি আৱশ্যকীয় কথাবোৰহে নতুন জীৱনীত ঠাই পালে। জীৱনীকাৰসকলে নতুন জীৱনীৰ ৰূপ-সচেতন সম্পৰ্কে সজাগ হ'ল। নায়কৰ ব্যক্তিত্ব প্ৰকাশক দুই-এটা সম্ভাৱনীয় কথাৰ সংযোগ কৰাটোও নতুন জীৱনীৰ এক বৈশিষ্ট্য হিচাপে দেখা দিলেহি। লিটন ষ্ট্ৰেছীৰ মতে ব্যক্তি বিশেষৰ সকলো প্ৰকাৰৰ দোষ-গুণ জীৱনীত যথাৰ্থভাৱে লিপিবদ্ধ হ'ব লাগে।

মানৱ জীৱন-কথাক প্ৰকৃত তথা সচেতন প্ৰচেষ্টাৰে সাহিত্যত ৰূপ দিয়াৰ প্ৰাচীনতম নিদৰ্শন গ্ৰীক সাহিত্যত পোৱা যায়। জেনফনৰ চক্ৰেটিছৰ বিষয়ে লিখা মেমোৰাবিলিয়াখনেই প্ৰাচীনতম জীৱনীৰ যুগান্তকাৰী প্ৰচেষ্টা।[১৭] প্লুটাৰ্কৰ পেৰেলেল লাইভ্‌ছ্‌খনেই প্ৰকৃত অৰ্থত গ্ৰীক ভাষাত লিখা প্ৰাচীন জীৱনী। চল্লিশগৰাকী গ্ৰীক আৰু ৰোমানৰ জীৱন-কথা সম্বলিত ই এখন মনোমুগ্ধকৰ জীৱনী-গ্ৰন্থ।

ওঠৰ শতিকাৰ জীৱনীকাৰসকলে বিষয়বস্তুৰ অন্তৰালত লুকাই থকা সামগ্ৰিক সত্য উদ্‌ঘাটনৰ কাৰণে অসীম পৰিশ্ৰম কৰিছিল;[১৮] ফলত ক্ৰমাৎ বিষয়বস্তু আৰু প্ৰকাশ ভংগীত আহি পৰিল গাম্ভীৰ্য। তেওঁলোকে বিষয়বস্তুক ব্যক্তিগতভাৱে জানি-বুজি প্ৰকৃত চিত্ৰ অংকণ কৰিবলৈ ধৰিলে। ওঠৰ শতিকাত ৰচিত জেইমচ্ বজ্‌ৱেলৰ **লাইফ্ অৱ্ চেমুৱেল্ জনচন** (১৭৯১) খনেই এই পৰ্যন্ত শ্ৰেষ্ঠ জীৱনী। ওঠৰ শতিকাত ড° জনচনেই জীৱনী সাহিত্যৰ আটাইতকৈ মহৎ স্ৰষ্টা।

উনৈশ শতিকাত জীৱনী সাহিত্য ৰচনাৰ কৌশল আৰু সমল ব্যৱহাৰত সৰ্বসাধাৰণ পৰ্যায়ৰপৰা অলপ উন্নত পৰ্যায়লৈ আহিল যদিও চকুত পৰা জীৱনী ৰচনা হোৱা নাছিল। **এনচাইক্লোপিডিয়া অৱ্ আমেৰিকান বায়োগ্ৰাফি** ১৮৮০ আৰু **ব্ৰিটিছ ডিক্সনাৰি অৱ্ নেশ্যনেল বায়োগ্ৰাফি** ১৮৮২ চনত প্ৰকাশিত এই শতিকাৰ উল্লেখযোগ্য জীৱনী সাহিত্য।

জীৱনী ৰচনাৰ পূৰ্বৰ পৰম্পৰা ভংগ কৰি লিটন ষ্ট্ৰেছীয়ে **এমিনেন্ট্ ভিক্টোৰিয়ান্‌চ** (১৯১৮) নতুন পদ্ধতিৰে ৰচনা কৰিলে। তেওঁ নায়কৰ চৰিত্ৰৰ পূৰ্ণ বিশ্লেষণ দাঙি ধৰিলে। ষ্ট্ৰেছীৰ **এমিনেন্ট্ ভিক্টোৰিয়ান্‌চ** জীৱনীৰ ইতিহাসত নতুন পদক্ষেপ। তেওঁ দেখুৱালে যে জীৱনীৰ চৰিত্ৰবোৰো তেজ-মঙহেৰে গঢ়া সঁচা মানুহ। তেওঁলোকো দোষ-গুণ, দুৰ্বলতা,

১৭। *Encyclopaedia Britannica*, vol.3 14th Ed. P. 594

১৮। John A. Garraty, *Ibid*, P. 82



মহত্ত্ব আদিৰে সংমিশ্ৰিত মানৱ প্ৰাণী।[১৯] বিষয়ক কেৱল প্ৰশংসাৰ দৃষ্টিৰে নাচাই প্ৰয়োজন হ'লে সমালোচনাৰ দৃষ্টিৰে চোৱা আৰু বিষয়ৰ চৰিত্ৰ আৰু ব্যক্তিত্ব বৈজ্ঞানিক দৃষ্টিভংগীৰে অংকণ কৰা নতুন জীৱনীৰ বৈশিষ্ট্য —

> আধুনিক যুগৰ জীৱন চৰিতত নায়কৰ এটি প্ৰতিকৃতি চিত্ৰ (Portrait Painting) অংকণ কৰাই প্ৰধান উদ্দেশ্য বুলিব পাৰি। বীৰপূজা (hero-worship) নাইবা কোনো আদৰ্শ প্ৰচাৰ কৰা লক্ষ্য নহয়। নায়কৰ সবলতা-দুৰ্বলতা, শক্তি-সামৰ্থ, আদৰ্শ-কাৰ্য এই সকলোবিলাক, বিশেষকৈ মানুহ হিচাপে নায়কজনৰ ব্যক্তিত্বৰ বিভিন্ন দিশ প্ৰকাশ কৰাই আধুনিক জীৱন চৰিতৰ উদ্দেশ্য।[২০]

'জীৱনী' সাহিত্যৰেই এটি অন্যতম জনপ্ৰিয় শাখা। ই এবিধ কলা। সেয়ে জীৱনী সদায় কলা-কুশল আৰু সুখপাঠ্য হোৱা উচিত।

বিংশ শতিকাত আমেৰিকা, ইংলেণ্ড আদি ঠাইত জীৱনী সাহিত্যই প্ৰসাৰতা লাভ কৰে। ১৯১৬ খ্ৰীষ্টাব্দৰপৰা ১৯৩০ খ্ৰীঃৰ ভিতৰত আমেৰিকাত ৪,৮০০ খন জীৱনী প্ৰকাশ পায়। ১৯২৯ চনতে ৬৬৭ খন জীৱনী প্ৰকাশিত হয়। এই সময়ত প্ৰকাশিত ইটালীয় জীৱনীকাৰ গিয়'ভানি পেপিনিৰ **লাইফ্ অৱ্ ক্ৰাইষ্ট** (১৯২১), ফৰাচী জীৱনীকাৰ আন্দ্ৰে ম'ৰৱাৰ **এৰিয়েল** (১৯২৩) আৰু **ডিজ্‌ৰেলি** (১৯২৭) ইংৰাজ জীৱনীকাৰ লিটন ষ্ট্ৰেছীৰ **কুইন্ ভিক্টোৰিয়া** (১৯২১) আৰু জাৰ্মান জীৱনীকাৰ এমিল লুট্‌ভিখৰ **নাপ'লেঁয়** (১৯২৪) বহলভাৱে প্ৰচাৰিত আৰু সৰ্বাধিক বিক্ৰী হোৱা জীৱনী; এইবোৰ জীৱনীৰ একো একোখন ৫০,০০০ খনলৈকে সেই সময়ত বিক্ৰী হৈছিল।[২১] পৰৱৰ্তী কালত জীৱনী কেৱল জীৱনী সাহিত্যৰ মাজতেই আবদ্ধ নাথাকিল। উপন্যাস, নাটক আনকি ৰংগমঞ্চৰপৰা বোলছবি জগতলৈও আহিল। সম্প্ৰতি দূৰদৰ্শনেও জীৱনী সাহিত্যক আদৰি ল'লে। ইয়েই জীৱনী সাহিত্যৰ জনপ্ৰিয়তাৰ কথাকেই সূচায়।

জীৱনীকাৰ এজন দায়বদ্ধ লেখক। জীৱনীকাৰৰ প্ৰধান কথা হ'ল — যাৰ জীৱনী তেওঁ লিপিবদ্ধ কৰিবলৈ লয়, তেওঁৰ জীৱনৰ সকলো কথাকে স্পষ্টভাৱে জানিব লাগিব। ব্যক্তিজনৰ জীৱনৰ প্ৰাপ্ত তথ্যৰ ভিত্তিত সামগ্ৰিক ৰূপটো ফুটাই তুলিব পাৰিব লাগিব। ইয়াতে প্ৰাচীন জীৱনীকাৰ আৰু আধুনিক জীৱনীকাৰৰ মাজত পাৰ্থক্য। প্ৰাচীন

১৯। J.N. Mundra, *History of English literature*, P. 460

২০। *সত্যেন্দ্ৰ নাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃঃ ৪১৮

২১। John A. Garraty, *Ibid*, P.-125-126.

জীৱনীকাৰসকলে সন্তসকলৰ জীৱন-কথাক জনসাধাৰণৰ মাজত মহৎ কৰি দেখুৱাইছিল, ফলত নানা অলৌকিক কথাই স্থান পাইছিল। জীৱন-কথাৰ বৰ্ণনাৰ মাজত এটা মানৱ জীৱনত ঘটা ঘটনাসমূহক প্ৰকৃত ৰূপত অংকণ কৰে।

জীৱনীকাৰজনৰ বিষয়বস্তু নিৰ্বাচন আৰু নিৰীক্ষণ কৰিব পৰা ক্ষমতাৰ ওপৰত জীৱনী সাহিত্য ৰচনাৰ কৃতিত্ব লুকাই থাকে। প্ৰাপ্ত তথ্যসমূহ চালি-জাৰি চাই সেইবোৰ সুন্দৰ সাজত উপস্থাপন কৰিব পৰাটো জীৱনীকাৰৰ এটি মহৎ গুণ। ইয়াৰ উপৰি জীৱনী লেখকৰ ক্ষেত্ৰত জীৱনীকাৰ হ'ব লাগিব নিৰপেক্ষ। অৰ্থাৎ জীৱনীকাৰে নায়কৰ পক্ষ লৈ তেওঁৰ প্ৰশস্তি গাব নালাগে বা নায়কৰ বিপক্ষে গৈ তেওঁৰ কেৱল বেয়া ফালটো দেখুৱাব নালাগে। প্ৰাপ্ত তথ্যসমূহৰ ওপৰত ভালদৰে চকু ফুৰাই উপযুক্তভাৱে উপস্থাপন কৰিবলৈ জীৱনীকাৰৰ ধৈৰ্যৰ প্ৰয়োজন।

জীৱনীকাৰে জীৱনী ৰচনা কৰিবলৈ যাওঁতে বিভিন্ন ক্ষেত্ৰৰপৰা সমল আহৰণ কৰিব পাৰে। সাধাৰণতে —

> নায়কৰ জন্ম, শিক্ষা-দীক্ষা, বিবাহ, কৰ্মজীৱন, জীৱনত পোৱা চৰকাৰী বা ৰাজহুৱা সন্মান, ল'ৰা-ছোৱালীৰ জন্ম-মৃত্যু আদি কথাবোৰৰ বিষয়ে নিৰ্ভৰযোগ্যভাৱে জানিব পৰা নায়কৰ ব্যক্তিগত জীৱনৰ প্ৰমাণ-পত্ৰ, নথি-পত্ৰ, ব্যক্তিগত কাগজ-পত্ৰবোৰেই তেওঁৰ জীৱনী ৰচনাৰ বাবে প্ৰাথমিক সমল।[২২]

ইয়াৰ বাহিৰে নায়কৰ দিনপঞ্জী (যদি থাকে), বিভিন্নজনলৈ লিখা চিঠি-পত্ৰ, তেওঁৰ সংস্পৰ্শলৈ অহা ব্যক্তিসকলৰপৰা কৰা তথ্য সংগ্ৰহ, ব্যক্তিগত জীৱনত ব্যৱহাৰ কৰা সঁজুলি যেনে — জোতা, চশ্‌মা, কলম, চোলা-পেন্ট, চুৰীয়াখন চাই তেওঁৰ ৰুচি সম্পৰ্কে বিশেষভাৱে জানিব পাৰি। এইবোৰো জীৱনীৰ সমল। জীৱনী সজীৱ কৰাত, জীৱনীৰ বিষয়ক জীৱন্ত কৰি তোলাত বিষয়ে যেনেকৈ কথা কৈছিল, কেনেকৈ খোজ কাঢ়িছিল, কোনো এক বিশেষ ঘটনা তেওঁৰ জীৱনত ঘটোতে তেওঁ কেনে অংগী-ভংগী কৰিছিল ইত্যাদি কথাৰ বিৱৰণে বিশেষভাৱে সহায় কৰে।[২৩]

জীৱনী সাহিত্য ৰচনাৰ অন্তৰালত বহুতো উদ্দেশ্য নিহিত হৈ থাকিব পাৰে। কোনো জীৱনী লেখকে এজন ব্যক্তিৰ জীৱন কাহিনীক সাহিত্যত ৰূপ দিয়ে, সেই চৰিত্ৰটোৰ প্ৰতি আকৃষ্ট হৈ, কোনোবাই সাহিত্যৰ বজাৰখনৰ প্ৰতি দৃষ্টি ৰাখি এজন

২২। গোবিন্দ প্ৰসাদ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১

২৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩২-৩৩



লোকৰ জীৱনৰ এনেবোৰ কাহিনী লয়, য'ত চাঞ্চল্য, কেলেংকাৰী তথা ব্যক্তিগত বহু কথাই সাঙোৰ খাই থাকে; কেতিয়াবা আকৌ কোনো পৰিয়ালে আগ্ৰহেৰে তেওঁলোকৰ পৰিয়ালৰ বিশেষ ব্যক্তিজনৰ জীৱন-কথাক অমৰ কৰি ৰাখিবৰ কাৰণে কোনোবা নামী লেখকক খাটনি ধৰি জীৱনী লেখায়; য'ত ব্যক্তিজনৰ বিতৰ্কমূলক কথা, চৰিত্ৰৰ দুৰ্বলতা আদি কথাবোৰ লুকাই থাকে। অনুসন্ধিৎসু মনৰ অনুসন্ধানৰ ফলস্ব ৰূপে লিখা জীৱনী কিছু পৰিমাণে সাৰ্থক হয়।

ঊনবিংশ শতিকাৰ জীৱনী, আনকি নতুন জীৱনীৰ পদ্ধতিকো পৰিশোধন কৰি বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত অন্য এক ধাৰাৰ জীৱনীৰ সৃষ্টি হ'ল। এই ধাৰাৰ জীৱনীক 'চুপাৰ বায়োগ্ৰাফি' বা 'অধিজীৱনী' বোলা হয়। ঊনবিংশ শতিকাৰ জীৱনীকাৰসকলৰ লগত এওঁলোকৰ পাৰ্থক্য এয়েই যে ঘটনাৰ বহুলতা, চন-তাৰিখৰ ব্যৱহাৰৰ আতিশয্য, পাদটীকাৰৰ প্ৰচুৰতা আৰু বিষয়ৰ প্ৰতি অন্ধ শ্ৰদ্ধাত জীৱনী যাতে অপাঠ্য হৈ নপৰে, তাৰ প্ৰতি এওঁলোক সজাগ। আনহাতে নতুন জীৱনীকাৰসকলৰ দৰে এওঁলোকে যিমান দূৰ সম্ভৱ সুপৰিকল্পিতভাৱে ঘটনাৰ উপস্থাপন কৰি সুপাঠ্য ৰূপত জীৱনী ৰচনাৰ প্ৰয়াস কৰে।[২৪] কেথেৰিন ড্ৰিংকাৰ্ বাওৱেনৰ *জন্ এডাম্‌জ্ এণ্ড দ্যা আমেৰিকান ৰিভোলিউশ্যন*, (১৯৫০) এই ধাৰাৰ জীৱনীৰ নিদৰ্শন।

সাহিত্য ৰচনা ব্যক্তিগত ৰুচি, আকৰ্ষণ আৰু সামৰ্থৰ কথা। যি বিষয়বস্তুৱে লেখকক আপোনা-আপুনি আকৰ্ষণ কৰে, সেই বিষয়বস্তুৰ সৃষ্টিৰূপ সুন্দৰ হয়। স্বতঃস্ফূৰ্ত বিষয়বস্তুৰ প্ৰকাশ আৰু বাধ্যবাধকতাত প্ৰকাশ হোৱা জীৱনীৰ মাজত পাৰ্থক্য থাকিবই। ইয়াৰ উপৰি প্ৰত্যেকজন লিখকৰ প্ৰকাশভংগী কেতিয়াও একে হ'ব নোৱাৰে।

জীৱনীতাত্ত্বিক হেৰল্ড্ নিকলছনৰ মতে জীৱনী দুই শ্ৰেণীৰ।[২৫] যিবোৰ জীৱনীত নায়ক প্ৰকৃত ৰূপত প্ৰস্ফুটিত হয়, তেওঁৰ জীৱনৰ কোনো ঘটনাই বা তেওঁৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ কোনো দিশেই বিকৃত নহয়, সেইবোৰ জীৱনীয়েই নিভাঁজ বা বিশুদ্ধ জীৱনী। আনহাতে যিবোৰ জীৱনীত নায়কৰ জীৱন পৰিচয়, ব্যক্তিত্ব আৰু চৰিত্ৰ বিকৃত হয় আৰু জীৱনৰ উদ্দেশ্য নায়কৰ জীৱন চৰিত্ৰ আৰু ব্যক্তিত্বৰ প্ৰকৃত পৰিচয় দাঙি ধৰা নহৈ অন্য কিবা, সেই জীৱনীয়ে ভেজাল বা দোষযুক্ত জীৱনী। " জীৱনীত ভেজাল ধৰা পৰে বিষয়ক হুবহু ৰূপত প্ৰতিফলিত নকৰি তেওঁৰ প্ৰকৃত ৰূপতকৈ ভাল বা বেয়া বুলি দেখুৱালেহে।[২৬]

২৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৬৪

২৫। "Biography in to two main classes- Pure and impure Biographics." -Harold Nicolson, *Ibid*, P.8

২৬। গোবিন্দ প্ৰসাদ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২

পাশ্চাত্য আৰু ভাৰতৰ জীৱনী সাহিত্যৰ ঐতিহাসিক ৰূপৰেখাৰ মাজেদি জীৱনী সাহিত্যৰ ক্ৰমবিকাশৰ তিনিটা প্ৰধান ধাৰা চিহ্নিত কৰিব পাৰি[২৭] —

১। সন্ত চৰিত বা হেগিওগ্ৰাফি

২। পৰম্পৰাগত জীৱনী বা ট্ৰেডিশ্যনেল বায়োগ্ৰাফি আৰু

৩। নতুন জীৱনী বা নিউ বায়োগ্ৰাফি

অৱশ্যে পৰম্পৰাগত জীৱনীৰ অনেক শাখা আছে। যেনে —

ক) পাণ্ডিত্যগৰ্ভ জীৱনী

খ) জীৱন আৰু পত্ৰাৱলী আৰ্হিৰ জীৱনী

গ) জীৱন আৰু যুগৰ বিৱৰণাত্মক জীৱনী

ঘ) প্ৰামাণিক পৰিচয়মূলক জীৱনী বা শিক্ষাৰ্থীৰ বাবে জীৱনী।

ঙ) জীৱনীমূলক ৰচনা

চ) অধিজীৱনী বা সংৰক্ষণশীল জীৱনী

নতুন জীৱনীৰো আকৌ দুটা শাখা। যেনে —

অ) মনস্তাত্ত্বিক জীৱনী আৰু

আ) সহজ জ্ঞানভিত্তিক জীৱনী

প্ৰাচীন জীৱনীৰ নায়ক আছিল ৰজা-মহাৰজা, সাধু-সন্ত, বীৰপুৰুষ, শ্বহীদসকল। প্ৰাচীন জীৱনীকাৰসকলে সন্তসকলৰ বা ধৰ্মগুৰুসকলৰ জীৱনীত বহুত অলৌকিক ঘটনাৰ সমাবেশেৰে নায়কৰ মহত্ত্ব ফুটাই তোলাৰ চেষ্টা কৰিছিল, লগতে ধৰ্মৰ বাণীসমূহ জণগণৰ মাজত প্ৰচাৰ কৰা জীৱনীকাৰসকলৰ উদ্দেশ্য আছিল। এই সন্তসকলৰ জীৱনীকে 'সন্ত চৰিত' বা 'হেগিওগ্ৰাফি' (Hagiography) বোলা হয়। হেগিওগ্ৰাফি হ'ল 'ধৰ্ম বিষয়ক লিখনী'[২৮], 'সন্তসকলৰ জীৱন-কথা সংগ্ৰহ'[২৯], দ্যা চেন্চুৰী ডিক্সনাৰিৰ মতে ধৰ্ম বিষয়ক সাহিত্য, সন্তসকলৰ জীৱন-কথাৰ সংগ্ৰহ।[৩০], এনচাইক্লোপিডিয়া আমেৰিকানা[৩১]ত হেগিওগ্ৰাফি সম্বন্ধে লিখিছে খ্ৰীষ্টানসকলৰ গীৰ্জাঘৰৰ ডুখৰীয়া ইতিহাস, য'ত খ্ৰীষ্টানসকলৰ উৎসৰ্গিত জীৱন-কথা জড়িত আছে। সন্তসকলৰ জীৱনী ৰচনা সম্বন্ধে এইচ্. ডানে এযাৰ কথা কৈছিল — এই সন্ত

২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৫

২৮। *The concise oxford Dictionary of current English*, P. 543

২৯। *Ibid*

৩০। *The Century Dictionary*, Vol. IV, P. 2680

৩১। *Encyclopaedia Americana*, International Ed. Vol.3, P. 967.



জীৱনীবিলাকত গীৰ্জাঘৰ আৰু এইবোৰৰ কাৰ্যবিৱৰণী মুখ্য কথা আছিল, মানুহ মাত্ৰ সাঁজুলি আছিল।[৩২] সন্তসকলৰ সামগ্ৰিক জীৱন-কথা এইবোৰত প্ৰকাশ হোৱা নাছিল। সন্ত চৰিতত সন্ত বা ধৰ্মগুৰুসকলৰ জীৱন কাহিনীৰ লগতে বিষয়ৰ প্ৰতি অবিচল ভক্তি আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম বা মতবাদৰ প্ৰতি দৃঢ় আনুগত্য স্পষ্টভাৱে প্ৰকাশ পায়। সন্ত বা ধৰ্মগুৰুসকলক সাধাৰণ মানুহৰ বিপৰীতে অতিমানৱ বুলি জ্ঞান কৰা হয়। কাল্পনিক ঘটনা, অতিৰঞ্জিত কাহিনী, সজাই কোৱা ঐশ্বৰিক গুণাৱলী আদিৰ সমাৱেশ সন্ত চৰিত বা হেগিওগ্ৰাফিত লক্ষ্য কৰা যায়। সন্তৰ জীৱন বৃত্তান্তই ইয়াৰ একমাত্ৰ উদ্দেশ্য। ইউৰোপৰ এই সন্ত চৰিতবোৰত বৰ্ণিত ঘটনাসমূহ সম্পূৰ্ণ বিশ্বাসযোগ্য নহয়। সন্তসকলৰ সামগ্ৰিক জীৱন এইবোৰত পোৱা নাযায়।

সময়ৰ লগে লগে জীৱনী সাহিত্যতো নতুন নতুন দিশ মুকলি হ'ল। ১৯১৪ চনত ছিগ্‌মণ্ড ফ্ৰয়ডে **চাইকল'জি অব্ এভ্‌ৰিডে লাইফ্** গ্ৰন্থৰ যোগেদি জীৱনী সাহিত্যত বিশ্লেষণাত্মক মনোবিজ্ঞানক ঠাই দিলে। ফ্ৰয়ডে মনোবিশ্লেষণাত্মক দৃষ্টিৰে বিচাৰ কৰি মানৱ জীৱন-কথাক পোহৰলৈ আনিলে। তেওঁৰ লিখনীত এইটোও প্ৰকাশ কৰিলে যে মানৱ জীৱনৰ বহুবোৰ দুৰ্বোধ্যতা , জটিলতা আদিৰ সৃষ্টিত অৱচেতন মনে প্ৰভাৱ বিস্তাৰ কৰে। আধুনিক জীৱনীকাৰসকলে মনোবিজ্ঞান, চিকিৎসা বিজ্ঞান, ৰাজনৈতিক অৱস্থা, সামাজিক পৰিস্থিতি , ধৰ্মীয় পৰিৱেশ তথা নায়কৰ চৌদিশৰ চিত্ৰণ ঘটাই মানৱ জীৱন-কথাক অধিক গুৰুত্বৰ লগতে মহত্ব দান কৰিলে। বৰ্তমান প্ৰায় প্ৰতিগৰাকী জনপ্ৰিয় ব্যক্তিৰ মৃত্যুৰ পাচতেই একোখনি স্মৃতিগ্ৰন্থ, সোঁৱৰণী গ্ৰন্থ তথা শ্ৰদ্ধাঞ্জলি পুস্তিকা প্ৰকাশ কৰি উলিওৱা হয়। এইবোৰতো ব্যক্তিৰ জীৱনৰ বহুখিনি কথা থুপ খাই থাকে। অসমত গৰীয়সীৰ দৰে আলোচনীয়ে বিশিষ্ট ব্যক্তিসকলৰ মৃত্যুৰ পাচত তেওঁলোকৰ সোঁৱৰণত বিশেষ সোঁৱৰণী সংখ্যা প্ৰকাশ কৰি এক মহৎ প্ৰচেষ্টাৰে অগ্ৰসৰ হৈ অসমীয়া জীৱনী সাহিত্যক অধিক সমৃদ্ধ কৰিছে।

আত্মজীৱনী জীৱনী সাহিত্যৰে অন্তৰ্গত। ব্যক্তি বিশেষে নিজে প্ৰস্তুত কৰা আদ্যোপান্ত সকলো কথাৰ লিপিবদ্ধ বিৱৰণকে বোলা হয় আত্মজীৱনী। ব্যক্তি বিশেষৰ কথাবোৰ ব্যক্তিজনে যিমান ভালকৈ জানে, আন কোনেও তেনে ধৰণে নাজানে, জনাটো সম্ভৱ নহয়। আত্মজীৱনীকাৰে নিজকে যেনে বুলি ভাবে তেওঁৰ তেনে ছবিখন ফুটি উঠে। গতিকে এজন মানুহৰ জীৱনৰ ব্যক্তিত্ব আৰু চৰিত্ৰৰ যি পৰিচয়; সি ভিন্ন হ'ব পাৰে। আত্মজীৱনী বুলিলেই যে তথ্যনিষ্ঠ বা আত্মনিষ্ঠ হ'ব তেনে আশা কৰিব

৩২। John A. Garraty, *Ibid*, P.55

নোৱাৰি। এনে ৰচনাত তথ্য নিষ্ঠাতকৈ আত্মনিষ্ঠাই সাধাৰণতে বেছি দেখা যায়। ইয়াত নিজৰ বেয়া অংশটিক আবৃত্ত ৰাখি ভাল অংশটিক ভাস্কৰ কৰাবহে প্ৰৱণতা প্ৰকট। অন্যহাতে নিজৰ দোষ-দুৰ্বলতা কেতিয়াবা নিজৰ চকুত ধৰা নপৰিবও পাৰে; যেনেকৈ নিজৰ মুখ বা চকু দুটি নিজৰ চকুৰে চাব নোৱাৰি। সাধাৰণতে আত্মজীৱনী আত্মনিষ্ঠ, জীৱনী বস্তুনিষ্ঠ। "আত্মজীৱনী এনে এবিধ বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ আৰু মনৰ এটি বিশেষ অৱস্থাত নিজকে আৰু নিজৰ জীৱনৰ কথাবোৰ যেনেকৈ বুজে আৰু গ্ৰহণ কৰে তেনেকৈ অংকণ কৰে।"[৩৩] মনৰ এটা বিশেষ অৱস্থাতহে এজন মানুহে নিজৰ ছবি নিজে অংকণ কৰে। ইয়াতেই আত্মজীৱনী দিনলিপি আৰু চিঠি-পত্ৰৰপৰা পৃথক। আত্মজীৱনী কোনো লোকৰ জীৱনৰ আৰু মনৰ বিভিন্ন অৱস্থাত কৰা তৎকালীন আত্মপ্ৰকাশ আৰু আত্মবিচাৰ। আনহাতে —

> নায়কক ঘনিষ্ঠ আৰু ওচৰৰপৰা বুজিবলৈ তৃতীয়পুৰুষে ৰচনা কৰা সাধাৰণ চৰিত পুথিতকৈ আত্মজীৱন চৰিত অধিক উপযোগী; কিন্তু অকপটভাৱে সকলো কথা প্ৰকাশ কৰিব পৰা মানসিক শক্তি নায়কৰ নাথাকিলে আত্মজীৱন চৰিতৰ মূল্য বহু পৰিমাণে হ্ৰাস পায়।[৩৪]

আত্মজীৱনী লেখকৰ জীৱনৰ প্ৰধান বৃত্তি, সামাজিক, ৰাজনৈতিক, ধৰ্মীয় ভূমিকাই তেওঁৰ ৰচনাৰ ওপৰত বিশেষ ধৰণৰ প্ৰভাৱ পেলায়। জীৱনৰ সৰহকাল চৰকাৰী কামত লিপ্ত থকা এজন লেখকৰ আত্মজীৱনীত যেনেকৈ চাকৰি সম্পৰ্কীয় বৰ্ণনাৰ প্ৰাধান্য চকুত পৰে; তেনেকৈ ৰাজনীতিত সততে জড়িত থকা লেখক এজনৰ জীৱন বৃত্তান্তত ৰাজনৈতিক ঘটনাই আধিপত্য বিস্তাৰ কৰা দেখা যায়। আত্মজীৱনী তথ্য প্ৰকাশৰ ক্ষেত্ৰত নিখুঁত হোৱাটো বাঞ্চনীয়। অৱশ্যে আত্মজীৱনীত লেখকে শিশুকালৰ কথা মনত পেলাব নোৱাৰে। সেইবোৰ কথা তেওঁ আনৰ মুখৰপৰা শুনিবলগীয়া হয়। আকৌ নিজৰ অন্তৰৰ কিছুমান দোষ-ক্ৰটিৰ কথা লুকাই ৰখা দুৰ্বলতা মানুহ মাত্ৰৰে কম-বেছি পৰিমাণে আছে। নিজক ডাঙৰ কৰি দেখুওৱা, নিজৰ বংশটোক মহান কৰি দেখুওৱা প্ৰবৃত্তি প্ৰত্যেকজন মানুহৰ নোহোৱা নহয়। সেইফালৰপৰা আত্মজীৱনীৰ সকলো কথা নিখুঁত বা সত্য বুলি ধৰি ল'ব নোৱাৰি।

আত্মজীৱনী লেখাৰ উদ্দেশ্য কেইবাটাও। আত্মশিক্ষাৰ বাবে আত্মবিচাৰ,

৩৩। Roy Paxal, *Design and Truth in Autobiography;* P.5

৩৪। সত্যেন্দ্ৰ নাথ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১৯



আকৰ্ষণীয় স্মৃতি জীয়াই ৰখাৰ স্বাভাৱিক বাসনা, নিজৰ অভিজ্ঞতাৰে আনক সহায় কৰাৰ আশা, নিজ ভাব-অভিজ্ঞতাক কলাত্মক ৰূপ দিয়াৰ স্বাভাৱিক আগ্ৰহ নাইবা নিজৰ প্ৰতিষ্ঠাক মূলধন ৰূপে প্ৰয়োগ কৰি গ্ৰহণ কৰা ব্যৱসায়িক প্ৰবৃত্তি।

আত্মজীৱনী মাত্ৰেই লেখকৰ অন্তৰ্জীৱনৰ পৰিচয় দিব পাৰিব লাগে। ইয়াৰ বাবে প্ৰয়োজন হয় বিশ্লেষণাত্মক দৃষ্টিভংগীৰ। ইয়াৰ অবিহনে আত্মজীৱনী ধাৰা-বিৱৰণীত পৰ্যবসিত হয়।[৩৫]

বিশ্ব সাহিত্যত উল্লেখযোগ্য আত্মজীৱনীৰ ভিতৰত ছেইন্ট আগষ্টাইন, ষ্টুৱাৰ্ট মিল, গ্যাটে, গিবন আৰু সাম্প্ৰতিক কালৰ মহাত্মা গান্ধীৰ আত্মজীৱনী অন্যতম। অসমীয়া সাহিত্যত পদ্মনাথ গোহাঞিবৰুৱাৰ মোৰ সোঁৱৰণী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মোৰ জীৱন সোঁৱৰণ উল্লেখযোগ্য। কেৱল যে মহৎ লোকৰ আত্ম-জীৱনীহে সাহিত্যত ঠাই পোৱাৰ যোগ্য এনে কথা নাই, সাধাৰণ মানুহৰ জীৱনীও শিল্পীসুলভ দৃষ্টি আৰু অকৃত্ৰিম আন্তৰিকতাৰে ৰচনা কৰিলে বিশ্ব সাহিত্যত ঠাই পোৱাৰ যোগ্য হয়। মধ্যযুগৰ ইটালীৰ এজন সাধাৰণ শিল্পী বেনভেনিটো চেলিনিৰ আত্মজীৱনীও বিশ্ব সাহিত্যত এখন উৎকৃষ্ট আত্মজীৱনী।[৩৬]

জীৱনী আৰু আত্মজীৱনী এই দুয়োবিধ সাহিত্যই প্ৰকৃত ঘটনাৰ মাজেদি ব্যক্তিত্বৰ মহৎ পৰিচয় বহন কৰে। সম্প্ৰতি এই দুয়োবিধ সাহিত্যই পাঠক সমাজৰ মাজত প্ৰতিষ্ঠা লাভ কৰালৈ চাই ইয়াৰ যে জনপ্ৰিয়তা বাঢ়িছে সেই কথা অনুমান কৰিব পাৰি।

---

৩৫। প্ৰফুল্ল কটকী, *সাহিত্য আৰু সংজ্ঞা*, পৃঃ ৪৬

৩৬। সত্যেন্দ্ৰ নাথ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১৯

তৃতীয় অধ্যায়

# সমসাময়িক ভাৰতীয় চৰিত সাহিত্যৰ পৰম্পৰা ঃ এটি অধ্যয়ন

বৈষ্ণৱ গুৰুসকলৰ জীৱন কাহিনী সম্বলিত একোখন গ্ৰন্থই হ'ল চৰিত পুথি। অসমীয়া ভাষাৰ দৰে ভাৰতবৰ্ষৰ অন্যান্য ভাষাতো বিভিন্ন ধৰ্ম-সম্প্ৰদায়ৰ গুৰুসকলৰ জীৱন চৰিত চৰ্চাৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে। তাহানি কালৰ ধৰ্মগুৰু নাইবা তেওঁলোকৰ সমপৰ্যায়ৰ ব্যক্তিসকলৰ একো একোজনক কেন্দ্ৰ কৰি ৰচিত জীৱন কাহিনীবোৰ এনেধৰণৰ চৰিত পুথিৰ ভিতৰতে পৰে। পুথি ৰচকসকলৰ লক্ষ্য হ'ল গুৰু বা সন্তপুৰুষ একোজনৰ জীৱন কাহিনী সমাজত সৰবৰাহী কৰি তোলা। এনে কৰিবলৈ যাওঁতে চৰিতকাৰে কিছু অতিৰঞ্জনৰ দ্বাৰাও বিষয়বস্তু ৰসাল কৰিবলৈ চেষ্টা কৰে। চৰিত পুথিৰ নায়কজনক এগৰাকী বিশিষ্ট গুণসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী তথা অনুকৰণীয় পুৰুষ ৰূপে প্ৰতিপন্ন কৰিব বিচাৰে। ভাৰতীয় ভাষাত ৰচিত চৰিত পুথিসমূহো তেনেকুৱা আদৰ্শ আৰু পৰম্পৰাৰে সুফল।[১]

জীৱন কাহিনী চৰ্চা গুৰুপ্ৰধান ধৰ্মৰ এক অপৰিহাৰ্য অংগ। গুৰুমুখী ধৰ্মত গুৰুয়েই বা তেওঁৰ মুখ-নিসৃত বাণীয়েই সেই ধৰ্মৰ সকলো আদৰ্শ, তথ্যৰ শেষ স্তৰ। গুৰুসকলৰ দৈনন্দিন জীৱনৰ সৰু-বৰ সকলো ঘটনাৰ বৰ্ণনা চৰিত পুথিবোৰত সামৰা যেন লাগে; লগতে সমসাময়িক সমাজখনৰ ছবিও এইবোৰত তুলি ধৰা হয়।

এনেদৰে প্ৰাচীন কালৰপৰাই সমগ্ৰ ভাৰতবৰ্ষতে ভালেমান ধৰ্মপ্ৰাণ সন্ত-মহন্তৰ জীৱন-চৰিত ৰচনা কৰা হৈ আহিছে। ভাৰতীয় ঐতিহ্যত সংস্কৃত, পালি-প্ৰাকৃত আদি ভাষাত কিছুমান চৰিত পুথি ৰচিত হৈছে। সংস্কৃতত লিখা অশ্বঘোষৰ **বুদ্ধচৰিত** আৰু বাণভট্টৰ **হৰ্ষচৰিত** এই প্ৰসংগত উল্লেখযোগ্য। অশ্বঘোষৰ সময় খ্ৰীষ্টীয় প্ৰথম শতিকা।

১। সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, 'চৰিত পুথি আৰু শ্ৰীশ্ৰীহৰিদেৱ' *বৈষ্ণৱ দৰ্পণ,* (সম্পা.) গোলকেশ্বৰ গোস্বামী, পৃঃ ১৯৯



তেওঁৰ বুদ্ধচৰিত ভাৰতীয় জীৱনী সাহিত্যৰ প্ৰথম জীৱনী গ্ৰন্থ বুলি ধৰিব পৰা যায়।[২] বুদ্ধচৰিত পদ্যত ৰচিত। সংস্কৃত সাহিত্যত সাধাৰণতে ইয়াক এখন কাব্য বুলি জনা যায়। সংস্কৃতত পোৱা সোতৰটি সৰ্গৰ শেষৰ চাৰিটা সৰ্গ আন কোনোবাই খ্ৰীষ্টীয় নৱম শতিকাত পৰৱৰ্তী কালত যোগ দিয়ে। বুদ্ধচৰিতত গৌতম বুদ্ধৰ চৰিত নিবদ্ধ কৰা হৈছে। প্ৰথম পাঁচটা সৰ্গত বুদ্ধৰ জন্মৰপৰা আৰম্ভ কৰি অভিনিষ্ক্ৰমণলৈকে বৰ্ণিত আছে। ছয় আৰু সাত সৰ্গত বুদ্ধই তপোবনত প্ৰৱেশ কৰাৰ কথা বৰ্ণনা কৰা আছে। অষ্টম সৰ্গত বুদ্ধৰ গৃহত্যাগত যশোধৰাৰ বিলাপ। নৱম সৰ্গত সিদ্ধাৰ্থক বিচাৰি উলিওৱাৰ যত্ন কৰাৰ কথা। দশম সৰ্গত গৌতম বুদ্ধই বুদ্ধত্ব প্ৰাপ্ত হৈ মগধলৈ যাত্ৰাৰ বৰ্ণনা আৰু ইয়াৰ পিচৰ তিনিটা সৰ্গত সাংসাৰিক মোহ-বন্ধনৰ নিন্দা, চতুৰ্দশ সৰ্গত এওঁৰ পূৰ্ণ বুদ্ধত্বৰ অৱস্থাৰ বৰ্ণনা কৰা হৈছে। চতুৰ্দশ সৰ্গৰ কিছু অংশৰপৰা আৰম্ভ কৰি সপ্তদশ সৰ্গলৈকে শেষৰ প্ৰক্ষিপ্ত অংশত বুদ্ধৰ ধৰ্ম প্ৰচাৰ, শিক্ষণ, উপদেশ, সংঘ আৰু অশোকৰ দিনলৈকে বৌদ্ধধৰ্মৰ প্ৰচলনৰ বৰ্ণনা আছে। কম কথাৰ মাজেদি বহুত অৰ্থ আৰু ভাব প্ৰকাশ কৰাৰ কাৰণে অশ্বঘোষৰ বুদ্ধচৰিত এখন সুখপাঠ্য গ্ৰন্থ ৰূপে সৰ্বজন স্বীকৃত। হিন্দুসকলৰ কাৰণে ৰামায়ণৰ যি স্থান, বুদ্ধ পৰম্পৰাতো অশ্বঘোষৰ বুদ্ধচৰিতৰ সেই স্থান।[৩]

সপ্তম শতাব্দীৰ বাণভট্টৰ হৰ্ষচৰিত গদ্যত ৰচিত সংস্কৃত পুথি। বাণভট্ট আছিল হৰ্ষবৰ্ধনৰ ৰাজসভাৰ কবি। তেওঁ সংস্কৃত কাব্য-সাহিত্যৰ এজন প্ৰসিদ্ধ কবিৰ উপৰি সংস্কৃত গদ্য-সাহিত্যৰ পথিকৃৎ আছিল। বাণভট্টৰ **হৰ্ষচৰিত** আটাইতকৈ প্ৰাচীন 'আখ্যায়িকা'। 'আখ্যায়িকা' ৰ আভিধানিক অৰ্থ উপলব্ধাৰ্থ, ইতিহাস। কবিৰ নিজৰ বা আনৰ জ্ঞাত বিষয় সম্পৰ্কে ৰচিত গদ্যৰ নাম আখ্যায়িকা। আখ্যায়িকা বুলিলে গল্পকথা বিশেষকো বুজায়। সংস্কৃত গদ্যকাব্যৰ দুই বিভাগৰ এক বিভাগৰ নাম আখ্যায়িকা। অন্য বিভাগৰ নাম 'কথা'। 'কথা' হ'ল কল্পিত কাহিনী আৰু আখ্যায়িকা ঐতিহাসিক বা পুৰাগত কাহিনী।[৪] ই সৰল গদ্যত ৰচিত। ইয়াৰ উপৰি মাজে মাজে ছন্দত ৰচিত শ্লোক থাকিব লাগে। আখ্যায়িকাক কেইটামান উচ্ছ্বাসত ভাগ কৰিব লাগে। বাণভট্টৰ **হৰ্ষচৰিত** আঠটা উচ্ছ্বাসৰ সমষ্টি। প্ৰথম, দ্বিতীয় আৰু তৃতীয় উচ্ছ্বাসৰ আধালৈকে বাণভট্টই নিজৰ বিস্তৃত পৰিচয় দিছে। পিচৰ উচ্ছ্বাসবোৰত হৰ্ষবৰ্ধনৰ চৰিত্ৰৰ বৰ্ণনা কৰিছে। **হৰ্ষচৰিতৰ** নায়ক এজন ঐতিহাসিক ব্যক্তি। ইয়াত বাণে হৰ্ষবৰ্ধনৰ দিনৰ

২। মিনতি হাজৰিকা, *অসমৰ মধ্যযুগৰ চৰিত পুথিৰ এটি অধ্যয়ন,* পৃঃ ১৪,১৫

৩। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ১৬

৪। প্ৰফুল্ল কটকী, *সাহিত্য আৰু সংজ্ঞা,* পৃঃ ৭৯

কোনো ৰাজনৈতিক ইতিহাসৰ ছবি দাঙি ধৰা নাই। গ্ৰন্থখনত আছে তেওঁৰ পূৰ্ববৰ্তী লোকসকলৰ পৰিচয়, সমাজ-জীৱনৰ বিস্তৃত পৰিচয়, ৰাজসভা, গাঁৱৰ শান্ত পৰিবেশৰ বৰ্ণনা, হিন্দু আৰু বৌদ্ধ মঠবিলাকৰ বিশদ বিৱৰণ। বাণভট্টই হৰ্ষচৰিতত হৰ্ষবৰ্ধনৰ জীৱন-কথাক অতি কৃতিত্বৰে অংকণ কৰিছে।

বাণভট্টৰ **হৰ্ষচৰিত**ৰ পাচত এই লেখীয়া জীৱন কাহিনী সম্বলিত চৰিত পুথি সংস্কৃতত নাই বুলিয়েই ক'ব পাৰি। পৰৱৰ্তী কালত ভাৰতবৰ্ষত বৌদ্ধ আৰু জৈন ধৰ্ম প্ৰচাৰৰ অৰ্থে ধৰ্মগুৰুসকলৰ চৰিত ৰচনা কৰা হৈছিল। বুদ্ধদেৱৰ দেহাৱসানৰ পাচত তেওঁৰ জীৱন-কথা জাতকবিলাকত আৰু **ত্ৰিপিটক**ৰ অংশ **মহাবগ্গ** আৰু **মহাপৰিনিব্বানসূক্ত**ত পোৱা যায়। 'জাতক' শব্দৰ অৰ্থ হ'ল অতীতৰ কাহিনী। গৌতম বুদ্ধৰ পূৰ্বজন্মৰ বিষয়ে ৰচিত কাহিনীবোৰেই জাতক নামে পৰিচিত। **জাতকমালা** বৌদ্ধসকলৰ ধৰ্মগ্ৰন্থ। জাতক মাত্ৰৰে তিনিটা প্ৰধান ভাগ থাকে। প্ৰথম ভাগ 'প্ৰতুৎপন্নবস্তু' বা বৰ্তমান কথা, দ্বিতীয় ভাগ 'অতীতবস্তু' আৰু তৃতীয় ভাগ 'সমবধান'। জাতকবোৰ **সুত্তপিটক**ৰ অন্তৰ্গত 'খুদ্দক নিকায়'ৰ দশম গ্ৰন্থৰ অন্তৰ্ভুক্ত। **জাতকত্থৱণ্ণনা** নামৰ এক সংকলনত পাঁচশৰো অধিক জাতকৰ উল্লেখ আছে।

**মহাবগ্গ ত্ৰিপিটক**ৰ অন্তৰ্গত **বিনয় পিটক**ৰ অন্যতম মূল্যবান অংশ। ইয়াত ১০টা পৰিচ্ছেদ আছে। বুদ্ধৰ জীৱনৰ প্ৰাচীনতম বিৱৰণ এটি **মহাবগ্গ**ৰ প্ৰথম পৰিচ্ছেদত আছে। **মহাপৰিনিব্বান** নামৰ সুত বা অধ্যায়টো **দীঘ-নিকায়**ৰ অন্তৰ্গত। এই অধ্যায়টোত ভগৱান বুদ্ধৰ শেষছোৱা সময়ৰ জীৱন কাহিনী আৰু উপদেশসমূহ লিপিবদ্ধ কৰা হৈছে। "বুদ্ধৰ জীৱনী, বুদ্ধৰ পৰৱৰ্তী কালৰ সংঘ পৰিচালনা ব্যৱস্থা, সেই যুগত ভাৰতবৰ্ষত বুদ্ধ আৰু তেওঁৰ উপদেশসমূহৰ প্ৰভাৱ ইত্যাদিৰ বিষয়ে আলোচনাৰ কাৰণে সুত্তটি অপৰিহাৰ্য্য।"[৫]

সংস্কৃত পুৰাণ-সাহিত্যৰ অনুকৰণত বিভিন্ন মহাপুৰুষৰ জীৱন কাহিনীৰে শ্বেতাম্বৰ সম্প্ৰদায়ে 'চৰিত' নামেৰে আৰু দিগম্বৰ সম্প্ৰদায়ে 'পুৰাণ' নামেৰে এক শ্ৰেণীৰ চৰিত সাহিত্য সৃষ্টি কৰিছিল। এনে 'পুৰাণ' বা 'চৰিত'ৰ ভিতৰত দিগম্বৰ সম্প্ৰদায়ৰ জিনসেন গুণভদ্ৰৰ দ্বাৰা ৰচিত **ত্ৰিষষ্টিলক্ষণ মহাপুৰাণ** আৰু শ্বেতাম্বৰ সম্প্ৰদায়ৰ হেমচন্দ্ৰৰ দ্বাৰা ৰচিত **ত্ৰিষষ্টিশলাকা পুৰুষ চৰিত** উল্লেখযোগ্য। ইয়াৰ বৰ্ণিত বিষয়বস্তু হ'ল ৬৩ জন মহাপুৰুষৰ জীৱন কাহিনী, যিসকলক জৈনসকলে আদৰ্শ স্থানীয় বুলি বিবেচনা কৰে —

৫। বিশ্বনাথ বন্দোপাধ্যায়, *পালি ও প্ৰাকৃত সাহিত্যৰ ইতিহাস*, পৃঃ ৪৮



> বৌদ্ধ আৰু জৈন ধৰ্ম সাহিত্যত থকা মহাপুৰুষসকলৰ এই জীৱনবৃত্তান্তসমূহ অতিপ্ৰাকৃত আৰু অতিৰঞ্জিত ঘটনাৰে পৰিপূৰ্ণ। মহাপুৰুষসকলক কোনো ঠাইত ঈশ্বৰৰ অৱতাৰ আৰু কোনো ঠাইত স্বয়ং জগতৰ হৰ্তাকৰ্তা ৰূপে দেখুৱাইছে আৰু তাৰ প্ৰমাণ স্ব ৰূপে অলৌকিক অসাধাৰণ কাৰ্যাৱলী তেওঁলোকত আৰোপ কৰিছে।[৬]

বৌদ্ধ-সংস্কৃতত ৰচিত **ললিত বিস্তৰ** বুদ্ধৰ জীৱনীমূলক গ্ৰন্থ। বুদ্ধৰ জন্মৰপৰা ধৰ্ম প্ৰৱৰ্তন পৰ্যন্ত বৰ্ণিত এই গ্ৰন্থখনত বুদ্ধদেৱক মহান দেৱতা ৰূপত প্ৰকাশ কৰাত অলৌকিক ঘটনাই ঠাই পাইছে।

অপভ্ৰংশত ৰচিত কবি পুষ্পদন্তৰ **জসহৰচৰিউত** যশোধৰৰ কাহিনী বৰ্ণনা কৰা হৈছে। চৰিতখনি চাৰিটা সন্ধি বা পৰিচ্ছেদত বিভক্ত। ১১৫৯ খ্ৰীষ্টাব্দত হৰিভদ্ৰসুৰিয়ে ৰচনা কৰা **ণেমিনাহচৰিউত** জৈন তীৰ্থংকৰসকলৰ অন্যতম নেমিনাথ আৰু তেওঁৰ পত্নী ৰাজীমতীৰ পূৰ্বজন্মৰ কাহিনী আৰু নেমিনাথৰ জীৱনৰ লগত সনৎকুমাৰৰ কাহিনী বৰ্ণনা কৰিছে।

ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ লগে লগে ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত সন্ত চৰিত ৰচিত হৈছিল। হিন্দী ভাষাত ৰচিত নাভাদাসৰ **ভক্তমাল** এখন উল্লেখযোগ্য চৰিত পুথি। গোস্বামী তুলসী দাসৰ সমকালীন কবি নাভাদাস। **ভক্তমাল** হিন্দী সাহিত্যৰ এখন সুপ্ৰসিদ্ধ গ্ৰন্থ। কবীৰ, নানক, মীৰাবাঈ আদিকে ধৰি মধ্যযুগীয় ভক্তি-আন্দোলনৰ বিভিন্ন কবি আৰু সাধকৰ জীৱন আৰু কাব্য-সাধনাৰ উপৰি সমকালীন সমাজ আৰু সাংস্কৃতিক দিশৰ এখন উজ্জ্বল ছবি দাঙি ধৰাৰ প্ৰয়াস কাব্যখনত বিদ্যমান। **ভক্তমাল** নাভাদাসৰে নহয়, মধ্যযুগীয়া ভক্তি-আন্দোলনৰ মধ্যমণি আৰু একপ্ৰকাৰ ঐতিহাসিক দলিল স্বৰূপ। ইয়াৰ বিৱৰণবোৰ অতি সংক্ষিপ্ত, সংস্কৃতৰ সূত্ৰৰ নিচিনা।[৭] কবীৰ দাসৰ জীৱনীৰ ওপৰত লিখা **কবীৰ-চৰিত্ৰ** এখনি জনপ্ৰিয় গ্ৰন্থ। পদ্যত লিখা আন এখনি চমু চৰিত হ'ল **কবীৰ কসৌতি**।

ভাৰতৰ বিভিন্ন ভাষাৰ গুৰু-চৰিতবিলাকৰ ভিতৰত অসমৰ গুৰু-চৰিত বিশেষকৈ কথা-চৰিতবিলাকৰ লগত নিকটমভাৱে তুলনীয় ৰচনা হ'ল পাঞ্জাবী ভাষাৰ চৰিত, শিখ ধৰ্মৰ 'জনমসাখী'। গুৰু নানকৰ জীৱন কাহিনীয়েই ইয়াৰ বিষয়বস্তু। জনমসাখী ধৰ্মপৰায়ণ লোকৰ দ্বাৰা ৰচিত। পাঞ্জাবী ভাষাত গুৰু নানকৰ জীৱন কেন্দ্ৰিক ৰচনাই হৈছে প্ৰথম গদ্য ৰচনা। আটাইতকৈ প্ৰাচীন জনমসাখী হ'ল **পুৰাতন জনমসাখী**। ইয়াৰ

৬। সত্যেন্দ্ৰ নাথ শৰ্মা, *সাহিত্যৰ আভাস*, পৃ ঃ ৯০

৭। মহেশ্বৰ নেওগ, *গুৰু-চৰিতৰ ইতিকথা*, পৃঃ ২

লেখকৰ নাম নাই, আমাৰ কথা চৰিতবোৰৰ দৰেই।[৮] 'জনমসাখী' গুৰু নানকৰ মৃত্যুৰ বহু বছৰ পাচত ৰচিত। চতুৰ্থ শিখ গুৰু ৰাম দাসৰ প্ৰথম পুত্ৰ প্ৰিথী চান্দৰে ল'ৰা সোঢী মেহৰবানে **মেহৰবান জনমসাখী** ৰচনা কৰে। ইয়াৰ উপৰি ভাই সন্তোখ সিংহই গুৰুৰ জীৱনী **নানক-পৰকাশ** আৰু ১৮৪৩ চনত নজন গুৰুৰ জীৱনক লৈ **গুৰু-পৰতাপসুৰজ** ৰচনা কৰে। 'জনমসাখীবোৰ গুৰুলা ঘৰুৱা ভাষাত ৰচিত হৈছে। ক'তো পাণ্ডিত্য প্ৰকাশৰ প্ৰয়াস নাই। সহজ-সৰল ৰচনাৰ মাজেদি সুন্দৰকৈ ফুটি উঠিছে সেৱকৰ গভীৰ বিনতি। সেয়ে এফালে ভাষাৰ কোমলতা, আনফালে ভাৱতো সহৃদয়তা আৰু সৰলতা জনমসাখীৰ বিশেষত্ব।[৯]

নামদেৱ, জ্ঞানদেৱ আদি মাৰাঠী কবি-সন্তসকলৰ কেইখনিও জীৱনী ৰচনা কৰিছিল মহীপতিয়ে (১৭১৫-৯০) **সন্ত-লীলামৃত, ভক্ত-বিজয়, কথা-সাৰামৃত, ভক্ত-লীলামৃত**। এই জীৱনীসমূহৰ নায়ক-সন্তসকলৰ মৃত্যুৰ এক শতিকাৰো অধিক কাল পিচতহে লিখিত আৰু মৌখিক ঐতিহ্যৰপৰা সমল সংগ্ৰহ কৰি ৰচনা কৰিছিল।

বাংলাত চৈতন্য জীৱনী ৰচনা হোৱাৰ আগে আগে কেইজনমান বাঙালী কবিয়ে সংস্কৃতত চৈতন্য জীৱনী লিখিছিল। সংস্কৃতত শ্ৰীচৈতন্যদেৱৰ প্ৰথম জীৱন চৰিত ৰচনা কৰে মুৰাৰি গুপ্তই। গ্ৰন্থৰ নাম **শ্ৰীকৃষ্ণচৈতন্যচৰিতামৃত**। ইয়াক মুৰাৰি গুপ্তৰ 'কড়চা' বুলিও জনা যায়। 'কড়চা' শব্দৰ অৰ্থ হ'ল সংক্ষিপ্ত টোকা। মুৰাৰি গুপ্তই প্ৰথমে চৈতন্যৰ জীৱনক লৈ কিছুমান সৰু সৰু টোকা লিখিছিল। পাচত সেইবোৰ একেলগ কৰি পেলায়। ইয়াৰ ৰচনা ৰীতি সৰল। মহাকাব্যৰ ৰীতিত লেখা চৰিতখন যোড়শ শতিকাৰ চতুৰ্থ দশকত ৰচিত।[১০] ইয়াৰ উপৰি সংস্কৃতত চৈতন্যদেৱৰ জীৱন-কথাৰে লিখা প্ৰদ্যুম্ন মিশ্ৰৰ **শ্ৰীকৃষ্ণচৈতন্যোদয়**, কবি কৰ্ণপূৰৰ **শ্ৰীচৈতন্যচন্দ্ৰোদয়** নাটক উল্লেখযোগ্য।

গৌড়ীয় চৈতন্য গুৰুৰ আবিৰ্ভাৱৰ পাচত তেওঁৰ জীৱন কাহিনীক লৈ বৃন্দাবন দাস, লোচন দাস, জয়ানন্দ, কৃষ্ণদাস কবিৰাজ আৰু চূড়ামণি দাসে বাংলা ভাষাত চৈতন্য চৰিত লিপিবদ্ধ কৰে। এওঁলোক সকলোৱে চৈতন্যদেৱক কলি যুগে শ্ৰীকৃষ্ণৰ অৱতাৰ বা স্বয়ং ঈশ্বৰ ৰূপে বৰ্ণনা কৰিছে।[১১] যোড়শ শতাব্দীৰ আগতে বাংলা ভাষাত কোনো চৰিত সাহিত্য ৰচিত হোৱা নাছিল[১২] যদিও চৈতন্যদেৱৰ জীৱন কালতে তেওঁৰ

৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৫
৯। অশোক কুমাৰ গোস্বামী (সম্পাঃ), *বিশ্বকোষ*, ৪ৰ্থ খণ্ড, পৃ ঃ ৩৫২
১০। ক্ষেত্ৰ গুপ্ত, *বাংলা সাহিত্যৰ সমগ্ৰ ইতিহাস*, পৃ ঃ ১০৫
১১। দেৱীপদ ভট্টাচাৰ্য, *বাংলা চৰিত সাহিত্য*, পৃ ঃ ৩৩
১২। ত্ৰিপুৰা সেন শাস্ত্ৰী, *বৈষ্ণৱ সাহিত্য*, পৃ ঃ ৩৬



মহিমাজ্ঞাপক চৰিত কাব্য ৰচনা আৰম্ভ হয়।[১৩] বৃন্দাবন দাস বাংলা ভাষাত চৈতন্যচৰিত ৰচনা কৰা সৰ্বপ্ৰথম চৰিতকাৰ।[১৪] চৰিতখন **চৈতন্যমংগল** অৱশ্যে **চৈতন্য-ভাগৱত** নামেৰেহে অধিক পৰিচিত। তিনিটা খণ্ড আৰু দুকুৰি বাৰটা অধ্যায়ত ভাগ কৰা এইখন দীঘল বৰ্ণনাত্মক ঐতিহাসিক কাব্য। 'আদিখণ্ড'ত চৈতন্য জন্মৰপৰা গয়া-গমনলৈকে, 'মধ্যখণ্ড'ত সন্ন্যাস গ্ৰহণ পৰ্যন্ত আৰু 'অন্তখণ্ড'ত নীলাচল গমন আৰু তাৰ আংশিক বিৱৰণ আছে। বৃন্দাবন দাসে নিত্যানন্দৰ শিষ্যত্ব গ্ৰহণ কৰি তেওঁৰ পৰামৰ্শ মতে এই কাব্য ৰচিছিল। ৰচনা কাল সম্পৰ্কে কোনো ইংগিত নাই যদিও চৈতন্যৰ জীৱন কালতেই ইয়াৰ ৰচনা আৰম্ভ হৈছিল। **চৈতন্য ভাগৱত** কাব্যই চৈতন্যৰ জন্মকালৰ অৰ্থাৎ পোন্ধৰ শতিকাৰ শেষভাগৰ বংগৰ সামাজিক অৱস্থাৰ ওপৰত যথেষ্ট পোহৰ পেলায়।[১৫] গ্ৰন্থখনিত ভক্তি প্ৰবলতা, অলৌকিক বিশ্বাস প্ৰভৃতিৰ মাজতো চৈতন্যৰ মানৱ ৰূপ জীৱন্ত হৈ উঠিছে।[১৬] বৃন্দাবন দাসে তেওঁৰ কাব্যত 'হৰিকীৰ্ত্তনকে কলিযুগৰ ধৰ্ম ৰূপে বৰ্ণনা কৰিছে।[১৭]

চৈতন্য চৰিতৰ শ্ৰেষ্ঠ লেখক কৃষ্ণদাস কবিৰাজ। তেওঁৰ **শ্ৰীশ্ৰীচৈতন্যচৰিতামৃত** গ্ৰন্থ কেৱল মাত্ৰ চৰিত কাব্যই নহয়, ই বৈষ্ণৱ তত্ত্বকোষ বিশেষ।[১৮] কৃষ্ণদাস নিত্যানন্দৰ শিষ্য আছিল। তেওঁ বৃন্দাবন দাসৰ নিচিনাকৈ চৈতন্যক কেৱল বিষ্ণুৰ অৱতাৰ হিচাপে গ্ৰহণ কৰা নাই, কৃষ্ণ আৰু ৰাধাৰ যুগল আৰু সম্পূৰ্ণ অৱতাৰ হিচাপে গ্ৰহণ কৰিছিল। **চৈতন্যচৰিতামৃত** কেৱল এখন জীৱনী গ্ৰন্থই নহয়, ৰহস্যবাদী আৰু দাৰ্শনিক দুয়ো দিশতে ইয়াক বৈষ্ণৱ ধৰ্মৰ সংক্ষিপ্ত সাৰ বুলিব পাৰি।[১৯] গ্ৰন্থখনৰ ৰচনাৰ চন, তাৰিখ জনা নাযায়। দুই-এজনৰ মতে হাতে লিখা পুথিত ১৬১৬ খ্ৰীষ্টাব্দ বুলি পোৱা যায়। কিন্তু কৃষ্ণদাস কবিৰাজৰ সময় ১৫২৭ খ্ৰীষ্টাব্দৰপৰা ১৬১৫ খ্ৰীষ্টাব্দলৈকে।[২০] সম্ভৱতঃ কবিৰাজে মৃত্যুৰ আগে আগে গ্ৰন্থখন সমাপ্ত কৰে।

মধ্যযুগীয় বাংলা সাহিত্যৰ পৰম গৌৰৱস্বৰূপ এই গ্ৰন্থখনি তিনিখণ্ডত কেইবাটাও পৰিচ্ছেদত বিভক্ত। প্ৰতিখণ্ডক লীলা বোলা হৈছে — আদিলীলা, মধ্যলীলা আৰু

১৩। দেৱীপদ ভট্টাচাৰ্য, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৩৪
১৪। সুকুমাৰ সেন, *বাংলাৰ সাহিত্য ইতিহাস*, (অনুঃ)পোনা মহন্ত, পৃঃ৮০
১৫। সুকুমাৰ সেন, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৮১
১৬। ক্ষেত্ৰ গুপ্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ১০৭
১৭। দেৱীপদ ভট্টাচাৰ্য, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৪০
১৮। ক্ষেত্ৰ গুপ্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ১১১
১৯। সুকুমাৰ সেন, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৮১
২০। সুখেন্দুসুন্দৰ গঙ্গোপাধ্যায়, *গৌড়ীয় বৈষ্ণৱ দৰ্শণৰ ভূমিকা*, পৃ ঃ ১০১

অন্ত্যলীলা। আদিলীলাত সোতৰটা পৰিচ্ছেদত চৈতন্যদেৱৰ গাৰ্হস্থ্য জীৱনৰ প্ৰথম চব্বিছ বছৰৰ কথা আছে। 'মধ্যলীলা'ত পঁচিশটা পৰিচ্ছেদত চৈতন্যদেৱৰ সন্ন্যাস গ্ৰহণৰপৰা শেষ তীৰ্থ ভ্ৰমণ পৰ্যন্ত ছবছৰৰ কথা আছে আৰু অন্ত্যলীলাত কুৰিটা পৰিচ্ছেদত চৈতন্যদেৱৰ জীৱনবৃত্তৰ শেষ ওঠৰ বছৰৰ জীৱন বৃত্তান্ত আছে। বৈষ্ণৱ ভক্তসকলে কবিৰাজৰ **চৈতন্যচৰিতামৃত**'ক বেদৰ দৰে মান কৰে।

যোল্ল শতিকাৰ মাজভাগৰ কবি লোচন দাস। সম্পূৰ্ণ নাম ত্ৰিলোচন দাস। মুৰাৰি গুপ্তৰ সংস্কৃত 'কড়চা'ৰ ওপৰত ভিত্তি কৰি এওঁ চৈতন্য জীৱনী **চৈতন্যমংগল** যুগুত কৰে। গীতি কবিতাময় গুণৰ কাৰণে এই কাব্যখন চৈতন্যৰ জীৱন সম্পৰ্কীয় ৰচনাতকৈ জনসাধাৰণৰ মাজত অধিক জনপ্ৰিয়। কাব্যৰ আৰম্ভণিতে বিভিন্ন দেৱ-দেৱীৰ বন্দনা আৰু কিছু কিছু পৌৰাণিক বিষয়ৰ উল্লেখ আছে। কাব্যখন সূত্ৰ, আদি, মধ্য আৰু অন্ত্য নামে চাৰিটা খণ্ডত বিভক্ত।

যোল্ল শতিকাত ৰচিত চৈতন্যৰ অন্যান জীৱনী গ্ৰন্থসমূহৰ ভিতৰত চূড়ামণি দাসৰ **গৌৰাঙ্গবিজয়ত** চৈতন্য আৰু নিত্যানন্দৰ জীৱনৰ আদিছোৱাৰ বিষয়ে মূল্যৱান তথ্য সংগ্ৰহ কৰা হৈছে। জয়ানন্দৰ **চৈতন্যমংগল** কাব্য এটা জনপ্ৰিয় বৰ্ণনাত্মক কবিতা। **শ্ৰীকৃষ্ণকীৰ্ত্তনৰ** নিচিনাকৈ ইয়াক কেইবাটাও খণ্ডত ভাগ কৰা হৈছে। জয়ানন্দৰ চৈতন্যমংগলখনেই একমাত্ৰ ৰচনা, য'ত চৈতন্যৰ মৃত্যুৰ কথা উল্লেখ কৰা হৈছে।[21]

যোল্ল শতিকাৰ সৰ্বসাধাৰণ লোকসকল ধৰ্মতত্ত্বৰ ব্যাখ্যাতকৈ গুৰুৰ জীৱন কাহিনী শুনিবলৈহে বেছি আগ্ৰহী আছিল। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ শিষ্য-প্ৰশিষ্যসকলে অসমীয়া চৰিত পুথিসমূহ ৰচনা কৰাৰ দৰে যোড়শ শতিকাৰ আটাইবিলাক বাংলা চৈতন্য চৰিত নিত্যানন্দৰ শিষ্য-প্ৰশিষ্যসকলে ৰচনা কৰিছিল।

চৈতন্যদেৱৰ জীৱনী সাহিত্যই চাৰিওফালে বিস্তৃতি লাভ কৰাৰ পৰৱৰ্তী কালত তেওঁৰ জীৱনী কাব্যৰ আদৰ্শতে বৈষ্ণৱ সন্তসকলৰ জীৱন-কথা লৈ সৰু সৰু বহুতো কাব্য ৰচনা হ'বলৈ ধৰিলে। 'অসমত বৈষ্ণৱ গুৰু শংকৰদেৱৰ জীৱন কাহিনী ৰচনা হোৱাৰ পাচত যেনেকৈ মাধৱদেৱ, দামোদৰদেৱ, গোপাল আতা প্ৰভৃতি অন্যান্য বৈষ্ণৱ গুৰু আৰু সন্তসকলৰ জীৱনী ৰচিত হ'বলৈ ধৰিলে আৰু সেই চৰিত কথাবোৰ ভক্তসকলৰ প্ৰাণৰ বস্তু হ'ল; তেনেকৈ বংগদেশৰ চৈতন্যদেৱৰ পাচত বৈষ্ণৱ ধৰ্মৰ নেতৃস্থানীয় লোক অদ্বৈত আচাৰ্য, নৰোত্তম, শ্ৰীনিবাস, শ্যামানন্দ প্ৰভৃতিৰ জীৱন-কথা চৰ্চা হ'বলৈ ধৰিলে; জীৱনী ৰচিত হ'বলৈ ধৰিলে।'[22]

২১। সুকুমাৰ সেন, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৮৩
২২। মিনতি হাজৰিকা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৪২



অদ্বৈত আচাৰ্য চৈতন্যদেৱৰ সৰ্বজ্যেষ্ঠ ভক্ত আছিল। তেওঁৰ জীৱন-কথাক লৈ কৃষ্ণদাসৰ সংস্কৃতত ৰচিত গ্ৰন্থ **বাল্য-লীলাসূত্ৰ**, ইযাণ নাগৰৰ **অদ্বৈত প্ৰকাশ**, হৰিচৰণ দাসৰ **অদ্বৈত মংগল**, আৰু হৰিদাসৰ **অদ্বৈত বিলাস** ৰচিত। অষ্টাদশ শতিকাতো বাংলা ভাষাত কেইবাখনো চৈতন্য জীৱনী লিখা হয়। কবি কৰ্ণপূৰৰ চৈতন্যচন্দ্ৰোদয় নাটকৰ পদ্য অনুবাদ প্ৰেমদাসৰ **চৈতন্য চন্দ্ৰোদয় কৌমুদী**, বিশ্বনাথ চক্ৰৱৰ্তীৰ **শ্ৰীচৈতন্যৰসায়ন**, মনোহৰ দাসৰ **অনুৰাগবল্লী**, ঘনশ্যাম দাসৰ **শ্ৰীনিবাস চৰিত্ৰ**, লালদাসৰ **কৃষ্ণদাস ও ভক্তমাল**, গোবিন্দ কবিৰ **শ্ৰীগৌৰকৃষ্ণোদয়**, বনমালী দাসৰ **জয়দেৱ চৰিত্ৰ**, কবি জগন্নাথ দাসৰ **ভক্ত চৰিতামৃত** আদি চৰিত পুথি মধ্যযুগত বাংলা ভাষাত ৰচিত হৈছিল।

সংস্কৃত আৰু পালি-প্ৰাকৃত ভাষাত ৰচিত সন্ত চৰিতসমূহক যথাৰ্থতে আধুনিক জীৱনী সাহিত্য বুলিব নোৱাৰি। কাৰণ এই চৰিত পুথিসমূহত ব্যক্তি জীৱনৰ প্ৰতি গুৰুত্ব আৰোপ নকৰি ইয়াৰ নায়কসকলক দেৱ চৰিত্ৰ হিচাপেহে ৰূপায়িত কৰা হৈছে। সাধাৰণ মানৱ জীৱনৰ শাৰীৰপৰা আঁতৰাই অতিমানৱ বা ঈশ্বৰৰ অৱতাৰ ৰূপেহে সন্ত-চৰিতৰ নায়কসকলক চিত্ৰিত কৰা হৈছে। ৰাম, কৃষ্ণ আদিক যেনেকৈ অৱতাৰী পুৰুষ ৰূপে শাস্ত্ৰসমূহত চিত্ৰিত কৰা হৈছে বা ভাৰতীয় সমাজে ঈশ্বৰ ৰূপী মানৱ হিচাপে মানি আহিছে সেই অনুক্ৰমে প্ৰাচীন আৰু মধ্যযুগীয় সন্ত চৰিতসমূহতো চৰিতকাৰসকলে তেওঁলোকৰ নায়কসকলক অৱতাৰী পুৰুষ ৰূপে অংকিত কৰিছে। নানান অলৌকিক আৰু অতিৰঞ্জিত কথাৰ সন্নিৱেশ ঘটাই সন্তসকলৰ জীৱন-কথা বৰ্ণনা কৰা হৈছে।[23] সাধাৰণ মানৱ জীৱনৰ দোষ-ক্ৰটিৰ কথা বাদ দি কেৱল গুণৰ দিশটোহে আলোচনা কৰা হৈছে। সন্ত চৰিতৰ মাজেদি ধৰ্ম প্ৰচাৰ কৰাও উদ্দেশ্য আছিল। পাৰ্থিৱ জীৱনৰ অসাৰত্ব, আধ্যাত্মিক জীৱনহে জীৱনৰ আচল মুক্তিৰ পথ — এই ভাবৰ দ্বাৰা উদ্বুদ্ধ হৈ চৰিতকাৰসকলে সন্ত চৰিতসমূহ লিপিবদ্ধ কৰিছিল। "ইউৰোপৰ এই সন্ত চৰিতসমূহে অসমৰ বৈষ্ণৱ সন্তসকলৰ চৰিত পুথিবোৰলৈ মনত পেলায়। যোড়শ শতাব্দীৰপৰা আমাৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবেও এনে চৰিত পুথি ৰচিত হ'বলৈ ধৰিছিল। উদ্দেশ্যতেই অকল নহয়, প্ৰকৃতিতো অসমীয়া চৰিতবোৰ ইউৰোপীয় সন্ত চৰিতবোৰৰ লগত বহুখিনি মিলে। ইউৰোপৰ সন্ত চৰিতবোৰৰ দৰে অসমীয়া চৰিত পুথিবোৰতো বিষয়ৰ জীৱনৰ বৰ্ণিত ঘটনাসমূহ সদায় বিশ্বাসযোগ্য নহয়। সেই ফালৰপৰা ব্যক্তিত্ব আৰু চৰিত্ৰৰ অবিকৃত চিত্ৰণৰ ঠাইত অসমীয়া চৰিত পুথিবোৰতো ইউৰোপীয় সন্ত চৰিতবোৰত থকাৰ দৰে আছে সন্তৰ অলৌকিক শক্তি আৰু কাৰ্যাৱলীৰ অতিৰঞ্জিত বিৱৰণ।"[24]

২৩। সত্যেন্দ্ৰ নাথ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৮ - ৮৯

মধ্যযুগৰ ভাৰতীয় চৰিতসমূহত এই দৰে অলৌকিকতাৰ স্পৰ্শ থাকিলেও সেইবোৰৰ মাজেৰে প্ৰকাশিত হৈছে গুৰুসকলৰ মানৱীয় দৃষ্টিভংগী, উদাৰ মনোভাব আৰু ধনী-দুখীয়া, জাতি-বৰ্ণ, ভাষা আৰু ধৰ্ম নিৰ্বিশেষে সকলো লোকৰে প্ৰতি গুৰুসকলৰ সীমাহীন মৰম আৰু ভালপোৱা। সুৱগাই সোণৰ বং চৰাই তোলাৰ নিচিনা চৰিতসমূহৰ এই দিশটোৱে এই গ্ৰন্থবোৰক অধিক উজ্জ্বলাই তুলিছে। বাতিপুৱাই পূব আকাশত উদিত সূৰ্যই জগতৰ এন্ধাৰ আঁতৰাই মানুহক পোহৰেৰে বাট বাই আগুৱাই যাবলৈ সমৰ্থ কৰি তোলাৰ নিচিনাকৈ গুৰুসকলেও তেওঁলোকৰ জীৱনৰ কৰ্মৰাজিকে আৰ্হি হিচাপে সাধাৰণ মানুহৰ আগত দাঙি ধৰিছিল আৰু সেইদৰে জীৱনৰ বাটত আগবাঢ়ি যাবলৈ তেওঁলোকক সমৰ্থ কৰি তুলিছিল।[২৫]

দৃষ্টিভংগী আৰু ৰচনা বীতিৰ ফালৰপৰা মধ্যযুগীয় ভাৰতীয় জীৱনী সাহিত্যৰ অন্তৰ্গত এই চৰিত পুথিৰ লগত আধুনিক যুগৰ জীৱন চৰিতৰ বিশেষ পাৰ্থক্য দেখা যায়। আধুনিক যুগৰ জীৱন চৰিতত বৰ্ণিত নায়কৰ এটি প্ৰতিকৃতি অংকণ কৰা হয়। আনহাতে মধ্যযুগীয় চৰিত পুথিত নায়কক গুণী-জ্ঞানী তথা ঐশ্বৰিক পুৰুষ হিচাপে অংকণ কৰা হয়। মধ্যযুগীয় চৰিত পুথিসমূহত থকাৰ দৰে অতিৰঞ্জিত আৰু অলৌকিক ঘটনাৰ সমাৱেশ আধুনিক জীৱন চৰিতত দেখা নাযায়। অশ্বঘোষৰ বুদ্ধচৰিতৰপৰা আৰম্ভ কৰি সকলোবোৰ চৰিতত কম-বেছি পৰিমাণে অলৌকিক ঘটনা, অসাধাৰণ গুণৰাজি নায়ক চৰিত্ৰত আৰোপ কৰিছে।

২৪। গোবিন্দ প্ৰসাদ শৰ্মা, *জীৱনী আৰু অসমীয়া জীৱনী*, পৃ ঃ ৪৩

২৫। গোলকেশ্বৰ গোস্বামী, 'ভাৰতীয় চৰিত সাহিত্যৰ পটভূমিত মধ্যযুগৰ অসমীয়া গুৰু-চৰিত (এটি চমু বিশ্লেষণ), *মণিকূট*, অসম সাহিত্য সভা, ৬৫ তম্ হাজো অধিবেশন, ১৯৯৯

## চতুৰ্থ অধ্যায়

# চৰিত তোলা পৰম্পৰা ঃ উদ্ভৱ আৰু বিকাশ

অসমীয়া সাহিত্য, সংস্কৃতি আৰু ইতিহাসৰ লগত সত্ৰ-নামঘৰসমূহৰ সম্পৰ্ক অতি নিবিড়। মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱ প্ৰৱৰ্তিত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে মহাপুৰুষসকলৰ উত্তৰকালত অসমৰ ইমূৰৰপৰা সিমূৰলৈকে যিদৰে সত্ৰায়ন পৰ্বৰ সূচনা হৈছিল, একেদৰে সত্ৰসমূহৰ প্ৰভাৱপুষ্ট হৈ গাঁৱে-ভূঞে মহাপুৰুষ শঙ্কৰদেৱৰ জীৱিত কালছোৱাতেই থান-সত্ৰসমূহত বৈষ্ণৱ-ভক্ত সমাজৰ উপাস্য দেৱতাৰ চৰিত্ৰ কীৰ্তন কৰা হৈছিল —

> সৰু আতা ঠাকুৰ আতা প্ৰমুখ্যে সোধে ঃ গুৰুজনে মুখপদ্মে
> কীৰ্ত্তন কৰে ঃ দশ অৱতাৰ বাইশ্য অৱতাৰ ঃশ্ৰী ৰামৰ ঃ
> কৃষ্ণবলোভদ্ৰৰ চৰিত্ৰ ঃ আতৈসৱে মহাশ্ৰদ্ধাভাএ কৰ্ণাঞ্জলি
> ভৰি পিত্ৰঃ[১]

শঙ্কৰদেৱৰ প্ৰয়াণৰ পাচত অসমৰ বৈষ্ণৱ সত্ৰসমূহ একাধিক অন্তৰ্লীন কাৰণত চতুৰ্ধা বিভক্ত হৈ পৰিল[২] ব্ৰহ্ম, পুৰুষ, নিকা আৰু কাল সংহতি ৰূপে সুকীয়া সুকীয়া চাৰিটা থূলত। এই চাৰিওটা সংহতিতে নাট, গীত, ঘোষা ৰচনা কৰাটো সত্ৰীয়া গুৰুসকলৰ প্ৰধান কৰ্তব্য ৰূপে পৰিগণিত হৈছিল। শঙ্কৰদেৱৰ তিৰোধানৰ পাচত মাধৱদেৱে গুৰুবাক্য সাৰোগত কৰি 'গুৰুজনৰ সদা-সৰ্ব্বদা চৰিত্ৰ কীৰ্ত্তন'[৩] কৰিবলৈ লৈছিল। সত্ৰস্থ ভকত-আতাসকলে পোন প্ৰথমতে মাধৱদেৱৰপৰাই গুৰুকথা শুনিবলৈ সুযোগ লাভ কৰিছিল। সত্ৰৰ বিবিধ প্ৰসংগৰ অন্তত এগৰাকী অভিজ্ঞ ভকতে নিজে জনা অনুসৰি গুৰুৰ জীৱনলীলাৰ খণ্ড বিশেষ ক্ৰমান্বয়ে কয়, উপস্থিত ভক্ত সমাজে পৰম নিষ্ঠা আৰু ভক্তিৰে সৈতে তাক শ্ৰৱণ কৰে। কোনো কোনো ভকত-সজ্জনৰ

১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১

২। কেশৱানন্দ দেৱগোস্বামী, *সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা*, পৃঃ ১

৩। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃ. ১

গৃহতো কেইবাজনো ভকত লগ হৈ এনে চৰিত্ৰ প্ৰসংগৰ প্ৰৱৰ্তন কৰে আৰু গুৰুসকলৰ জীৱন কাহিনী এফালৰপৰা বিৱৰি কয়। কিম্বা সন্দেহ বা আঁসোৱাহ পালে আন ভকতে তাক আঁতাই লৈ যায়, প্ৰয়োজন হ'লে শুধৰাই দিয়ে। ভক্তবৃন্দই গুৰু মহিমাত মজি অপাৰ আনন্দ উপভোগ কৰে। জিজ্ঞাসুসকলে কেতিয়াবা জনা-বুজাসকলক সুধি গুৰুৰ লীলা চৰিত্ৰ শ্ৰৱণ কৰি তৃপ্ত হৈছিল। মাধৱদেৱৰ প্ৰয়াণৰ পাচত গুৰুৰ জীৱন-চৰিত কীৰ্তন কৰাটো প্ৰধান বিষয় ৰূপে যুক্ত হৈছিল। প্ৰথম অৱস্থাত মুখে মুখেই ব্যক্তিগত অভিজ্ঞতা অথবা পৰম্পৰাগতভাৱে পোৱা জ্ঞানৰ আধাৰতে এনেদৰে দুজনা গুৰুৰ চৰিত্ৰ কীৰ্তন হৈছিল। সময় পাৰ হোৱাৰ লগে লগে অন্যান্য ধৰ্মগুৰুসকলৰ জীৱন-চৰিত আৰু সত্ৰবো ইতিহাস চৰ্চা, আলোচনা আদি হ'বলৈ ধৰিলে। সত্ৰৰ অধিকাৰ অভিষেক বা নিৰ্মালি লোৱা অনুষ্ঠানত সেই সত্ৰৰ স্বৰ্গগত অধিকাৰসকলৰ জীৱনী আৰু কাৰ্যাৱলীৰ একাদিক্ৰমে চমু বৰ্ণনা দিয়াটো নিয়মত পৰিণত হৈ পৰিল। প্ৰথাগত ৰূপ পৰিগ্ৰহ কৰা ইয়েই **চৰিত তোলা প্ৰথা**। কালক্ৰমত এই চৰিত তোলা প্ৰথাই বিস্তাৰ লাভ কৰে সত্ৰ আৰু ভক্ত সমাজৰ মাজত। পৰৱৰ্তী কালত আনকি এই প্ৰথা সত্ৰসমূহৰ দৈনন্দিন ধৰ্মীয় কাৰ্য ক্ৰমণিকাৰ অন্তৰ্ভুক্ত হৈ পৰে। গুৰুসকলৰ জীৱন বৃত্তান্ত কেতিয়াবা সত্ৰৰ বাহিৰতো চৰ্চা কৰা হৈছিল। এতিয়াও কোনো এজন ভকত আন এজন ভকতৰ ঘৰলৈ আহিলে এছোৱা চৰিত কথন কৰাৰ প্ৰথা কোনো কোনো অঞ্চল বিশেষে আছে। "অতিথিয়েও চৰিত কোৱা সময়খিনি আঁঠু কাঢ়ি থাকি চৰিত-চৰ্চনৰ মাধুৰ্য উপভোগ কৰে"।[৪] গুৰুসকলৰ চৰিত-চৰ্চাৰ অনেক কথা বহুকাল ধৰি ভক্তবৃন্দৰ মাজত শিলৰ ৰেখাৰ দৰে মুখে মুখে চলি আহিছিল। শঙ্কৰদেৱৰ লগত সকলো সময়তে গাৰ ছাঁৰ দৰে থকা মাধৱদেৱেই হ'ল চৰিত চৰ্চাৰ প্ৰথম বক্তা। পিচলৈ নাৰায়ণ দাস ঠাকুৰ আতা, মথুৰা দাস বুঢ়া আতা আদিয়েই এই পৰম্পৰা অব্যাহত ৰাখি, মাধৱদেৱৰ প্ৰয়াণৰ পাচত চৰিত চৰ্চা প্ৰথা আৰু সবল কৰি তোলে।

অসমীয়া সাহিত্যত জীৱনী সাহিত্যৰ প্ৰাচীন ৰূপ পোৱা যায় বৈষ্ণৱ সাহিত্যৰ অন্তৰ্গত চৰিত পুথিসমূহৰ মাজত। খ্ৰীঃ সপ্তদশ-অষ্টাদশ শতিকাত ৰচিত এই চৰিত পুথিসমূহৰ মাজেদি গুৰুসকলৰ জীৱন বৃত্তান্ত ভক্তবৃন্দৰ মুখে মুখে "কথা ৰূপে" প্ৰথম অৱস্থাত চৰ্চা হৈ আহিছিল —

> কথা ৰূপে ভক্তসৱে চৰ্চে ঠাই ঠাই।
> পদছন্দে কৰিবাক মোৰ অভিপ্ৰায়।।[৫]

৪। মুকুল চক্ৰৱৰ্তী, *গুৰু-চৰিত কথা অধ্যয়ন*, পৃঃ ১

৫। অনিৰুদ্ধ দাস, *গুৰু-বৰ্ণনা*, পদ-৩১, পৃঃ ৮



গদ্যৰ মাধ্যমত চৰ্চিত জীৱন-কথা মনত ৰাখিবলৈ সহজ নোহোৱাত পাচত পদ্যতে জীৱন চৰিত ৰচিত হ'বলৈ ধৰিলে। কাব্য বা পদছন্দৰ ৰচনা সেই সময়ৰ সাহিত্যৰ এক জনপ্ৰিয় শৈলী আছিল। সময়ৰ ব্যৱধানৰ পৰিপ্ৰেক্ষিতত সেইবোৰৰ কিছু গৰমিল হৈছিল —

> শুনা কথা কতো পৰে নপৰে মনত।
> হোৱে আগ-পাচ মোৰ বুদ্ধিৰ দোষত।।[৬]

বেছিভাগ চৰিত পুথিয়েই পদ্যত ৰচনা কৰা; পদ, দুলড়ী, ছবি, ঝুমুৰি আদি ছন্দৰ প্ৰয়োগ, বিবিধ অলংকাৰৰ ব্যঞ্জনা আৰু বৰ্ণনা শক্তিয়েই চৰিত পুথিসমূহক কাব্যিক মাধুৰ্য দান কৰিছে। পদ্যত ৰচিত চৰিত পুথিৰ ভিতৰত দৈত্যাৰি ঠাকুৰৰ **মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত্ৰ**, ভূষণ দ্বিজৰ **শ্ৰীশ্ৰীশঙ্কৰদেৱ**, বৈকুণ্ঠ দ্বিজৰ **সন্তমালা**, ৰামচৰণ ঠাকুৰৰ ভণিতাযুক্ত **শংকৰ চৰিত বা গুৰু-চৰিত**, ৰামানন্দ দ্বিজৰ **শ্ৰীগুৰু-চৰিত**, ৰামৰায়ৰ **গুৰুলীলা**, ৰামানন্দৰ **শ্ৰীশ্ৰীবংশী গোপালদেৱৰ চৰিত**, বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজৰ **ঠাকুৰ চৰিত**, নীলকণ্ঠ দাসৰ **শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত**, দ্বিজ দিবাকৰ আৰু বাণেশ্বৰৰ **হৰিদেৱ চৰিত** , পূৰ্ণানন্দৰ **শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ**, ভৱানন্দ দ্বিজৰ **গোবিন্দ চৰিত**, নিত্যানন্দ আতৈৰ **"শ্ৰীশ্ৰীবদুলা পদ্ম আতাৰ চৰিত্ৰ**, জগন্নাথ মহন্তৰ **শ্ৰীশ্ৰী" মথুৰাদাস বুঢ়া আতাৰ চৰিত্ৰ**, নৰোত্তম আতাৰ **লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ**, ৰামগোপালৰ **গোপাল আতাৰ চৰিত্ৰ**, শ্ৰীৰাম যদুমণিৰ **গোপাল আতাৰ চৰিত্ৰ**, যোগেশ্বৰ মহন্তৰ দ্বাৰা সংগৃহীত **শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ**, ৰামানন্দ ঠাকুৰৰ **শ্ৰীশ্ৰী মহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীশ্ৰীগোপাল আতাৰ চৰিত্ৰ** আদিয়েই প্ৰধান। ইয়াৰ উপৰি দীননাথ বেজবৰুৱাৰ **বৰচৰিত** এখনি উল্লেখযোগ্য চৰিত।

প্ৰথম অৱস্থাত পদ্যতে চৰিত পুথি লিখা হৈছিল যদিও পাচত গদ্যতো চৰিত ৰচনা হ'বলৈ ধৰিলে। গদ্যত ৰচিত চৰিত পুথিৰ সংখ্যা কম। কথাত লিখা চৰিত পুথিসমূহৰ প্ৰকাশ-ভংগী ঘৰুৱা, ভকতীয়া ঠাঁচৰ আৰু প্ৰাঞ্জল ভাৱৰ। কথাৰ লাচত ব্যৱহাৰ কৰা ফকৰা-যোজনা, খণ্ডবাক্য চিত্ৰ, প্ৰয়োজনবোধে দাণ্ডি ধৰা উদ্ধৃতি, প্ৰাসঙ্গিকতা, থান-সত্ৰৰ বৰ্ণনা, তীৰ্থ ভ্ৰমণৰ খণ্ড খণ্ড ঘটনা, ঠাইৰ নাম আৰু নদীৰ নামৰ উল্লেখ, ৰজা-বিষয়াৰ কাৰ্য-কলাপ, বস্ত্ৰ-বাহানি, যান-বাহন, মুদ্ৰা আৰু সাজপাৰৰ ব্যৱহাৰ আদি নানান কথাই গদ্য চৰিত পুথিসমূহক ভূগোল-বুৰঞ্জীৰ দৰেই মূল্যবান কৰি তুলিছে।[৭] উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত সু-প্ৰসিদ্ধ **কথা-গুৰু-চৰিত** (১৯৫২), একেখন গ্ৰন্থৰ মহেশ্বৰ

৬। ভূষণ দ্বিজ, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ১২

৭। পৰীক্ষিত হাজৰিকা, *আলোচনা সাহিত্য*, পৃঃ ৪৮-৪৯

নেওগ সম্পাদিত **গুৰু-চৰিত-কথা** (১৯৮৭) ,আৰু লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত প্ৰকাশিত আৰু পাচত মহেশ্বৰ নেওগে সম্পাদনা কৰা **বৰদোৱা-গুৰু-চৰিত** (১৯৭৭) গদ্যত ৰচিত উল্লেখযোগ্য চৰিত। ইয়াৰ উপৰি গোবিন্দ দাসৰ **সন্ত-সম্প্ৰদায় কথা** বা **এটকা মহন্তৰ চৰিত্ৰ** আৰু ভট্টদেৱৰ নামত প্ৰচলিত **সৎ-সম্প্ৰদায়-কথা** গদ্যত ৰচিত চৰিত পুথি। পৰৱৰ্তী কালত গদ্য-পদ্য উভয়তে ৰচিত ৰত্নেশ্বৰ গোঁসাইৰ **শ্ৰীশ্ৰী গোপালদেৱৰ কথা চৰিত**, খৰ্গেশ্বৰ গোস্বামীৰ **শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰ** আৰু খগেন্দ্ৰনাথ পাঠকৰ **দামোদৰদেৱৰ জীৱন চৰিত** উল্লেখযোগ্য।

সপ্তদশ-অষ্টাদশ শতিকাত ৰচিত সৰহভাগ চৰিত পুথিয়েই শঙ্কৰদেৱ-মাধৱদেৱক লৈ লিখা। চৰিত পুথিসমূহত কোনো এজন চৰিতকাৰে গুৰু-কথা আলোচনা কৰিবলৈ যাওঁতে প্ৰসংগক্ৰমে আন গুৰু-কথা বা শিষ্য-প্ৰশিষ্যৰ জীৱন-কথা তাৰ ভিতৰত সন্নিবিষ্ট কৰিছিল। ভাৰতীয় সন্ত চৰিতবোৰৰ দৰে অসমীয়া চৰিত পুথিতো গুৰুসকলৰ জীৱন-কথা বৰ্ণনা কৰোতে নানান অলৌকিক আৰু অতিৰঞ্জিত কথাৰ আশ্ৰয় লোৱা হৈছে। বেলেগ বেলেগ ঠাইত সেইবোৰৰ ৰূপ আৰু প্ৰকাশভংগী বেলেগ হ'লেও সকলোৰে মৌলিক উদ্দেশ্য আছিল একেটাই — বিৰল প্ৰতিভাৰ অধিকাৰী ধৰ্মগুৰুসকলৰ যশ গুণানুকীৰ্তন কৰা। ভক্তসকলৰ দৃষ্টিত গুৰুসকল আছিল অৱতাৰীপুৰুষ তথা আদৰ্শ পুৰুষ। বাস্তৱতাৰ কথালৈ প্ৰায়েই আওকাণ কৰি ভক্তিৰ উচ্ছ্বাসৰ বহণ সানি গুৰুসকলৰ গুৰু-চৰিত্ৰ বৰ্ণনা কৰিছিল। সেইবাবেই প্ৰায়ভাগ চৰিত পুথিৰ মাজত সত্য ঘটনাৰ অতিৰঞ্জন বা প্ৰথমৰপৰা ঐশ্বৰিক মহিমা আৰোপৰ প্ৰৱণতা, সাধাৰণভাৱে সম্ভৱ যেন নোহোৱা ঘটনাত লোককথা বা শ্ৰুতিৰ প্ৰভাৱত সোমাই পৰাৰ প্ৰৱণতা পৰিদৃষ্ট হয়।[৮] মানৱ-জীৱনৰ দোষ-ত্ৰুটিৰ কথা বাদ দি কেৱল গুণৰ দিশটোহে ইয়াত আলোচনা কৰা হৈছে।

অসমীয়া জীৱনী সাহিত্যৰ প্ৰথম নিদৰ্শন স্ব ৰূপে সপ্তদশ-অষ্টাদশ শতিকাৰ চৰিত পুথি আৰু বংশাৱলীলৈ আঙুলিয়াব পাৰি যদিও দৃষ্টিভংগী আৰু ৰচনা ভংগীৰ ফালৰপৰা এই চৰিত পুথিসমূহৰ লগত আধুনিক যুগৰ জীৱন চৰিতৰ বিশেষ পাৰ্থক্য আছে। কিয়নো চৰিত পুথিত মহাপুৰুষসকলৰ গুণৰাজিহে দেখুওৱা হৈছে, কেতিয়াবা তেওঁলোকৰ গাত অলৌকিকত্ব আৰোপ কৰা হৈছিল। দোষ-গুণৰ সমষ্টিয়েই যে মানুহ এই কথাৰ প্ৰতি যেন গুৰুত্ব দিয়া নাছিল। চৰিতকাৰসকলে গুৰুসকলৰ সমগ্ৰ কাৰ্যাৱলীকে মহৎ দৃষ্টিৰে চাইছিল। প্ৰকৃতাৰ্থত জীৱনীত চৰিত্ৰৰ দোষ-গুণ দুয়োটা দিশেই পৰিস্ফুট হ'ব লাগে।

---

৮। সত্যেন্দ্ৰ নাথ শৰ্মা, *সাহিত্যৰ আভাস*, পৃঃ ৮৮-৮৯

## পঞ্চম অধ্যায়

# চৰিত পুথি ৰচনা ঃ বিকাশ আৰু ব্যাপ্তি

শংকৰদেৱে স্থাপন কৰা সত্ৰসমূহ পৰৱৰ্তীকালত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰিছিল। শঙ্কৰদেৱৰ প্ৰয়াণৰ পাচৰেপৰা এই সত্ৰ-নামঘৰ প্ৰসংগত চৰিত চৰ্চাৰ ক্ৰম ৰচিত হৈ ক্ৰমাগত ৰূপত সত্ৰীয়া সমাজক কেন্দ্ৰ কৰিয়েই খ্ৰীষ্টীয় সপ্তদশ-অষ্টাদশ শতিকাৰ ভিতৰত চৰিতপুথিসমূহ ৰচিত হৈছিল। ধৰ্মগুৰুসকলৰ আদৰ্শ আৰু কাৰ্যাৱলী জীয়াই ৰখাৰ পৱিত্ৰ দায়িত্বৰ অনুপ্ৰেৰণাতে জন্ম হৈছিল এই চৰিত সাহিত্যৰ। গুৰু চৰিতৰ গুৰুসকল একে বয়সীয়া নহয়। গুৰু চৰিত মুখেৰে কোৱা বা চৰ্চা কৰা আৰু পদত বা কথাত লিখা প্ৰথাৰ উদ্ভৱো একে সময়তে হোৱা নাছিল। শঙ্কৰদেৱৰ জীৱিত কালছোৱাত থান-সত্ৰসমূহত উপাস্য দেৱতা ৰূপে কৃষ্ণলীলা কথন অথবা চৰিত্ৰ ঘোষা-কীৰ্তন ৰূপে গোৱা হৈছিল।[১] এই প্ৰথাগত ক্ৰমত মাধৱদেৱেই প্ৰথম গুৰু-চৰিত বক্তা।[২] কিন্তু শঙ্কৰদেৱৰ তিৰোধানৰ পাচত তেওঁৰ উত্তৰাধিকাৰী মাধৱদেৱে গুৰুবাক্য শিৰোগত কৰি "গুৰুজনৰ সদা-সৰ্বদা চৰিত্ৰ কীৰ্ত্তন কৰিছিল"[৩] আৰু তেৰেঁই পিচৰ গুৰু-চৰিতৰ সকলো সুঁতিৰ মূল প্ৰবাহৰ উৎস।[৪] মাধৱদেৱে প্ৰৱৰ্তন কৰা 'গুৰু-চৰিত কথা চৰ্চা প্ৰথাটি' কালক্ৰমত বিস্তাৰ লাভ কৰে আৰু সত্ৰসমূহৰ দৈনন্দিন ধৰ্মীয় কাৰ্যক্ৰমণিকাৰ অন্তৰ্ভুক্ত হৈ পৰে।[৫] শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱনকালত কোনো চৰিত পুথি পদতেই হওক বা কথাতেই হওক লিখাৰ প্ৰমাণ পোৱা নাই।

দুয়োজন গুৰুৰ আদৰ্শ শিৰোধাৰ্য কৰি পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে অসমৰ বিভিন্ন ঠাইত থান-সত্ৰ পাতি ভক্তি ধৰ্মৰ বাণী প্ৰচাৰ কৰাৰ লগতে গুৰু-জীৱন-কথা চৰ্চা

---

১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু- চৰিত -কথা*, পৃঃ ১
২। মহেশ্বৰ নেওগ, *গুৰুচৰিতৰ ইতিকথা*, পৃঃ ১৫
৩। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু- চৰিত -কথা*, পৃঃ ১
৪। মহেশ্বৰ নেওগ, *গুৰু-চৰিতৰ ইতিকথা*, পৃঃ ১৫
৫। *পূৰ্বোক্ত*

কৰিছিল। ইয়াৰ উপৰি মাধৱদেৱৰ গুৰু আসনত অধিষ্ঠিত হোৱা কালতেই অসমৰ বৈষ্ণৱ ধৰ্ম কেইবাটাও পন্থা বা সংহতিত বিভক্ত হৈ পৰাৰ উপক্ৰম ঘটিছিল।[৬] পৰৱৰ্তী কালত সৃষ্টি হোৱা প্ৰতিটো পন্থাৰে গুৰু বা সত্ৰাধিকাৰসকলৰ জীৱন-চৰিত চৰ্চা কৰাটো 'চৰিত-তোলা' প্ৰথাৰ অন্তৰ্ভুক্ত হৈ ক্ৰমাৎ বহলভাৱে প্ৰবাহিত হৈ নানা ৰূপত পল্লৱিত হৈ উঠে। এনেকৈয়ে গুৰু জীৱন-কথাৰ এটি শকত ভঁৰালৰ সৃষ্টি হৈছিল।

সত্ৰৰ বিস্তৃতি ঘটাৰ লগে লগে চৰিত চৰ্চা কৰা প্ৰথাটোও সত্ৰ-থান ভেদে গুৰু জীৱন-কথা বিভিন্ন ৰূপে 'কতো মুখে কয়', 'মুখ ভেদে কয়'[৭] চলিবলৈ ধৰিলে। সত্ৰীয়া চৰিত তোলা ৰীতিৰপৰা উদ্ভূত গুৰু-চৰিতবোৰ প্ৰথমাৱস্থাত কথা ৰূপে ভক্তসৱৰ মাজত চৰ্চিত হৈ আছিল। পৰৱৰ্তীকালত চৰিতকাৰসকলে পদ চৰিত লিখিবলৈ অনুপ্ৰেৰণা পাইছিল এনে চৰিত তোলা প্ৰথাৰপৰাই। পদ চৰিতবোৰ কথন চৰিতৰ ছন্দ-সংস্কৰণ মাথোন। "কথা-চৰিতেই সত্ৰীয়া চৰিত তোলা ঐতিহ্যৰ ঘাই সুঁতি; পদ চৰিতবোৰ সেই ঐতিহ্যৰ সুঁতিৰপৰা তুলি আনি ঘটত থোৱা তীৰ্থজল।"[৮]

শংকৰদেৱে ৰাম আৰু কৃষ্ণৰ মহিমা কীৰ্তন কৰাৰ দৰে তেওঁৰ তিৰোভাৱৰ পাচত মাধৱদেৱেও সত্ৰৰ কাম শেষ কৰি গুৰুৰ চৰিত্ৰ কীৰ্তন কৰে।[৯] তেওঁৰ এই ৰীতি পৰৱৰ্তী শিষ্যসকলেও সত্ৰসমূহত পালন কৰিছিল। এই প্ৰথাৰপৰাই বহুতো চৰিতকাৰে চৰিত ৰচনাৰ প্ৰেৰণা লাভ কৰে। ইয়াৰ উপৰি এজন সত্ৰাধিকাৰ বৈকুণ্ঠী হোৱাৰ পাচত তেওঁক ভালকৈ লগ পোৱা আৰু তেওঁতে প্ৰপন্ন হোৱা সত্ৰস্থ বৈষ্ণৱ ভক্ত এজনে চৰিত লিখাৰ নিয়ম চলি আহিছিল। প্ৰত্যেকখন সত্ৰৰ প্ৰত্যেকজন অধিকাৰৰ চৰিত লিখাৰ এই নিয়মটোৰ বাবেও মধ্যযুগত অসমীয়া চৰিত সাহিত্য চহকী হৈ পৰে।

মধ্যযুগৰ চৰিতসমূহক এনেদৰে ভাগ কৰিব পাৰি[১০] —

ক) শঙ্কৰদেৱ, মাধৱদেৱ আৰু অনুৰক্ত শিষ্য আদিৰ চৰিত ঃ

১। দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ, ৰামানন্দ দ্বিজ আৰু বৈকুণ্ঠ দ্বিজ ৰচিত চৰিত কেইখন প্ৰথম পৰ্যায়ৰ।

২। **অনিৰুদ্ধ দাসৰ গুৰু-বৰ্ণনা, গুৰু-চৰিত-কথা, বৰদোৱা-গুৰুচৰিত** আদি বিভিন্ন গদ্যত লিখিত চৰিত বিলাক; বৰপেটাত প্ৰাপ্ত সাৰাংশ কৰি লিখা **শংকৰদেৱ-চৰিত্ৰ**; ৰামচৰণ ঠাকুৰৰ **শংকৰ চৰিত**, সাৰ্বভৌম ভট্টাচাৰ্যৰ **সৰু স্বৰ্গখণ্ড** আৰু **বৰ স্বৰ্গখণ্ডক** লৈ উত্তৰ পৰ্যায়ৰ চৰিত।

খ) দামোদৰদেৱ-হৰিদেৱৰ চৰিত, শঙ্কৰদেৱ-মাধৱদেৱ আদিৰ আজ্ঞাপৰ সন্ত-মহন্তসকলৰ জীৱন বৃত্ত ঃ

১। ৰামাৰায় আৰু নীলকণ্ঠ দাসৰ **দামোদৰদেৱৰ চৰিত**,

২। বাণেশ্বৰ দ্বিজ আদিৰ **হৰিদেৱৰ চৰিত**;

৩। ৰামানন্দ দ্বিজ, পূৰ্ণানন্দ দ্বিজ, ৰামগোপাল আদিৰ **ভৱানীপুৰীয়া গোপাল আতাৰ চৰিত**;

৪। বিদ্যানন্দ ওজাৰ **ঠাকুৰ চৰিত**, বৈকুণ্ঠ দ্বিজৰ **সন্তমালা** শেষ অংশ;

৫। ৰমানন্দ দ্বিজৰ **বংশীগোপালদেৱৰ চৰিত্ৰ**;

৬। বনমালীদেৱ, যদুমণিদেৱ, শ্ৰীৰামদেৱ, অনন্ত আতা, পঢ়িয়াৰ মাধৱ আতা আদিৰ চৰিত;

গ) সত্ৰ আৰু মহন্তসকলৰ বুৰঞ্জীৰ প্ৰচেষ্টা — **আচাৰ্য সংহতি**, গোবিন্দ দাসৰ **সন্ত-সম্প্ৰদায়-কথা**, বিভুনাথৰ **এটকা মহন্তৰ ঝুনা**;

ঘ) চৈতন্যপন্থী ভাঁজ থকা সন্দেহজনক লেখকৰ প্ৰক্ষিপ্ত ৰচনা **সন্ত-নিৰ্ণয়**, কৃষ্ণ আচাৰ্যৰ **সন্ত-বংশাৱলী** বা **সন্ত-চৰিত**, কবিৰত্নৰ **সৎ-সম্প্ৰদায় কথা**, মাধৱদেৱৰ নামত চলাবৰ যত্ন কৰা আদি **চৰিত**।

চৰিত পুথিৰ কাল নিৰূপণৰ ক্ষেত্ৰত দেখা যায় যে যি চৰিতত অলৌকিকতাৰ পৰিমাণ কম সেই চৰিতেই ইতিহাসৰ দৃষ্টিত বেছি বিশ্বাসযোগ্য। সময় পাৰ হৈ যোৱাৰ লগে লগে কথাবস্তুত অতিৰঞ্জন আৰু অলৌকিকতা বাঢ়ি যাবলৈ ধৰে। প্ৰথম পৰ্যায়ৰ চৰিতত পাচৰ পৰ্যায়ৰ চৰিতবিলাকৰ দৰে গুৰুসকলত কোনো মানৱাতীত শক্তিসাধ্য বা অলৌকিক কাৰ্য বাৰুকৈ আৰোপ কৰা হোৱা নাছিল যদিও শংকৰ-মাধৱদেৱক বিষ্ণুৰ অৱতাৰ বুলি গণ্য কৰিছিল।[১১] আদি পৰ্যায়ৰ চৰিতকেইখনিত শঙ্কৰদেৱৰ পূৰ্বপুৰুষৰ কথা কওঁতে চণ্ডীবৰৰ পিতৃ লণ্ডাদেৱতহে আৰম্ভ কৰা হৈছে; তাৰ আগৰ পীৰিবিলাকৰ উল্লেখ কৰা নাই।[১২]

মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ পুত্ৰ আছিল দৈত্যাৰি ঠাকুৰ। তেওঁৰ চৰিতত

---

৬। কেশৱানন্দ দেৱগোস্বামী, *সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা*, পৃঃ ১-২

৭। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু -চৰিত -কথা*, ভূমিকা, পৃঃ ৪৬

৮। মহেশ্বৰ নেওগ, *গুৰু-চৰিতৰ ইতিকথা*, পৃঃ ১৮

৯। Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaisnava Faith and Movement in Assam* p:2

১০। মহেশ্বৰ নেওগ, *গুৰু-চৰিতৰ ইতিকথা*, পৃঃ ২০-২১



১১। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত*, পৃঃ ১-২

১২। মহেশ্বৰ নেওগ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২

শঙ্কৰদেৱতকৈ মাধৱদেৱৰ কথা কিছু বেছি। ইয়াৰ কাৰণ দৈত্যাৰি ঠাকুৰে সৰুৰেপৰাই মাধৱদেৱৰ লগত থকাৰ উপৰি শিক্ষা-দীক্ষা লাভ কৰিছিল। ৰামচৰণক মাধৱদেৱে "কীৰ্ত্তন-ঘোষা" সংকলনৰ যি দায়িত্ব দিছিল, সেই দায়িত্ব তেওঁ সম্পন্ন কৰে মাধৱদেৱৰ প্ৰয়াণৰ আগে আগে।[১৩] এই সময়ৰ আগে আগে ৰামচৰণ ১৫৯৫ চন মানত বিবাহিত হয় আৰু তেওঁৰ প্ৰথম পুত্ৰ দৈত্যাৰিৰ জন্ম হয় ১৫৯৬ চনত।[১৪] দৈত্যাৰি ঠাকুৰে তেওঁৰ চৰিতত শঙ্কৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ কথা কৈছে-

হৰিচৰণৰ ভৈলা পুত্ৰবৰ
চতুৰ্ভুজ নাম থৈলা।।
তেহো বিদ্যমানে বিষ্ণুপুৰ থানে
কৰিয়া সত্ৰ আছন্ত।[১৫]

১৬১৯ চনত পুৰুষোত্তম ঠাকুৰৰ বৈকুণ্ঠ প্ৰয়াণত চতুৰ্ভুজ ঠাকুৰ বিষ্ণুপুৰ থানৰ অধিকাৰ হয় আৰু ১৬৪৮ চনত তেওঁৰ পৰলোক হয়। ১৬১৯-১৬৪৮ চনৰ ভিতৰত দৈত্যাৰি ঠাকুৰৰ চৰিতখনি ৰচিত হয়।

ভূষণ দ্বিজ নাৰায়ণ দাস ঠাকুৰ আতাৰ পুৰোহিত আছিল। নাৰায়ণ দাস ঠাকুৰ আতাৰ ভায়েক ৰামানন্দৰ উপদেশ মতেই ভূষণ দ্বিজে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত ৰচনা কৰিছিল। পুৰুষোত্তম ঠাকুৰৰ মৃত্যুৰ পাচত চতুৰ্ভুজে তামৰঙা বিলৰ পাৰত বিষ্ণুপুৰ সত্ৰ স্থাপন কৰাৰ সময়ত দ্বিজ ভূষণে 'শংকৰ-চৰিত' লিখে। পুৰুষোত্তমে ঠাকুৰৰ মৃত্যু হয় ১৬১৮ খ্ৰীষ্টাব্দত আৰু ১৬৩৫ খ্ৰীষ্টাব্দত বিষ্ণুপুৰ সত্ৰ মুছলমানে ধ্বংস কৰে। গতিকে তাৰ অলপ আগতে অৰ্থাৎ ১৬৩০ খ্ৰীষ্টাব্দমানত দ্বিজ ভূষণে শংকৰচৰিত সম্পূৰ্ণ কৰে।[১৭] পুথিখনিত চতুৰ্ভুজ ঠাকুৰৰ কথা[১৮] বৰ্তমান কালত দিয়ালৈ চাই তাৰ ৰচনা খ্ৰীষ্টাব্দ ১৭ শতিকাৰ প্ৰথম দশকতকৈ পাচলৈ যাব নোৱাৰি। এইভাৱে চালে দেখা যায় যে দৈত্যাৰি ঠাকুৰ আৰু ভূষণ দ্বিজৰ চৰিত প্ৰায় একে সময়তে লিখা হৈছিল। সম্ভৱতঃ দুয়ো দুইৰো লেখা দেখা নাছিল। ভূষণ দ্বিজেও ঠিক দৈত্যাৰি ঠাকুৰৰ দৰেই তেওঁৰ সন্মুখত চৰিত পুথিৰ আৰ্হি নথকা, শুনা কথা মনত নপৰা, কথা আগ-পাচ হোৱাৰ কথা স্বীকাৰ কৰিছে —

নুহি শ্লোক বন্ধে আক পদ নিবন্ধিব।

১৩। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫৫-৩৬১
১৪। মহেশ্বৰ নেওগ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩
১৫। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮৩
১৬। Maheswar Neo, *Sankaradeva and His Times* :p- 7
১৭। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তি*, পৃঃ ২০৫
১৮। ভূষণ দ্বিজ, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ১১১-১১২



নাহিকে আৰিসি তাক চাহিয়া লিখিব।।
শুনা কথা কতো পৰে নপৰে মনত।
হোৱে আগ-পাছ মোৰ বুদ্ধিৰ দোষত।।[১৯]

বৈকুণ্ঠ দ্বিজৰ **সন্তমালা** শঙ্কৰদেৱ-মাধৱদেৱ, পুৰুষোত্তম-চতুৰ্ভুজ ঠাকুৰৰ চমু জীৱন-কথা। চতুৰ্ভুজ ঠাকুৰৰ জীৱন কালতে বৈকুণ্ঠ দ্বিজৰ চৰিত আৰম্ভ হৈছিল, কিন্তু শেষ হ'বলৈ নাপালে। **সন্তমালাৰ** মুঠ ১৫৪৭ টা পদৰ ভিতৰত মাত্ৰ তিনি ঠাইতহে ৬৭, ৪৮৮ আৰু ৯৮৫ পদত ভণিতা আছে। ৯৮৫ পদৰপৰা ১৫৪৭ পদলৈকে লেখকৰ ক'তো নাম নাই; অন্ততঃ সামৰণিত লেখকৰ পৰিচয়সহ ভণিতা থাকিব লাগিছিল। ভণিতাৰ অভাৱৰপৰা পাচৰ অংশ অন্য লেখকৰ বুলি ভাবিবৰ থল আছে।[২০] চতুৰ্ভুজ ঠাকুৰে তামৰঙা বিলৰ পাৰত সত্ৰ পাতি থকাৰ বৰ্ণনাৰপৰাই অনুমান হয় ১৬৪৮ চনত চতুৰ্ভুজ ঠাকুৰৰ প্ৰয়াণৰ পূৰ্বতে চৰিতখনি লিখিবলৈ লোৱা হয়।[২১] অৱশ্যে পুথিখনত পুৰুষ সংহতিৰ প্ৰধান সত্ৰকেইখনৰ উল্লেখ থকালৈ চাই ১৬৫০ খ্ৰীষ্টাব্দৰ অলপ পিচত ৰচিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।[২২]

ৰামানন্দ দ্বিজৰ **শ্ৰীগুৰু-চৰিত** শঙ্কৰদেৱ, মাধৱদেৱ আৰু ভৱানীপুৰীয়া গোপালদেৱৰ জীৱন চৰিত্ৰ। ৰামানন্দ দ্বিজ শ্ৰীৰামদেৱৰ পুত্ৰ। ১৫৩৩ শকত গোপাল আতাৰ প্ৰয়াণত শ্ৰীৰাম কালজাৰ সত্ৰৰ অধিকাৰ হয়। তাতেই তেওঁৰ পৰলোক হয় আৰু তেওঁৰ দ্বিতীয় পুত্ৰ ৰামানন্দই সেই স্থান লয়। কিন্তু তেওঁ কালজাৰ এৰি আতন বুঢ়াগোহাঁইৰ মন্ত্ৰিত্বৰ সময়ত উজনিলৈ যাত্ৰা কৰে। কিয়নো ৰামানন্দই কৰ্মময় জীৱনৰ শেষছোৱা আহোম ৰাজ্যত কটোৱাত সেই ৰাজ্যৰ লগত সংশ্লিষ্ট চৰিত-কথা আগৰ চৰিতকাৰতকৈ অধিকতৰ পূৰ্ণভাৱে দিছে। আতন বুঢ়াগোঁহাই মন্ত্ৰী হয় ১৬৪৮ খ্ৰীষ্টাব্দত আৰু মৃত্যু হয় ১৬৭৯ খ্ৰীষ্টাব্দত। কিন্তু চৰিতখনিত বুঢ়াগোহাঁইৰ নাম এবাৰো উল্লেখ কৰা নাই। আতন বুঢ়াগোহাঁইৰ মন্ত্ৰিত্বৰ শেষ ডোখৰত বা তেওঁৰ মৃত্যুৰ পাচতহে "১৬৭৯ খ্ৰীষ্টাব্দৰ আগৰ আৰু পিছৰ দুবছৰমানৰ ভিতৰতে ৰামানন্দৰ শংকৰ-মাধৱ চৰিত সমাপ্ত হয়।"[২৩]

অনিৰুদ্ধ দাসৰ গুৰু-বৰ্ণনা মাথোন ৪৩৫ টি পদৰ সমষ্টি। চৰিত পুথিখনত

১৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২
২০। ৰাপচন্দ্ৰ মহন্ত, *ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ*, পৃঃ ৭২
২১। মহেশ্বৰ নেওগ, *গুৰুচৰিতৰ ইতিকথা*, পৃঃ ৩১
২২। সত্যেন্দ্ৰ নাথ শৰ্মা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৮
২৩। ৰামানন্দ দ্বিজ, *শ্ৰীগুৰুচৰিত*, পাতনি, মহেশ্বৰ নেওগ (সম্পা),পৃঃ1/০

শঙ্কৰদেৱ, মাধৱদেৱ, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ ঠাকুৰ, দামোদৰ আতা আৰু ৰমাকান্ত আতাৰ চৰিত কথা বৰ্ণিত হৈছে। অনিৰুদ্ধ ৰমাকান্ত আতাৰ শিষ্য। ৰমাকান্ত আতাৰ চৰিত লিপিবদ্ধ হোৱাৰ পাছত চাই চৰিতখনি সপ্তদশ শতিকাৰ শেষ ভাগত অথবা অষ্টাদশৰ প্ৰথম-দুই দশকৰ ভিতৰতে ৰচিত।[২৪]

উত্তৰপৰ্বৰ গুৰুচৰিতবিলাক ৰচিত হোৱাৰ সময়ত কামৰূপ, কোচবেহাৰৰ সত্ৰানুষ্ঠান ব্যাপক ৰূপত প্ৰতিষ্ঠিত হৈছিল; বিশেষকৈ সপ্তদশ শতিকাৰ শেষৰ দুই-এবছৰ আৰু অষ্টাদশ শতিকাৰ আদিভাগত। সত্ৰবোৰ একে মূলৰপৰা উদ্ভূত হ'লেও সিবোৰৰ মাজত মিলতকৈ অমিলেই আছিল সৰহ। নিজ নিজ প্ৰতিষ্ঠাৰ চেষ্টাই আছিল সত্ৰ বিভাজনৰ মূল কাৰণ। বিচাৰত নহ'লেও আচাৰত চাৰিটি গোটৰ সামান্য প্ৰভেদ আছিল। ৰাজ-অনুগ্ৰহ লাভৰ আশাত কিছু সত্ৰীয়াই যেনি-তেনি লৰ দিছিল। বিভিন্ন সত্ৰৰ সংস্পৰ্শলৈ গৈ গুৰু জীৱন-কথাক নানা কথা-উপকথাৰে চাৰলৈ প্ৰয়াস কৰিলে। পাৰিলে স্বয়ং শঙ্কৰদেৱকে, নোৱাৰিলে দামোদৰদেৱ বা আন আন সন্তসকলক চৈতন্য মহাপ্ৰভুৰ শিষ্য ৰূপে দেখুৱাবৰ যত্নও এই সময়তে হৈছিল।[২৫] এই কালত শঙ্কৰদেৱৰ বাল্যক্ৰীড়াৰ বিশদ বৰ্ণনা দিবৰ কাৰণে যত্ন কৰা হয় আৰু সেই বৰ্ণনাত শ্ৰীকৃষ্ণৰ শিশুলীলা সযত্নে আৰু শুচি হৃদয়েৰে আৰোপ কৰা হয় — "এই বাল্যও ভূঞাৰ শিশুসবকে মুখ্যকৈ আনোসব অসংখ্য ঃ বৃন্দাবনৰ জি লীলা কৃষ্ণদেএ সেই ৰূপে গুৰুজনো কৰিব ধৰিলে।।"[২৬] আকৌ—

চক্ৰবাতে কৃষ্ণক নিলন্ত যেন হৰি।
তেনমতে ৰহিলা শংকৰে ছদ্ম কৰি।।[২৭]

ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত ভক্তসমাজত বৰচৰিত ৰূপে খ্যাত। মাধৱদেৱৰ ভাগিন ৰামচৰণৰ নামত এই চৰিত প্ৰচলিত। চৰিতকাৰে নিজেও কৈছে —

তাহান ভাগিন হুয়া তভো মই
ভৈলো কিনো দুৰাচাৰ।।[২৮]

আনহাতে ৰামচৰণৰ পুত্ৰ দৈত্যাৰিয়ে শঙ্কৰদেৱ-মাধৱদেৱৰ এখনি চৰিত ৰচনা

২৪। মহেশ্বৰ নেওগ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩২
২৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫
২৬। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰুচৰিতৰ ইতিকথা*, পৃঃ ২০
২৭। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ১১৭
২৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১০



কৰে। পিতাকৰপৰা শুনি গুৰুকথাৰে পদ কৰিছে দৈত্যাৰিয়ে —

যিমান জানন্ত তেহে কহিলন্ত
আনতো যিবা শুনিলো।
ৰামচৰণত শুনিছো যিমত
সবাকে আমি লিখিলো।।[২৯]

ৰামচৰণে যে এখন চৰিত ৰচিছিল, সেই কথা দৈত্যাৰিয়ে ক'তো কোৱা নাই, বৰং তেওঁ 'নাহিকে আৰিহি'[৩০] বুলি স্পষ্ট উল্লেখ কৰিছে। মাধৱদেৱৰ ভাগিন তথা দৈত্যাৰিৰ পিতৃ ৰামচৰণে বোধকৰো কোনো চৰিত ৰচনা কৰা নাছিল। কনকলতা আইৰ আজ্ঞাপৰ কণ্টবীৰ ৰামচৰণেহে লিখিছিল। আই কনকলতাৰ বিয়োগ ঘটে ১৬৬৮ চনমানত। তাৰ আগে আগে হয়তো এই চৰিত ৰচনা কৰা হৈছিল।[৩১] ৰামচৰণৰ চৰিতত দৈত্যাৰি ঠাকুৰ আৰু ভূষণ দ্বিজৰ চৰিতৰপৰা বহুতো শাৰী হুবহু তুলি দিয়া দেখা যায়।[৩২] সম্ভৱতঃ সেই দুখনি চৰিত আগত ৰাখি 'ৰামচৰণ' নাম লোৱাজনে কথন চৰিতৰপৰা আৰু নিজৰ কল্পনাৰপৰা চৰিতখন লিখিছিল।[৩৩] হয়তো চৰিতখনি ভক্তসমাজৰ মাজত সমাদৰ আৰু গুৰুত্ব লাভ কৰাৰ উদ্দেশ্যে মাধৱদেৱৰ ভাগিন ৰামচৰণৰ নামত আন কোনোবাই প্ৰচাৰ কৰিছিল।

অষ্টাদশ শতিকাত চৰিত সাহিত্যই বিকাশ লাভ কৰে। ছন্দত ৰচিত চৰিত পুথিকেইখনতকৈ গদ্যত ৰচিত চৰিতকেইখন এই শতিকাৰ উল্লেখযোগ্য দান। গুৰু-চৰিত-কথা খ্ৰীষ্টীয় অষ্টাদশ শতিকাৰ আগভাগত ৰচিত যেন লাগে। ভাটোকুছিয়া কেশৱচৰণ আতাৰ জন্মৰ সময়ত ভূঞাসকলে ধুঁৱাহাট বেলগুৰি এৰি কামৰূপলৈ ভটিয়ায়। মাধৱদেৱৰ প্ৰয়াণতহে কেশৱচৰণে নিজ ঠাইত সত্ৰ স্থাপন কৰি ধৰ্ম প্ৰচাৰ কৰে বুলি ভাবিব পাৰি। তেতিয়াৰেপৰা বিৰুবাপু সত্ৰীয়া হোৱালৈকে প্ৰতিজন সত্ৰীয়াৰ

২৯। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮৪
৩০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮৫
৩১। মহেশ্বৰ নেওগ, *গুৰুচৰিতৰ ইতিকথা*, পৃঃ ৪৪
৩২। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং,২১৬১-২১৬৬,পৃঃ৪৬৪-৪৬৬
ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং, ১৬২-১৬৯, পৃঃ ৩৯-৪১
ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং,২১৯৮-২২৮৪, পৃঃ৪৭৪-৪৯৪
ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং, ২০১-২৯৪, পৃঃ ৪৯-৭২
ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং,২২৯৮-২৩৪৭, পৃঃ ৫০০-৫০৯
দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পদ নং, ৩২৮-৩৮১, পৃঃ ৭৬-৮৬
৩৩। মহেশ্বৰ নেওগ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ৪৪

২৫ বছৰমান হয় অৰ্থাৎ ১৬৪৩ শক আৰু তাৰ আগৰ-পিচৰ সময়কে ধঞ্জয় আতৈৰ সময় আৰু তেওঁৰ কথন চৰিত বুলি দাবী কৰা গুৰু-চৰিত-কথাৰ সময় বুলিব পাৰি। কিন্তু মূলজনা আতৈৰ চৰিত্ৰ কথন আৰু লিপিবদ্ধ কৰাৰ মাজত এটি সময়ৰ ব্যৱধান হোৱাটো অসম্ভৱ নহয়।[৩৪] চৰিতখনি প্ৰথমবাৰ লেখাৰ পাচত তাক সময়ে সময়ে পৰিৱৰ্ধন কৰা হৈ আহিছে।[৩৫] গুৰু-চৰিত-কথাৰ আৰম্ভণিৰ —

শ্ৰী শংকৰ নমো নিত্যং মাধৱ-সমন্বিতং
পুৰ্ৰ্যোত্তমং চতুৰ্ভুজং নমো নমঃ
শ্ৰী অনন্তং কৃষ্ণং পাণিচন্দ্ৰং
চাৰুচন্দ্ৰং লক্ষ্মীকান্তং ৰাম-শ্ৰীৰামেতি নমো নমঃ
শতসহস্ৰমহং বন্দে।

— গদ্য শ্লোকটিৰ 'ৰাম-শ্ৰীৰাম' কোন স্পষ্টকৈ বুজা টান। ৰাম-শ্ৰীৰাম বৰদোৱা থানৰ শলগুৰি আৰু নৰোৱাৰ আতাপুৰুষ ৰামচৰণ আৰু শ্ৰীৰামদেৱেই হয়, তেন্তে গুৰু-চৰিত-কথাৰ সময় অষ্টাদশ শতিকাৰ শেষ ভাগ হ'ব লাগিব। চৰিতখনিত বক্তা চক্ৰপাণি বৈৰাগী আতৈ বা ধঞ্জয় আতৈ আৰু ৰাম-শ্ৰীৰামৰ সেৱক; পুথি লিপিবদ্ধ কৰা বা নকল কৰা লিপিকাৰজনৰ মাজত স্থান আৰু কালৰ এটি ব্যৱধান আছিল। আনহাতে বৰ্ণিত চৰিত কাহিনীৰ ধাৰ তাতোকৈ বহুত আগতে ছিগিছে। পুথিখনিত উল্লেখ কৰা কথা স্বপ্নত হ'লেও মহাপুৰুষে 'আমি বৰাপো পুৰ্বোত্তম চতুভুজ'[৩৬] অসমৰ বৈষ্ণৱ ধৰ্মৰ এই চতুৰ্ব্যূহ ৰূপ ঘোষণা কৰা, মাধৱৰ সন্মুখতে গুৰুজনে ব্ৰহ্মা, নিকা, কাল- এই তিনিঘটি বা সংহতিৰ উল্লেখ কৰা কথা[৩৭], চাৰিও সংহতিৰ উল্লেখ[৩৮] আৰু বিভিন্ন থান-সত্ৰৰ নামৰ উল্লেখে[৩৯] চৰিতখনিক বহু পাচলৈ টানে। চৰিতখনিত উল্লেখ কৰা বদুলা আতাৰ চৰিত প্ৰসংগত পুৰুত্তম বৰুৱা, গোমথা মাহৰ আৰু সিলিখাতলৰ উল্লেখে[৪০] বা বৰ্গিৰ উল্লেখেও[৪১] চৰিতখনিৰ সময় নিৰ্দেশ কৰিব পাৰে; কিয়নো ১৭৪২

৩৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰুচৰিতৰ ইতিকথা,* ভূমিকা, পৃঃ৫২
৩৫। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৫৭
৩৬। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪৯৫
৩৭। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪৯৭
৩৮। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪১৯
৩৯। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ২০৬-২০৭
৪০। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪৫১
৪১। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ১৩৭



খ্ৰীষ্টাব্দত হোৱা বৰ্গিৰ বঙ্গ-উৰিষ্যা আক্ৰমণৰ লগত চৰিতকাৰে গুৰুজনৰ জীৱন কালৰ ঘটনা জড়িত কৰিবলৈ গৈছে। গুৰু-চৰিত-কথাৰ সময়ৰ ক্ষেত্ৰত ক'ব পাৰি যে চক্ৰপাণি বৈৰাগী আতৈৰ মৃত্যুৰ বছৰ ১৬৮০ শক বা ১৭৫৮ চনৰ পিচতেই নিশ্চয় চৰিতখনি সাঁচিপাতত সংকলিত হৈছিল।[৪২]

বৰদোৱা-গুৰুচৰিতখন খটৱা সত্ৰৰ পুৱাৰাম মহন্তৰপৰা শ্ৰীবেণুধৰ ৰাজখোৱাই সংগ্ৰহ কৰি আনি লক্ষ্মীনাথ বেজবৰুৱাক দিছিল। ১৮৩২ শকৰ আঘোণৰপৰা ১৮৩৬ শকৰ আহিনলৈকে লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত 'বাঁহী'ত মুঠ আঠত্ৰিশ অধ্যায়ত বিভক্ত হৈ এখনি গুৰু-চৰিত্ৰ প্ৰকাশ পায়। পুৱাৰাম মহন্তই বৰদোৱা সত্ৰৰ পুথিৰপৰা অবিকল নকল নকৰি পুথিৰ কথা বহু চমুৱাই নিজৰ ভাষাৰে লিখি উলিয়ায়। গুৰু-চৰিত-কথাৰ বিষয়বস্তু ব্যাখ্যানৰ লগত ইয়াৰ মিল নোহোৱা নহয়; বৰঞ্চ সমস্ত পুথিখনিৰ ঘটনাক্ৰম সজোৱাৰ বিষয়ত মিল আছে।[৪৩] গুৰু-চৰিত-কথাই যেনেকৈ 'কতো মুখভেদে কই' বুলি একোটা আখ্যানৰ বিষয়তে দুটা ৰূপ দাঙি ধৰে, বৰদোৱা-গুৰুচৰিতেও তেনে কৰে। বৰ্তমানৰ চৰিতখনে বৃহৎকায় এখন কথা চৰিতৰপৰাই যে নিজৰ উদ্ভৱ, সেই কথা সহজেই সোঁৱৰায়। ব্যাখ্যানত আৰু ভাষাৰ অৰ্বাচীনতা আহিছে কথা চমুওৱাৰ যত্নত। বাৰ বছৰ তীৰ্থ ভ্ৰমণ কৰি শংকৰদেৱে স্বগৃহাভিমুখে গমন কৰি "আলিপুখুৰীত উপনীত হ'লত জ্ঞাতি-কুটুম্ব ভূএগ্ৰসকলে আহি সাদৰ-সম্ভাষণ কৰিলে, জয়ন্তা-মাধৱক প্ৰণাম কৰিবলৈ খোজাত সেৱা কৰিব নিদি আলিঙ্গন কৰি চুমা দিলে"[৪৪] পুথিখনিত থকা এনে বহুতো বাক্য গাঁথনিৰপৰাই ক'ব পাৰি যে চৰিত পুথিখন অৰ্বাচীন।

মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰীয়াসকলৰ ভিতৰত বদুলা পদ্ম আতাৰ এখনি চৰিত নিত্যানন্দ আতৈয়ে লিখিছিল। শ্ৰী জগন্নাথ মহন্ত আতৈ বুঢ়াভকতে পুৰণি আৰ্হিৰ পদত মথুৰাদাস বুঢ়া আতাৰ চৰিত এখনি লিখে। মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰীয়াসকলৰ ভিতৰত ভৱানীপুৰীয়া গোপাল আতাই চৰিতকাৰসকলৰ মন অধিকভাৱে আকৰ্ষণ কৰে। গোপাল আতাৰ শিষ্য শ্ৰীৰামদেৱৰ পুত্ৰ ৰামানন্দ দ্বিজে শঙ্কৰদেৱ-মাধৱদেৱৰ লগতেই আতাৰ চৰিত সংযোগ কৰে, য'ত ৰামানন্দৰ পুত্ৰ ৰামগোপালেও শেহৰ ভাগত জোৰণি দিয়ে। ভৱানীপুৰীয়া গোপালআতাৰ দ্বিতীয়খনি চৰিত লেখে আতাৰ আজ্ঞাপৰ বিষুওদেৱৰ পুত্ৰ পূৰ্ণানন্দদেৱে। গোপালদেৱৰ নাতি আৰু কমললোচনৰ পুত্ৰ

৪২। *পূৰ্বোক্ত গ্ৰন্থ,* ভূমিকা, পৃঃ ৫৭
৪৩। মহেশ্বৰ নেওগ, *গুৰুচৰিতৰ ইতিকথা,* পৃঃ ৪৫
৪৪। মহেশ্বৰ নেওগ, (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত,* পৃঃ ৫৭

ৰামকৃষ্ণদেৱৰ চৰিত ৰচক হৰিবল্লভে প্ৰসংগত গোপালদেৱৰ অন্ত্যজীৱনৰ কাহিনী বৰ্ণাই গৈছে। নগাঁৱৰ কলাকটা সত্ৰৰ যোগেশ্বৰ মহন্তই পূৰ্ণানন্দ, ৰামগোপাল, ৰামদাস আৰু ৰামচৰণৰ পুত্ৰ হৰিবল্লভকৃত গোপালদেৱ-চৰিত 'সাৰ-সংগ্ৰহ-স্ব ৰূপে' মিলাই কৰা চৰিত ১৮৪৬ শকত প্ৰকাশিত হয় আৰু ১৯০০ শকত যোৰহাটৰ শ্ৰীমোহন চন্দ্ৰ মহন্ত আৰু শ্ৰীনবীনচন্দ্ৰ বৰদলৈয়ে পাঁচখনি চৰিতৰ উদ্ধৃতি দি **মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ** প্ৰকাশ কৰে। চতুৰ্ভুজ ঠাকুৰৰ শিষ্য দ্বিজ বিদ্যানন্দ ওজা আৰু হৰিনাৰায়ণ দ্বিজৰ **ঠাকুৰ চৰিত** কেশৱানন্দ দেৱগোস্বামীৰ সম্পাদনাত প্ৰকাশ পায় ১৯৭৭ চনত। ইয়াৰ উপৰি ৰামানন্দ দ্বিজৰ **বংশীগোপালদেৱৰ চৰিত্ৰ** আন এখনি মনোৰম চৰিত। এই চৰিত মতে মাধৱদেৱ আৰু দামোদৰদেৱ উভয়ৰ আজ্ঞা অনুসৰি বংশীগোপালদেৱে ধৰ্ম প্ৰচাৰ কৰিছিল। ৰমাকান্ত দ্বিজৰ **বনমালীদেৱ চৰিতত** দামোদৰদেৱৰ শিষ্য বনমালীৰ প্ৰতিষ্ঠিত দক্ষিণপাট সত্ৰৰ আদি বুৰঞ্জী সন্নিবিষ্ট হৈছে।

অৰ্জুনদেৱৰ শিষ্য ৰামৰায়ে **গুৰু-লীলা** ৰচনা কৰে। ইয়াৰ ৰচনাকাল সপ্তদশ শতিকাৰ মাজভাগ। ৰামৰায়ে **গুৰু-লীলাত** দামোদৰদেৱৰ জন্মৰপৰা ভট্টদেৱৰ তিৰোধানলৈকে অনেক কথা বৰ্ণনা কৰিছে। দামোদৰদেৱৰ জীৱন-কথাক লৈ ৰচিত চৰিতকেইখনৰ ভিতৰত **গুৰু-লীলাখনকেই** প্ৰাচীনতম আৰু প্ৰামাণ্য চৰিত বুলি ধৰা হয়। এই চৰিত পুথিখনত শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ সৌহাৰ্দপূৰ্ণ সম্বন্ধৰ কথা উল্লেখ আছে। নীলকণ্ঠ দাসৰ **শ্ৰীশ্ৰী দামোদৰদেৱ চৰিত্ৰ** আন এখনি উল্লেখনীয় চৰিত।

শঙ্কৰদেৱ-মাধৱদেৱৰ পীড়িৰ কোনো পুৰুষে চৰিত ৰচনা কৰা নাছিল যদিও শঙ্কৰদেৱৰ বৈমাত্ৰ ভাতৃ 'বনগএগিৰি'ৰ নামত **মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ চৰিত** এখনি আছে। পুথিখনিত হৰিদেৱৰ পূৰ্বপুৰুষৰপৰা আৰম্ভ কৰি স্বৰ্গাৰোহণলৈকে ভালেখিনি কথা বৰ্ণনা কৰিছে। হৰিদেৱ সম্পৰ্কে আন এখনি উল্লেখযোগ্য চৰিত হ'ল বাণেশ্বৰ আৰু দিবাকৰ দ্বিজৰ **শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ**। এইবোৰৰ উপৰি আৰু ভালেমান চৰিত পুথি ৰচিত হয়। পৰৱৰ্তী কালত শঙ্কৰদেৱৰ ধৰ্ম-সম্প্ৰদায়ৰ মাজত নানা বিভেদ সোমাই সংহতি বিভাগ হোৱাৰ পাচত চৰিতবিলাকত নানা ভাঁজ সোমাবলৈ ধৰে। কৃষ্ণ ভাৰতীৰ **সন্ত-নিৰ্ণয়** গদ্যত ৰচিত চৰিত পুথি, ইয়াৰে পদ্যৰূপ কৃষ্ণাচাৰ্যৰ **সন্ত-চৰিত** বা **সন্ত-বংশাৱলী** আৰু কবিৰত্নৰ **সৎ-সম্প্ৰদায়-কথা** — এই তিনিখন গ্ৰানিকৰ চৰিত।[৪৫] **সৎ-সম্প্ৰদায় কথাৰ** চৰিতকাৰ কবিৰত্নক ভট্টদেৱ বুলি ক'ব খোজে যদিও ভট্টদেৱৰ কথাৰ গাম্ভীৰ্য এই লেখাত নাই। গদ্যত ৰচিত আন এখনি উল্লেখযোগ্য চৰিত হ'ল গোবিন্দ দাসৰ **সন্ত-সম্প্ৰদায়-কথা**

৪৫।মহেশ্বৰ নেওগ, *গুৰুচৰিতৰ ইতিকথা*, পৃঃ ৭২



বা **এটকা মহন্তৰ চৰিত্ৰ** । ইয়াৰ উপৰি দীননাথ বেজবৰুৱাৰ **বৰচৰিত** মধ্যযুগৰ অসমৰ প্ৰাণৱন্ত চিত্ৰ সম্বলিত এখনি উল্লেখযোগ্য চৰিত।

কাব্য চৰিততকৈ গদ্য চৰিতসমূহ জনসাধাৰণৰ মনৰ বেছি ওচৰ চপা। "প্ৰাঞ্জল শব্দ-চয়ন, যথাৰ্থ জতুৱা ঠাঁচ, বৈষ্ণৱ গুৰুসকলৰ মহত্বৰ চিত্ৰণ আৰু ভক্ত ৰচকৰ আন্তৰিকতাপূৰ্ণ উপস্থাপন ৰীতিয়ে চৰিতসমূহক প্ৰাণৱন্ত আৰু ৰসময় কৰি তুলিছে।"[৪৬] শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱন-কথাক লৈ লিখিবলৈ লোৱাৰপৰা পৰৱৰ্তী সন্ত-মহন্ত তথা আজ্ঞাপৰ সত্ৰীয়া গুৰুসকলৰ জীৱন কাহিনীক লৈ চৰিতকাৰসকলে অসংখ্য চৰিত পুথি ৰচনা কৰি অসমীয়া চৰিত সাহিত্যক সমৃদ্ধ কৰি তুলিলে।

৪৬। পৰীক্ষিত হাজৰিকা, *আলোচনা সাহিত্য*, পৃঃ ৬৬

## ষষ্ঠ অধ্যায়

# ধৰ্ম বিষয়ক সাহিত্য ৰূপে চৰিত পুথিৰ মূল্যায়ন

মধ্যযুগৰ অসমৰ চৰিত পুথিসমূহ বৈষ্ণৱ গুৰুসকলৰ জীৱনচৰ্যা সম্বলিত একোখন দলিল স্বৰূপ। এই চৰিত পুথিসমূহত বৈষ্ণৱ ধৰ্মৰ সাৰতত্ত্ব প্ৰকাশি উঠিছে। 'ধৰ্ম' বুলিলে সাধাৰণতে এক প্ৰকাৰ বিশ্বাস বা প্ৰক্ৰিয়াৰ কথাকেই সূচায়। ধৰ্ম হৈছে ঈশ্বৰ উপাসনাৰ ভিন্ন ৰীতি-নীতি সম্পন্ন একোটা সম্প্ৰদায় বিশেষ। ধৰ্মৰ মূলতে এটা ধাৰণা বা বিশ্বাস নিহিত হৈ আছে যে এই বিশ্ব চৰাচৰ এক অতিপ্ৰাকৃত পৰম সত্তাৰ নিৰ্দেশত পৰিচালিত হয়। এই পৰম শক্তিক পূজা-পাতল, বলি-বিধান বা প্ৰাৰ্থনা আদিৰে তুষ্ট কৰিব পাৰিলে অভীষ্ট বা কামনা-বাসনা সিদ্ধি হয়।[১] জ্ঞান অৰ্থাৎ যুক্তি বা বিচাৰ-বিবেচনাৰ দ্বাৰা এই পৰম শক্তি লাভ অসম্ভৱ। এই শক্তিক তুষ্ট কৰিব পাৰি কেৱল উপাসনা বা ভক্তিৰেহে।

'ভক্তি' শব্দটো ভজ্ ধাতুত ক্তিন প্ৰত্যয় যোগ হৈ নিষ্পন্ন হৈছে। ভজ্ ধাতুৰ অৰ্থ হৈছে ভজা, সেৱা কৰা, ঈশ্বৰক ভজা, ঈশ্বৰক সেৱা কৰা। ঈশ্বৰৰ প্ৰতি অনাবিল আত্মসমৰ্পণেই হৈছে ভক্তি। ঈশ্বৰৰ প্ৰতি অতিকৈ অনুৰক্ত হোৱাটোৱেই ভক্তি বা ভগৱানৰ প্ৰতি পৰম প্ৰেমেই হৈছে ভক্তি। ভক্তি বোলোতে ঈশ্বৰ বা ভগৱানৰ ওচৰত একান্তভাৱে, কায়-মনো-বাক্যে আত্মসমৰ্পণ কৰাটোকেই বুজায়। ভক্তিৰ বাবে আমাৰ অন্তৰত এক অনুৰাগৰ প্ৰয়োজন। অনুৰাগ জন্মিলেহে শ্ৰদ্ধা ভাব আহে। শ্ৰদ্ধাই ভক্তিভাবৰ উদ্ৰেক কৰে। উপাসনা, আৰাধনা, সেৱা এই তিনিটা ভক্তি নিদৰ্শনৰ চানেকি।[২] উদ্দেশ্য অনুযায়ী ভক্তি দুবিধ — সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি। সগুণ ভক্তি উপাস্যজনৰ গুণেৰে সিক্ত আৰু কামনাযুক্ত। নিৰ্গুণ ভক্তি গুণৰহিত হোৱাৰ লগতে ভক্তজনৰো কামনা-বাসনাহীন। নিৰৱচ্ছিন্নভাৱে হৰি বা ঈশ্বৰৰ প্ৰতি প্ৰেমাপ্লুত হৈ কোনো কামনা-বাসনা নকৰাকৈ আত্মসমৰ্পণ কৰাটোহে আচল ভক্তি। শঙ্কৰদেৱ

১। শশী শৰ্মা, *অসমৰ লোকসাহিত্য*, পৃঃ ১৬২

২। পদ্মৰাম শালৈ, *ভক্তি ধৰ্ম আৰু ভক্তি কাব্যত এভুমুকি*, পৃঃ ১



প্ৰচাৰিত ভক্তি ধৰ্মৰ মূল বৈশিষ্ট্যসমূহ হ'ল—

১। গীতাৰ একশৰণ, ভাগৱতৰ হৰিনাম শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে একশৰণ নামধৰ্ম প্ৰচাৰ।

২। এই ধৰ্মত শৰণ আৰু ভক্তিৰ ওপৰত গুৰুত্ব আৰোপ।

৩। সৰ্ব জীৱৰ প্ৰতি সমভাব।

৪। হৰি ভক্তি পৰায়ণ চণ্ডাল দ্বিজতকৈ শ্ৰেষ্ঠ।

৫। ভক্তিৰ জৰিয়তে মুক্তি হ'ব বুলি বিশ্বাস।

৬। গুৰুৰ প্ৰতি অবিচলিত নিষ্ঠা।

৭। ঈশ্বৰৰ নাম মাহাত্ম্যত পৰম নিষ্ঠা।

৮। সংসাৰৰ প্ৰতি নিৰ্লিপ্ততা।

৯। জাতি ভেদত গুৰুত্ব আৰোপ নকৰা।

১০। ভক্তি ধৰ্মত নাম, দেৱ, গুৰু, ভকত — এই চাৰিটাই প্ৰধান উপাদান।

ভক্ত হ'ব লাগিব 'মুক্তিত নিস্পৃহ' অৰ্থাৎ ভুক্তি-মুক্তি আদিৰ প্ৰতি কোনো ধৰণৰ স্পৃহা থকা হ'ব নালাগিব। এনে ভকতেই হৈছে ভক্তোত্তম মহাভাগৱত। নিষ্কাম বা নিস্পৃহভাৱে ঈশ্বৰক ভাবিব পাৰিলেই সকলো কামনা সিদ্ধি হয়। ভক্তি ধৰ্মত নৱবিধ ভক্তি আচৰণ কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে—

শ্ৰৱণ কীৰ্ত্তন স্মৰণ অৰ্চ্চন
বন্দনা পদসেৱিবা।
নৱবিধ ভক্তি যিমান পাৰাহা
সিমানক আচৰিবা।।[৩]

বৈষ্ণৱ ধৰ্মত শ্ৰৱণ-কীৰ্তনেই মূল কথা। ভগৱানৰ নাম শ্ৰৱণ-কীৰ্তন কৰিলেই সকলো। ভগৱানৰ লীলা গুণানুকীৰ্তনক শ্ৰেষ্ঠতৰ ধৰ্ম বোলা হয়। তপ, জপ, যাগ, যজ্ঞ আদিৰ দ্বাৰা ভগৱানক পাব নোৱাৰি। নিৰ্মল, পৱিত্ৰ হৃদয়েৰে শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা ভগৱানক সহজতে পাব পাৰি। ৰামৰায়ে গুৰু-লীলাত শ্ৰীকৃষ্ণৰ মুখেৰেই কোৱাইছে—

শ্ৰৱণ কীৰ্ত্তন আৰু কৰে যিটো জন।
অনয়াসে পাৱে মোক কহিলো কাৰণ।।[৪]

কিয়নো,

শ্ৰৱণ কীৰ্ত্তন বিনে ধৰ্ম্ম নাহি আন।[৫]

৩। ৰামৰায়, *গুৰু-লীলা*, পৃঃ ১২২

৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫

৫। ভূষণ দ্বিজ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃঃ ২০৬

ভাগৱত বা ভক্তি ধৰ্মই কোনো জাতি-অজাতি নাবাছে। হৰি ভক্তিত কোনো বন্ধন নাই। "হৰি ভক্তিয়ে জাতি-অজাতি নাবাছে।"[৬] সমাজৰ সকলো শ্ৰেণীৰ লোকে হৰিনাম ল'ব পাৰে। "আধ্যাত্মিক সাধনাৰ ক্ষেত্ৰত জাতি ভেদৰ সমস্যা কোনো ক্ৰমেই আহি নপৰে।"[৭] এবাৰ ৰামদাস আৰু মাধৱদেৱে গণকপাৰাত থাকোতে শঙ্কৰদেৱৰ নৌকাত উঠি গৈ আছিল। চণ্ডাল এজনে — "নাৱে চৰি কৃষ্ণ কৃষ্ণ ডাকিয়া বোলয়"[৮] শুনি শঙ্কৰদেৱে — " বালকো বান্ধৱ কৃষ্ণ বুলিয়া জানি"[৯] পৰম আনন্দ কৰিলে। চণ্ডালে হৰিনাম লোৱাত শঙ্কৰদেৱে কৈছে—

দ্বাদশ গুণীয়া বিপ্ৰো নোহে সম।
এহিজন পুৰুষেসে সবাতো উত্তম।।[১০]

কলি যুগত হৰিৰ নাম-কীৰ্তনৰ বাহিৰে আন কোনো শ্ৰেষ্ঠ ধৰ্ম নাই। কিয়নো—

কলি যুগে হৰি    কীৰ্ত্তন বিনাই
ধৰ্ম্ম নাহি নাহি আৰ। [১১]

সেই কাৰণে হৰি নাম বাৰে বাৰে লোৱাটোৱে যুগুত—

হৰি নাম বিনে    ধৰ্ম্ম নাহি জানি
হৰি বোলা বাৰম্বাৰ।[১২]

কাৰণ,

সত্যযুগে ধ্যান    ত্ৰেতাযুগে যজ্ঞ
দ্বাপৰত পূজা কৰে।
কলিত কীৰ্ত্তন    কৰি অনায়াসে
পাপীয়ো সংসাৰ তৰে।।[১৩]

হৰি নামৰ ইমানেই মহিমা যে "কেৱল হৰিৰ নামেহে পাতকী নিস্তাৰ পাব পাৰে।"[১৪] "হৰি নামৰ চুৰা নাই।"[১৫] অশুচি বা চুৰা গাৰেও হৰিনাম শ্ৰদ্ধাৰে ল'ব পাৰে।

৬। গোবিন্দ দাস, *সন্ত-সম্প্ৰদায়-কথা*, পৃঃ ৯৪
৭। বাণীকান্ত কাকতি, *পুৰণি অসমীয়া সাহিত্য*, পৃঃ ৫
৮। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত*, পৃঃ ১০৬
৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৭
১০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৬
১১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭০
১২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২
১৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭১
১৪। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৯২
১৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৩



একমাত্ৰ হৰিনামৰ সহায়তহে পাপীয়েও মুক্তি পাব পাৰে। হৰি নামেই পাপীৰ মুক্তিৰ শেষ আশ্ৰয়।

হৰিনাম বিনে আৰ    নাহি ধৰ্ম্মে অধিকাৰ
পাতকীৰ জানিবা নিশ্চয়। [১৬]

ভক্তি ধৰ্ম শ্ৰৱণ মাত্ৰকে সকলো পাপ দূৰ হয়। হৰি নামে সকলো দুখ-দুৰ্গতি নাশ কৰে —

শ্ৰৱণ মাত্ৰকে    পাপ তাপ হৰে
বিষয় বিষ নিৰ্য্যান।।[১৭]

ভাগৱত ধৰ্ম সকলোতকৈ শ্ৰেষ্ঠ; সকলোতকৈ উত্তম — "সৰ্ব্ব ধৰ্ম্ম সাৰ, ধৰ্ম্ম ভাগৱত।"[১৮] ভক্তি ধৰ্মত ভাগৱতেই মূল। সমস্ত বেদৰ সাৰ শ্ৰীভাগৱত। এই ভাগৱতত যাৰ এবাৰ ৰতি ৰস জন্মিছে সি কেতিয়াও আন ৰসত তৃপ্তি নাপায়—

সমস্ত বেদান্ত সাৰ শীৰি ভাগৱত।
যাহাৰ মিলিল ৰতি ইহাৰ ৰসত।।
অন্যত্ৰ ৰসতে আৰ নাহিকে তৃপিতি।
পৰম কঠিন ইটো বেদান্ত সম্প্ৰতি।।[১৯]

বৈষ্ণৱ ধৰ্মত গুৰুৱেই হৈছে মূল। গুৰুৰ এক বিশেষ স্থান আছে। গুৰু অবিহনে ভক্তি অসম্ভৱ। গুৰু মানি নোলোৱাকৈ ভক্তি পথ লোৱাটো সুগম নহয়। ভক্তি হৈছে গুৰু প্ৰধান। গুৰুৱেহে মনৰ সকলো সংশয় দূৰ কৰাই প্ৰকৃত ভক্তি পথ দেখুৱাব পাৰে। গুৰুৰ প্ৰতিও শ্ৰদ্ধাবান হ'ব লাগিব। গুৰুক যিয়েই নামানে, সি সোঁ-সোঁ নৰকত পৰে—

গুৰু নুসুমৰে যিটো।
ভক্তিক নজানে সিটো।।
......................................
গুৰুক নমানে যিটো।
নৰকে পৰয় সিটো।।[২০]

১৬। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২
১৭। ৰামৰায, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৩
১৮। *পূৰ্বোক্ত*
১৯। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৭
২০। জগন্নাথ মহন্ত, *শ্ৰীশ্ৰী * মথুৰা দাস বুঢ়া আতাৰ চৰিত্ৰ*, পৃঃ ১৯

আনহাতে,

গুৰু সেৱা কৰে যিটো।
সংসাৰ উদ্ধাৰে সিটো।।[২১]

"গুৰুসেৱা" একশৰণ নামধৰ্মৰ এটি প্ৰধান বস্তু। গুৰুক শুশ্ৰূষা কৰাটো বৈষ্ণৱ আদৰ্শৰ ডাঙৰ কথা। কাৰণ বৈষ্ণৱ ভক্তসকলে বিশ্বাস কৰিছিল "গুৰু শুশ্ৰূষাতে যেন তুষ্ট ভগৱন্ত।"[২২] মাধৱদেৱে অতি নিষ্ঠাৰে তেবাৰ গুৰু শঙ্কৰদেৱক শুশ্ৰূষা কৰিছিল জীৱনৰ শেষলৈ। কাৰণ —

গুৰু সেৱা বিনে জানা ধৰ্ম নাহি আন।[২৩]

মাধৱদেৱ এবাৰ গোপাল আতাৰ ঘৰলৈ যাওঁতে আতাই আথে-বেথে আঁঠু কাঢ়ি চৰণত সেৱা আগবঢ়ালে —

দুই আঁঠু পাৰি অৱনত হুয়া
প্ৰণামিলা চৰণত।[২৪]

গোপালদেৱক "গুৰু সেৱা"ৰ মহিমা সম্পৰ্কে মাধৱদেৱে কৈছে—

যত ধৰ্ম্ম আছে সবাতো কৰিয়া
গুৰু সেৱা শ্ৰেষ্ঠতৰ।।[২৫]

ইয়াৰ উপৰি,

সমস্ত কথাৰ সাৰ গুৰু সেৱা শ্ৰেষ্ঠ ধৰ্ম্ম
কহিছন্ত শ্ৰীমন্ত শঙ্কৰ।[২৬]

আনকি, গুৰুৰ ভৰি ধুই সভক্তিৰে প্ৰণাম কৰাৰ কথাও চৰিত পুথিত পোৱা যায়। মাধৱদেৱ আৰু ৰামৰায় গুৰুৱে ভৱানীপুৰত উপবিষ্ট হোৱাৰ লগে লগে গোপাল আতাই —

ৰাম ৰাম গুৰু পদে সভক্তিৰে প্ৰণামিয়া
দুহাত্তৰ ভৰি ধুৱালন্ত।[২৭]

২১। *পূৰ্বোক্ত*

২২। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬০

২৩। *পূৰ্বোক্ত*

২৪। ৰামানন্দ ঠাকুৰ, *শ্ৰীশ্ৰী মহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীশ্ৰী গোপাল আতাৰ চৰিত্ৰ*, পৃঃ ৩৯

২৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০

২৬। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ)ঃ *মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত্ৰ*, পৃঃ৩৯

২৭। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৭



ভাগৱতী' ধৰ্মত গুৰু-ঈশ্বৰৰ মাজত প্ৰভেদ নাই। "নিষ্কাম সাধন মাৰ্গত সকলোৰে অধিকাৰ সমান।"[২৮]

গুৰুক অৰ্পিলেই যেন ঈশ্বৰক অৰ্পণ কৰা বুজায় —

গুৰুত অৰ্পিলে ঈশ্বৰক অৰ্পা
হৈ'বক কৰ্ম্ম লোকৰ।
গুৰু ঈশ্বৰৰ নাহি ভেদাভেদ
জানিবা শাস্ত্ৰৰ সাৰ।।[২৯]

'নামধৰ্মত' 'শৰণ' এক অপৰিহাৰ্য অংগ। সত্ৰত ভকত-বৈষ্ণৱৰ সমূহীয়া জীৱনৰ আদৰ্শ জনজাতীয় জীৱনৰ সবলতা আৰু একতাৰ প্ৰতি বেছি ঢাল খোৱা —

> অনুমান হয় যে জনজাতীয় সমূহীয়া সমাজ আৰু বৌদ্ধ সংঘৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়েই শ্ৰীমন্ত শঙ্কৰদেৱে অসমত সত্ৰীয়া জীৱন গঢ়ি তুলছিল। ধাৰণা হয় যে সত্ৰত ভকত-বৈষ্ণৱৰ সমূহীয়া জীৱনৰ আদৰ্শ বৌদ্ধ সংঘতকৈ জনজাতীয় সমাজৰ প্ৰতিহে বেছি ঢাল খোৱা। বৌদ্ধ সংঘত ত্ৰিশৰণতহে গুৰুত্ব দিছিল— সংঘত শৰণ, বুদ্ধত শৰণ আৰু ধৰ্ম্মত শৰণ। অসমৰ সত্ৰীয়া জীৱনত গুৰুত্ব দিয়া হয় নাম, দেৱ, গুৰু, ভকত — এই চাৰিটা শৰণৰ ওপৰত।[৩০]

'শৰণ' শব্দৰ অৰ্থ হ'ল বিষ্ণুৰ ভকত হোৱা বা আশ্ৰয় লোৱা। কোনো এজন গুৰুৰ ওচৰত শৰণ লোৱাটো আছিল এই ধৰ্মৰ অপৰিহাৰ্য কৰ্ম। গুৰুৰ ওচৰত শৰণ লোৱাজনক 'ভকত' বা 'ভকতীয়া' বুলিও কোৱা হয়। কোনো লোক শৰণীয়া নহ'লে তেওঁৰ হাতে তামোল এখনো খোৱা নিষেধ। তেওঁক 'অসংস্কৃত' বুলি ধৰা হয়। অসংস্কৃত লোকে সামাজিক মৰ্যদা নাপায়। শৰণ ল'লেহে আধ্যাত্মিক ক্ষেত্ৰত প্ৰৱেশ কৰিব পাৰে। শৰণ নোলোৱা অৰ্থাৎ অশৰণীয়া বা অভকতীয়াৰ হাতে নিজৰ পিতৃ-মাতৃয়েও মৃত্যুৰ সময়তো এটোপাল পানীও নাখায়। শুভকৰ্মৰ প্ৰাক্ মুহূৰ্তত বা যাত্ৰা পথত 'অশৰণীয়াৰ মুখ দৰ্শন' অশুভ লক্ষণ বুলি অসমীয়া লোক সমাজত বিশ্বাস আছে। "এদিন শাওণ মাহত মাধৱদেৱ পুৰুষ ভৱানীপুৰলৈ গৈছে, সেই সময়তে অভকতীয়া কালিৰ বুঢ়া নামে এজন লোকৰ

২৮। বাণীকান্ত কাকতি, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪

২৯। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৫

৩০। শশী শৰ্মা, সংঘৰ উৎপত্তি, বিকাশ, বিস্তিতি আৰু ভবিষ্যৎ, *প্ৰান্তিক*, ২১ শ বছৰ ১৩ সংখ্যা ১-১৫ জুন ২০০২

মৃত্যু হৈছে।"[৩১] অশৰণীয়া হৈ থকাটো সামাজিক অপৰাধ বুলি গণ্য কৰা হৈ আহিছে। আনকি, অশৰণীয়াৰ পুত্ৰ-বধূয়েও ইয়াৰপৰা পৰিত্ৰাণ নাপাইছিল। সমাজত 'অশৰণীয়াৰ পো' হিচাপে জীয়াই থকাটো আছিল মানসিকভাৱে কষ্টকৰ। দামোদৰদেৱে বংশীগোপালদেৱক শৰণ দিওঁতে নাম-ধৰ্মৰ শৰণ সম্পৰ্কীয় তত্ত্ব কথা কৈছে—

সন্ত গুৰু সমে ঈশ্বৰক ভিন্ন
নকৰিবা কদাচিত।
হৰি নামে ৰতি ভকতত প্ৰীতি
কৰিবা একান্ত চিত।।[৩২]

আকৌ,

ভক্তি ভক্ত জানা ভগৱন্ত এক
বস্তু কৰিবাহা সাৰ
এহি শিক্ষা ধৰি ধৰ্ম্ম আচৰিবা
নাহি বস্তু আতপৰ।।[৩৩]

একান্ত শৰণত একো বস্তুৰ প্ৰয়োজন নাই। লাগে মাত্ৰ মনৰ নিশ্চয় তথা স্থিৰতা। গুৰু শুশ্ৰূষা কৰি, গুৰুবাক্য শিৰোধাৰ্য কৰি, হৰি বিনে সকলো অসাৰ বুলি মানিলেই হ'ল। মাধৱদেৱে গোপালদেৱক একান্ত শৰণৰ কথা কৈছে মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰত——

একান্ত শৰণ লৈবে একো বস্তু নলাগয়
হুইবে লাগে নিশ্চয় মনৰ।।
গুৰুক শুশ্ৰূষা কৰি গুৰু বাক্য শিৰে ধৰি
মিছা ভ্ৰম মানিবা সংসাৰ।[৩৪]

আৰু লগতে কৈছে — গৃহ, দেহা,পুত্ৰ আদি মায়াময় বুলি ভাবিব লাগে। হৰি বিনে একো দেখা পোৱা নাযায় —

দেৱ-গেহ-পুত্ৰ-চয় মানিবেক মায়াময়
হৰি বিনে নেদেখিবে আৰ।[৩৫]

৩১। মহেশ্বৰ নেওগ (সম্পাঃ),*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৯
৩২। ৰামৰায,*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৭
৩৩। *পূৰ্বোক্ত*
৩৪।মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পা),*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭
৩৫। পূৰ্বোক্ত



নামধৰ্মত মূৰ্তি পূজা নিষিদ্ধ। কৃষ্ণৰ বাহিৰে অন্য কোনো দেৱতাক পূজা কৰাৰ অৰ্থ নাই। আনকি মূৰ্তি পূজা কৰা গৃহত প্ৰৱেশো কৰিব নালাগে, প্ৰসাদো খাব নালাগে, খালে ভক্তি ব্যভিচাৰ হয়—

অন্যো দেৱী দেউ ঃ নকৰিবা সেৱ ঃ মূৰ্ত্তিকো নচাইবা তাৰ।
গৃহো নপসিবা ঃ প্ৰসাদো নখাইবা ঃ ভক্তি হ'ব বিভিচাৰ।।[৩৬]

দামোদৰদেৱেও বিদায় পৰত নাগৰিক প্ৰভুসকলৰ প্ৰতি উপদেশ দিছে এনেদৰে—

অন্য দেৱ নভজিবা ভক্ত দ্ৰোহ নচাৰিবা
কৰিবাহা শ্ৰৱণ কীৰ্ত্তন ।।[৩৭]

দামোদৰদেৱে জীৱনৰ অন্তিম ক্ষণত কচুবাৰীৰ প্ৰজাসকলক ধৰ্মোপদেশ প্ৰসংগত পুনৰাই কৈছে—

অন্য দেৱতাত সম্বন্ধ নকৰি
চিন্তিবা কৃষ্ণ চৰণ।।[৩৮]

ভক্তি ধৰ্মত ভকতৰ আসন সকলোতকৈ উচ্চ। চৰিত পুথিসমূহেও ভকতক শ্ৰেষ্ঠ আসন দি আহিছে। এবাৰ গোবিন্দ আতৈ শঙ্কৰদেৱৰ ওচৰত শৰণ ল'বলৈ আহোতে 'কৃষ্ণে বুলিচে মোৰ ভক্ত থাকে জত উদাৰ চৰিত্ৰঃ কীট পতঙ্গকো তথা কৰয় পৱিত্ৰ। এ উলুৱনিতো পদ্ম ফুলিচেহি"[৩৯] বুলি শঙ্কৰদেৱে ভকতক শ্ৰেষ্ঠ বুলিছে। ভকত সকলোতকৈ ডাঙৰ। কিয়নো "ভকত সবাতে শ্ৰেষ্ঠ জানিবা প্ৰধান।।"[৪০]

মাধৱদেৱে সুন্দৰীদিয়াত সত্ৰ পাতি ভক্তি ধৰ্ম প্ৰচাৰ কৰোতে ভক্তবৃন্দৰ ওপৰত কিছুমান লোকে অত্যাচাৰ কৰে 'সুন্দৰীৰ কত লোকে নমানে আমাক'; তেতিয়া সুন্দৰী গাঁও এৰি লগে লগে তাঁতীকুছিলৈ গুৰুৱে গমন কৰিলে। মাধৱদেৱে বৰপেটাত পদাৰ্পণ কৰি মথুৰা আতাক কীৰ্তনঘৰ বান্ধিবলৈ দিলে। দিন, বাৰ চাই ঘৰ প্ৰতিষ্ঠা কৰি মাহ-প্ৰসাদৰ ব্যৱস্থা কৰিলে। 'মাধৱে আপুন হস্তে বন্তি জ্বলাইলা।' মাধৱদেৱে প্ৰসংগ কৰি গুৰু চৰিত্ৰ বৰ্ণনা কৰিলে। আতাই মুখে কাপোৰ বান্ধি দেউৰি হৈ প্ৰসাদ বিতৰণ কৰিলে। গুৰুক নিজহাতে দিবলৈ যোগ্য নোহোৱা বুলি ভাবি আতাই প্ৰসাদ নিদিলে। প্ৰসাদ শেষ হোৱাত

৩৬। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৬১
৩৭। ৰামৰায, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৬
৩৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২১
৩৯। মহেশ্বৰ নেওগ (সম্পাঃ),*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮০
৪০। ভূষণ দ্বিজ,*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৬

খৰাহি জোকাৰি তিনি মুঠি মাধৱক দিয়াত 'মহাপ্ৰসাদ' বুলি আনন্দৰে গ্ৰহণ কৰিলে। ভকতবৃন্দই 'প্ৰসাদ' আৰু 'মহাপ্ৰসাদৰ মাজত পাৰ্থক্যনো কি বুলি সোধাত মাধৱে ভকতক উচ্চ আসন দি কৈছে —

ঈশ্বৰক অৰ্পা দ্ৰব্য প্ৰসাদ হোৱন্ত।।
ভকতৰ অৱশেষ মহাপ্ৰসাদ হয়।
..........................................................
ভকতৰ অৱশেষ যিটো জনে খায়।
জানিবাহা সিটো জন পৱিত্ৰ হোৱায়।।[৪১]

নামধৰ্মত ভক্তই বাপ-বান্ধৱক তথা গুৰুকো অন্ন-প্ৰসাদ দিলে তাক গুৰুৱেও আনন্দ মনে গ্ৰহণ কৰে।

একান্ত ভক্তিৰ ফলতহে ভগৱানৰ লগত সখিত্ব স্থাপন কৰিব পৰা হয়। ভগৱানৰ সৈতে যদি এবাৰ সখিত্ব স্থাপন হয়, তেতিয়া হ'লে সেই সখিত্ব কোনো দিনে বিচ্ছেদ হোৱাৰ ভয় নাথাকে। এনে ভক্তই অহৰহ ভগৱানৰ সান্নিধ্য লাভ কৰে। এনে ভক্তিৰ দ্বাৰা পৰম পুৰুষাৰ্থ লাভ কৰিব পাৰি। ভক্তি ধৰ্ম আচৰি ভগৱানৰ নাম-গুণ ল'লে এই সংসাৰৰপৰা জীৱন্তে মুকুতি পায় —

ভকতি আচৰি যিটো গুণ নাম ধৰে।
জিৱন্তে মুকুত হুয়া সংসাৰক তৰে।।[৪২]

একান্ত মনেৰে যিটো ভকতে ভগৱানৰ নাম লয়, সেই ভকতক সকলো সময়তে ভগৱানে ৰক্ষা কৰে- "একান্ত শৰণে ঃ জিতো নাম লএ ঃ হৰি ফুৰে তাঙ্ক ৰাখি।"[৪৩] আনকি "ৰাম নাম জিতো লই ঃ সবে ধৰ্ম্ম তাৰে হই।"[৪৪] ৰাম নামৰ মহিমা সঁচাই অপাৰ। ৰাম নাম নোলোৱাজনক পাপে বেঢ়ি ধৰে— "ৰাম নাম এৰিলে পাপে আসি বেঢ়ে ঃ এতেকে মহন্তসবে ৰাম নাম নেড়ে।"[৪৫] মহন্ত সবে ভালদৰে জানে যে—"ৰাম নাম পৰে ধৰ্ম্ম শ্ৰেষ্ঠ নাহি আৰ।।[৪৬]

ভক্তি ধৰ্মত ভক্তৰ সন্তোষেই হৰি সন্তোষ। ভক্ত অসন্তোষ হ'লে হৰিও অসন্তোষ

৪১। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০
৪২। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৮-৮৯
৪৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫২
৪৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৫
৪৫।*পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩৪
৪৬। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত* ঃ পৃঃ ৯৩



হয়। দৈত্যাৰি ঠাকুৰৰ চৰিত পুথিত উল্লেখ আছে যে ভৱানীপুৰীয়া গোপাল আতাৰ লগত কঙ্কিলাৰ গুৰুৱে মাধৱদেৱক লগ কৰিবলৈ আহিছিল। বাটতে চাৰিজন ভক্তই লগ পাই ভোক নিবাৰণৰ কাৰণে খাবলৈ বিচৰাত গোপাল আতাই লগত অনা চাউলকে দিলে। কিন্তু কঙ্কিলাৰ গুৰুৱে মাধৱদেৱলৈ অনা মালভোগ কল ভক্তক নিদিলে। মাধৱদেৱে গোপাল আতাৰ মুখৰপৰা ভকতে ভোকতে কষ্ট পোৱা কথাটো জানি কঙ্কিলাৰ গুৰুক ক'লে —

ভকতক দিলে হৰিৰ সন্তোষ
জানিবা তাক নিশ্চয়।
ভক্তৰ সন্তোষে হৰিয়ো সন্তোষ
জানা তাক সাধু নৰ।[৪৭]

যিজন ভকতিহীন তেওঁ কেতিয়াও মায়া-মোহৰপৰা মুক্ত হ'ব নোৱাৰে— "জিজন ভকতিহীন ঃ সি দেখে হৰিক ভিন্ন ঃ হৰিৰ মায়াএ তাক মোহে"[৪৮] ; যি জনে হৰি নামক নিন্দা কৰে তেওঁ চণ্ডালতকৈ হীন। হৰিনামত ভক্তই ভগৱানৰ হৃদয়। ভকতৰ হিয়াই ভগৱানৰ হিয়া। সেই কাৰণে কৈছে — "ভকতিসি পিতা ঃ ভকতিসে মাতা।"[৪৯]

নৱ-বৈষ্ণৱ ধৰ্মত গুৰু-শিষ্যৰ মাজত সম্পৰ্ক আছিল মধুৰ। শঙ্কৰ-মাধৱেই ইয়াৰ শ্ৰেষ্ঠ উদাহৰণ। শঙ্কৰদেৱক মাধৱদেৱে গুৰু মানি সেৱা কৰাৰ পৰাই দুয়োজন অভিন্ন হৈ পৰিল — "মাধৱক মোক একে বুলি জানিবা।"[৫০]

শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰাৰ সময়ত গোটেই পথছোৱাত মাধৱদেৱে গুৰুৰ পৰিচৰ্যা কৰিছিল। শঙ্কৰদেৱে মাধৱদেৱৰ প্ৰতি স্নেহত আকুল হৈ কোনো ভিন-পৰ নাৰাখি সাবটি ধৰিছিল —

স্নেহত আকুল হুয়া দুই হাতে সাবটিয়া
ধৰিলন্ত বুকে বান্ধি পাই।
শঙ্কৰত লীন গৈল একপিণ্ড হুয়া ৰৈল
নাৰায়ণে দেখি আছে চাই।।[৫১]

৪৭।দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫৪
৪৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩৪৩
৪৯। *পূৰ্বোক্ত গ্ৰন্থ*, ৩১৪
৫০। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩
৫১। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ৬৭৮

শঙ্কৰদেৱে অসমৰ ইমূৰৰপৰা সিমূৰলৈকে নামধৰ্ম প্ৰচাৰ কৰোতে বিভিন্ন ঠাইত নামঘৰ প্ৰতিষ্ঠা কৰি তাত ভগৱানৰ নাম-কীৰ্তন কৰাৰ নিৰ্দিষ্ট ব্যৱস্থা কৰিলে। আজিও সত্ৰসমূহত প্ৰাতঃকাল, দুপৰীয়া আৰু সন্ধিয়া সময়ত যুগল, পটল আদি কৰি চৈধ্য প্ৰসংগ গোৱা হয়। চৰিত পুথিসমূহতো এই চৈধ্য প্ৰসংগৰ উল্লেখ পোৱা যায়—

গধূলিকা বেলা সৰ্ব্বলোকে আসি
নামক বসি গাৱয়।।
সন্ধ্যা প্ৰভাতত হৰি মন্দিৰত
কৰি থাকে প্ৰসঙ্গক।[৫২]

তদুপৰি,

বুঢ়া আতা নিৰ্ম্মিলন্ত চৌদ্দয় প্ৰসঙ্গ জানা
এহিমতে সত্ৰক চলায়।[৫৩]

'একশৰণ' নামধৰ্মত গীতা, ভাগৱতেই মূল গ্ৰন্থ। গীতা, ভাগৱতৰ দৰ্শনেই ভক্তি ধৰ্মৰ দৰ্শন। বৈষ্ণৱসকলে গীতা, ভাগৱতক এক বিশেষ সন্মান দি আহিছে। নামঘৰত নাম-প্ৰসংগত গীতা, ভাগৱতেই মূল বা প্ৰধান শাস্ত্ৰ। আনকি, শৰণ প্ৰক্ৰিয়াতো ভাগৱত শাস্ত্ৰ আগত থৈহে শৰণ দিয়া হয়—

শ্ৰীমন্ত মাধৱদেৱে ভাগৱত আগে থৈয়া
গোপালক কৰিলা শৰণ।[৫৪]

বৈষ্ণৱ ধৰ্মত বিষ্ণুৱেই একমাত্ৰ দেৱতা। যিমান দেৱ-দেৱী আছে, সকলো বিষ্ণুতেই আছে —

কলি কালে মাত্ৰ বেদৰ সম্মত
বিষ্ণুৰ বাহিৰে দেৱতা নাই।
য'ত দেৱ-দেৱী সবায়ো উপাসি
সকলো বিষ্ণুতেই পাই।।[৫৫]

ভগৱানৰ নাম য'তেই কীৰ্তন কৰা হয় তাতেই যেন এখন তীৰ্থস্থান হয় —

যি ঠাইত কৃষ্ণদেৱৰ উদাৰ চৰিত্ৰ প্ৰকাশ হয়, তাত গঙ্গা, যমুনা, গোদাৱৰী, সিন্ধু, সৰস্বতী আদি বাস কৰে।[৫৬]

---

৫২। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২
৫৩। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১০
৫৪। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১
৫৫। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৬৬
৫৬। মহেশ্বৰ নেওগ(সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৮১



ইয়াৰ উপৰি —

অচ্যুতৰ কথা যথা কীৰ্ত্তন কৰয়।
গঙ্গা আদি তীৰ্থ সব তথাতে বহয়।।[৫৭]

গতিকে অন্য দেৱ-দেৱীক পূজা কৰাৰ কোনো প্ৰয়োজন নাই। দেহ, মন, আত্মা তথা সকলো কৃতকৰ্ম ভগৱানৰ ওচৰত সমৰ্পণ কৰি, নিজকেই ভগৱানৰ দাস বুলি মানি লৈ কৃপা কৰিলেহে হৰিক লাভ কৰিব পাৰি—

ঈশ্বৰ চিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়,বিশুদ্ধ মন। সৎভাব আৰু সৎ চিন্তাৰ দ্বাৰা হিয়া আৰু মন যিমানেই নিকা হয় তিমানেই ঈশ্বৰ উপলব্ধিৰ বিষয়ত ইয়াৰ শক্তি উৰ্ব্বৰা হয় আৰু হিয়া-মন চিকুণাবলৈ কোনো ব্যয় বা কষ্ট নালাগে।[৫৮]

কৃষ্ণ কথা অমৃত সমান। কৃষ্ণ কথা শুনিলেই দেহ-মনত সুখ উপলব্ধি হয়। কৃষ্ণ নামৰ বাহিৰে আন কোনো ধৰ্ম-কৰ্মই কলিকালত ভক্তক মুক্তি দিব নোৱাৰে। ভগৱানৰ নাম স্মৰণ কৰাটোৱে হ'ল উত্তম পন্থা—

আন কৰ্ম্মে ধৰ্ম্মে জানা নাহিক নিস্তাৰ।।
কলিত নিস্তাৰ কৰে মাধৱৰ নাম।
হেন জানি সদায়ে স্মৰিয়ো অবিশ্ৰাম।।[৫৯]

কলিকালত কৃষ্ণকথা সকলো সময়তে শ্ৰৱণ-কীৰ্তন কৰি নিজকে ভগৱানৰ ওচৰত সমৰ্পণ কৰাটোৱেই হ'ল ভকতৰ সৰ্বোত্তম পথ, তেতিয়াহে ভকতে মুক্তি লাভ কৰিব পাৰে। নৱ-বৈষ্ণৱ ধৰ্মৰ আদৰ্শ তথা দৰ্শনসমূহ এনেদৰে প্ৰতিখন চৰিত পুথিৰ পাতে পাতে সিঁচৰতি হৈ আছে হেতুকে ভক্তসকলে এই চৰিত পুথিসমূহক এক বিশেষ শ্ৰদ্ধা প্ৰদান কৰি আহিছে।

---

৫৭। ৰমাকান্ত দ্বিজ, *শ্ৰীশ্ৰীবনমালীদেৱ চৰিত*, পৃঃ ৩৪
৫৮। বাণীকান্ত কাকতি, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪
৫৯। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৭

## সপ্তম অধ্যায়

# অসমৰ চৰিত পুথিত চিত্ৰিত
# মহাপুৰুষদ্বয়ৰ জীৱনৰ মূল দিশ

ভাৰতবৰ্ষৰ লগতে মধ্যযুগৰ অসমৰ চৰিত পুথিসমূহ গুৰুসকলৰ জীৱন-কথাক লৈ ৰচিত হৈছিল। এই চৰিত পুথিসমূহ ৰচনা কৰোতে চৰিতকাৰে প্ৰত্যাক্ষ সমলৰ উপৰি পৰোক্ষ সমলকো অগ্ৰাধিকাৰ দিয়াত প্ৰায়বোৰ চৰিতৰ বিষয় মহাপুৰুষ, আতাসকলৰ জীৱন সম্পৰ্কিত হ'লেও কিছু কিছু ক্ষেত্ৰত দুই-এখন চৰিতত বিষয়ৰ ঘটনাৰ অমিল দেখিবলৈ পোৱা যায়। বেছিভাগ চৰিত পুথিয়েই চৰিতকাৰে আনৰপৰা শুনা কথা যুগুতাই লিখিছিল —

মহন্তৰ মুখে আমি শুনিছো যিমতে।
নধৰিবা দোষ আমি লিখিলো সিমতে।।[১]

মহাপুৰুষসকলৰ প্ৰয়াণৰ পাচতহে চৰিত পুথিসমূহ লিখিবলৈ লোৱা হৈছিল। পূৰ্বৰ কথা মনত পেলাই ভাবি ভাবি লিখিবলগীয়া হোৱাত কথাবোৰ আগ-পাচ হৈছিল—

শুনিয়োক লোক নুদুষিবা মোক
কথা আগ-পাচ দেখি ।
যেখন যি কথা মনত পৰয়
তেখনে তাহাক লেখি ।।[২]

আকৌ—

শুনা কথা কতো পৰে নপৰে মনত।
হোৱে আগ-পাচ মোৰ বুদ্ধিৰ দোষত।।[৩]

১। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত*, পৃঃ১৫৯
২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩০৫
৩। ভূষণ দ্বিজ, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ১২



চৰিত পুথিসমূহত দৃষ্টিগোচৰ হোৱা মহাপুৰুষসকলৰ জীৱনৰ বিভিন্ন দিশসমূহৰ মিল-অমিল —

### শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকলৰ আদি বাসস্থান

দৈত্যাৰি ঠাকুৰ ৰচিত চৰিত পুথি মতে শঙ্কৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰ আদি ভূঞাসকল পোনতে ৰজা দুৰ্লভ নাৰায়ণৰ আদেশত আহি টেম্বুৱানী বৰদোৱাত বাস কৰে।[৪] ভূষণ দ্বিজৰ মতে চণ্ডীবৰৰ আদি বাসস্থান টেম্বুৱানী বৰদোৱা।[৫] ৰামানন্দ দ্বিজ বিৰচিত শ্ৰীগুৰুচৰিত্ৰ মতেও টেম্বুৱানী বৰদোৱাত চণ্ডীবৰৰ আদিবাস।[৬] আনহাতে, ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত মতে ভূঞাসকলে পোনতে লেঙামাগুৰিত বাস কৰে ; কিছুকাল তাত থাকি পাচলৈ টেম্বুৱানীলৈ যায়।[৭] গুৰু- চৰিত-কথা মতে লেঙামাগুৰিত পোনতে ভূঞাসকল থাকে।[৮] বৰদোৱা-গুৰুচৰিত মতে লেঙামাগুৰিত কিছুদিন থাকি তাৰপৰা উজাই আহি টেম্বুৱানী বৰদোৱাত ঘৰ বান্ধি বাস কৰে।[৯] ভূঞাসকল কামৰূপলৈ আহি পোনতে লেঙামাগুৰিত, পাচতহে শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱাত থাকিবলৈ লয় যেন লাগে।

### শঙ্কৰদেৱৰ আৱিৰ্ভাৱ কাল

দৈত্যাদি ঠাকুৰ, ভূষণ দ্বিজৰ চৰিতত শঙ্কৰদেৱৰ জন্মৰ দিন, বাৰ, শকৰ একো উল্লেখ নাই। ৰামানন্দ দ্বিজে ফাগুন মাহ, শুক্ল দ্বিতীয়া তিথি আৰু মাজৰাতি শঙ্কৰদেৱৰ জন্মকাল বুলিছে। কিন্তু বৰ্ষ বা শকাব্দৰ উল্লেখ নাই —

ফাগুন মাসত শুক্ল দ্বিতীয়াত
অৰ্দ্ধৰাতি যেৱে গৈলা।
মহা শুভ যোগে উত্তম লগ্নত
শঙ্কৰৰ জন্ম ভৈলা।।[১০]

ৰামচৰণ ঠাকুৰৰ মতে ১৩৭১ শক, পাঁচ আহিন, শুক্ল দশমী তিথিতহে

৪। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩
৫। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩
৬। ৰামানন্দ দ্বিজ, *শ্ৰীগুৰুচৰিত*, পৃঃ ১২
৭। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ২১
৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১০
৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৩
১০। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৬

শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হয়-

আশ্বিন প্ৰবেশি পাঞ্চদিন বহি গৈল।
সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈল।।
শুকুলা দশমী আসি ভৈল শুক্ৰবাৰে।[১১]

কিন্তু **গুৰু-চৰিত-কথাত** ১৩৭১ শক, আহিন-কাতিৰ সংক্ৰান্তি, বৃহস্পতিবাৰ, পূৰ্ণিমা তিথি, শ্ৰৱণা নক্ষত্ৰ, মাজনিশা বুলি কোৱা হৈছে।[১২] কিন্তু **বৰদোৱা-গুৰুচৰিতত** তিথি পূৰ্ণিমাৰ বিপৰীতে অমাৱস্যাহে বুলিছে — ১৩৭১ শকৰ কাৰ্তিক সংক্ৰান্তিৰ অমাৱস্যা তিথিত বৃহস্পতিবাৰ মাজনিশা জন্ম লাভ কৰে।[১৩]

কোৱা বাহুল্য যে ভক্তসমাজে ৰামচৰণ ঠাকুৰৰ **গুৰু-চৰিতৰ** মতকে শঙ্কৰদেৱৰ আৱিৰ্ভাৱ কাল বুলি মানি আহিছে।

## শঙ্কৰদেৱৰ পিতৃ-মাতৃ বিয়োগ

দৈত্যাৰি ঠাকুৰৰ চৰিত মতে বনগঞাগিৰিৰ জন্মৰ কিছুদিন পাচত শঙ্কৰদেৱৰ পিতৃৰ বিয়োগ ঘটে আৰু মাতৃ অনুগামী হয়।[১৪] ভূষণ দ্বিজৰ মতে শঙ্কৰদেৱৰ প্ৰথম বিবাহৰ পাচতহে পিতৃ কুসুম্বৰৰ পৰলোক প্ৰাপ্তি ঘটে। পিতৃৰ মাসিক শ্ৰাদ্ধৰ পাচত মাতৃৰো পৰলোক প্ৰাপ্তি হয়।[১৫] ৰামানন্দ দ্বিজে শঙ্কৰদেৱৰ সাতবছৰ আৰু বনগঞাৰ দুবছৰ বয়সত পিতৃ বিয়োগ হোৱা আৰু মাতৃও পিতৃৰ অনুগামী হোৱা বুলি কৈছে।[১৬] ৰামচৰণ ঠাকুৰৰ মতে শঙ্কৰদেৱৰ জন্মৰ পোন্ধৰ দিনৰ দিনা শুক্ৰবাৰে ভাঠিবেলা চাৰি দণ্ড যোৱাত আই সত্যসন্ধ্যা বৈকুণ্ঠ গমন হয়।[১৭] **গুৰু-চৰিত-কথাত** শঙ্কৰদেৱৰ পিতৃ-মাতৃৰ ইহলীলা সম্বৰণৰ সময় স্পষ্টভাৱে উল্লেখ নাই যদিও শঙ্কৰদেৱ পঢ়াশালিলৈ যোৱাৰ আগতে পিতৃৰ বিয়োগ হয় আৰু মাতৃ অনুগামী হয়।[১৮] **বৰদোৱা-গুৰুচৰিত** মতে শঙ্কৰদেৱৰ প্ৰথম বিবাহৰ কিছুদিনৰ পাচত মৃত্যু হয় কুসুম্বৰৰ, শ্ৰাদ্ধ কৰাৰ কিছুদিনৰ অন্তত মাতৃ পৰলোকগামী হয়।[১৯] শঙ্কৰদেৱৰ পিতৃ-মাতৃৰ বিয়োগৰ ক্ষেত্ৰত

১১। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ৭৭
১২। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১৭
১৩। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৫
১৪। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭
১৫। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৮
১৬। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩০
১৭। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৪-১৩৬
১৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২১
১৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫৪



ভূষণ দ্বিজ আৰু **বৰদোৱা-গুৰু-চৰিতৰ** কথা শুদ্ধ যেন লাগে, কিয়নো ভূষণ দ্বিজৰ চৰিতত শঙ্কৰদেৱৰ বিদ্যা-শিক্ষাৰ ক্ষেত্ৰত পিতৃ কুসুমে আগ-ভাগ লোৱাৰ কথা আছে। ইয়াৰ উপৰি **বৰদোৱা-গুৰু চৰিতত** মাতৃ সত্যসন্ধ্যাই পুত্ৰৰ বিবাহৰ কাৰণে ছোৱালীৰ কথা কোৱাত কুসুমদেৱে শঙ্কৰদেৱৰ কাৰণে ছোৱালী পূৰ্বতে খুজি থোৱাৰ কথা উল্লেখ কৰিছে।[১৯(ক)]

## শঙ্কৰদেৱৰ বিদ্যা শিক্ষা

শঙ্কৰদেৱে বহু পলমকৈ বিদ্যা-শিক্ষা লাভ কৰিছিল। দৈত্যাৰিৰ মতে শঙ্কৰদেৱৰ শিক্ষা গ্ৰহণত বুঢ়ীমাক খেৰসুতীয়ে আগভাগ লৈছিল —

সেহি সময়ত অঙ্ক গোসানী বোলন্ত।।
শুনৰে টামোন তই উমলি ফুৰস।
এতমান ভৈল আসি এভো নপঢ়স।।
হেন শুনি শঙ্কৰ পঢ়িবে নিতে যান্ত।[২০]

ভূষণ দ্বিজৰ **শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত** মতে পিতৃ কুসুমে গুৰুগৃহলৈ শঙ্কৰক নিছিল—

আনো হিত উপদেশ কুসুমে দিলন্ত।
পঢ়িবাক লাগি ছাত্ৰশালিক নিলন্ত।।
সমীপতে গুৰু আনো ছাত্ৰ পঢ়াৱন্ত।
কুসুমকো দেখি শীঘ্ৰে আসন দিলন্ত।।[২১]

আনহাতে, ৰামানন্দ দ্বিজৰ **শ্ৰীগুৰু-চৰিত** মতে সূৰ্য্যবৰে শ্ৰীশঙ্কৰক কলাপ কেশৰীৰ গৃহলৈ নিছিল —

কলাপ-কেশৰী নামে এক ওজা
আছন্ত সেহি গ্ৰামত।
আগন্ত-শঙ্কৰ পাচে সূৰ্য্যবৰ
ভৈলা তান গৃহাগত।।[২২]

ৰামচৰণ ঠাকুৰৰ মতে বাৰ বছৰ হোৱাত ককাক জয়ন্ত-মাধৱে শঙ্কৰক গুৰুগৃহলৈ

১৯(ক)। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫৪
২০। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯
২১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০
২২। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬

নি কৈছিল —

বংশধৰ নাতি এন্তে শ্ৰীমন্ত শঙ্কৰ।
ভৈলক মাৱৰা পিতৃ গৈলা যমঘৰ।।
কৰোহো কাতৰ গুৰু পঢ়ায়ো ইহাক।
যথাযোগ্য দক্ষিণাক দিবোহো তোমাক।।[২৩]

**গুৰু-চৰিত-কথা** মতে শঙ্কৰদেৱৰ বিদ্যাশিক্ষাত বুঢ়ীমাক খেৰসুতীয়ে আগভাগ লৈছিল — "পাছে কন্দলিয়ে আথে-বেথে সুধিলে ঃ আই কিয় অহা হ'ল ঃ বোলে এই চৰাটি পঢ়াই দিয়া।"[২৪] **বৰদোৱা-গুৰুচৰিত** মতে বুঢ়ীমাকে শঙ্কৰক গুৰুৰ ওচৰলৈ পঢ়িবলৈ নিছিল — এদিন ভোজনৰ সময়ত বৃদ্ধা মাতাই ক'লে, "বোপা তুমি পঢ়িব লাগে; আমাৰ বংশত উপৰিপুৰুষ সকলো পণ্ডিত, তোমাৰ এতিয়া চৌদ্ধ বছৰ হ'ল; নপঢ়িলে মূৰ্খতা দোষে বংশৰ গ্লানি হ'ব।"[২৫]

শঙ্কৰৰ বিদ্যা-শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ভূষণ দ্বিজৰ মত অধিক তথ্য নিৰ্ভৰ যেন লাগে। কিয়নো শঙ্কৰদেৱৰ প্ৰথম বিবাহৰ সময়লৈকে পিতৃ-মাতৃ জীৱিত থকালৈ চাই পুত্ৰৰ বিদ্যা-শিক্ষাৰ ক্ষেত্ৰত পিতৃয়ে আগভাগ লোৱাটো স্বাভাৱিক।

## শংকৰদেৱৰ শিক্ষাগুৰু

দৈত্যাৰি আৰু ভূষণ দ্বিজে শাস্ত্ৰ অধ্যয়নৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ গুৰুৰ নাম উল্লেখ কৰা নাই। ৰামানন্দ দ্বিজে 'কলাপ কেশৰী' বুলিছে।[২৬] ৰামচৰণৰ **গুৰু-চৰিতত** প্ৰথমাৱস্থাত কন্দলিৰ নাম নাই। তীৰ্থ ভ্ৰমণৰ প্ৰসংগতহে মহেন্দ্ৰ কন্দলিৰ নাম উল্লেখ কৰিছে।[২৭] **গুৰু-চৰিত-কথাত** শঙ্কৰৰ গুৰু 'কন্দলি'ৰ উল্লেখ আছে। শঙ্কৰক শ্ৰেণীত 'ওজা' ছাত্ৰ পতাত ৰাঘ আচাৰ্যত আন এজন ছাত্ৰই কোৱাত — "পাছে তেওঁ আহি মহিন্দ্ৰ কন্দলিক ধৰিলেহি" বুলি উল্লেখ আছে।[২৮] **বৰদোৱা-গুৰুচৰিততো** মহেন্দ্ৰ কন্দলিৰ উল্লেখ আছে — "শুভদিন শুভক্ষণে মহেন্দ্ৰ কন্দলিৰ পাঠশালাত অৰ্পণ কৰিলে।"[২৯]

২৩। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৯৬
২৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২২
২৫। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫০
২৬। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬
২৭। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯৮
২৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২২
২৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫০



## শঙ্কৰদেৱৰ প্ৰথম তীৰ্থ ভ্ৰমণ

শঙ্কৰদেৱৰ প্ৰথমা পত্নী সূৰ্যাৱতীয়ে এটি মাত্ৰ কন্যা সন্তান জন্ম দি পৰলোক গামী হয়। শঙ্কৰদেৱে সেই কন্যাটি কম বয়সতে 'হৰি' নামৰ এজন কায়স্থলৈ বিয়া দিলে। জোঁৱায়েকক নিজৰ 'ঘৰৰখীয়া' পাতি তীৰ্থলৈ যাত্ৰা কৰিলে। **গুৰু-চৰিত-কথা** মতে লগত 'বাৰজন' লগৰীয়া[৩০] আৰু **বৰদোৱা-গুৰুচৰিত** মতে 'সোতৰজন' লগৰীয়া।[৩১]

**গুৰু-চৰিত-কথাত** তীৰ্থ যাত্ৰা কৰিবৰ সময়ত বাৰজন ভকতৰ তালিকাত মহেন্দ্ৰ কন্দলিৰ নাম নাই। কিন্তু জগন্নাথ ক্ষেত্ৰৰপৰাই মহেন্দ্ৰ কন্দলি প্ৰমুখ্যে অনেক যাত্ৰীক দেশলৈ পঠাই দি আঠজনৰ সৈতে পুনৰ যাত্ৰা আৰম্ভ কৰিলে — "জগন্নাথ পাই মাহিন্দ্ৰ কন্দলি আদি অনেক জাতৃক দেশে পঠাই আঠজন সৈতে গৈচে।।"[৩২] **বৰদোৱা-গুৰু চৰিতত** মহেন্দ্ৰ কন্দলি, দামোদৰ আতা, হৰিদাস প্ৰভৃতি গৈছিল বুলি উল্লেখ আছে।[৩৩] প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবৰ সময়ত **বৰদোৱা-গুৰুচৰিত** মতে এই সময় গুৰু-ঈশ্বৰৰ বয়স ২৩ বছৰ মাথোন হৈছিল।[৩৪] **গুৰু-চৰিত-কথা** মতে —

পাছে সূৰ্যা ভূঞাৰ দুহিতৃ সূৰ্যাৱতী আএ খুজি বাঢ়ি শুভ মাহ
বাৰ তিথিত গুৰুজনৰ একৈচ বৰ্ষ আই চৈধে বৰ্ষত বিবাহ
কৰালে। ... সপ্তদশ বৰ্ষত মনুকন্যা জন্মিল।[৩৫]

কন্যা মনু জন্মৰ ন মাহৰ অন্তত আই পৰলোকগামী হয়। তেৰ বছৰ বয়সত হৰি জামাইত বিয়া দি সংসাৰৰ প্ৰতি বৈৰাগ্য ভাব উপজি তীৰ্থ যাত্ৰা কৰিলে। শঙ্কৰদেৱে বিয়া কৰাইছিল ২১ বছৰ বয়সত, আইৰ তেতিয়া চৈধ্য বছৰ; মনুৰ জন্ম হয় ৩ বছৰ পাচত; অৰ্থাৎ মনুৰ জন্মৰ সময়ত শঙ্কৰদেৱৰ বয়স ২৪ বছৰ। মনুৰ ১৩ বছৰ বয়সত হৰিৰ লগত বিবাহ হয়। শঙ্কৰদেৱৰ বয়স তেতিয়া ৩৭বছৰ। শঙ্কৰদেৱে মনুৰ বিয়াৰ পাচতহে তীৰ্থলৈ যাত্ৰা কৰিছিল। এই ক্ষেত্ৰত **গুৰু-চৰিত-কথাৰ** কথাই সত্য যেন লাগে। **বৰদোৱা-গুৰুচৰিতত** উল্লেখ কৰা ২৩ বছৰ বয়স মানি ল'বলৈ টান যেন লাগে; কিয়নো পিতৃৰ ২৩ বছৰ বয়সত নিজ কন্যাৰ বিয়াৰ বয়স কেতিয়াও উপযুক্ত নহয়।

৩০। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ২৫
৩১। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫৪
৩২। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ২৬
৩৩। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫৪
৩৪। পূৰ্বোক্ত
৩৫। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৫

শঙ্কৰদেৱৰ তীৰ্থ ভ্ৰমণৰ কথা কম-বেছি পৰিমাণে সকলো চৰিত পুথিতে আছে। **গুৰু-চৰিত-কথা** আৰু **বৰদোৱা- গুৰুচৰিত** মতে ভ্ৰমণতে বাৰ বছৰ সময় লাগিছিল। ভূষণ দ্বিজৰ চৰিত মতেও গংগা , গয়া , জগন্নাথ আদি স্থান ভ্ৰমণ কৰোঁতে বাৰ বছৰ লাগিছিল —

দ্বাদশ বৎসৰ তীৰ্থ কৰি ফুৰিলন্ত।
অনন্তৰে আসি নিজ গৃহক পাইলন্ত।।[৩৬]

## জগদীশ মিশ্ৰ

প্ৰথম তীৰ্থভ্ৰমণৰ পাচত বৰদোৱাত ভাগৱত চৰ্চা কৰি থকা সময়তে তিহুতৰ (উত্তৰ বিহাৰ বা মিথিলাৰ) এজন ব্ৰাহ্মণ পণ্ডিত জগন্নাথ ক্ষেত্ৰৰপৰা 'ভাগৱত' পাঠ কৰিবৰ উদ্দেশ্যে শঙ্কৰদেৱৰ ওচৰলৈ আহিছিল। দৈত্যাৰি ঠাকুৰৰ চৰিতত কোনো নাম নাই, মাত্ৰ "কোন দেশী বিপ্ৰ কেহো নপাৰে চিনিতে"[৩৭] বুলি উল্লেখ আছে। ভূষণ দ্বিজৰ চৰিতত "তিৰোতীয়া ব্ৰাহ্মণ জগদীশ মিশ্ৰ"[৩৮] বুলি কোৱা হৈছে। আনহাতে ৰামানন্দ দ্বিজৰ চৰিতত "জগন্নাথ নামে এক ব্ৰাহ্মণ আছিল"[৩৯] বুলি কোৱাৰ উপৰি 'দীপিকা সহিতে ভাগৱত' অনা বুলি কৈছে। ৰামচৰণ ঠাকুৰৰ চৰিতত "তিৰতি দেশৰ এক বিপ্ৰবৰ"[৪০] বুলি আছে। **বৰদোৱা-গুৰুচৰিত**ত 'ত্ৰিহুতৰ জগদীশ মিশ্ৰ' বুলি স্পষ্ট উল্লেখ আছে।[৪১] **গুৰু-চৰিত-কথা**ত 'তিৰুতীয়া গাঁৱৰ জগদীশ মিশ্ৰ' বুলিহে আছে।[৪২]

আনহাতে, তিৰহুতীয়া ব্ৰাহ্মণে জগন্নাথৰপৰা সপোনত আদেশ পাই শঙ্কৰদেৱৰ ওচৰলৈ আহি ভাগৱত শুনোৱাৰ পাচত প্ৰাণ এৰাৰ কথা "তেজিলন্ত প্ৰাণ দ্বিজে সেহি সময়তে" আন চৰিতত নাই। দৈত্যাৰি ঠাকুৰৰ চৰিতত শঙ্কৰদেৱে নিজেই 'কাঠ সংস্কাৰ' কৰাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে —

কৰাইলা শঙ্কৰদেৱে কাষ্ঠ সংস্কাৰ।
দিয়াইলন্ত জলপিণ্ড দ্বিজৰ আচাৰ।।[৪৩]

---

৩৬। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১
৩৭। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮
৩৮। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
৩৯। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৪
৪০। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৬৪
৪১। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৬০
৪২। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ৩০
৪৩। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০



## চিহ্নযাত্ৰা

ৰামচৰণৰ **গুৰু-চৰিত** মতে শঙ্কৰদেৱে ঊনৈশ বছৰ বয়সত ভাওনা কৰা, সাত বৈকুণ্ঠৰ পট অকাঁৰ কথা, চিহ্নযাত্ৰা কৰাৰ কথা উল্লেখ আছে। আনকি নৰোত্তম, কৰ্ণপুৰ আৰু চতুৰ্ভুজ — এই তিনিজন 'গহন' সন্ন্যাসীত শিকি বৈকুণ্ঠপুৰ দেখুৱাব বুলি শঙ্কৰদেৱে কৈছে।[৪৪] কিন্তু **গুৰু-চৰিত কথা** মতে প্ৰথমবাৰ শঙ্কৰদেৱে তীৰ্থৰপৰা ঘূৰি অহাৰ পাচতহে চিহ্নযাত্ৰা কৰা, বৈকুণ্ঠৰ পট অকাঁৰ উল্লেখ আছে। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰপৰা উভতি আহোতে শঙ্কৰদেৱৰ বয়স পঞ্চাশ বছৰৰ আশে-পাশে। সেই ফালৰপৰা **গুৰু-চৰিত-কথা**ৰ কথাই বেছি গ্ৰহণযোগ্য যেন লাগে। "তীৰ্থৰপৰা ঘূৰি অহাৰ আগতেই হওক বা পিছতেই হওক, অপৈণত বয়সতে প্ৰদৰ্শন কৰোৱা শঙ্কৰদেৱৰ চিহ্নযাত্ৰা সচাঁই এটি মহাযজ্ঞোপম অনুষ্ঠান। এনে আখ্যা দিয়াৰ কাৰণ হৈছে সম্পূৰ্ণ একক প্ৰচেষ্টাৰে, অশেষ শ্ৰমেৰে এই কাৰ্যৰ দ্বাৰা সকলোকে চমৎকৃত কৰিবলৈ শঙ্কৰদেৱে সেই কালতে সক্ষম হ'ব পাৰিছিল।"[৪৫]

## শঙ্কৰদেৱ - চৈতন্যদেৱৰ সাক্ষাৎ

দৈত্যাৰি ঠাকুৰৰ চৰিত মতে শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে বাটত শান্তিপুৰত চৈতন্যদেৱৰ সৈতে সাক্ষাৎ হোৱাৰ কথা আছে —

নমাতিলা দুইকো দুয়ো নিদিলা উত্তৰ।[৪৬]

আনহাতে ভূষণ দ্বিজৰ চৰিত মতে শঙ্কৰদেৱ-চৈতন্যদেৱৰ সাক্ষাৎ হয় জগন্নাথ ক্ষেত্ৰত; দুয়ো-দুয়োকো মুহূৰ্তমান চাই আছিল —

জগন্নাথ ক্ষেত্ৰে কতো দিন বঞ্চিলন্ত।।
চৈতন্য গোসাঞিও তথা ভৈলা দৰিশন।
দুইকো দুই চাহিলা নাহিক সম্ভাষণ।।
মুহূৰ্ত্তেক মান চাহি আছিলন্ত।[৪৭]

শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতেই জগন্নাথ ক্ষেত্ৰত বংগদেশৰ বৈষ্ণৱ

---

৪৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১৭
৪৫। কেশাৱানন্দ দেৱগোস্বামী, 'শঙ্কৰদেৱৰ এক মহাযজ্ঞ ঃ চিহ্নযাত্ৰা' *গৰীয়সী*, নৱম বছৰ, নৱম সংখ্যা, জুন, ২০০২
৪৬। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২৬
৪৭। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৪

গুৰু চৈতন্যদেৱৰ লগত  সাক্ষাৎ হোৱাৰ কথা ৰামানন্দ দ্বিজেই প্ৰথম প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে।[৪৮] **গুৰু-চৰিত-কথাতো** শঙ্কৰদেৱ-চৈতন্যদেৱৰ সাক্ষাতৰ কথা উল্লেখ আছে।[৪৮(ক)]

## মাধৱদেৱৰ ককায়েকৰ নাম

ৰামানন্দ দ্বিজৰ চৰিত মতে মাধৱদেৱৰ ককায়েকৰ নাম 'ৰূপচন্দ্ৰগিৰী' —"দেখি ৰূপচন্দ্ৰগিৰী বুলিলা বচন।"[৪৯] **গুৰু-চৰিত-কথা**[৫০] আৰু **বৰদোৱা-গুৰু চৰিত**[৫১] ত মাধৱদেৱৰ ককায়েকৰ নাম 'দামোদৰ' বুলিহে উল্লেখ আছে। কিন্তু দৈত্যাৰি ঠাকুৰে মাধৱদেৱৰ ককায়েকৰ নাম উল্লেখ নকৰাটো[৫২] আচৰিত যেন লাগে; কিয়নো মাধৱদেৱৰ ভাগিন ৰামচৰণৰ পুত্ৰ আছিল দৈত্যাৰি ঠাকুৰ।

## মাধৱদেৱৰ পিতৃ গোৱিন্দগিৰীৰ মৃত্যু

মাধৱদেৱৰ পিতৃ গোৱিন্দগিৰীৰ মৃত্যু দৈত্যাৰিৰ চৰিত[৫৩], **গুৰু-চৰিত-কথা**[৫৪] আৰু **বৰদোৱা-গুৰুচৰিতত**[৫৫] বাণ্ডুকাত হোৱা বুলি কৈছে। ইয়াৰ বিপৰীতে ৰামানন্দ দ্বিজে[৫৬] নাৰায়ণপুৰত গোৱিন্দগিৰীৰ মৃত্যু হোৱা বুলি কৈছে।

## নৰনাৰায়ণ ৰজাৰ শৰণ

কোঁচ ৰজা নৰনাৰায়ণে শঙ্কৰদেৱৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল বুলি ভূষণ দ্বিজে উল্লেখ কৰিছে — "মহাপুৰুষত ৰাজা শৰণ পৰিলা।।"[৫৭] **গুৰু-চৰিত-কথাত** — "মই মহাপাপী অধম মন্দ দুৰ্ভগিয়া শৰণ ঃ দিবৰ ভএহে গুৰুজনে পৃথিৱী এৰিলে ঃ আৰুবা কত দিন ৰহিলহতে মোতেসে দোষ হয়"[৫৮] আৰু **বৰদোৱা-গুৰুচৰিতত** "... ৰাজাই

৪৮। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬০
৪৮(ক)। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১২৭
৪৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ১০০
৫০। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩৯
৫১। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৭
৫২। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৭
৫৩। *পূৰ্বোক্ত*
৫৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৫৩
৫৫। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৮
৫৬। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯
৫৭। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৫
৫৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১৮৭



শ্ৰৱণ কৰি ভূমি পাৰে আহি কান্দি কান্দি পাৰত পৰিছেহি, "হায়! হায়! আমাৰ অধমৰ নিমিত্তেই ইমান সোনকালে বৈকুণ্ঠ, গমন কৰিলে"[৫৯] বুলি ৰজাক শৰণ দিয়াৰ আগতেই গুৰুৱে কালৰ প্ৰমাণে বৈকুণ্ঠ প্ৰয়াণ কৰাত ৰজাই শোক কৰাৰ কথাহে আছে। ৰামচৰণ ঠাকুৰৰ চৰিতত মহাৰাজ নৰনাৰায়ণে কৃষ্ণত শৰণ লোৱাৰ একান্ত ইচ্ছাৰ কথা শঙ্কৰদেৱৰ আগত ব্যক্ত কৰাৰ উল্লেখ আছে। আনহাতে দৈত্যাৰিৰ চৰিতত নৰনাৰায়ণ ৰজাৰ শৰণ সম্পৰ্কে কোনো কথাৰ উল্লেখ নাই।

## শৰণ প্ৰসংগ

**গুৰু-চৰিত-কথাত** ৰজা, স্ত্ৰী আৰু কৰ্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নোহোৱাৰ কথা শঙ্কৰদেৱে নিজেই কৈছে — "এতেকে ৰাজাৰ স্ত্ৰী কৰ্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নহওঁ এই তিনিৰ।"[৬০] কিন্তু দৈত্যাৰি ঠাকুৰৰ চৰিত পুথি মতে শঙ্কৰদেৱ প্ৰথমবাৰ কোঁচবেহাৰত থকা সময়তে চিলাৰায় দেৱানে তেওঁৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল —

শঙ্কৰদেৱৰ মুখে শুনি কৃষ্ণকথা।
দেৱানো শৰণ লৈলা শঙ্কৰত তথা।। [৬১]

ইয়াৰ উপৰি, ৰামানন্দ দ্বিজৰ চৰিতত জয়ন্ত দলৈৰ পত্নীক শৰণ দিয়া বুলি উল্লেখ আছে।[৬২]

## শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ

শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ সম্পৰ্কেও চৰিতভেদে কিছু সুকীয়া সুকীয়া কথা পোৱা যায়। দৈত্যাৰি ঠাকুৰৰ চৰিত মতে ফোঁহৰাৰ বিষত জ্বৰ হৈ গুৰুজন বৈকুণ্ঠলৈ যায়।[৬৩] ৰামানন্দ দ্বিজে ভাদ মাহৰ সাত দিন যোৱাত শুক্ল দ্বিতীয়া তিথিত বৃহস্পতিবাৰে প্ৰহৰবেলা শঙ্কৰদেৱে দেহত্যাগ কৰিলে বুলি কৈছে।[৬৪] **গুৰু-চৰিত-কথাত** ভাদ মাহৰ একৈশ দিন যাওঁতে বৃহস্পতিবাৰে শুক্ল দ্বিতীয়া ১৪৯০ শকত গুৰুজনে বৈকুণ্ঠ গমন কৰে বুলি উল্লেখ আছে।[৬৫] ৰামচৰণৰ **গুৰু-চৰিতত** ভাদ মাহৰ শুক্ল দ্বিতীয়া তিথিত

৫৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পঃ ১৭০
৬০। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ১৮৪
৬১। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৪
৬২। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৭
৬৩। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পঃ ২০৪
৬৪। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯৯
৬৫। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পঃ ১৮৬

গুৰুজনে নৱ-নাট এৰিবিলে বুলি কৈছে।[৬৬] বৰদোৱা-গুৰুচৰিততো জগতগুৰুৱে ১৪৯০ শকৰ ভাদ্ৰ মাহৰ দ্বিতীয়া তিথিত দিবা ভাগে মানৱলীলা সম্বৰণ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰিছে বুলি উল্লেখ আছে।[৬৭]

## বিষ্ণু মূৰ্তি স্থাপন

ৰামচৰণ ঠাকুৰৰ গুৰু চৰিতত শঙ্কৰদেৱে চতুৰ্ভুজ মূৰ্তি প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ আছে। তেম্বুৱানীৰ কীৰ্তন ঘৰৰ কাৰণে মাটি খন্দাত চতুৰ্ভুজ মূৰ্তি পালে, আনকি আসনত প্ৰতিষ্ঠা কৰিলে[৬৮]। প্ৰকৃততে অন্যান্য দেৱ-দেৱীৰ উপাসকসকলক কৃষ্ণভক্তিৰ জৰিয়তে একশৰণ নামধৰ্মলৈ আনিবৰ বাবে শঙ্কৰদেৱে বিষ্ণু মূৰ্তি স্থাপন কৰিছিল। দৌল উৎসৱতো মূৰ্তি স্থাপন কৰিছিল। এই দৌল উৎসৱৰ ঘাই কথা চাৰিটা। মেষদাহ, দৌলবন্ধা, দৌলত মহাপ্ৰভুক প্ৰতিষ্ঠা কৰা আৰু মহাপ্ৰভুক দোলন কৰা। অধিবাসৰ দিনা মেষদাহ যজ্ঞ কৰা হয়। শঙ্কৰদেৱেও ফল্গুৎসৱ উদ্‌যাপন কৰোতে অধিবাসৰ দিনা মেষদাহ যজ্ঞ কৰাৰ কথা ৰামচৰণৰ চৰিতত উল্লেখ আছে —

শংকৰে হৱিষ কৰি গুৰু তিল কুশ ধৰি
মেষদাহ যজ্ঞ কৰিল।।[৬৯]

চৰিত পুথিসমূহত উল্লিখিত কথাবোৰৰ আগ-পাচ হ'লেও ভক্তসমাজে এই পুথিসমূহক অতি শ্ৰদ্ধা কৰে আৰু যিজনে যিখন চৰিত পঢ়ে, সেইখনকে সত্য বুলি মানি লয়।

---

৬৬। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৪৭
৬৭। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৭০
৬৮। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পঃ ৩৫০
৬৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫৬

## অষ্টম অধ্যায়

# অসমৰ চৰিত পুথিত চিত্ৰিত সামাজিক ৰীতি-নীতি আৰু সংস্কাৰৰ ছবি

মধ্যযুগৰ অসমৰ চৰিত পুথিসমূহত অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশ সামৰি লোৱা জীৱন্ত প্ৰতিচ্ছবি এখনি প্ৰতিফলিত হৈছে। অসমীয়া সমাজ জীৱনৰ বিভিন্ন নীতি-নিয়ম, বাধা-নিষেধ, খোৱা-পিন্ধা, চলা-ফুৰা, ভাল-বেয়া, শুভ-অশুভ, পাপ-পুণ্য ইত্যাদি দৈনন্দিন জীৱনৰ প্ৰায় সকলোবোৰ কথা চৰিত পুথিসমূহত বৰ্ণিত হৈছে। চৰিত পুথিসমূহত শঙ্কৰদেৱ, মাধৱদেৱৰ উপৰি দামোদৰদেৱ, গোপাল আতা, বংশীগোপালদেৱ, শ্ৰীৰাম আতা, নাৰায়ণ দাস ঠাকুৰ আতা, মথুৰা দাস বুঢ়া আতাৰ লগতে সময়ে সময়ে সমসাময়িক আন আন আতা পুৰুষসকলৰ প্ৰসংগও আহি পৰিছে। আতাপুৰুষসকলৰ জীৱন চিত্ৰৰ লগতে চৰিত পুথিসমূহত প্ৰকাশ পাইছে সামাজিক, সাংস্কৃতিক দিশৰ বিশাল চিত্ৰপট —

## জন্ম-মৃত্যুৰ সংস্কাৰ

জন্মৰপৰা মৃত্যুলৈকে এই নাতিদীৰ্ঘ সময়ছোৱাত পৃথিৱীৰ সকলো জাতি-গোষ্ঠীয়ে বিভিন্ন ৰীতি-নীতি আচাৰ-অনুষ্ঠান পালন কৰে। সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগে বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভিন্ন আচাৰ পালন কৰা হয়। অসমীয়া হিন্দু সমাজত সন্তান প্ৰসৱৰ লগে লগে ল'ৰা জন্ম হ'লে উৰুলি দিয়া আৰু ছোৱালী হ'লে বেৰ ঢকিওৱা প্ৰথা প্ৰচলিত হৈ আহিছে "...আসামত ল'ৰা উপজিলে উৰুলি দিয়ে, শঙ্খ, ঘণ্টা বজায়, বৰকাঁহ কোবায়; ছোৱালী উপজিলে ঢেঁকি কোবায়, কুলা বজায়।[১] এই উৰুলি দিয়া আৰু বেৰ ঢকিওৱাৰ মূলতে হ'ল ভূত-প্ৰেত দূৰলৈ খেদি পঠিওৱা। কেঁচুৱা জন্মৰ সময়ত নানা হৰ্ষধ্বনিৰে ঘৰৰ চৌপাশৰ পৰিৱেশ উখল- মাখলেৰে ভৰি থাকে। কাঁহ, ভেৰু, দবা, কালি, শংখ, ঘণ্টা আদিৰে ঘৰৰ পৰিৱেশ ৰজনজনাই তোলা হয়।

---

১। *বেজবৰুৱা-গ্ৰন্থাৱলী*, পৃঃ ২

গুৰু-চৰিত-কথাতো শঙ্কৰদেৱ জন্ম পোৱাৰ পাচতেই কুসুম্বৰৰ ঘৰত — "জলজন্তু, থলজন্তু বনচৰ হস্তী ঘোড়া কাহ ভেৰু দবা কালি শঙ্খ ঘণ্টা পৰ্যন্তে বাজিল ঃ উৰুলি মঙ্গল কৰিল ঃ"[২]।

সন্তান জন্ম পোৱাৰ পাচত দেউতাকে গা-পা ধুইহে মুখ চোৱাটো অসমীয়া সমাজৰ ৰীতি। সিদিনা জ্ঞাতি-বিপ্ৰক সাধ্যানুসাৰে বস্ত্ৰ, অন্ন, গৰু দান কৰাটো এটি নিয়ম। এই দানৰ মূলতেই হ'ল নৱজাতকৰ মংগল কামনা। কুসুম্বৰদেৱেও পুত্ৰৰ জন্ম কথা শুনি — "মনে হৰ্ষে হুই সপটে স্নান কৰিলে ঃ জ্ঞাতি বিপ্ৰক মনে বস্ত্ৰ ধেনু মানিলে।।"[৩] সন্তান জন্মৰ কথা শুনি পিতৃয়ে সবস্ত্ৰে স্নান কৰা কথা প্ৰায় সকলো চৰিততে উল্লেখ আছে। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ চৰিতত হৰিদেৱৰ জন্মৰ বাৰ্তা পাই পিতৃ অজনাভে সবস্ত্ৰে স্নান কৰিছিল। ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰতো বনমালীদেৱৰ জন্মৰ সময়ত পিতৃ যদুমণিয়ে পৰম আনন্দমনে গংগাত স্নান কৰি আহিছিল —

স্নান দান কৰি মহা যুদ্ধ হুয়া
পৰম আনন্দ ভৈলা।।[৪]

নৱজাতকৰ মুখ দৰ্শন কৰোতে কন্যাগণে উৰুলি জোঁকাৰ দিছিল।[৫] এই উৰুলি এক সামাজিক প্ৰথা। উৰুলিৰে সদ্যজাত কেঁচুৱাটিক আদৰণি জনোৱা হয়। লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰতো পুষ্কৰগিৰীয়ে পুত্ৰক দেখি গা ধুইছিল —

পুত্ৰক দেখিয়া পুষ্কৰ গা স্নান কৰয়।[৬]

সন্তান জন্ম হোৱাৰ দিনৰেপৰা ঘৰখনত বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা হয়। জন্মৰ প্ৰথম বছৰত জাতকৰ্ম, নামকৰণ, ডেৰবছৰত অন্নপ্ৰাসন, তিনি বা পাঁচ বছৰত চূড়াকৰণ, কৰ্ণ বিন্ধন আদি কৰা হয়। শিশুটিৰ মংগলৰ কাৰণে এই সকলোবোৰ কৰ্ম পালন কৰা হয়। জন্মৰ পাচতেই সন্তানৰ মংগল গণনা কৰাটো এটা সামাজিক নিয়ম। পুত্ৰ জন্মৰ কথা শুনি কুসুমদেৱে সবস্ত্ৰে স্নান কৰি ব্ৰাহ্মণ দৈৱজ্ঞক মাতি আনি গণনা কৰিলে— নাহি কোনো ৰিষ্ট শিশু মহা সুলক্ষণ[৭] বুলি দৈৱজ্ঞই ক'লে। গোপাল আতাৰ জন্মৰ পাচত দৈৱজ্ঞ মতাই আনি গণনা কৰিলে।[৮]

২। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১৭
৩। *পূৰ্বোক্ত*
৪। ৰমাকান্ত দ্বিজ, *শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ*, পৃঃ ১৪
৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫
৬। নৰোত্তম আতা, *লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ*, পৃঃ ৬
৭। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত*, পৃঃ ৭
৮। ৰত্নেশ্বৰ গোসাই (সম্পাঃ), *শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত*, পৃঃ ৪৭



ৰামৰায়ৰ গুৰু লীলাতো দামোদৰদেৱৰ জন্মৰ কথা শুনি দেউতাকে স্নান কৰি পুত্ৰ মুখ দৰ্শন কৰিছিল —

যেহি দিনা দামোদৰে জন্মক লভিলা।
সেহি দিনা ৰজাঘৰে দুন্দুভি বাজিলা।।
পুত্ৰ জন্মিবৰ কথা শুনি সদানন্দে।
স্নান কৰি পুত্ৰ মুখ দেখিলা আনন্দে।।[৯]

ইয়াৰ উপৰি গুৰু-চৰিত-কথাত শঙ্কৰদেৱ[১০] আৰু মাধৱদেৱৰ[১১] জন্মৰ পাচত পালন কৰা বহুতো মাংগলিক কৰ্মৰ উল্লেখ আছে।

নৱজাতকৰ নামকৰণ পৰম্পৰা অসমীয়া লোক-সংস্কৃতিৰ এটা অন্যতম অংগ। প্ৰাচীন কালৰপৰাই এই নামকৰণ পৰম্পৰা অসমীয়া সমাজত প্ৰচলিত হৈ আছে। 'নামকৰণ' অসমীয়া সমাজ জীৱনৰ এটি মাংগলিক অনুষ্ঠান ৰূপেই স্বীকৃত। ল'ৰা-ছোৱালীৰ নাম ৰখাটো সামাজিক নীতি। সদ্যজাত শিশুটিৰ জন্মক্ষণ, বাৰ, মাহ, তিথি, গ্ৰহ, নক্ষত্ৰ আদি সকলোবোৰ চাই নামকৰণ কৰা হয়। এজন ব্ৰাহ্মণ দৈৱজ্ঞক মাতি আনি নামকৰণ কৰ্ম সম্পন্ন কৰা হয়। সাধাৰণতে এটি প্ৰকাশ্য আৰু এটি গুপ্ত নাম ৰখা নিয়ম। শঙ্কৰ-মাধৱৰ নামকৰণৰ প্ৰসংগ প্ৰায় আটাইকেইখন চৰিততে উল্লেখ আছে— "ষষ্ঠী জাগৰাতে সন্তৰায় দৈৱজ্ঞক মতাই আনি শাস্ত্ৰানুসাৰে গণনা কৰাত ধেনু ৰাশি, দেৱগণ, মাহেন্দ্ৰযোগ, ৰোহিণী নক্ষত্ৰ নিৰ্ণয় কৰে। প্ৰকাশ্য নাম শঙ্কৰ, গোপনীয় নাম গঙ্গাধৰ।"[১২] মাধৱদেৱৰ জন্মৰ সময়তো গণকক মাতি আনি গণনা কৰিছে — "পাঁচ দিনৰ দিনা গণ্তি কৰি গুপ্তনাম ৰত্নাকৰ প্ৰকাশ্য নাম মাধৱদেৱ ৰাখিছে।"[১৩]

ইয়াৰ উপৰি,

শঙ্কৰৰ বৰত পুত্ৰক লভিলন্ত।
এতেকে শঙ্কৰবৰ নামক থৈলন্ত ।।
গুপ্ত নাম তাহান থৈলন্ত গদাধৰ।[১৪]

৯। ৰামৰায়, *গুৰুলীলা*, পৃঃ ২০
১০। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০
১১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
১২। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৬
১৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৩
১৪। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭

আকৌ, মাধৱদেৱৰ জন্মৰ সময়তো—

কৰিয়া গণতি নাম থৈলা দুটি
মাধৱ ৰতনাকৰ।
প্ৰখ্যাত মাধৱ নাম ভৈলা তান
গুপুত ভৈল অপৰ।।[১৫]

'সোঁৱৰণী' পূৰ্বাপৰ প্ৰচলিত এটি সামাজিক প্ৰথা। সোঁৱৰণীত নৱজাতকৰ ভাগ্য নিৰূপণৰ লগতে ভৱিষ্যত গণনা কৰা হয়। ইয়াক 'জন্ম পত্ৰিকা' বুলিও কয়। সোঁৱৰণী বা জন্ম পত্ৰিকাক 'কোষ্ঠী' বুলিও কোৱা হয়। সন্তান জন্ম হোৱাৰ পাচত দৈৱজ্ঞৰ হতুৱাই জন্ম ক্ষণ দিন, বাৰ, তিথি, মাহ, গ্ৰহ-নক্ষত্ৰ আদি চাই কোষ্ঠী ৰচনা কৰা হয়। ছদিনৰ দিনা ৰাতি নৱজাতকৰ ভাগ্য নিৰূপণ কৰিবলৈ ঘৰলৈ বিধাতা আহে বুলি বিশ্বাস কৰা হয়।[১৬] সেই ৰাতি বিধাতাই অদৃশ্য হাতেৰে লিখি থৈ যোৱা বুলি বিশ্বাস কৰা, সেই কাগজ খিলাতে পাচদিনা সোঁৱৰণী কৰিবলৈ পণ্ডিতক দিয়া হয়। কুসুমদেৱওে পুত্ৰ জন্মৰ পাচতেই ব্ৰাহ্মণ-দৈৱজ্ঞগণ মতাই আনি দীপ, পট, দ্ৰোণি, পাতি, ফলিগুটি দি ৰাশি, যোগ, জন্মবাৰ, নক্ষত্ৰ গণিলে। দেৱজ্ঞই কোষ্ঠী লিখি কুসুমক ক'লে —

তোমাৰ পুত্ৰৰ যশ-কীৰ্তি দ্বীপ-দ্বীপান্তৰ বিয়পি পৰিব। চৈধ্য
শাস্ত্ৰ, ওঠৰ পুৰাণ অধ্যয়ন কৰি ভাগৱত গ্ৰন্থ পদবন্ধে নিবন্ধিব,
নামধৰ্ম সমস্ত ৰাজ্যত প্ৰকাশ কৰি সুখ্যাতি লভিব।[১৭]

সন্তান গণনাৰ অন্তত নিজৰ সামৰ্থ অনুযায়ী দৈৱজ্ঞক বস্ত্ৰ-ভূষণ দান কৰাটো সামাজিক নিয়ম। কুসুম্বৰেও — গণনান্তে আটাই দৈৱজ্ঞৰ বসন -ভূষণে সন্তোষ কৰাই বিদাই দিলে।[১৮]

গোবিন্দ দাসৰ **সন্ত-সম্প্ৰদায়-কথাতো** শঙ্কৰদেৱৰ জন্মৰ সময়ত কুসুমদেৱে দৈৱজ্ঞক মাতি জাত-কোষ্ঠী কৰিলে।[১৯] ইয়াৰ উপৰি- দেৱজ্ঞো জাত-কোষ্ঠী গণি গোপাল নাম থৈলা।[২০]

'চূড়াকৰণ' জন্ম-সম্বন্ধীয় সামাজিক আচাৰ। নৱজাতকৰ জন্মৰ নদিনৰ দিনা 'অশৌচীয়া' চুলি খুৰুৱা হয়। ঠাই বিশেষে কোনো কোনোৱে চূড়াকৰণ নকৰা পৰ্যন্ত

১৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৯
১৬। নিৰ্মলপ্ৰভা বৰদলৈ, *অসমৰ লোক-সংস্কৃতি*, পৃঃ ৭
১৭। ভূষণ দ্বিজ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃঃ ৬
১৮। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৭
১৯। গোবিন্দ দাস, *সন্ত-সম্প্ৰদায়-কথা*, পৃঃ ৯৩
২০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৬



এই চুলি নাকাটে। জন্মৰ পাচত প্ৰথম চুলি কটা পৰ্বটোকে সাধাৰণতে চূড়াকৰণ বুলি কোৱা হয়। সাধাৰণতে সন্তানৰ তিনি বা পাঁচ বছৰত এই চূড়াকৰণ কৰ্ম পালন কৰা দেখা যায়। 'অন্নপ্ৰাসন' অসমীয়া সমাজ জীৱনৰ আন এটি সামাজিক আচাৰ। অসমীয়া সমাজত যিকোনো কৰ্ম কৰোতে দিন, বাৰ, তিথি আদি চাই কৰা হয়। সন্তানৰ মুখত প্ৰথম বাৰৰ বাবে 'ভাত' দিয়া কৰ্মকে 'অন্নপ্ৰাসন' বুলি কোৱা হয়। সচৰাচৰ সন্তানৰ সাত বা নমাহত এই অনুষ্ঠান পালন কৰা হয়। সাধৰণতে মোমায়েক বা নিকট সম্বন্ধীয় আত্মীয়-স্বজনৰ দ্বাৰা নৱজাতকৰ মুখত প্ৰথমবাৰৰ বাবে 'অন্ন' দিয়াটো নিয়ম। সন্তানৰ সকলো জাতকৰ্ম পিতৃ-মাতৃয়ে সম্পূৰ্ণ সামাজিক আচাৰেৰে পালন কৰে। মাধৱদেৱৰ ক্ষেত্ৰতো 'চূড়াকৰণ' 'উপনয়ন' 'অন্নপ্ৰাসন' আদি ষটকৰ্ম কৰিছিল।[২১]

হৰিদেৱ জন্মৰ সাত মাহত অন্নপ্ৰাসন আৰু তিনি বছৰত চূড়াকৰণ কৰিছিল। **শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিতত** গোপাল আতাৰ জন্মৰ ছয়মাহত অন্নপ্ৰাসন কৰিছিল। এই অনুষ্ঠানত পায়স অপৰিহাৰ্য। গোপাল আতাৰ অন্নপ্ৰাসন অনুষ্ঠানত পায়স বনাইছিল —

ষষ্ঠ মাসে অন্ন প্ৰাসন কৰাইলা
পায়স যতন কৰি।[২২]

নীলকণ্ঠ দাসৰ **শ্ৰীশ্ৰীদামোদৰদেৱৰ চৰিতত** দামোদৰদেৱৰ ছমাহত অন্নপ্ৰাসন আৰু তিনিবছৰত চূড়াকৰণ কৰিছিল।[২৩] দামোদৰৰ নৱম বৰ্ষত যজ্ঞসূত্ৰ পাতিছিল। ইয়াক 'উপনয়ন' বা 'লগুন দিয়নি' বুলিও কোৱা হয়। বিধি মতে যজ্ঞসূত্ৰ পিতৃয়ে দিয়ে—

নৱম বৰিষ অনুক্ৰমে আসি ভৈলা।।
বিধিমতে যজ্ঞ সূত্ৰে পিতৃ তাক দিলা।[২৪]

ৰামচৰণৰ **গুৰু-চৰিতত** শঙ্কৰদেৱৰ অন্নপ্ৰাসনৰ বৰ্ণনা সুন্দৰ ৰূপত পোৱা যায়। শঙ্কৰৰ ছমাহত অন্নপ্ৰাসন কৰিছিল। চোতাল-ঘৰ অলংকৃত কৰিছিল। হোম পাঠ কৰিলে। ৬০ জনী কন্যাই উৰুলি দিলে। তেল-হালধি গাৱে-মুখে ঘহি-পিহি পৰম আনন্দে বুঢ়ী আই খেৰসুতীয়ে নোৱালে।[২৫]

২১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৪৩
২২। ৰত্নেশ্বৰ গোসাই (সংকঃ), *শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত*, পৃঃ ৫২
২৩। নীলকণ্ঠ দাস, *শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত*, পৃঃ ২২-২৩
২৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ, ২৫
২৫। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ২০৭

শঙ্কৰৰ তিনিবছৰ বয়সত দিন, বাৰ চাই 'কৰ্ণবিন্ধন' পাতিছিল। কৰ্ণবিন্ধনৰ আগদিনা উপবাসে থকা নিয়ম। মাহ-হালধিৰে নোৱাই-ধোৱাই নতুন বস্ত্ৰ পৰিধান কৰিবলৈ দিয়া হয়। মধুৱা নাপিতক মাতি আনি কৰ্ণ বিন্ধালে—

পাট বস্ত্ৰ পিন্ধাইলন্ত নোৱাই ধুৱাই আনি।
পৰম আনন্দ মনে বুঢ়ী যে গোসানী ।।
উপবাসে মধুৱাই বিন্ধিলেক কৰ্ণ।[২৬]

দেহ শুদ্ধিৰ উদ্দেশ্যে ছবছৰত শঙ্কৰৰ চূড়াকৰণ কৰিছিল। সগুৰা দলৈৰ হতুৱাই দিন, বাৰ চাই শঙ্কৰৰ চুলি খুৱাই, আ-অলংকাৰ পিন্ধাই পাটৰ বস্ত্ৰ পৰিধান কৰাই দহ আঙুলিত দহটা আঙঠি পিন্ধাই হোমৰ কাষত বহুৱাই চূড়াকৰণ সমাপ্ত কৰিছিল।[২৭]

ভাৰতীয় সমাজ আৰু সংস্কৃতিত মৃত্যুৰ লগত জড়িত সংস্কাৰ প্ৰান্তই প্ৰান্তই ভিন ভিন ৰূপত পালিত হোৱাৰ দৰে অসমীয়া সমাজতো বহুতো আচাৰ পালন কৰা হয় মৃতকৰ মংগলৰ কাৰণে। মৃত্যুৰ আগে আগে মানুহক ঘৰৰ ভিতৰৰপৰা চোতাললৈ উলিয়াই অনা হয়। মৃত্যুৰ পাচ মুহূৰ্ততে সৰ্বশৰীৰ বগা কাপোৰেৰে ঢাকি দিয়াটো নিয়ম। মৃতদেহ সৎকাৰ কৰাটো আত্মীয়-স্বজন তথা ওচৰ চুবুৰীয়াৰ আৱশ্যকীয় কৰ্তব্য। শঙ্কৰদেৱৰ বিবাহৰ কিছুদিন পাচত কুসুম্বৰৰ মৃত্যু হ'ল। বিধিমতে দাহ কৰিলে — "বিধিমতে শ্ৰাদ্ধাদি কৰি সুখে আছে, কিছুদিনৰ পিছত সত্যসন্ধ্যা আই পৰলোক গমন কৰিলে, দহন-বহন কৰি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে।"[২৮] ইয়াৰ উপৰি — হৰিৰৰ ভাৰ্যাসহ আৰু কৃষ্ণকান্তি আই তিনিওজন মৃত্যু হ'ল। বৈদিক মতে প্ৰেতাদি সমাপন কৰিলে।[২৯] ৰামৰায় গুৰুৰ হতুৱাই দহন-বহন কৰাই প্ৰেতাদি কাৰ্য সমাৰোহ শেষ কৰাল।[৩০]

ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিততো চণ্ডীবৰে পিতৃ বিয়োগত কৃষ্ণ পণ্ডিতৰ হতুৱাই ক্ৰিয়া কৰ্ম কৰিছিল।[৩১] চৰিতখনৰ কেইবা ঠাইত শৱদাহ, শ্ৰাদ্ধ কৰাৰ কথা পোৱা যায়।[৩২]

২৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ২৩১
২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ২৩৪-২৩৫
২৮। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫৪
২৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ৪১
৩০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬১
৩১। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১
৩২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯, ৪০১



নৰোত্তম আতাৰ লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰত পুষ্কৰগিৰীয়ে পত্নীৰ মৃতদেহ অগ্নিত দাহ কৰাৰ কথা আছে —

তাৰ সঙ্গে মৃতদেহ শ্মশানক নিলা।
গৃহে পুত্ৰ এৰি ভাৰ্য্যা অগ্নিত দহিলা।।[৩৩]

দীননাথ বেজবৰুৱাৰ বৰচৰিত পুথিতো কেইবা ঠাইত শ্ৰাদ্ধৰ উল্লেখ পোৱা যায়।[৩৪]

কোনো মানুহ মৰিলে পুত্ৰই নাইবা গৃহস্থই সামাজিক নিয়মানুসাৰে মৃতকৰ প্ৰেতকৰ্ম কৰা নিয়ম। লণ্ডাবৰৰ মৃত্যুৰ পাচত পুত্ৰ চণ্ডীবৰে সহস্কাৰকৈ প্ৰেত কৰ্ম কৰিলে।[৩৫] অসমীয়া সমাজত সদ্যজাত শিশুৰপৰা আলৰ বুঢ়ালৈকে যিকোনো লোকৰ মৃত্যু হ'লে ঘৰখনত তিনিদিন আখলত জুই নজ্বলে। সকলো শোকত ম্ৰিয়মান হৈ পৰে। তিনিদিনৰ দিনা ওচৰ চুবুৰীয়াই মৃতকৰ ঘৰলৈ বিভিন্ন ফলাহাৰৰ লগতে মাহ-প্ৰসাদ, জা-জলপান লৈ আহে। ইয়াক 'টোপোলা দিয়া' বুলি কোৱা হয়। নামনিত ইয়াক 'যাচা দিয়া' বুলি কয়।

মৃতদেহ সৎকাৰ কৰা ঠাইক 'শ্মশান' বুলি কোৱা হয়। শ্মশানৰ প্ৰতি সকলো মানুহৰে কম-বেছি পৰিমাণে শ্ৰদ্ধামিশ্ৰিত ভয় ভাব থাকে। শ্মশানত গাঁত খান্দি চিতা সজা হয়। গাঁত খন্দাৰ আগতে মাটিখিনি পইচা দি কিনি লোৱা হয়। ৰামানন্দ দ্বিজৰ শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰত শ্মশানত চিতা সজাৰৰ কাৰণে মাটি কিনি লোৱা কথাৰ উল্লেখ আছে। বংশীগোপালদেৱৰ নশ্বৰ দেহ লোহিতৰ পাৰত বলুকাত দাহ কৰা ব্যৱস্থা ভকতসকলে কৰাৰ সময়ত মাটি কিনিছিল-

ধন কিছু দিয়া বিদ্যমান।
লোহিতত মাগি লৈলা থান।[৩৬]

উল্লেখনীয় যে চিতা সাজিবৰ কাৰণে ধন দি মাটি কিনি লোৱা কথাটো এইখন চৰিতত্তহে পোৱা হৈছে। ওপৰলৈ মেল খোৱা আৰু তলৰ ফালে চেপ মৰা কৰি চিতাৰ খুটা চাৰিটা পোতা হয়। তলত শুকান বাঁহ দি ওপৰত কাঠ খৰি দিয়া হয়। চিতা সাধাৰণতে নৈৰ পাৰত, গাঁৱৰপৰা আছুতীয়া ঠাইত সজা হয়। বৰকণাগিৰীৰ মৃত্যুত মাধৱদেৱে ডাঙৰ ভাতৃ দামোদৰৰ লগত 'কিতা' নদীৰ 'তীৰে চিতাকৈ দহন কৰিলে।'[৩৭]

৩৩। নৰোত্তম আতা, *লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ*, পৃঃ ৬
৩৪। দীননাথ বেজবৰুৱা, *বৰচৰিত*, পৃঃ ৬২, ৮৭
৩৫। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৮
৩৬। ৰমানন্দ দ্বিজ, *শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ*, পৃঃ ২০৭
৩৭। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৩

শঙ্কৰদেৱৰ দেহাৱসানৰ পাচত তোৰোচা নদীৰ তীৰত চিতা সাজি দহন কৰ্ম সমাপন কৰিছিল ৰমানন্দই —

তোৰোচা নদীৰ তীৰে চিতাক নিৰ্ম্মিলা ।
শঙ্কৰদেৱক নিয়া তাহাত তুলিলা।।[৩৮]

'দহন' কাৰ্যত ঘিউ, সৰিয়হ আদিৰ উপৰি চন্দন কাঠ দিয়াটো নিয়ম। পৰ্যাপ্ত পৰিমাণে চন্দন কাঠ নাপালে 'নামমাত্ৰ' হ'লেও দহন কাৰ্যত দিয়াটো অপৰিহাৰ্য বুলিয়েই গণ্য কৰা হয়। শঙ্কৰদেৱে মানৱলীলা সম্বৰণ কৰি বৈকুণ্ঠে প্ৰয়াণ কৰাত ৰাজ-ভাণ্ডাৰৰপৰা ঘিউ, চন্দনাদি কাষ্ঠ অনাই দহন কৰাইছে।[৩৯] ঠাকুৰ চৰিততো কেইবাবাৰো কাঠ সংস্কাৰ, চিতা, দহনৰ উল্লেখ পোৱা যায়।[৪০] দামোদৰদেৱৰ দেহাৱসানৰ পাচত তীৰ্থৰ জলেৰে দেহা ধুৱাই চিতাত তুলি, বিধিমতে মুখাগ্নি কৰি, ঘিউ ঢালি জুই জ্বলাইছিল, পিণ্ডদান দিছিল, মাসিকাদিৰে কৰ্ম কৰি " মৎস্য পৰশিয়া ব্ৰত সামিষ কৰিলা।"[৪১] দীননাথ বেজবৰুৱাই বৰচৰিতত শঙ্কৰদেৱৰ দহন কৰ্মৰ চিতাৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে—

আম্ৰকাষ্ঠ দিয়া চিতা নিৰ্ম্মিলন্ত ধীৰে।।
মহা সমাৰোহে গুৰু জনক নিলন্ত।
চিতা তুলি ৰমানন্দে অগ্নি পৰ্শাইলন্ত।।
সুগন্ধ পৱিত্ৰ কাষ্ঠ ঘৃত দিলা ঢালি।
দক্ষিণাগ্নি উঠিল ধমধমি কৰি জ্বলি।।
আকাশ লঙ্ঘিয়া সুগন্ধিত ভৈলা দিশ।
অগনিৰ তাপে যেন অমৃত বৰিষ।।[৪২]

শঙ্কৰদেৱৰ ওচৰলৈ ভাগৱত পাঠ কৰিবলৈ জগন্নাথৰপৰা অহা দ্বিজজনে পাঠ কৰি ইহলীলা সম্বৰণ কৰাত শঙ্কৰদেৱে নিজেই কাঠ সংস্কাৰ কৰিছিল —

কৰাইলা শঙ্কৰদেৱ কাষ্ঠ সংস্কাৰ।
দিয়াইলন্ত জলপিণ্ড দ্বিজাৰ আচাৰ।।[৪৩]

৩৮। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৪৭
৩৯। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৭১
৪০। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *ঠাকুৰ চৰিত*, পৃঃ ১৩৩, ১৪১, ১৪৬
৪১। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৭
৪২। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫১
৪৩। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০



মাধৱদেৱৰ মাতৃ বিয়োগৰ সময়তো----

ৰামদাস সমে সৎকাৰ কৰিলন্ত।[৪৪]

শঙ্কৰদেৱ বৈকুণ্ঠ গমনৰ পাচত---

পাচে ৰামনন্দে কাষ্ঠ সংস্কাৰ
কৰিলন্ত বিহাৰতে।[৪৫]

প্ৰায় প্ৰতিখন চৰিত পুথিতে মৃতদেহ কাঠ-সংস্কাৰ কৰাৰ উল্লেখ পোৱা যায়। মৃতদেহ নিৰ্দিষ্ট নীতি-নিয়মেৰে দাহ কৰা প্ৰথা বিশ্বৰ প্ৰায় সকলোবোৰ জাতিৰ মাজত দেখিবলৈ পোৱা যায়। অসমীয়া সমাজতো ই ৰক্ষিত। বুঢ়া আতাৰ পুত্ৰ বলাই ঠাকুৰৰ পৰলোক গমন হোৱাত আতাই নিজহাতে দাহ কৰিছে।[৪৬] বুঢ়া আতাও নৰদেহ ত্যাগ কৰাত ভকতসৱে 'সকথাৰ ঘাটে' নি দাহন কৰিলে আৰু শ্ৰাদ্ধাদি শাস্ত্ৰৰ বিধানমতে সমাপন কৰিলে —

দাহন কৰিলে নিয়া সকথাৰ ঘাটে।
শ্ৰাদ্ধ আদি কৰিলেক শাস্ত্ৰ বিধিমতে।।[৪৭]

'মুখাগ্নি' দহন কাৰ্যৰ অন্তৰ্গত এটি সামাজিক আচাৰ। 'মুখ' আৰু 'অগ্নি' লগ লাগি মুখাগ্নি হৈছে। মুখত অগ্নি সংযোগ কৰাই হ'ল মুখাগ্নি। জীৱাত্মাই নতুন জীৱনলৈ যাত্ৰা কৰাৰ বিশ্বাসত মৃতকক নতুন বস্ত্ৰ পৰিধান কৰাই শ্মশানলৈ নি তেল-হালধি সানি দাহাদি কৰ্ম কৰে। হিন্দু ধৰ্মৰ মতে চিতা সাজি উত্তৰলৈ শিৰ ৰখা হয়। পুৰমুৱা হৈ চিতাত অগ্নি লগাই প্ৰদক্ষিণ কৰি শৱদেহৰ মুখত অগ্নি সংযোগ কৰি পাঁচ বা সাতবাৰ মৃতকৰ পুত্ৰই নাইবা আত্মীয়-স্বজনৰ হতুৱাই মৃতদেহ সৎকাৰ কৰা হয়। দৈত্যাৰি ঠাকুৰৰ চৰিতত মাধৱদেৱে পিতৃ বিয়োগৰ সময়ত ভাতৃ সহিতে মুখাগ্নি কৰিছিল —

দুই ভাই মিলি মুখাগ্নিক দিয়া
ত্ৰিদশাক কৰিলন্ত।[৪৮]

মানুহ মৰিলে চৰু-হাড়িৰপৰা বাচন-বৰ্তনলৈকে পাগঘৰৰ সকলো পাত্ৰ উলিয়াই ভালদৰে ধুই-পখালি পেলোৱাটো নিয়ম। আনকি কাপোৰ-কানিও ধুই পৰিষ্কাৰ

৪৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৫
৪৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭৯
৪৬। জগন্নাথ মহন্ত, *শ্ৰীশ্ৰী মথুৰাদাস বুঢ়া আতাৰ চৰিত* , পৃঃ ৭৭
৪৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৯
৪৮। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৮

কৰা হয়। গুৰু-চৰিত-কথাত নাৰায়ণ আতাৰ মৃত্যুৰ পাচত নিৰঞ্জন আতৈক মাধৱদেৱে পাগ-পাত্ৰ আৰু কাপোৰ-কানি ধুৱলৈ কৈছে —

এতেকে পাগ-পাত্ৰ দুৱকৈ কাপোৰ কানি নিকোৰাগৈ।[৪৯]

ইয়াৰ উপৰি দামোদৰদেৱৰ দেহাৱসানৰ বাতৰি পোৱাৰ পাচত বিজয় নগৰত যিমান ভকত আছিল সকলোৱে —

পাগ হাণ্ডি পেলাই সৱে লঘণক দিলা।
মাছ মাংস তৈল আদি সামিষ তেজিল।।[৫০]

অসমীয়া সমাজত মৃতকৰ খবৰ পোৱা মাত্ৰেই ঘৰলৈ গৈ গএগ ৰাইজে বিভিন্ন ধৰণে সহায় বা সান্ত্বনা দিয়াটো এক পৰম্পৰা। আপোনজন হেৰুৱাই মূৰ্চ্ছিত হোৱা ঘৰখনক সান্ত্বনা বাণী, ধৈৰ্যৰ উপদেশ দি পৰিচৰ্যা কৰি, সুস্থ কৰাৰ দায়িত্ব গএগ ৰাইজে যেনেকৈ লয়, তেনেকৈ মৃতকৰ শেষকৃত্য সমাপন কৰিবৰ অৰ্থেও দেহে-কেহে খাটে। 'তিলনি' মৃত্যুৰ তৃতীয় দিনা পালন কৰা হয়। তিলনিৰপৰা শ্ৰাদ্ধলৈকে মৃতকৰ পৰিয়ালে দিনত কেঁচা পিঠাগুড়ি, বুট, মগু, ফল-মূল, গাখীৰ আদি গ্ৰহণ কৰে। সন্ধিয়া হোৱাৰ আগে আগে সৈন্ধৱ লোণ, সিজোৱা পাঁচলি, ঘিউ, নেমু, আদাৰে অন্ন গ্ৰহণ কৰাটো সমাজ সিদ্ধ নিয়ম। ইয়াক 'হৱিষ' বুলিও কোৱা হয়। নীলকণ্ঠ দাসৰ শ্ৰীশ্ৰীদামোদৰদেৱ চৰিতত হবিষৰ উল্লেখ পোৱা যায়। দামোদৰদেৱে ককায়েক সৰ্বেশ্বৰ আৰু নবৌৱেকৰ মৃত্যুৰ বাতৰি পাই সবস্ত্ৰে স্নান কৰি উপবাস দিছিল, হবিষ আহাৰ কৰিছিল।[৫১]

দহ দিনৰ দিনা 'দহা'। সেইদিনা পুৱাতে সকলোৱে কাপোৰ-কানি তিওৱা হয়। ঘৰৰ সকলোৱে গা ধুই শুচি হয়। কীৰ্তন বা ভাগৱত পাঠৰ অন্তত পিঠাগুৰি, দৈ-গুৰ আদিৰে ওচৰ-চুবুৰীয়াক আপ্যায়ন কৰা হয়। বৰদোৱা-গুৰুচৰিতত "মৰাৰ দশ দিনত দহা আৰু ত্ৰিশ দিনান্তে শ্ৰাদ্ধ" কৰাৰ উল্লেখ আছে।[৫২] মাধৱদেৱে গুৰুজনাৰ দহাৰ কল কাটিছে।[৫৩] সত্যসন্ধ্যা আই পৰলোক গমন কৰাত বুঢ়াখাই আমৰ ডাল কটাই খৰি কৰাইছিল। অগৰু চন্দনেৰে চিতা সজাইছিল। সাত পাক ঘূৰি কুসুমে মুখাগ্নি কৰিছিল।[৫৪] চিতাত

৪৯। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩০৪
৫০। ৰামৰায়, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩১
৫১। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১০
৫২। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৯০
৫৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭১
৫৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৮



তোলাৰ আগতে মৃতদেহ নোৱাই-ধুৱাই লোৱা নিয়ম—

নোৱাই ধুৱাই কুসুমে ধৰিলা শিৰভাগে।[৫৫]

দহন কৰ্মৰ পাচত 'পিণ্ডদান' কৰা নিয়ম। ব্ৰাহ্মণৰ হ'লে এঘাৰ দিনত আৰু শূদ্ৰৰ হ'লে এমাহৰ মূৰত পিণ্ডদান কৰাৰ ৰীতি প্ৰচলিত। হিন্দুধৰ্মত পৰলোক আৰু পৰজন্ম বিশ্বাস কৰা হয়। এটা জন্ম লোৱাৰ পাচত মৃত্যু আৰু মৃত্যুৰ পাচত পুনৰ জীৱই আন ৰূপত জন্ম লাভ কৰে বুলি বিশ্বাস। গতিকে মৃত্যু হোৱাৰ পাচত মৃতক য'তেই নাথাকক কিয় তেওঁৰ অৰ্থে পুত্ৰ বা বংশধৰসকলে পিণ্ডদান কৰে। ৰমানন্দ ঠাকুৰেও গুৰুজনাৰ দহন কাৰ্য শেষ কৰি পিণ্ডদান কৰিছে।[৫৬] গংগা, গয়াত পিণ্ডদান কৰাটো পৱিত্ৰ কৰ্তব্য। মাধৱদেৱে মাতৃ বিয়োগৰ পাচত অস্থি গংগাত লগাবৰ কাৰণে —

গঙ্গাতীৰে যাইবে কৰিলন্ত মতি।[৫৭]

শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে প্ৰভাততে স্নান কৰি লগত যোৱা ভকতসকলৰ সৈতে পিতৃ-পিতামহৰ পিণ্ডদান কৰিছিল—

প্ৰভাততে উঠি স্নান-দান কৰিলন্ত।।
পিণ্ডদান পিতৃ-পিতামহক কৰিলা।[৫৮]

ইয়াৰ উপৰি গয়ালৈ গৈয়ো শঙ্কৰদেৱে সপ্ত-পুৰুষৰ পিণ্ডদান কৰিছিল—

হেন গয়া-কুল পাই দেৱতা শঙ্কৰ।
পিণ্ডদান কৰিলন্ত সপ্ত পুৰুষৰ।।[৫৯]

ৰামচৰণ ঠাকুৰৰ গুৰু চৰিতত কুসুমদেৱেও ভাৰ্যাৰ পিণ্ডদান লৌহিত্যত কৰাৰ কথা উল্লেখ আছে —

কুশ ধৰি কুসুময়ো পিণ্ড উটাইলন্ত।।[৬০]

গংগা, গয়াত অস্থি লগাব পৰাটো পৱিত্ৰ কৰ্ম হিচাপে হিন্দুসকলে বিশ্বাস কৰে। ৰামচৰণ ঠাকুৰৰ চৰিতখনতে একাধিকবাৰ অস্থি দানৰ কথা আছে।[৬১] নৰোত্তম আতৈৰ লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰতো পিণ্ডদানৰ উল্লেখ আছে।[৬২] ঠাকুৰ চৰিততো আই

৫৫। *পূৰ্বোক্ত*
৫৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭১
৫৭। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৪
৫৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৩০
৫৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ২৩১
৬০। ৰামচৰণ ঠাকুৰ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪১
৬১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯৪, ৪৩৯, ৪৪২-৪৩, ৪৪৮, ৪৫৪
৬২। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০

গোসাঁনীৰ অস্থি গংগাত মৃতিকা, সুবর্ণ সহিতে দিছিল —

আই গোসাঁনীৰ অস্থি দুই হাতে লৈই।
কণ্ঠসমে গংগাজলে নামিলন্ত গৌৰী।।
মৃতিকা সুবর্ণ সমে পিণ্ড কৰিলন্ত।
কৃষ্ণ শঙ্কৰক স্মৰি গংগাত থৈলন্ত।।[৬৩]

মানুহ মৰিলে যথাবিধি অনুসাৰে শ্রাদ্ধ কৰাটো হিন্দুধৰ্মৰ এটি নিয়ম। ই সামাজিক কর্ম বা আচাৰ। "শ্রদ্ধা শব্দৰপৰাই শ্রাদ্ধ শব্দৰ উৎপত্তি। যি বিশেষ অনুষ্ঠানৰ দ্বাৰা পিতৃসকলৰ প্ৰতি শ্রদ্ধা জনোৱা হয়, তাকে শ্রাদ্ধ বুলি কোৱা যায়।"[৬৪] শ্রাদ্ধ কৰ্মত প্রধানতঃ মৃত পুৰুষৰ উদ্দেশ্যে যি পিণ্ডদান কৰা হয় ই শ্রদ্ধা আৰু বিশ্বাসৰ মূল ভিত্তি।[৬৫] মৃতকৰ এমাহত শ্রাদ্ধ কৰা হয়। অৱশ্যে আজিকালি এঘাৰ বা তেৰ দিনতো শ্রাদ্ধ কৰা নিয়ম প্রচলিত। চৰিত পুথিসমূহতো শ্রাদ্ধৰ উল্লেখ পোৱা যায়। শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰৰ পৰলোক প্ৰাপ্তিত শংকৰে বিধি ব্যৱহাৰে এমাহত শুদ্ধি কৰিছিল —

দশ দসা কৰিলন্ত বিধি ব্যৱহাৰে।।
যত দ্রব্য দানৰ আনিয়া মিলাইন্ত।
মাস পূর্ণ ভৈলা যেবে শুদ্ধি কৰিলন্ত।।[৬৬]

পত্নী বিয়োগৰ সময়তো শংকৰে নিজে ক্রিয়া কর্ম কৰিছিল।[৬৭] মাধৱদেৱেও মাতৃ বিয়োগৰ পাচত দহা কৰিছিল — অনুক্রমে সবে দশ দশা কৰিলন্ত।।[৬৮]

হিন্দুসকলৰ পিতৃ-মাতৃৰ মৃত্যু তিথিত পালনীয় 'শ্রাদ্ধ' এটি বছৰেকীয়া ধর্মকৃত্য। মৃতকৰ ছমাহত 'ছমহীয়া আৰু বছৰেকত 'বছৰেকীয়া' প্ৰতি বছৰে পালন কৰা হয়।[৬৯]

পিতৃ-মাতৃৰ শ্রাদ্ধ কৰাটো নিতান্তই আৱশ্যকীয় কর্তব্য। ঋণ বা ধাৰ লৈ হ'লেও মৃতকৰ শ্রাদ্ধ কৰাটো প্রয়োজনীয় বুলিয়েই জনসাধাৰণে ভাবে। মাধৱদেৱেও পিতৃ-বিয়োগত ষাঠি টকা ধাৰ লৈ শ্রাদ্ধ কর্ম কৰি ব্ৰাহ্মণক দান দিছিল —

গোট ষাঠি টকা ধাৰ কৰিয়া আনিলা।
কৰ্ম্ম কাৰ্য্য কৰি ব্ৰাহ্মণক দান দিলা।।[৭০]

৬৩। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ* পৃঃ ১০৫
৬৪। ভূমিদেৱ গোস্বামী, 'শ্রাদ্ধ মই কিয় কৰোঁ' *প্ৰান্তিক*,২৩ বছৰ ৭ম সংখ্যা, ১-১৫ মার্চ, ২০০৪
৬৫।পীতাম্বৰ দেৱগোস্বামী, *সত্রীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য*, পৃ, ১০৬
৬৬। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭
৬৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৯
৬৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯
৬৯। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৮
৭০। ৰামানন্দ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯



'মৎস্য স্পর্শ' বা 'জ্ঞাতালি' শ্রাদ্ধৰ পিচৰ দিনা পালন কৰা হয়। কিছুমানে অৱশ্যে শ্রাদ্ধৰ দিনাই পালন কৰে। নিৰামিষ ব্ৰত ভাঙিবৰ কাৰণে গৃহস্থই ৰাইজক মাছেৰে ভোজ দিয়ে। সামর্থ অনুযায়ী কম পৰিমাণৰ হ'লেও সিদিনা মাছ দিয়াটো এটি সামাজিক আচাৰ। মৎস্য স্পর্শৰ দিনৰপৰা মৃতকৰ পৰিয়ালে আমিষ ভোজন কৰিব পাৰে। দৈত্যাৰি ঠাকুৰৰ চৰিততো মৎস্য স্পর্শৰ উল্লেখ আছে। মাধৱদেৱ আৰু ৰামদাসে মাতৃ বিয়োগৰ পাচত শুদ্ধি, শ্রাদ্ধ আদি কৰি মাছ, মাংস স্পর্শ কৰিছিল—

শুদ্ধি শ্রাদ্ধ কৰি ৰামদাস সমে দুই।
আছা বাবাদিতে দুয়ো মৎস্য মাংস চুই।।[৭১]

নীলকণ্ঠ দাসৰ চৰিতত উল্লেখ আছে যে সতানন্দৰ মৃত্যুৰ একাদশ দিনত শুদ্ধি, অষ্টাদশ দিনত ভোজ দি মৎস্য স্পর্শ কৰিছিল—

সপিণ্ডন কৰিলন্ত ব্ৰাহ্মণক তুষিলন্ত
ভোজ দিয়া মৎস্য পৰশিলা।।[৭২]

শ্রীগুৰুচৰিতত শঙ্কৰদেৱৰ বৈকুণ্ঠ প্রয়াণৰ এমাহৰ অন্তত শ্রাদ্ধ কৰি ব্ৰাহ্মণ তথা জ্ঞাতিসকলক মাতি মৎস্য স্পর্শ কৰিছিল—

ত্রিশ দিন অনন্তৰে দান শ্রাদ্ধ কৰিলন্ত
দিলা দান যাক যথোচিত।
ব্ৰাহ্মণক মাতি আনি ব্ৰহ্মাভোজ কৰাইলন্ত
জ্ঞাতি সমে মৎস্য ভুঞ্জিলন্ত।।[৭৩]

## বৈবাহিক জীৱন

'বিবাহ' হ'ল মানৱ জীৱনৰ অতিকৈ গুৰুত্বপূর্ণ তথা সামাজিক লৌকিক উৎসৱ। ই এক প্রাণময় উৎসৱ। পৃথিৱীৰ অন্য জাতি তথা সম্প্রদায়ৰ দৰে অসমীয়া সম্প্রদায়ৰ মাজতো অতি আড়ম্বৰপূর্ণভাৱে বিবাহ উদ্‌যাপিত হোৱা দেখা যায়। "বিবাহে মানুহৰ জীৱনলৈ পূর্ণতা আনে বুলি কোৱা হয়। ই হ'ল এহাল ডেকা-গাভৰুক একেটা সূত্ৰতে বান্ধি ইজনে আনজনৰ সুখ-দুখৰ লগৰী হিচাপে জীৱন-নিৰ্বাহৰ বাবে সমাজে-দিয়া এটা স্বীকৃতি।"[৭৪] ঘৰত ল'ৰা-ছোৱালী বিবাহোপযুক্ত হ'লে পিতৃ-মাতৃয়ে গুণা-গঁথা কৰে।

৭১। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৫
৭২। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৯
৭৩। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০১
৭৪। আব্দুল মালিক, *অসমীয়া উপন্যাসত মুছলমান জনজীৱনৰ চিত্ৰ*, পৃঃ ১০৮

মাধৱদেৱে বিবাহ পৰিহাৰ কৰি শঙ্কৰদেৱৰ ওচৰলৈ যাবলৈ ওলোৱাত মাকে কোৱা কথাখিনি ৰামানন্দৰ চৰিতত এনেদৰে আছে —

কিসক তেজিলি তই ধন সমস্তয়।
বিবাহ কৰিতে তোক অৱশ্যে লাগয়।।
বিবাহ নভৈলে নুহিবেক পুত্ৰচয়।[৭৫]

চিৰকুমাৰৰ হাতৰ পিণ্ডজল দেৱ-পিতৃ-মাতৃসকলেও গ্ৰহণ নকৰে বুলি বিশ্বাস কৰা হয় —

দেৱ পিতৃগণে নলৈবেক পিণ্ডজল।[৭৬]

বিবাহৰ প্ৰথম পৰ্বই হ'ল ছোৱালী নিৰ্বাচন কৰা। ই এক গুৰুত্বপূৰ্ণ বিষয়। উচ্চ বৰ্ণ হিন্দুৰ মাজত বংশাৱলীৰ গুৰুত্ব অধিক; বিশেষকৈ বিয়া-বাৰুৰ ক্ষেত্ৰত। এজনী ভাল বংশৰ ছোৱালীক বোৱাৰী হিচাপে আনিবলৈ সকলোৱে ইচ্ছা কৰে। শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰত উল্লেখ আছে যে সত্যানন্দৰ বিয়াৰ প্ৰসংগত ৰামনাথ দ্বিজে বৰনগৰৰ জয়দেৱ আচাৰ্যৰ ঘৰত কন্যা চাওতে বংশ পৰিচয় লৈছিল —

বংশাৱলী সমে কথা কহি'বাক লৈলা।[৭৭]

নাৰায়ণ দাস ঠাকুৰ আতাৰ্লৈকে খুড়াকে সজ কলিতাৰ ঘৰৰ ছোৱালী চাই আনিছিল।[৭৮] মধ্যযুগৰ অসমতো ভাল ল'ৰা এজনলৈ উপযাচি কন্যা দিবলৈ অহা লোকৰো অভাৱ নাছিল। শঙ্কৰদেৱৰ কথা শুনি বহুতেই বস্ত্ৰ, ধন সহকাৰে উপযাচি কন্যা দিব বিচৰাৰ কথা ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিতৰ পৰা জানিব পাৰি —

নলাগয় বস্ত্ৰ ধন সবাহাৰে এক মন
বিবাহক দিবাক খোজে যাছি।[৭৯]

ইয়াৰ উপৰি,

কন্যা যাচি দেই বিহা কৰিয়ো শঙ্কৰ।[৮০]

ল'ৰালৈ ছোৱালী, ছোৱালীলৈ ল'ৰা চোৱা-চিতা সাধাৰণতে মাক-বাপেকে কৰে।

৭৫। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩১
৭৬। *পূৰ্বোক্ত*
৭৭। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫২
৭৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৭১
৭৯। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ. ১৭
৮০। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৫৮



শঙ্কৰদেৱলৈ এজনী ভাল বংশৰ ছোৱালী চাই আনিবলৈ মাক সত্যসন্ধ্যাই স্বামীক কোৱাৰ প্ৰসঙ্গ আছে —

মাতৃৰো হৰিষ আতি বুলিলা স্বামীক মাতি
ভাল চাই কন্যাক জুড়িয়ো।[৮১]

পিতৃপ্ৰধান সমাজ ব্যৱস্থাত পিতৃয়েই ঘৰখনৰ মূল ব্যক্তি। কন্যাই দেউতাকক সকলো কথা খুলি ক'বলৈ সাহস নকৰে; অৱশ্যে মাকৰ লগত বিয়া-বাৰুৰ কথাও নিঃসংকোচে কয়। গুৰু-চৰিত-কথাৰ সৰ্বসুলক্ষণী শান্তী সতীৰ কথাত ইয়াৰ প্ৰমাণ পোৱা যায়। শান্তীয়ে কৃষ্ণৰ চৰণত নিজকে অৰ্পণ কৰিছে। অন্য কোনো চিন্তা নাই। এই কথা পিতাকক ক'ব নোৱাৰি মাকক কৈছে —

তেহে একদিনা আপি মাতৃত ক'লে বোলে আমি কাতো বিহা
নুসুমাও পিতাক ক'বা।[৮২]

পাত্ৰী নিৰ্বাচন হোৱাৰ লগে লগে দৰা-কইনাৰ ৰাহি-যোৰা চোৱা হয়। শঙ্কৰৰ পুত্ৰ ৰমানন্দৰ বিয়াৰ কাৰণে দৈৱজ্ঞৰ হতুৱাই ৰাশি, যোগ, জন্মবাৰ আদি চাই কন্যা চাবলৈ মত দিছিল-

দৈৱজ্ঞৰ হাতে পাচে চাহিলো গণাই।
ৰাশি যোগ জন্মবাৰ কহিলন্ত চাই।।[৮৩]

ৰাহি-যোৰা চোৱাৰ পাচত দৈৱজ্ঞৰ হতুৱাই দিন নিৰ্ধাৰণ কৰা হয় —

দৈৱজ্ঞৰ হাতে দিনবাৰ কৰিলন্ত।[৮৪]

দৰা-কইনাৰ ৰাহি-যোৰাৰ উপৰি বিয়াৰ লগ্ন চোৱাটো অসমীয়া বিবাহ অনুষ্ঠানৰ এটি সামাজিক ৰীতি। শঙ্কৰদেৱৰ পিতৃৰ কাৰণে দিন, বাৰ চাই শুভ তিথিত সত্যসন্ধ্যাক বিয়া কৰাই আনিছিল খেৰসুতী আৰু সূৰ্যৱৰে।[৮৫] আনকি শঙ্কৰদেৱৰ বিয়াৰ সময়তো আই মাতৃয়ে শুভ বাৰ, দিন, তিথি চোৱাৰ কথা গুৰু-চৰিত-কথাত পোৱা যায় এনেদৰে— "পাছে সূৰ্যা ভূঞাৰ দুহিতৃ সূৰ্যাৱতী আত্ৰ খুজি বাঢ়ি শুভ মাহ বাৰ তিথিত গুৰুজনৰ এঁকৈচ বৰ আই চৈধ্য বৰ্ষত বিবাহ কৰালে।"[৮৬]

৮১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭
৮২। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫
৮৩। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২৫
৮৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২৫
৮৫। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২
৮৬। *পূৰ্বোক্ত গ্ৰন্থ*, ঃ পৃঃ ২৫

তদুপৰি, শঙ্কৰদেৱৰ বিয়াৰ সময়তো লগ্ন চোৱা কথা ভূষণ দ্বিজৰ চৰিতত পোৱা যায় —

অনন্তৰে কৰি যত্ন কৰাই বাৰ তিথি লগ্ন
অনেক সম্ভাৰ সাজি গৈলা।[৮৭]

'জোৰণ' অসমীয়া সমাজৰ বিয়াৰ এক উল্লেখযোগ্য অনুষ্ঠান। বিয়াৰ আগদিনা অধিবাস; অধিবাসৰ আগদিনা জোৰণ। তামোল পাণৰ বটা, শৰাই, গামোচাৰে কইনাৰ মাকে জোৰণ আদৰে। কামৰূপত জোৰণক 'তেলৰ ভাৰ' বুলিও কোৱা হয়। অসমীয়া সমাজত জোৰণ অনুষ্ঠানটোক পৱিত্ৰ জ্ঞান কৰা হয়। এই জোৰণ বিয়াৰ এক প্ৰাৰম্ভিক প্ৰক্ৰিয়া। জোৰণ বিয়াৰে এক অন্তৰংগ সামাজিক অনুষ্ঠান। গুৰু-চৰিত-কথাত জোৰণৰ উল্লেখ আছে — হৰিচৰণ ঠাকুৰলৈ ৰামচৰণ ঠাকুৰ বৈনি উৰ্ম্মিলা আপিক যোৰণ পিন্ধাইছে।[৮৮]

মাধৱদেৱেও গুৱা বিক্ৰী কৰি পোৱা টকাৰে কিছু খৰচ কৰি এজনী কন্যাক জোৰণ পিন্ধালে।[৮৯]

কইনাৰ বাবে প্ৰয়োজনীয় আ-অলংকাৰ, পাট-মুগাৰ কাপোৰ আদি সকলো জোৰণৰ লগত দি পঠোৱা নিয়ম। খাৰু, মণি, হাৰ, আঙঠি, উঝাটি, কুণ্ডল,কপালী, ৰত্নহাৰ, কংকন আদি বিভিন্ন প্ৰকাৰৰ অলংকাৰেৰে কইনাক সজোৱা হয়। ৰিহা, মেখেলা, পাট কাপোৰ, মুগা কাপোৰ কইনাৰ বাবে নিতান্তই প্ৰয়োজনীয়। মুগা কাপোৰ অসমীয়াৰ জাতীয় সাজ। বিভিন্ন অলংকাৰৰ উপৰি সেন্দুৰেই জোৰণৰ প্ৰধান তথা অপৰিহাৰ্য সম্পদ। কইনাৰ শিৰত প্ৰথমবাৰৰ বাবে সেন্দুৰ দিয়া হয়। সেই ফালৰপৰাও জোৰণৰ এই মুহূৰ্তটো স্মৰণীয় হৈ থাকে। দৰাৰ আত্মীয় এজনে সেন্দুৰৰ উপৰি যাৱতীয় সকলো কাম নিয়াৰকৈ সমাপন কৰে। গুৰু-চৰিতৰ-কথাত জোৰণৰ সুন্দৰ ছবি এখন দাঙি ধৰিছে — "মণি খাৰু টাৰ হাৰ আঙ্গুঠি উঝণ্টি কুণ্ডল হোড়ৰ সান্ধ সিন্দুৰ পাটনি পাট ৰিহা পিন্ধাই।"[৯০]

গামখাৰু, লোকপাৰ, বেনা-ডুগ-ডুগি আদি অসমীয়া কইনাই ব্যৱহাৰ কৰে। কইনাৰ জোৰণৰ বাবে কোচবেহাৰৰ আই ধায়ে মুঠ ছকুৰি টকাৰ অলংকাৰ গঢ়াই

৮৭। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮
৮৮। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮০
৮৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*,পৃঃ ৭৯
৯০। তদীয়, *গুৰু-চৰিত-কথা*,পৃঃ ৪৮৯



দিছিল।[৯১] কেতিয়াবা আকৌ কইনা ঘৰে জোৰণত "কুটগচ নখৰাকৈ সম্প্ৰদানকৈ"[৯২] ছোৱালী বিয়া দিয়ে। বিয়া কেইবা প্ৰকাৰৰো আছিল— "ঘৰ জিয়াকৈ দিয়া বিয়া, আবিয়ৈ বিয়া, পাছবিয়া।"[৯৩]

বংশ ৰক্ষা তথা বৃদ্ধিৰ কাৰণে প্ৰত্যেকজন মানুহেই বিয়া কৰোৱাটো প্ৰয়োজন। ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিততো শঙ্কৰদেৱক বংশ বৃদ্ধিৰ কাৰণেই বিয়া পাতিবলৈ কৈছিল —

গোত্ৰ বৃদ্ধি হৌক বাপু আমাৰ বংশৰ।।[৯৪]

বিয়াৰ দিনা দৰা-কইনাক গা-ধুওৱা হয়। দৰা-কইনাক গা-ধুওৱাৰ কাৰণে গাঁৱৰ ওচৰ-চুবুৰীয়াৰ আয়তীসকলে পানী তুলি আনে। অসমীয়া বিয়াৰ এই পানীতোলা অনুষ্ঠান এক মনোৰম তথা আনন্দোৎসৱ বুলিয়েই ক'ব পাৰি। ওচৰ-চুবুৰীয়া তথা আত্মীয়-স্বজনৰ জীয়ৰী-বোৱাৰীয়ে হাঁহি-ধেমালি কৰি গীত জুৰে। উৰুলি-জোকাৰ তথা গীত-মাতেৰে পৰিৱেশটি মুখৰ হৈ উঠে। দৰা-কইনাৰ গাত মাহ-হালধি ঘঁহি দিয়ে। আত্মীয়-স্বজন তথা ওচৰ-চুবুৰীয়াই দৰা-কইনাৰ মূৰত তেল ঘঁহি দিয়ে। ৰমানন্দ ঠাকুৰৰ বিয়াতো মহাৰঙ্গে কালিন্দী আয়ে পানী তুলি আইসকলৰ সহিতে উৰুলি মংগলেৰে ঠাকুৰক নোৱাইছিল —

মহাৰঙ্গে কালী আই তুলিলন্ত পানী।।
.........................................................
উৰুলি মঙ্গলে ঠাকুৰক নোৱাইলন্ত।[৯৫]

বিয়াৰ দিনা দৰা-কইনাক উপস্থিত সভাসদে যথাসাধ্য টকা-পইচা, আ-অলংকাৰ, বস্ত্ৰ আদি উছৰ্গা হিচাপে আগবঢ়ায়। ৰামচৰণ ঠাকুৰৰ চৰিতত ৰমানন্দ ঠাকুৰৰ বিয়াত উপস্থিত সভাসদে উছৰ্গা কৰিছিল।[৯৬] উছৰ্গা অসমীয়া সমাজৰ এক সামাজিক ৰীতি।

অসমীয়া সমাজত যৌতুকৰ প্ৰচলন নাই যদিও বিয়াৰ দিনা কইনাৰ লগত পাৰ্যমানে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীখিনি দিয়াটো নিয়ম। এইবোৰৰ অধিকাংশই দৰাচলতে উছৰ্গা হিচাপে পোৱা। ৰমানন্দ ঠাকুৰৰ বিয়াত কইনাক দাস-দাসী, ধেনু,

৯১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৯৪
৯২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২
৯৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৬২, ৪৫৪
৯৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৫৮
৯৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২৬-৬২৭
৯৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২৮

কংসপাত্ৰ আদি দিয়াৰ কথাই যৌতুকৰ চিত্ৰকেই দাঙি ধৰিছে এনেদৰে —

সুৱৰ্ণৰ ঘট ঝাৰি খুৰি অলংকাৰ।
দিলন্ত চৌধাৰী বস্ত্ৰ উছৰ্গা কন্যাৰ।।
দাসী দাস ধেনু পাত্ৰ আদি।[৯৭]

শ্ৰীশ্ৰীদামোদৰদেৱৰ চৰিততো যৌতুকৰ উল্লেখ আছে। সতানন্দৰ কন্যা সত্যৱতীক বাসুদেৱ চক্ৰৱৰ্তীৰ লগত বিয়া দিওতে লগত অনেক যৌতুক দিছিল —

কন্যা সম অনেক যে যৌতুক দিলা।।[৯৮]

ইয়াৰ উপৰি দামোদৰদেৱৰ পুতেকৰ বিয়াতো কন্যাৰ লগত যথাশক্তি অনুযায়ী যৌতুক দিছিল — "যথা শক্তি কন্যা সঙ্গে যৌতুক দিলন্ত।।"[৯৯]

দীননাথ বেজবৰুৱাৰ বৰচৰিততো যৌতুকৰ উল্লেখ আছে।[১০০]

অসমীয়া সমাজ জীৱনত প্ৰাচীন কালৰপৰাই বহু বিবাহ প্ৰচলিত। একেজন পুৰুষেই ভিন্ন পৰিস্থিতি সাপেক্ষে কেইবাজনী কন্যাও বিয়া কৰোৱা দেখা যায়।[১০১] কোৱা বাহুল্য যে শঙ্কৰদেৱেই প্ৰথমা পত্নীৰ মৃত্যুৰ পাচত দ্বিতীয় বিবাহ কৰাইছিল। গোপাল আতাৰ মাক-দেউতাকে গোপাল আতালৈ দুগৰাকী কন্যা বিয়া কৰাই অনাৰ কথা মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰত উল্লেখ আছে এনেদৰে—

মহা বিচক্ষণ ৰূপ গুণ দেখি গোপালৰ
দুই কন্যা যাচি দিলা।[১০২]

ইয়াৰ উপৰি খগেশ্বৰ গোস্বামীৰ শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰত বহু বিবাহৰ উল্লেখ কেইবাবাৰো পাওঁ।[১০৩]

## পঞ্চামৃত

প্ৰথম গৰ্ভৱতীক পাঁচমাহত 'পঞ্চামৃত' খুউৱা অসমীয়া সমাজৰ এটি গোপন উৎসৱ। পঞ্চামৃত খুউৱা বাবে মাক অপৰিহাৰ্য। পঞ্জিকাৰ শুভ লগ্ন চাই দৈ, এঁৰা, চেনি, ঘিউ আৰু মৌ- এই পঞ্চ অমৃত গোটাই পৰমান্ন যোগাৰ কৰি ওচৰৰ পাঁচগৰাকী

৯৭। *পূৰ্বোক্ত*
৯৮। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৪
৯৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬২
১০০। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৪
১০১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৭
১০২। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ), *মহাপুৰুষ শ্ৰীশ্ৰীগোপাল আতাৰ চৰিত্ৰ*, পৃঃ ৯৯
১০৩। খগেশ্বৰ গোস্বামী, *শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰ*, পৃ ঃ ২৭, ৪১, ৬১



আয়তী মাতি কোঠা এটাত চাদৰৰ তলত পঞ্চামৃত খুউৱা নিয়ম। উল্লেখনীয় যে নতুন সাজ এটি পিন্ধিহে সন্তান-সম্ভৱা মাতৃয়ে 'পঞ্চামৃত' খোৱা নিয়ম।[১০৪] পঞ্চামৃতৰ লগতে পিঠা-পনাও খুউৱা হয়। 'পঞ্চামৃত'ক কামৰূপত 'জেউৰা খুউৱা' বুলিও কোৱা হয়। গুৰু-চৰিত-কথাত মনোহাৰি আইক জেউৰা খুউৱাৰ কথা আছে —

পাঁচ মাহত পঞ্চামৃত জেউৰা গুৱা দিচে আইক বৰানিত্ৰ অনা পিঠা সমে।।[১০৫]

## বৈধব্যৰ প্ৰকাশ

গিৰিয়েকৰ মৃত্যুৰ পাচত ঘৈণীয়েকে বৈধব্য অৱলম্বন কৰাটো সামাজিক আচাৰ। বৈধব্য যন্ত্ৰণা অতিকৈ কষ্টকৰ, অসহনীয়। বিধৱা হোৱাৰেপৰা বহুতো সামাজিক তথা ধৰ্মীয় নিয়ম-নীতি মানি চলিব লগা হয়। অসমীয়া সমাজতো এই নিয়ম অতি কটকটীয়া বুলিয়ে ক'ব পাৰি; বিশেষকৈ উচ্চবৰ্ণ হিন্দুসকলৰ মাজত। ব্ৰাহ্মণসকলৰ বিধৱাৰ দুখ-কষ্ট বৰ্ণনাতীত। অসমীয়া সমাজত গিৰিয়েক ঢুকুৱাৰ লগে লগে ওচৰ চুবুৰীয়াৰ কোনো এগৰাকী মহিলাই শিৰৰ সেন্দুৰকণ মচি দিয়ে। নাক, কাণ, ডিঙি তথা হাতত থকা সকলো অলংকাৰ সোলোকাই দিয়া হয়। বিধৱাসকলে নিৰামিষ ভোজন কৰাৰ উপৰি শুভ্ৰ বস্ত্ৰ পৰিধান কৰাটো অসমীয়া সমাজৰ এটি সামাজিক আচাৰ। চৰিত পুথিসমূহতো ইয়াৰ প্ৰকাশ ঘটিছে। মাধৱদেৱৰ পিতৃ বৰকণা আতাৰ পৰলোক গমন হোৱাত —

আয়ে সধবা চিহ্ন পৰিত্যাগ কৰি বৈধব্য অৱলম্বন কৰিলে।
তেতিয়াৰে পৰা গুৰু মাতাই সামিষ ভোজন কৰা নাই,
শাস্ত্ৰানুসাৰে বিধবাৰ ব্যৱহাৰে ব্ৰতী হৈ থাকিল।[১০৬]

দৈত্যাৰি ঠাকুৰৰ চৰিততো মাধৱদেৱৰ মাতৃয়ে বৈধব্য জীৱন যাপন কৰাৰ একেই কথাৰ উল্লেখ পোৱা যায় এনেদৰে —

বুঢ়ী আই শঙ্খ সিন্দুৰ তেজিয়া
নিৰামিষ আচৰিলা।।[১০৭]

নীলকণ্ঠ দাসৰ শ্ৰীশ্ৰীদেৱদামোদৰ চৰিততো বৈধব্যৰ প্ৰকাশ ঘটিছে। শঙ্কৰদেৱৰ ভাৰ্যাই স্বামী বিয়োগৰ বাতৰি পাই সধবাৰ সকলো ভূষণ সোলোকাই বিধবাৰ সাজ পিন্ধিছিল।[১০৮] ৰামচৰণৰ চৰিততো শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ বাতৰি ৰামানন্দৰপৰা পাই

১০৪। নিৰ্মলপ্ৰভা বৰদলৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩
১০৫। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
১০৬। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৮
১০৭। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫০
১০৮। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৯

আই মাতৃয়ে শাখা সেন্দূৰ তথা খাৰু-মণি সকলোবোৰ লগে লগে সোলোকাই পেলোৱাৰ চিত্ৰ প্ৰকাশ কৰিছে —

শাখা যে সিন্দুৰ যত আছিলা গাৱত।
খাৰু মণি তেতিক্ষণে সব খসাইলন্ত।।[১০৯]

## অতিথি পৰায়ণতা

অসমীয়া সমাজৰ অতিথি পৰায়ণতাৰ পৰম্পৰাৰ প্ৰসংগও গুৰু-চৰিতসমূহত বৰ্ণিত হৈছে। অসমীয়া মানুহে অতিথিক সাক্ষাৎ ভগৱান বুলি জ্ঞান কৰে। অতিথি শুশ্ৰূষাৰ জীৱন্ত ছবিখন চৰিত পুথিসমূহত সিঁচৰতি হৈ আছে। এবাৰ পশ্চিমৰপৰা জগদীশ মিশ্ৰ শঙ্কৰদেৱৰ ওচৰলৈ আহিল। শঙ্কৰদেৱে অতিথিক আগবঢ়াই আনি বহা ঠাই কণ পানীৰে মচি বাৰ স্কন্ধ ভাগৱতখন কাঠৰ 'ঠগা' খনৰ ওপৰত থ'লে। আনকি দুজন চাকৰে অতিথিৰ ভৰি ধুৱাই দিলে — "আনিছে মহাপুৰুষ গুৰু খোজা চাবি আগ বাঢ়ি আনি ঠাই মচাই দি শাস্ত্ৰ থলেঃ... দুই চাকৰে পাও ধুৱালে।"[১১০] ইয়াৰ উপৰি ৰামৰায়ৰ গৃহে ঠাই দি ভোজন কৰালে।[১১১] এনেদৰে গুৰু-চৰিত-কথাৰ কেইবা ঠাইতো অতিথি শুশ্ৰূষাৰ কথা পোৱা যায়।[১১২]

দৈত্যাৰি ঠাকুৰৰ চৰিততো অতিথি শুশ্ৰূষাৰ উল্লেখ পোৱা যায়। ঘাঘৰি মাজিৰ ঘৰত পিতৃ সহিতে মাধৱদেৱ উপস্থিত হোৱাত আথে-বেথে আপ্যায়ন কৰিছিল—

বসিবাস লাগি বৰপিৰা দিলা আনি।
ধুৱাইলন্ত ভৰি দাৱৰত লৈয়া পানী।।[১১৩]

ভক্ত সহিতে শঙ্কৰ-মাধৱে এবাৰ তীৰ্থলৈ যাওঁতে মাজ বাটতে বৰষুণত ভিজি ক্ষত্ৰিয় এঘৰত ক্ষন্তেক আশ্ৰয়ৰ কাৰণে সোমাইছিল। স্বামী নথকা হেতুকে অতিথিক ৰাতি ৰাখিব নোৱাৰি গৃহিনীয়ে আক্ষেপৰ সুৰত কৈছে —

কিন্তু খালীঘৰ নুহি ৰাখিত উচিত।
নপাইলো পাতকী তযু চৰণ অৰ্চ্চিত।।[১১৪]

---

১০৯। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৫০
১১০। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩০
১১১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩১
১১২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫০, ৫৩, ১৮৮, ২১০
১১৩। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯
১১৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৩১



কিন্তু, আলহীক যথা সম্মান জনাবলৈ পাহৰা নাই —

পাঞ্চা টাকা এটুক কাপোৰ দিলেক।
চৰণত ধৰি বোলে বিনয় অনেক।।
এহি চৰণত মন ৰহোক আমাৰ।
স্বামীৰ ৰহোক মন চৰণে তোমাৰ।।[১১৫]

অসমীয়া মানুহৰ ঘৰলৈ অতিথি আহিলে, অতিথি আপ্যায়নৰ বাহিৰে গৃহস্থৰ আন একো চিন্তাই নাই, ইয়াৰ প্ৰতিফলন ঘটিছে ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিতত এনেদৰে — "অতিথি চৰ্চাতি পৰে আন চিন্তা নাই।।"[১১৬] শঙ্কৰদেৱেও অতথিকি প্ৰথমেই শুশ্ৰূষা কৰিছিল।[১১৭] অতিথি শুশ্ৰূষাৰ আৰু উল্লেখ পোৱা যায়, কণ্ঠ ভূষণে শঙ্কৰদেৱক বিচাৰি বৰপেটাত উপস্থিত হোৱাত "ভকতে ধুৱাইলা ব্ৰাহ্মণৰ ভৰি।"[১১৮]

বৰদোৱা-গুৰুচৰিততো বৰকণাগিৰী আৰু মাধৱদেৱে ঘাঘৰি মাজিৰ ঘৰলৈ গৈ ওলোৱাত মাজিয়ে আলহীক যথাসাধ্য সোধ-পোচ কৰিছে। ভোজনৰ শেষত বাণ্ডুকা প্ৰমুখ্যে সকলো ঠাইৰ বা-বাতৰি লৈছে —

> দণ্ডৱতে পৰি আগবঢ়াই নি বহি'বলৈ পীৰা দিলে; ঘাঘৰি মাজি নিজে পানী লৈ ভৰি ধুৱাইছে। আইক গৃহিনীসকলে ধুৱাইছে। মাধৱদেৱে নিজে ভৰি ধুইছে। তাৰ পাচত চিৰা দৈ দি ভোজন কৰাইছে, ভোজনান্তে মুখ-শুদ্ধি দি বাণ্ডুকাকে প্ৰমুখ্য কৰি সকলো ঠাইৰ বাতৰি সুধিছে।[১১৯]

অতিথিৰ চৰণ ধুওৱা আৰু ভৰি চুই প্ৰণাম কৰাটোও এটা সামাজিক আচাৰ। মাধৱদেৱ বৰপেটালৈ অহাৰ খবৰ পোৱাৰ লগে লগে মথুৰা দাস বুঢ়া আতাই —

আগবাঢ়ি আনিলেক প্ৰণাম কৰিয়া।[১২০]

আৰু,

ধুৱালে চৰণ আতা নিজ হাতে ধৰি।[১২১]

---

১১৫। *পূৰ্বোক্ত*
১১৬। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩
১১৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪২
১১৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৩৯
১১৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৫
১২০। জগন্নাথ মহন্ত, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৬
১২১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭

আলহীক সেৱা কৰা আৰু পদূলিমুখলৈ আগবঢ়াই থোৱা ৰীতি অসমীয়া সমাজত প্ৰচলিত। ৰামচৰণৰ চৰিতত এই কথা পোৱা যায়।[১২১(ক)]

## সুহৃদয়ৰ অসহৃদয়তা

প্ৰত্যেকজন মানুহৰেই আত্মীয়-স্বজন থাকেই, কিন্তু সকলো আত্মীয়ই সুহৃদ নহয়। আত্মীয়ৰ এই অসহৃদয়তাৰ ছবি চৰিত পুথিসমূহতো দেখিবলৈ পোৱা যায়। পিতৃ ৰৰকশাগিৰিৰ লগত মাধৱদেৱে লেটেকু পুখুৰীৰ পাৰত ঘৰ সাজি থাকোতে পিতৃৰ জিকৰি ৰোগ হ'ল। যি অলপ টকা-কড়ি আছিল সিও ঔষধ কিনোতে বেমাৰতে খৰচ হ'ল। খাবলৈ অৰ্থৰ নাটনি হোৱাত পিতা-পুত্ৰ দুয়োজনে চিৰকলীয়া বন্ধু এঘৰলৈ গ'ল। সন্ধিয়া সময়ত গৈ পালে। সাদৰ সম্ভাষণ নকৰি ঢেঁকীশালতে বহিবলৈ দিলে।[১২২]

আপোনজনক ঢেঁকীশালত বহিব দিয়াটো অপমানৰ কথা, অৱজ্ঞাৰ কথা হিচাপে অসমীয়া সমাজত গণ্য কৰা হয়। মাধৱদেৱ আৰু মাক-দেউতাকক তেনে ব্যৱহাৰ কৰিছিল আপোন মানুহেই — "তিনি কঠি চাউল দিলে ঢেকিসালে খালে টৌ যুৰিঃ পুৰা মুখেৰেও নামাতিলে।"[১২৩] সম্পৰ্কীয় ভায়েকৰ ঘৰত ভাত এমুঠিৰ কাৰণে মাধৱদেৱে কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হৈছিল। আত্মীয়ৰ ঘৰতো মাধৱদেৱে কষ্ট নকৰাকৈ এদিনৰ কাৰণেও ভাত এমুঠি নাপাইছিল। দিনৰ দিনটো খৰি ফালি ফালিহে ভাত খাইছিল — "বুঢ়িএ আনি কুঠাৰখন দিলেনিঃ বোলে আকে পালা তোমৰ বাত খাবলৈ।"[১২৪]

## মুহুদি

ভোজনৰ পাচত গুৱা-পানেৰে মুহুদি কৰাটোও অসমীয়া সমাজৰ এটি সামাজিক আচাৰ। আমিষ ভোজন নতুবা অন্য খাদ্য সামগ্ৰী খোৱাৰ পাচত মুখৰ তেলেতীয়া ভাব গুচোৱাৰ অৰ্থে মুহুদি কৰা হয়। মুখলৈ সু-ৰুচি আনিবলৈও মুহুদিৰ প্ৰয়োজন। ভোজনৰ অন্তত মুখৰ গোন্ধ আৰু আস্বাদ গুচাবৰ কাৰণে তামোল আদি খোৱাকে 'মুহুদি' বোলে। ইয়াক 'মুখ-শুদ্ধি' বুলিও কোৱা হয়। শঙ্কৰদেৱেও ভোজনৰ অন্তত মুখ-শুদ্ধি কৰাৰ কথা দৈত্যাৰিৰ চৰিতত পাওঁ এনেদৰে —

দিনেক শঙ্কৰদেৱ কৰিয়া ভোজন।
কৰি মুখ-শুদ্ধি পথে কৰিলা গমন।।

১২১(ক)। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২৯-৬৩০
১২২। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৪
১২৩। তদীয় ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৪৯
১২৪। পূৰ্বোক্ত



খান চাৰি গুৱাপান বাম হাতে ধৰি।[১২৫]

ঘাঘৰি মাজিৰ ঘৰতো মাজিয়ে মাধৱদেৱক ভোজনৰ অন্তে মুখ-শুদ্ধি দিছিল —

কৰাই ভোজন চিৰা কলা দুগ্ধ দধি।
ভোজনৰ শেষে আনি দিল মুখ শুদ্ধি।[১২৬]

আকৌ,

দুইপৰ সময়ে ভোজন কৰিলন্ত
আসি কঠখানে বসি গুৱাপান খন্ত।।[১২৭]

গুৰু-চৰিত-কথাতো মুহুদিৰ উল্লেখ আছে। বলোৰাম আতৈয়ে — "এক দোকানত পাণ চফাৰি খুজি আইলেঃ কটাৰি নাইঃ চিগা লোৱাৰে ভাঙ্গি মুহুদি কৈলে।"[১২৮] "বৰদোৱা-গুৰুচৰিততো মুখ-শুদ্ধিৰ কথা আছে।"[১২৯] প্ৰায় আটাইবোৰ চৰিত পুথিতে মুখ-শুদ্ধিৰ উল্লেখ পোৱা যায়।

## দাঁত খৰিকোৱা

ভাত খাই দাঁত-মুখ ভালদৰে পৰিষ্কাৰ কৰাটো নিতান্তই প্ৰয়োজনীয় কথা। দাঁতৰ মাজত সোমাই থকা খাদ্য সামগ্ৰীবোৰ খৰিকাৰে চাফ-চিকুণ কৰাটো গাঁৱলীয়া সমাজ জীৱনৰে এটি সামাজিক আচাৰ। ইয়াকে 'দাঁত খৰিকোৱা' বুলি কোৱা হয়। এই খৰিকাবোৰ সাধাৰণতে বাঁহ নাইবা বুৰুলি খেৰৰপৰা উপযোগীকৈ তৈয়াৰ কৰি লোৱা হয়। বুৰুলি খেৰক কামৰূপী উপভাষাত 'বুন্নি' বুলিও কোৱা হয়। সময়ৰ সোঁতত খেৰৰ চালৰ ঠাইকণ আধুনিক প্ৰযুক্তি বিদ্যাৰ টিনপাতে লোৱাৰ ফলত এই দাঁত খৰিকোৱা ৰীতি অসমীয়া সমাজত ছেগা-চোৰোকাকৈহে জীয়াই আছে। দৈত্যাৰি ঠাকুৰৰ চৰিতত মাধৱদেৱে ভোজনৰ অন্তত হাত-মুখ ধুই খৰিকা মুখত দিছে —

মুখ হাত পখালি খৰিকা মুখে দিয়া।[১৩০]

অসমীয়া লোকসমাজত ভোজনৰ অন্তত মুখ প্ৰক্ষালন কৰোতে দাঁত-মুখ ভালকৈ পৰিষ্কাৰ কৰিবৰ কাৰণে পানী-চৰিয়াৰ উপৰি খৰিকাৰ ব্যৱহাৰ কৰাৰ কথা বৰদোৱা-গুৰুচৰিততো পোৱা যায়।[১৩১]

১২৫। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬
১২৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯
১২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৬০
১২৮। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫১
১২৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৫
১৩০। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭৬
১৩১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৪

## শৌচাদি কৰ্মৰ অন্তত সংস্কাৰৰ নিয়ম

মধ্যযুগৰ অসমত অসমীয়া লোক তথা ভকতবৃন্দই শৌচ কৰাৰ পাচত পৰিষ্কাৰ-পৰিচ্ছন্ন হোৱাৰ মানসেৰে আৰু মনৰ অশুদ্ধতা দূৰ কৰিবৰ কাৰণে মাটি পানীৰ ব্যৱহাৰ কৰিছিল। সেই সময়ত আজিৰ দৰে চাবোনৰ ব্যৱহাৰ নাছিল। বৰ্তমান গাঁৱলীয়া সমাজ জীৱনত অৱশ্যে বৃদ্ধলোকে মাটি-পানীৰ ব্যৱহাৰ নকৰা নহয়। চৰিত পুথিসমূহতো শৌচৰ অন্তত মাটি-পানী ব্যৱহাৰৰ উল্লেখ আছে। বলোৰাম আতৈ আহি "মাটি পানী স্নান গুৰুসেৱাকে গুৰুজনত কলেহি।"[১৩২] শ্ৰীৰাম আতায়ো এবাৰ ঠায়ে ঠায়ে গুৰু আৰু গুৰু পত্নীৰ গা-ধোৱাৰ ব্যৱস্থা কৰাৰ উপৰি—

মাটি পানী ঘহি'বলৈ পাট পাৰি মাথি থলে।[১৩৩]

**বৰদোৱা-গুৰুচৰিতত** উল্লেখ আছে যে শঙ্কৰদেৱে ৰামৰায়ক কেইখনমান পীৰা প্ৰস্তুত কৰিবলৈ দিয়াত ৰামৰায়ে —

শিলাকুটি আনি চাৰিখন শিলৰ পীৰা প্ৰস্তুত কৰাই দিলে,
এখনত বহি পুথি লিখে, এখনত বহি স্নান কৰে, এখনত বহি
ভোজন কৰে, আনখন শৌচৰ পিছত মাটি পানী লয়।[১৩৪]

## অশুচি

অসমীয়া সমাজ জীৱনত গা-নোধোৱাকৈ ভাত, পানী একো খোৱা নহয়। বাহি গা-নোধোৱাকৈ থকাটোকে 'অশুচি' বুলি ভবা হয়। 'অশুচি' ৰ অৰ্থ হ'ল অপৱিত্ৰ, মলিন, চুৱা, অশুদ্ধ। চুৱা বা অপৱিত্ৰ মনেৰে নাইবা অশুচি গাৰে ভক্তসকলে একো বস্তু গ্ৰহণ নকৰে — "বাহি গা নহই তাতে নখৱা।"[১৩৫]

## উপবাস

'উপবাস' শব্দৰ অৰ্থ হ'ল লঘোন, অনাহাৰ। একাদশী, পূৰ্ণিমা আদি বিশেষ বিশেষ তিথি, বাৰত উপবাসে থকাটো অসমীয়া সমাজৰ এটি সামাজিক আচাৰ। উপবাসৰ মূলতেই হ'ল শৰীৰক পৰিশীলিত কৰা। মাধৱদেৱক একাদশীত অনাহাৰে থাকিবলৈ শঙ্কৰদেৱে কৈছে। এই কথা ভূষণ দ্বিজৰ চৰিতত পোৱা যায় —

১৩২। তদীয় ঃ *গুৰু-চৰিত-কথা*, পৃঃ ১৪৩
১৩৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৪১
১৩৪। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৬০
১৩৫। তদীয়, *গুৰু-চৰিত-কথা* , পৃঃ ৫৪



শুনিয়ো মাধৱ তুমি মোহোৰ বচন।
একাদশী দিনে একো নকৰি ভোজন।।[১৩৬]

আকৌ,

একাদশী দিনা অন্ন ভোজন সম্প্ৰতি।
নকৰিব নকৰিব সবাবো সন্মতি।।[১৩৭]

গুৰু-চৰিত-কথাত উল্লেখ আছে যে গোবিন্দ গুৰুৱে তিনিটা কুৰ্হি মাছ একাদশী নিয়া দেখি শঙ্কৰদেৱে কৈছে — নপাই একাদশী উপবাসে।[১৩৮]

## মহাপুৰুষীয়া ধৰ্মত সিধা আৰু ইয়াৰ প্ৰচলন

'সিধা' হল সিজাই খাবলৈ দিয়া কেঁচা সামগ্ৰী। বৈষ্ণৱ ভকতবৃন্দই ভিক্ষা কৰি অনা চাউল, মাহৰ এক অংশ গুৰুলৈ মাননি হিচাপে আগবঢ়োৱাটো নিয়ম।

চাউল-মাহৰ লগত আলু, কচু, লাউ, কোমোৰা, দাইল, লোণ, জলকীয়া, হালধি, তেল, মছলাৰপৰা আদি কৰি খৰিলৈকে ৰন্ধনৰ সমস্ত যোগান ধৰা হয়। ইয়াকে 'সিধা' বুলি কয়। সিধাৰ প্ৰথম আৰ্হি শ্ৰীৰাম আতাৰ পৰাই প্ৰচলিত হয়। শ্ৰীৰাম আতাই ভিক্ষা কৰি পেট প্ৰৱৰ্তোৱাৰ কথা জানি নাৰায়ণ দাস ঠাকুৰে শ্ৰীৰাম আতাক খোৱাৰ যোগান ধৰি দিয়ে। ইয়াকে দেখি-শুনি আন ভক্তসকলেও আতাক চাউল-পাতি যোগান ধৰে। এনেদৰে শ্ৰীৰাম আতাই নিজক লগাতকৈ দ্ৰব্য-সম্ভাৰ অত্যাধিক পোৱাত বৰ্ধিতখিনি ঠাকুৰ আতাৰ পৰামৰ্শ মতে ভকতসকলক বিলাই দিয়ে। চাউল সিধাৰ এয়ে প্ৰথম আৰ্হি। গুৰু-চৰিত-কথাত সিধাৰ সুন্দৰ বৰ্ণনা পোৱা যায় —

চাউল মাহ কচু কমৰা আদা মৰিচ গুৱাপাণ ভগাই গুৰু ভক্ত
সবাকে দিলেঃ বোলে বাঢ়িলে এইদৰে দিবা আকৌঃ তাৰে
পৰাহে সিধা ভোজনি চাউলৰ আৰ্হি হ'লঃ[১৩৯]

এই সিধা ব্যৱস্থাৰপৰাই অসমীয়া সমাজত চাউল ভোজনিৰ প্ৰচলন হৈ আহিছে।

ইয়াৰ উপৰি নৰনাৰায়ণ ৰজাই বৰপেটা সত্ৰ দৰ্শন কৰিবলৈ যাওঁতে বুঢ়া আতাই সিধাৰ ব্যৱস্থা কৰিছিল —

সিধা আনি দিল আতা ৰান্ধনৰ ঠাৱে।।
কুমুৰা আহু চাউল লোণ তৈল জ্বালা।
মাহৰ দালিক দিল হালধি মছলা।।[১৪০]

১৩৬। ভূষণ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১২৪
১৩৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৫
১৩৮। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৫
১৩৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৪৭
১৪০। জগন্নাথ মহন্ত ঃ *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৫

দেখা যায়, "কাৰ্যভেদে তিনি প্ৰকাৰে চাউল সিধা দিয়া নিয়ম আছে, গুৰুক সেৱা জনাওঁতে, সত্ৰত নতুন বান্ধনিয়ে মান্যজনক অন্ন ৰান্ধি দিওঁতে আৰু সমূহীয়াভাৱে গুৰু-ভকত সেৱাৰ উপলক্ষে সিধা দিয়াটো নিয়ম।"[১৪১] চাউল সিধাৰ মূল উদ্দেশ্য হ'ল ভক্তি ভাবৰ প্ৰতি শ্ৰদ্ধা আৰু পৱিত্ৰতাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদান। ইয়াৰ উপৰি **লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ,**[১৪২] **শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰ**[১৪৩] আৰু **বৰচৰিততো**[১৪৪] চাউল সিধাৰ প্ৰসংগ উত্থাপিত হৈছে।

## মহাপুৰুষীয়া ধৰ্মত শৰণ ৰীতিৰ গুৰুত্ব আৰু প্ৰচলন

মহাপুৰুষীয়া ধৰ্মত শৰণ অপৰিহাৰ্য। এই ধৰ্মত কোনো এজনক 'গুৰু' হিচাপে মানি শৰণ ল'ব লাগে। শৰণ নোলোৱাজনক 'অসংস্কৃত' বুলি ভবা হয়। মাধৱদেৱ পূৰ্বতে শাক্ত ধৰ্মী আছিল। শঙ্কৰদেৱক লগ পোৱাৰ পাচত পূৰ্ব অংগীকাৰ পৰিত্যাগ কৰি গুৱাপাণ দি সেৱা কৰি মাধৱদেৱে কৈছে — "বাপ আজিৰ পৰা তোবাক গুৰু লাভ কৰা হ'ল। পিছদিনা নাৰায়ণপুৰৰ মাতকঠীয়া কাপোৰ এখন, টকা এটা দি শৰণ লৈছে।"[১৪৫] দেখা যায় যে বৈষ্ণৱ ধৰ্মত শৰণ লওঁতে কোনো শকত ধনৰ টোপোলা আগবঢ়াৱ নালাগে। গুৰু মাননি হিচাপে আত্মশুদ্ধিৰে দুই-এটকাই যথেষ্ট।

শৰণ লোৱাৰ আগতে কিছুমান সামাজিক আচাৰ পালন কৰিবলগীয়া হয়। শৰণ লোৱাৰ আগদিনা উপবাসে থকাটো এটি সামাজিক পৰম্পৰা। নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱৰ ওচৰত শৰণ ল'বলৈ খোজাত, শঙ্কৰদেৱে কোনো প্ৰকাৰে এৰাব নোৱাৰি ৰজাক জনাইছে — "তেন্তে আজি উপবাসে থাকক, কালিলৈ যি কৰা হয় হ'ব।"[১৪৬]

যবনে বুঢ়া আতাৰ ওচৰত শৰণ ল'বলৈ অহাৰ আগদিনা উপবাসে আছিল —

শুনিয়া যবনে পাছে থাকি উপবাসে।
পৰদিনা ছয়কুৰি টকা লৈ আসে।।[১৪৭]

শুদা হাতে শৰণ লোৱাটো অপৰাধ বুলি গণ্য কৰা হৈছিল। গোপাল আতায়ো

১৪১। পীতাম্বৰ দেৱগোস্বামী, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১৭
১৪২। নৰোত্তম আতা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৬
১৪৩। খগেশ্বৰ গোস্বামী, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮-১১
১৪৪। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৭
১৪৫। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰু-চৰিত*, পৃঃ ৮৩
১৪৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৯
১৪৭। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৬



শুদা হাত বুলিয়ে শঙ্কৰদেৱক চাবিবাৰ লগ পোৱাৰ পাচতো শৰণ লোৱা নাছিল —

শুধা হাত বুলি শৰণ নলৈলোঁ
উলটি গৃহে আসিলোঁ।[১৪৮]

অৱশেষত মাধৱদেৱক গুৰু ভজি শৰণ ল'লে।

ইয়াৰ উপৰি দীননাথ বেজবৰুৱাৰ বৰচৰিতত শৰণৰ প্ৰসংগ কেইবাৰো উত্থাপিত হৈছে।[১৪৯]

কোনো মাঙ্গলিক কামৰ আগদিনা উপবাসে থকাটো অসমীয়া সমাজৰ এটি আচাৰ। নাৰায়ণ দাসেও শৰণ ল'বলৈ ওলাই ঘৰৰ সকলোকে উপবাসে ৰাখি শঙ্কৰক গুৰু মানি কৃষ্ণত শৰণ লৈছিল —

উপবাস দিয়া সবে শঙ্কৰক গুৰু মানি
কৃষ্ণত শৰণ লৈলা পাচে।।[১৫০]

এই ধৰ্মত একান্ত শৰণ লওতে একো বস্তুৰ প্ৰয়োজন নাই, লাগে মাথোঁ পৱিত্ৰ মন। ঘৰ-বাৰী, পতি-পুত্ৰ সকলো যেন অসাৰ মায়াময়। হৰিয়ে একমাত্ৰ গতি। গুৰুক শুশ্ৰূষা কৰি, গুৰু বাক্য শিৰে ধৰি শৰণ ভজিব লাগে —

একান্ত শৰণ লৈতে একোবস্তু নলাগয়
হ'ব লাগে নিশ্চয় মনৰ।।
গুৰুক শুশ্ৰূষা কৰি গুৰু বাক্য শিৰে ধৰি
মিছা ভ্ৰম মানিবা সংসাৰ।
দেহ গেহ পুত্ৰয়চ মানিবেক মায়াময়
হৰিবিনে সকলো অসাৰ।।[১৫১]

## বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান প্ৰদৰ্শন

ডাঙৰক সন্মান জনোৱাটো অসমীয়া সমাজৰ এটি সামাজিক পৰম্পৰা। ইয়াৰ জৰিয়তে সামাজিক, সাংস্কৃতিক মূল্যবোধৰ পৰিচয় ঘটে। ইয়াৰ অন্তৰালত নিহিত হৈ থাকে সেৱকৰ ভক্তি আৰু শ্ৰদ্ধা। এনেকুৱা সামাজিক পৰম্পৰাই আন্তৰিকতাৰ এনাজৰীডাল

১৪৮। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ ববদলৈ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ১৮
১৪৯। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৪, ৭২, ১৫০, ১৬০
১৫০। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৫
১৫১। ৰামানন্দ ঠাকুৰ, *মহাপুৰুষ শ্ৰীমাধৱদেৱ আৰু শ্ৰীশ্ৰীগোপাল আতাৰ চৰিত্ৰ*, পৃঃ ৫১

গভীৰ কৰি তোলে। গুৰু চৰিত-কথাত নাৰদেও কৃষ্ণক সেৱা কৰাৰ কথা আছে —

পাই সৰস্বতী সমন্বিতে কৃষ্ণক সেৱা কৰিলে।[১৫২]

শঙ্কৰদেৱে বৈকুণ্ঠ প্ৰয়াণৰ আগমুহূৰ্তত গুৰুপত্নীৰ দায়িত্ব আৰু ধৰ্মৰ ভাৰ মাধৱদেৱৰ হাতত ন্যস্ত কৰিছিল, সেই মৰ্মে মাধৱদেৱে শ্ৰীৰাম আতাক গুৰুপত্নীৰ খবৰ ল'বলৈ পঠালে। শ্ৰীৰাম আতাই প্ৰথমে শ্ৰদ্ধা-ভক্তিৰে আই মাতৃক সেৱা কৰি পিচতহে খা-খবৰ সুধিছে —

হেন শুনি আতা পাট বাউসীক গৈলা।
আইক সেৱাটি কৰি বাতৰি শুধিলা।।[১৫৩]

গুণবানলোকক সন্মান জনোৱাটো অসমীয়া সমাজৰ এটা সাংস্কৃতিক পৰম্পৰা। তেওঁলোকক আদৰ-সাদৰ কৰি এক বিশেষ সন্মান দিয়া হয়। অমৃতকা দলৈয়েও মাধৱদেৱক 'ৰূপ কাপৰ সৰাইৎ কৈ আগবাঢ়ি নিছে।" [১৫৪] এবাৰ ঠাকুৰ আতা গৈ পোৱাত শ্ৰীৰাম আতায়ো — "গাও ধুৱাই, গামচাৰে মচি কটত থইঃ গুৱাপান দিএ কাটি খাই আতাকো দিছিল।"[১৫৫]

তামোল-পাণ দি সম্ভাষণ জনোৱা, আদৰি অনা অসমীয়া সমাজ জীৱনৰে এটি আচাৰ। শঙ্কৰদেৱৰ পাণ্ডিত্য আৰু জ্যোতি দেখি মাধৱদেৱে সফুঁৰাত তামোল-পাণ দি সেৱা কৰিছিল —

শুনিয়া মাধৱে পাণ তাম্বুলক লৈলা।
সম্ফুৰাত কৰি শঙ্কৰৰ আগে দিলা।।[১৫৬]

অসমীয়া সংস্কৃতিত তামোল-পাণৰ এক বিশেষ স্থান আছে। হাজাৰ দোষ এখন তামোল-পাণেৰে মৰিষণ কৰিব পাৰি। ঘৰলৈ আলহী-অতিথি আহিলেও প্ৰথমতে তামোল-পাণ আগবঢ়োৱা ৰীতি।[১৫৭] প্ৰথমে তামোল পাণ দি পিচতহে বা-বাতৰি সোধা হয়। লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰত এই কথা কেইবাঠাইতো উল্লেখ আছে।[১৫৮]

সন্মানীয় তথা আপোনজনৰপৰা বিদায় লোৱাৰ সময়ত প্ৰণাম কৰা, মানধৰা আদি অসমীয়া সমাজৰ নিয়ম। উল্লেখনীয় যে কোনো বস্তুৰ বিনিময়, পৰিমাণ তথা

১৫২। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৩
১৫৩। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০
১৫৪। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭০
১৫৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৪০
১৫৬। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫২
১৫৭। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০
১৫৮। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০০, ১০২, ১২৬



মূল্যমানেৰে এই সন্মান জোখা নহয়। ইয়াত নিহিত হৈ আছে সহৃদয়তা, আন্তৰিকতা আৰু মৰম-স্নেহ। ভূষণ দ্বিজৰ চৰিত্ৰত ইয়াৰ প্ৰতিফলন ঘটা দেখিবলৈ পাওঁ। নাৰায়ণ দাস ঠাকুৰ আতাই শঙ্কৰদেৱৰ ওচৰত শৰণ লৈ কেইবামাহৰ পাচত ঘৰলৈ যাবলৈ ওলাই শঙ্কৰদেৱৰপৰা বিদায় লৈছিল প্ৰণাম কৰি —

এহি বুলি উঠি গৈলা সৰিয়হ ধানৰ চাউল
তিনি দোণে পূৰা বান্ধিলন্ত।
কান্ধত কৰিয়া আনি শঙ্কৰদেৱৰ আগে
দিয়া নমস্কাৰ কৰিলন্ত।[১৫৯]

একেদৰে মাধৱদেৱকো একপূৰা চাউল দি নমস্কাৰ কৰি বিদায় লৈছিল।[১৬০]

## পদধূলি

বাপ-বান্ধৱসকলৰ ভৰিৰ ধূলি ভক্তৰ মনত শ্ৰদ্ধাৰ বস্তু। এই পদধূলিক পৱিত্ৰ জ্ঞান কৰি মূৰত লোৱাটো এটি ধৰ্মীয় আদৰ্শ। ৰাইজৰ পদধূলি ল'ব পৰাটো গৌৰৱৰ কথা বুলিয়ে ভবা হয়। সমজুৱাৰ ভৰিৰ ধুলিয়ে বেমাৰ-আজাৰ, পাপ আদি মোচন কৰে বুলি অসমীয়া সমাজত বিশ্বাস কৰা হয়। পদধূলি ল'বলৈ নোপোৱাটো যেন এক অপৰাধ। ভূষণ দ্বিজৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ চৰিত্ৰত আছে যে শঙ্কৰদেৱে ভক্তবৃন্দৰ লগত তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে কবীৰৰ মঠত প্ৰৱেশ কৰিছিল। সেই সময়ত কবীৰ ঘৰত নাছিল। গিৰিয়েকে আতাসৰৰ পদধূলি ল'বলৈ নোপোৱা কাৰণে পত্নীয়ে আক্ষেপ কৰি কৈছিল —

আতাসকলক দেখিতে নাপাইলে
লৈবাক নপাইল ধূলি।।[১৬১]

ইয়াৰ উপৰি লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ[১৬২] আৰু বৰচৰিততো[১৬৩] পদধূলি বা তিলক লোৱাৰ উল্লেখ আছে।

## বাব্‌দাদিয়া বা পাতিলোৱা

অসমীয়া সমাজত দূৰ সম্পৰ্কীয় লোকক নিজৰ তেজ-মঙহৰ সম্পৰ্কৰ

১৫৯। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৩
১৬০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৪
১৬১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬১
১৬২। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১
১৬৩। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৩

সম্বন্ধৰে আপোন কৰি লোৱা হয়। ইয়াকে 'পাতিলোৱা' বুলি কয়। কামৰূপত ইয়াক 'বাব্‌দাদিয়া' বুলি কয়। গুৰু-চৰিত-কথাতো বাব্‌দাদিয়াৰ উল্লেখ আছে। মাধৱদেৱৰ পিতৃ-মাতৃক হৰসিংহ উজিৰ বৰাই 'পিতা-মাতা' বুলি আপোন কৰি লৈছে — "মই আৰা দুইক পিতা মাতা বুলিছো অনাদৰ নকৰিব।"[১৬৪]

## পোষ্য-পুত্ৰ

দাম্পত্য জীৱনত সন্তান-সন্ততি নহ'লে আনৰ ল'ৰা-ছোৱালীক সামাজিক পৰম্পৰাৰে নিজৰ কৰি লোৱা নিয়ম পৃথিৱীৰ সকলো সম্প্ৰদায়ৰ মাজত থকাৰ দৰে অসমীয়া সম্প্ৰদায়তো আছে। 'পোষ্য-পুত্ৰ'ৰ অৰ্থ তোলনীয়া পো। ইয়াক 'তুলি লোৱা' বুলিও কোৱা হয়। ঠাকুৰ চৰিতত উল্লেখ আছে যে শঙ্কৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ তিনিগৰাকী পত্নীৰ এগৰাকীৰো বংশ নোবোৱাত এদিন জ্যেষ্ঠ ভনীক মাতি ক'লে —

ইবাৰ তোমাৰ গৰ্ভ গুটি মোক
দিবাহা পুত্ৰ বঢ়াই।।[১৬৫]

দহ মাহ অন্তত ভাগিনক পুত্ৰবোধেৰে দামোদৰ নাম দি তুলি ল'লে।[১৬৬]

## সন্তানহীনতা

'সন্তানহীনতা' লোক সমাজৰ এটি মুখৰোচক বিষয়। দাম্পত্য জীৱনত সন্তান-সন্ততি নোহোৱাটো গাঁৱলীয়া সমাজত এক ডাঙৰ পাপ বুলিয়েই ভবা হয়। এই পাপৰপৰা উদ্ধাৰ হোৱাৰ মানসেৰে উপাস্য দেৱতাৰ আশিস লাভাৰ্থে সেৱা আগবঢ়ায়। সুপহুগিৰীয়ে পুত্ৰ নোহোৱা দেখি — "বিপ্ৰে আনি ব্ৰত কষ্টে বিধিৱতে বীজ ব্ৰহ্মামন্ত্ৰেৰে হোম আহুতি কৰালে পুত্ৰ অভিষেক প্ৰাৰ্থি।"[১৬৭]

কোৱা বাহুল্য যে অসমীয়া লোক সমাজত এই সন্তানহীনতাৰ বাবে মহিলাগৰাকীকে একমাত্ৰ দায়ী বুলি সকলো অপযশ দিয়া হয়। সন্তানহীনতাক 'বন্ধ্যা' বুলিও কোৱা হয়। অৰ্থাৎ সন্তান জন্ম দিবৰ বাবে অক্ষম লোক। এই অক্ষমতা দূৰ কৰিবৰ কাৰণে দেৱতাৰ চৰণত পূজা-অৰ্চনা কৰিলে বাঞ্ছিত ফল-মূল পোৱা যায় বুলি বিশ্বাস কৰা হয় —

ৰোগী সবো ৰোগ গুচাইবাক আশা কৰি ।
বন্ধ্যা আসি পুত্ৰ মাগে প্ৰণামি সাদৰি।।[১৬৮]

১৬৪। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
১৬৫। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৫
১৬৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ১৩৬
১৬৭। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪
১৬৮। ৰমানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৭



## পতি পৰায়ণতা

অসমীয়া নাৰীয়ে স্বামীক পবিত্ৰ জ্ঞান কৰে। পতিয়েই পৰম দেৱতা বুলি বিশ্বাস কৰা হয়। প্ৰাচীন কালৰপৰাই অসমীয়া নাৰীয়েই গিৰিয়েকক সৰ্বতো প্ৰকাৰে সেৱা-শুশ্ৰষা কৰি আহিছে। গিৰিয়েকৰ বাহিৰে পৰপুৰুষৰ মুখ চোৱা দূৰৰ কথা আনকি আনৰ ছাঁতো ভৰি নিদিয়ে। গুৰু-চৰিত-কথাত ইয়াৰ উল্লেখ আছে — "পৰপুৰুষৰ মুখ জি নচাই চাতো পাও নিদিএ।"[১৬৯]

## পৰদাৰাগমন

'পৰদাৰাগমন' হ'ল লোকৰ তিৰোতাৰ সৈতে কৰা সহবাস। 'পৰদাৰাগমন' চাৰিত্ৰিক অধঃপতনৰ চূড়ান্ত নিদৰ্শন বুলি অসমীয়া সমাজত গণ্য কৰা হয়। ই এক সামাজিক অপৰাধ। কৃষ্ণ নামৰ ভক্ত এজনৰ পৰদাৰাগমন হোৱাত অনুশোচনা হৈ আই ধাইৰ ওচৰলৈ আহিছিল — "পৰদাৰাগমন সিজিল সিজনৰ।"[১৭০]

সকলো অপৰাধৰে ক্ষমা আছে। নিৰ্দিষ্ট বিধি-বিধানেৰে প্ৰায়শ্চিত্ত কৰিলেই হ'ল। আইৰ ওচৰত ভুল স্বীকাৰ কৰাত আই ধায়ে কৃষ্ণক প্ৰায়শ্চিত্তৰ কথা ক'লে।

যদি কায়-ছিদ্ৰ মাত্ৰ সিজিলে তোমাত।
প্ৰায়শ্চিত্ত বিধি ক্ষমা কৰিব ইহাত ।।[১৭১]

## যৌন জীৱনৰ চৰিত্ৰ

যৌন স্পৃহা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। যৌৱন কালক জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাল বুলি ধৰা হয়। এই সময়ত নৰ-নাৰী উভয়েই প্ৰজনন ক্ষমতা লাভ কৰে। এনে অৱস্থাত শাৰীৰিক, মানসিক সুস্থতাৰ বাবে নাৰী-পুৰুষ পৰস্পৰ মিলন মুখী হৈ উঠে। এই ক্ষেত্ৰত পুৰুষ-প্ৰকৃতি উভয়ে উভয়ৰ ওচৰত দায়বদ্ধ; অথচ সৃষ্টিৰ আদিম অৱস্থাৰপৰাই নাৰী বহু ক্ষেত্ৰত পুৰুষৰ পণ্য সামগ্ৰী হিচাপে উপভোগ্য হৈ আহিছে। নাৰী হৈ পৰে বেশ্যা, পতিতা, সমাজৰ অৱহেলিতা। মধ্যযুগৰ অসমীয়া সমাজতো বেশ্যা নোহোৱা নহয়। গুৰু-চৰিত-কথাত বেশ্যা বৃত্তি প্ৰসংগৰ প্ৰকাশ ঘটিছে। কলিংগদেশৰ ৰজাৰ মুখত এবাৰ দুৰাৰোগ্য ৰোগ হোৱাত আৰোগ্য লাভৰ কাৰণে বেজে শতাধিক বেশ্যাৰ স্তন বিচাৰিছে — "এসপতি বেইশ্যাৰ তন বিচাৰি দিব দিছে ৰাজা ঔষধিলৈ বৈদে বিচাৰিছে।"[১৭২]

১৬৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৭
১৭০। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পা) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬৯
১৭১। *পূৰ্বোক্ত*
১৭২। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৪

পৰকীয়া প্ৰেম, পৰস্ত্ৰী বা পৰপুৰুষৰ লগত সম্ভোগ কাৰ্য সমাজ বিৰুদ্ধ। ই নিন্দনীয়। অসমীয়া সমাজত ই এক কলংক হিচাপে চিহ্নিত । অপ্ৰিয় হ'লেও সত্য যে আজিকোপতিও অসমীয়া সমাজত ই লুকাই-চুৰকৈ শিপাই আছে। গুৰু-চৰিত-কথাই পৰপুৰুষৰ লগত সম্ভোগৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। কাম পীড়াত অতীষ্ঠ হৈ হাথিয়া কছাৰীৰ পত্নী ইৰা-হীৰাই ৰতি সম্ভোগ ইচ্ছাৰে খেদ কৰি শুই আছিল। সেই সময়ত গৌৰীয়ে হৰক সুধিলে— এই স্ত্ৰীজনীয়ে কিয় কান্দিছে? হৰে ক'লে —"শৃংগাৰ ইচা কৰে কৰ পাব পতি আচে পৰ্ব্বতেঃ"[১৭৩] নাৰীৰ দুখ নাৰীয়ে বুজি পাৰ্বতীয়ে হৰক ইৰা-হীৰাৰ দুখ দূৰ কৰিবলৈ কোৱাত হৰে কছাৰীৰ ৰূপ ধাৰণ কৰি সম্ভোগত মিলিত হ'ল।[১৭৪]

## ঋতুস্ৰাৱ

অসমীয়া মহিলাসকলে মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত অনেক ধৰ্মীয় নিয়ম-নীতি মানি চলে। এই সময়ত অসমীয়া মহিলাই প্ৰাত্যহিক কিছু কাম-কাজৰ লগতে ধৰ্মীয় কাম-কাজৰপৰাও আঁতৰি থাকে। ঋতুস্ৰাৱৰ দিনকেইটাত অসমীয়া নাৰীয়ে পাগঘৰত নোসোমায়। মাহেকীয়া হ'লে গা-মূৰ ভালদৰে ধোৱাৰ দিনা ৰাতি লঘোণ দিয়াটো নিয়ম। মন কৰিবলগীয়া যে গুৰু-চৰিত-কথাতো প্ৰসংগক্ৰমে মাহেকীয়া ঋতুস্ৰাৱৰ কথা উত্থাপিত হৈছে। এদিন হৰিহৰ আতাই ৰামৰাম আতাৰ ঘৰলৈ গৈছিল। সেই সময়ত গৃহিনী মাহেকীয়া লঘোণ — "একদিনা তেওঁৰ পত্নী সুচৰিত (৩ মাহকিয়া) লঘনঃ"[১৭৫]

## সন্দেহ

সন্দেহ এক প্ৰকাৰ মানসিক ব্যাধি। সন্দেহৰ ফলত মধুৰ সম্পৰ্কত কেতিয়াবা ফাঁক আহে। ভুল বুজাবুজিৰ সৃষ্টি কৰে। ইয়ে সমাজলৈ বিশৃংখলতা মাতি আনে। অসমীয়া লোকমনো সন্দেহৰ উৰ্ধত নহয়। মাধৱদেৱে মৃত্যুৰ আগে আগে গোপাল আতাক ধৰ্মৰ আচাৰ্য পাতি থৈ যোৱা বুলি কৈ গ'ল। কিন্তু সাত মাহ পাচত শ্ৰীৰাম আতাই বেহাৰৰপৰা আহি ভৱানীপুৰত গোপাল আতাক মাধৱৰ আজ্ঞাৰ কথা ক'লে। ভক্তসকলে সন্দেহ কৰিলে যে শ্ৰীৰাম আতা আৰু গোপাল আতাৰ 'প্ৰীতি আছয়'[১৭৬] নহ'লেনো ভক্তসকলক এই কথা মাধৱদেৱে কিয় নক'লে!

---

১৭৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪০

১৭৪। *পূৰ্বোক্ত*

১৭৫। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৮৮

১৭৬। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৮৭



## শুভ কৰ্মৰ শুভাৰম্ভ

কোনো মাঙ্গলিক কৰ্মৰ শুভাৰম্ভৰ সময়ত পূজা-পাতল বা নাম প্ৰসংগৰ আয়োজন অসমীয়া সমাজৰ এটি চিৰাচৰিত নিয়ম। শুভক্ষণে যাত্ৰা কৰিলে মনৰ কামনা সিদ্ধি হয় বুলি বিশ্বাস কৰে। শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰত শুভক্ষণে যাত্ৰা কৰাৰ কথা উল্লেখ আছে।[১৭৭] ইয়াৰ উপৰি শুভকামত কলপুলি বোৱাটো অসমীয়া সমাজৰে এটি পৰম্পৰা।[১৭৮]

## বৃত্তি অনুযায়ী ঠাইৰ নাম

অসমীয়া সমাজত মানুহৰ নামৰ দৰে ঠাইৰ নামকৰণৰ ক্ষেত্ৰতো সুকীয়া বিশেষত্ব দেখিবলৈ পোৱা যায়। প্ৰায়ভাগ ঠাইৰ নামৰ লগত ইতিহাস সাঙোৰ খাই থাকে। অৱশ্যে মহাপুৰুষ, ডাঙৰ নেতা বা পণ্ডিতৰ নামেৰে, গুণবাচক বিশেষ্যৰে নাইবা ফুলৰ নামেৰে নামকৰণ কৰা ৰীতি আধুনিক যুগৰ মানসিকতাৰ পৰিচায়ক যেন লাগে। মন কৰিবলগীয়া যে নিৰ্দিষ্ট বৃত্তি অনুসৰি কোনো এটি অঞ্চলৰ নামকৰণ প্ৰক্ৰিয়া অসমীয়া জাতিৰ এক পৰম্পৰা। 'কুমাৰপাৰা', 'কমাৰপাৰা', 'চৰালপাৰা', 'মালীপাৰা' আদি নামকৰণ বৃত্তি অনুসৰিয়ে হোৱা। এই পৰম্পৰাৰ আভাস চৰিত পুথিসমূহেও দিয়ে। বৰপেটাত একেলগে ছয়কুৰি ঘৰ তাঁতী বাস কৰা অঞ্চলটোক 'তাঁতীকুছি' বুলি জনা যায়। উল্লেখনীয় যে মথুৰা দাস বুঢ়া আতা এই তাঁতীসকলৰ মাজত মুখ্য তাঁতী আছিল।[১৭৯]

## বিহুৱান

'বিহু' অসমীয়া জাতীয় জীৱনৰ প্ৰাণ। বিহুৰ লগত জড়িত বিভিন্ন ৰীতি-নীতিবোৰ অসমীয়া লোকে আন্তৰিকতাৰে পালন কৰে। বিহুৰ লগত জড়িত বেছিভাগ পৰম্পৰাই অসমীয়া জাতিৰ মৰমৰ এনাজৰীডাল স্পষ্টকৈ সোঁৱৰাই দিয়ে। অসমীয়া বৰ্ষৰ প্ৰথম মাহ বহাগতে বিহুৱান দিয়ে। এই কথা দৈত্যাৰিৰ চৰিতত উল্লেখ আছে এনেদৰে —

একালে বৈশাখ বিষুত আই-ধাই।
সমস্ত ভক্তক দিলা কাপোৰ পঠাই।।[১৭৯(ক)]

মাক, বায়েক, ভনীয়েক অথবা মৰমৰজনীয়ে গামোচাখনি বিহুৱান ৰূপে পুতেক,

---

১৭৭। খগেশ্বৰ গোস্বামী, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮, ৩৯

১৭৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪২

১৭৯। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮

১৭৯(ক)। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৪৭

Manash Chandra Dev Goswami Library
A 35849/10
Date........

ভায়েক, ককায়েক অথবা মৰমৰজনলৈ আগবঢ়ায়। অসমীয়া লোকসংস্কৃতিত এই গামোচাখনে এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। 'বিহুৱান' আন্তৰিকতাৰ প্ৰতীক, মৰমৰ প্ৰতীক। বিহুৰ বতৰত বিহুৱা ডেকাই মূৰত গামোচা গাঁথি মাৰি লয়, কঁকালত টঙালি বান্ধে। উৎসৱ-পাৰ্বনত ডিঙিত গামোচাখন থাকেই। মান-সৎকাৰ কাৰ্যতো ইয়াৰ ব্যৱহাৰ অপৰিহাৰ্য। বহাগ বিহুৰ সময়ত নিজ হাতে কাপোৰ বৈ, আনক দিয়াটো অসমীয়া সমাজৰ এটি পৰম্পৰা। "অসমৰ নাৰী ৰাণীয়েই হওঁক বা বান্দীয়েই হওঁক, গোঁসাই মহন্তৰ জীয়াৰী-বোৱাৰীয়েই হওঁক বা জনজাতীয় মহিলাই হওঁক, জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৱে কাপোৰ বয়।"[১৮০] বৰদোৱা গুৰুচৰিততো বহাগ বিহুৰ সময়ত কাপোৰ দিয়াৰ পৰম্পৰাৰ প্ৰসংগ উত্থাপিত হৈছে। আই ধায়ে বিহুৰ সময়ত বৰপেটাৰ ভকতসকলৰ নিমিত্তে দোপাটী, পছৰা, গামোচা তিনি প্ৰকাৰৰ কাপোৰ পঠাইছে।[১৮১] মন কৰিবলগীয়া যে — "জাতি-ধৰ্ম নিৰ্বিশেষে সন্মিলিত হোৱাৰ স্বতঃস্ফূৰ্ত সুযোগ আৰু আনন্দ উৎসৱ বিহুৱেহে দিব পাৰে।"[১৮২]

## দান-দক্ষিণা

দান-দক্ষিণা কৰোতে আন্তৰিকতাৰে কৰিব লাগে। দানৰ ভিতৰত অন্ন, বস্ত্ৰ আৰু ঔষধক শ্ৰেষ্ঠ বুলি ধৰা হয়। অসমীয়া লোক যিমানেই দুখীয়া নহওক কিয়, নিজেই নাখাই হ'লেও আনক অন্ন নতুবা বস্ত্ৰ দান কৰে। শ্ৰীৰাম আতাই নিজৰ কাপোৰ চণ্ডালৰ দুটি সন্তানক দান কৰিছিল।[১৮৩] ইয়াৰ উপৰি ঠাকুৰ চৰিততো দান-দক্ষিণাৰ কথা উল্লেখ আছে।[১৮৩(ক)]

## জাত-পাতৰ বিচাৰ

মধ্যযুগৰ অসমত জাত-পাতৰ বিচাৰ কঠোৰ আছিল । অৱশ্যে অসমীয়া সমাজত বৰ্তমানেও জাত-পাতৰ প্ৰভাৱ গভীৰ নহয় যদিও একেবাৰে নুই কৰিব নোৱাৰি। এতিয়াও কিছু সংখ্যক উচ্চ বৰ্ণ হিন্দুৰ ঘৰত নিম্ন বৰ্ণৰ হিন্দুৰ বা অইন ধৰ্মৰ মানুহে খোৱা-লোৱা বা সামাজিক সম্পৰ্ক স্থাপনত সামাজিক বা ধৰ্মীয় বাধা নিষেধ আছে। চৰিত পুথিসমূহতো জাত-পাতৰ বিচাৰৰ ছবি চিত্ৰিত হৈছে। সেই সময়ত শূদ্ৰৰ ঘৰত ব্ৰাহ্মণে চাউল খালে

১৮০। নীলা গগৈ, *অসমৰ সংস্কৃতি*, পৃঃ ২৪৩
১৮১। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ২১৭
১৮২। নিৰ্মলপ্ৰভা বৰদলৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৩
১৮৩। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৫
১৮৩(ক)। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *ঠাকুৰ চৰিত*, পৃঃ ১০৮



জাত যোৱা বুলি গণ্য কৰা হৈছিল। এবাৰ পশ্চিমৰপৰা ৰাজসভালৈ কবিচন্দ্ৰ নামৰ এজন পণ্ডিতে তিনি ষাঠি ছাত্ৰক লৈ বাদ কৰিবলৈ আহিল। তেতিয়া চিলাৰায় দেৱানে শঙ্কৰদেৱৰ ওচৰলৈ লৈ গ'ল। শঙ্কৰদেৱে সেই সময়ত ভাগৱতৰ অনুবাদ কৰি আছিল। শূদ্ৰই ভাগৱত লিখিব, পঢ়িব নাপাই বুলি ব্ৰাহ্মণে শঙ্কৰদেৱক ক'লে "শূদ্ৰে ভাগৱত লিখিব পঢ়িব নপৰা।"[১৮৪] ইয়াৰ উপৰি, 'তিনিদিন শূদ্ৰৰ চাউল খালে বামুণ জাত জাই'[১৮৫] বুলি ভবা হৈছিল।

সমাজত ব্ৰাহ্মণৰ স্থান আছিল উচ্চ। তেওঁলোকেই সমাজৰ বিধি-বিধানৰ বিধাতা, হৰ্তা-কৰ্তা। "ব্ৰাহ্মণসকল সেই সময়ৰ সমাজৰ নেতা, সামাজিক বিধি-বিধানৰ বিধাতা, নানাবিধ ধৰ্ম-কৰ্মৰ পুৰোহিত।"[১৮৬] সমাজত বিভিন্ন জাতি আছিল। ৰামাৰায়ৰ গুৰু-লীলাত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদি চৌত্ৰিশ জাতি আহি বিজয় নগৰত দামোদৰৰ দৰ্শন লাভ কৰাৰ উল্লেখ আছে।[১৮৭]

সমাজত শূদ্ৰক হীন চকুৰে চোৱা হৈছিল। ভট্টদেৱৰ পুত্ৰ-পুত্ৰবধূৰ দেহ দাহ কৰিবৰ সময়ত শূদ্ৰক খৰি চুবলৈও দিয়া নাছিল।

দাহ কৰিবাক নিমিত্তে শূদ্ৰক
খড়ি চুইবে নেদন্ত।[১৮৮]

কায়স্থসকলক ষট্‌কৰ্মী অৰ্থাৎ ছয়প্ৰকাৰৰ সংস্কাৰ মনা লোক বুলি কোৱা হয়। এওঁলোকে হাল নাবায়, ভাৰ নবয়। কিন্তু অসম ৰাজ্যত অলপ সুকীয়া — "তোমাৰ ৰাজ্যত কাথ বুলি কই হাল ভাৰ বই।"[১৮৯]

সমাজত ব্ৰাহ্মণসকলে সকলো সময়তে আগস্থান বিচাৰিছিল। গুৰু মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰক 'ওজাছাত্ৰ' পতাত পাঠশালাৰপৰা ছাত্ৰ ভাগিবলৈ ধৰিলে আৰু ৰাঘ আচাৰ্যক ক'লৈগৈ। আচাৰ্যই তেতিয়া কন্দলিক ধৰিলেহি — "বোলে শূদ্ৰকহে ওজাকৈ বামুণক পাঠ দিওআ দেউ বোলোৱা কিয় নকৰাবা।"[১৯০]

অতীজৰপৰা ব্ৰাহ্মণসকলে পুৰোহিতৰ কাম কৰি আহিছে। জনসাধাৰণে

১৮৪। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ১৬২
১৮৫। *পূৰ্বোক্ত*
১৮৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ ভূমিকা, পৃঃ ১১২
১৮৭। ৰামৰায়, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৯
১৮৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৮৪
১৮৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৫১
১৯০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৩

ব্ৰাহ্মণসকলকে শুভ কৰ্ম চলাই নিবলৈ দায়িত্বভাৰ অৰ্পণ কৰে যদিও সিহঁতৰ উপদ্ৰৱত সকলো অতীষ্ঠ হৈছিল — "বামুণৰ কাৰণেই ৰক্ষা নাই।"[১৯১] কোনো কোনো ব্ৰাহ্মণৰ দ্ৰব্য লোভৰ প্ৰসংগও চৰিত পুথিত বৰ্ণিত হৈছে —"স্বভাৱতে আমি পৰৰ খোৱা ব্ৰাহ্মণ।"[১৯২]

## অন্ধবিশ্বাস

'অন্ধবিশ্বাস' স্বৰূপাৰ্থত লোক-বিশ্বাস, আচাৰ-অনুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডৰ সমষ্টি মাথোন। লোকসমাজৰপৰা অভিজাত সমাজলৈ অন্ধবিশ্বাস পৰম্পৰাগতভাৱে আহে। সমাজৰ প্ৰত্যেক স্তৰতে অন্ধবিশ্বাসৰ প্ৰচলন লক্ষ্য কৰা যায়। দেখা যায় যে প্ৰত্যেক মানুহ কম-বেছি পৰিমাণে অন্ধবিশ্বাসী। গুৰু-চৰিত-কথাত উল্লেখ আছে যে কছাৰীসকলৰ উপদ্ৰৱত বাৰভূঞাসকলে ৰটা নামে ঠাইত খেতি-বাতি কৰি সুখেৰে বাস কৰি আছিল। কিন্তু কোচ-মৰাণৰ যুদ্ধ লগা বুলি "নিশা আকাশী বাণী শুনি পূৰা উজাল"।[১৯৩] আকাশবাণী ইয়াত অন্ধ বিশ্বাস হিচাপে দেখা দিছেহি। ইয়াৰ উপৰি ভাগিনিয়েকক মোমায়েকে মাৰিব নাপায়,[১৯৪] বয়সলৈকে তিৰিৰ মুখ নেদেখা (অবিবাহিত) লোকক বাটত দেখিলে মাছমৰীয়ায়ো মাছ নেপায়,[১৯৫] 'গোবৰ্ধন যাত্ৰা' কৰিলে বৰষুণ হয়[১৯৬] আদিৰ নিচিনা অন্ধবিশ্বাস অসমীয়া সমাজত এতিয়াও আছে।

## লোকনিন্দা

লোক নিন্দা হ'ল লোকে কৰা কুৎসা, মানুহৰ মুখত ওলোৱা গৰিহণা। পৃথিৱীৰ প্ৰত্যেক জাতি-উপজাতিৰ প্ৰত্যেকখন সমাজতে কম-বেছি পৰিমাণে লোক নিন্দা বিদ্যমান। অসমীয়া সমাজো লোক নিন্দাৰপৰা হাত সাৰিব পৰা নাই। বিশেষকৈ গাঁৱলীয়া সমাজত মুখৰোচক কাহিনী বা আনৰ কুৎসা ৰচনা কৰাটো এক আমোদজনক বিষয় হিচাপে চলি থাকে। ই স্বাভাৱিক কথা। বিয়াৰ আগতে ছোৱালী অবৈধভাৱে মাতৃত্ব লাভ কৰাটো এক ভীষণ অপৰাধ বুলি গণ্য কৰা হয়। এই অপৰাধৰ বিষবাষ্প চাৰিওফালে নিমিষতে বিয়পি পৰি সমাজখনকে বিষময় কৰি তোলে। অবৈধ মাতৃত্বৰ

১৯১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫৩
১৯২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭১
১৯৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৭
১৯৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২০৩
১৯৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৭৬
১৯৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৫০
১৯৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬



বিষয়টো সমাজৰ মেল আদিৰ মুখ্য বিষয় হৈ পৰে। হৰিগিৰিৰ ছোৱালীয়ে অবৈধভাৱে (স্বপ্নত কৃষ্ণৰ লগত সহবাস) মাতৃত্বক আঁকোৱালি লোৱাত গঞাই মেলত হৰিগিৰিক সুধিছিলি — "তোৰ বেটীৰ জমাই নাই কেনে গৰ্ভজ হ'ল।"[১৯৭]

## লোকবিশ্বাস

কোনো এটা জাতিৰ প্ৰকৃত জীৱন নিৰূপিত হৈ থাকে সেই জাতিটোৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় জীৱনৰ লগত জড়িত কৰ্ম, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-পৰম্পৰা আদিৰ মাজত। "বিশ্বাস পৰম্পৰাগত, বিশ্বাস বিচিত্ৰ, বিশ্বাস দৈনন্দিন জীৱনৰ ধূলিৰে ধূসৰিত।"[১৯৮] বিশ্বাসৰ জৰিয়তে ভাল-বেয়া, শুভ-অশুভ, পাপ-পুণ্য, শুদ্ধ-অশুদ্ধ বিচাৰ কৰা হয়। "লোকবিশ্বাস ক্ৰিয়া-কাণ্ড আৰু আচাৰ-অনুষ্ঠানৰ চনদ।"[১৯৯] লোক পৰম্পৰা আৰু লোকবিশ্বাসবিলাকেহে সাংস্কৃতিক জীৱন পূৰ্ণাংগ কৰি তোলে।[২০০] গ্ৰাম্য জীৱনত লোক বিশ্বাস আৰু লোকপৰম্পৰাৰ গুৰুত্ব অধিক। চৰিত পুথিসমূহতো লোক বিশ্বাস, লোক-পৰম্পৰাৰ কথা বৰ্ণিত হৈছে, বিশেষকৈ জন্ম, মৃত্যু তথা বৈবাহিক কৰ্মৰ লগত জড়িত ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজত।

ভাৰতীয় লোকসকল সাধাৰণতে কৰ্মফল বিশ্বাসী। পূৰ্ব জন্মৰ কৰ্ম অনুযায়ী এই জনমত ফল ভোগ কৰে বুলি বিশ্বাস। অসমীয়া লোকসকলো ইয়াৰ ব্যতিক্ৰম নহয়। যশোমতী আইৰ বংশ ৰক্ষা নোহোৱাত আক্ষেপ কৰোতে বুঢ়া আতাই প্ৰবোধ দিছে—

বিধিৰ লেখন কোনে পাৰে খণ্ডিবাদ।[২০১]
আতা বোলে কিমতে এৰিবা কৰ্ম্মফল।।[২০২]

ভাগ্য অদৃষ্টৰ লিখন। ইয়াক কোনেও খণ্ডন কৰিব নোৱাৰে। পুণ্যৰ ফল সুখৰ আৰু পাপৰ ফল দুখৰ বুলি কোৱা হয়।[২০৩] পূৰ্বৰ কৰ্ম অনুযায়ী এই জনমত ফল ভূঞ্জিব লাগে — "পূৰ্ব্বৰ প্ৰাপতন আৰ্জিত ফল ভুঞ্জিব লাগে।[২০৪] গোপাল আতাক মাধৱদেৱে প্ৰশংসা কৰাত শ্ৰীৰাম আতাই মাধৱদেৱক কোৱা কথাতো পূৰ্ব জনমৰ কৰ্মফলৰ ধাৰণা নিহিত হৈ আছে —

নাজানো পূৰ্বৰ জন্মৰ তপ
কৰিয়াছে কতেক।।[২০৫]

১৯৮। নিৰ্মল প্ৰভা বৰদলৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১
১৯৯। নবীন চন্দ্ৰ শৰ্মা, *অসমীয়া লোক-সংস্কৃতিৰ আভাস*, পৃঃ ১০০
২০০। পীতাম্বৰ দেৱগোস্বামী, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৫
২০১। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৭
২০২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৮
২০৩। ভূষণ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯২
২০৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৯৫
২০৫। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ পূৰ্বোক্ত, পৃঃ ১১০

লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰত বিধাতাৰ লিখনৰ প্ৰসংগ উত্থাপিত হৈছে এনেদৰে—

যাৰ যেন হ'ব লাগে বিধাতা লিখন।
সচাঁ-মিছা ঈশ্বৰৰ নিন্দা অকাৰণ।।
বিধাতাৰ লিখনক নযায় খণ্ডন।
পুত্ৰ প্ৰসৱিয়া পৰিবাৰৰ নিধন।।[২০৬]

ইহলোক আৰু পৰলোকৰ ধাৰণা স্পষ্ট হৈ উঠিছে ৰামানন্দ দ্বিজৰ শ্ৰীগুৰু-চৰিতত। শঙ্কৰদেৱৰ সম্বন্ধীয় খুড়াক এজনৰ কুষ্ঠ ৰোগ হোৱাত তেওঁক সকলোৱে মহাপাপী বুলি গণ্য কৰে। এদিন নিজৰ মনৰ দুখৰ কথা শঙ্কৰদেৱৰ ওচৰত ব্যক্ত কৰিলে এনেদৰে —

ইহলোক মই ভৈলোঁহো বৰ্জ্জিত
পাপী মোত পৰে নাই।
পৰলোকে মোৰ কোন গতি হৈবে
দিয়োক আৰু উপায়।।[২০৭]

মন কৰিবলগীয়া যে শঙ্কৰদেৱে দিয়া উত্তৰতো পূৰ্বজন্মৰ কৰ্মফলৰ কথাকে প্ৰকাশ পাইছে —

পূৰ্ব্ব জনমৰ মহাপাপ যত
সেহিসে ভৈলা বেকত।[২০৮]

মানুহৰ শৰীৰৰ অংগ লৰচৰ কৰাটো কেতিয়াবা অমংগলৰ আৰু কেতিয়াবা সৌভাগ্যৰ চিন বুলি বিশ্বাস কৰা হয়। পুৰুষৰ বাওঁ অংগ লৰচৰ কৰাটো অমংগলৰ চিন। মাধৱদেৱৰো এদিন বাওঁ অংগ লৰচৰ হোৱাত ধাৰণা কৰিছে এনেদৰে — "গুৰুজনে বিহানে বোলে আজি বাম অঙ্গ ফন্দিছে কিবা বৰ এটা বিবাদ পাম।"[২০৯]

মৃত্যুৰ সময়ত বা পাচত মৃতদেহ তুলসীৰ ওচৰলৈ নিয়া নিয়ম অসমীয়া সমাজত আছে। তুলসীৰ ওচৰলৈ নি হৰিধ্বনিৰে বিদায় দিলে আত্মাই শান্তি পাই বুলি অসমীয়া সমাজত লোকবিশ্বাস এটি আছে। ৰমাকান্ত দ্বিজৰ শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰতো বনমালিদেৱক মৃত্যুৰ সময়ত তুলসীৰ ওচৰতে থৈছিল — "তুলসি কাননে পাছে কৰাইলা সয়ন।"[২১০]

২০৬। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯, ২৩
২০৭। ৰামানন্দ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৫
২০৮। *পূৰ্বোক্ত*
২০৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫৪
২১০। ৰমাকান্ত দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৫



## গো-হত্যা

গো-হত্যা কৰাটো হিন্দু ধৰ্মৰ কাৰণে এটি ডাঙৰ অপৰাধ। হিন্দু ধৰ্মত গৰুক পবিত্ৰ জ্ঞান কৰা হয়। ইয়াক বধ কৰাটো অধৰ্মৰ কথা বুলি ভৰা হয়। যদি কিবা কাৰণত অজানিতে গো-বধ কৰা হয়, তেতিয়া হ'লে নিৰ্দিষ্ট বিধানেৰে, দণ্ড-পৰাচিতেৰে প্ৰায়শ্চিত নোহোৱা পৰ্যন্ত মুখেৰে মাতিব নাপায় বুলি লোকসমাজত বিশ্বাস এটি আছে। গুৰু-চৰিত-কথাত উল্লেখ আছে যে ঠাকুৰ আতাৰ পুতেকে গৰু মাৰি উদ্ধাৰৰ উপায় বিচৰাত পুতেকক প্ৰায়শ্চিত্তৰ বিধান থকাৰ কথা, বৰসভা মতাৰ কথা উল্লেখ কৰিছিল— "গৰুটি মাইলো ঃ অতে পুতি থৈচো জগৰহে লাগিলঃ দণ্ডো লব ঃ জা লব মাৰ তোৰ ইষ্টমিত্ৰত কৈ মাতি আনগৈ কি বুদ্ধি দিএ সোধগৈও।।"[২১১]

লোকমনৰ গভীৰ বিশ্বাস যে পৰাচিত হৈ বৰসভা মাতি উদ্ধাৰ হ'লেহে মুক্তি পায়। ইয়াৰ বিধানো দিছে লোকসমাজে — "কেহো বোলে জি কৈলে প্ৰাচিত হৈ বৰসভা কৰক ঃ"[২১২] উল্লেখনীয় যে — গো-হত্যা কৰি পৰাচিত নোহোৱালৈকে হাতত পঘা বা এড়াল লৈ গাঁৱে-ভূঞে মাগি ফুৰাটো নিয়ম। ৰামানন্দ দ্বিজৰ শ্ৰীগুৰু চৰিতত এই কথাৰ উল্লেখ আছে — "গো-হত্যা কৰে পশি নগৰ গ্ৰামত।"[২১৩]

## নৰ-হত্যা

জীৱ হত্যা কৰাটোৱে পাপ, তাতে আকৌ নৰ-হত্যা। নৰহত্যা 'মহাপাপ' বুলি ধৰা হয়। মানুহ হত্যা কৰাজনক 'মহাপাতকী' বুলিও কোৱা হয়। সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰা, নিজকে জীৱ শ্ৰেষ্ঠ বুলি কোৱা মানৱে আজি দয়া-মৰম-স্নেহহীনভাৱে ইজনে সিজনক পশু-পক্ষীৰ দৰে বধ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ৰামানন্দ দ্বিজৰ শ্ৰীগুৰু চৰিতত উল্লেখ আছে যে শঙ্কৰদেৱ প্ৰথমবাৰ তীৰ্থৰপৰা ঘূৰি অহাৰ পাচত ভাতৃ বনগঞাগিৰীয়ে জয়ন্তৰুপৰা গাই এজনী আনিবলৈ যাওঁতে গৰু চৰোৱা ল'ৰা এটাই বাধা দিয়াত যাঠি এপাট মাৰি পঠোৱাত ল'ৰাটো মৰি থাকিল। শঙ্কৰদেৱে কথাটো গম পাই কৈছে এনেদৰে—

প্ৰাণী হত্যা মহাপাপ কৰি তই দিলি তাপ
আমাৰ যে আনিলি দুৰ্যশ।।
জানিবহি সংসাৰত মনুষ্য বধত পৰ
কোন পাপ আছে গুৰুতৰ।

২১১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৩৯
২১২। *পূৰ্বোক্ত*
২১৩। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯

মহাপাতকীক তোক দেখিবাক যোগ্য নুহি
দূৰ গুচ গুচ ই থানৱ ।।[২১৪]

সাধাৰণতে মানুহে জীৱনত জানিয়েই হওক বা অজানিতেই হওক কম-বেছি পৰিমাণে পাপ কৰে। ভুল কৰাটো ডাঙৰ কথা নহয়, বাৰে বাৰে একেটা ভুলকে নকৰি শুধৰোৱাজনহে প্ৰকৃত মানুহ। ভুল কৰাৰ পাচত কথাটো বেয়া বুলি জানি অনুশোচনাত দগ্ধ হয়। ভুল স্বীকাৰ কৰি প্ৰায়শ্চিত্ত কৰিলে পাপ মোচন হয় বুলি হিন্দু ধৰ্মত বিশ্বাস কৰা হয়। ৰামৰাম গুৰুৱেও নিৰ্দিষ্ট বিধি-বিধানেৰে বনগএগাগিৰিক প্ৰায়শ্চিত্ত কৰাইছিল—

পাচে ৰামৰায় গুৰু প্ৰায়শ্চিত্ত কৰাইলন্ত
শঙ্কৰদেৱৰ সোদৰক।[২১৫]

## জৰা-ফুঁকা

তন্ত্ৰ-মন্ত্ৰ বা জৰা-ফুঁকাৰ মূলতেই হ'ল ধৰ্মীয় বিশ্বাস। দেৱতা-অপদেৱতা, বিপদ-আপদ, বেমাৰ-আজাৰে লগ পালে তন্ত্ৰ-মন্ত্ৰৰ সহায় লোৱাটো অসমীয়া সমাজৰ এটি পৰম্পৰা। এই তন্ত্ৰ-মন্ত্ৰই অসমীয়া লোক সাহিত্যৰ ক্ষেত্ৰখনতো এক বিশেষ স্থান দখল কৰি আছে। এই তন্ত্ৰ-মন্ত্ৰ বা জৰা-ফুঁকাৰ প্ৰতি মানুহৰ আছে অগাধ বিশ্বাস। লোক বিশ্বাসৰ ফলতে মন্ত্ৰ সাহিত্য জীয়াই আছে। তন্ত্ৰ-মন্ত্ৰই গাঁৱলীয়া মানুহৰ জীৱন জুৰি আছে। উল্লেখনীয় যে ভেষজবিদ্যাৰো প্ৰথম চৰ্চা হয় গাঁৱলীয়া জীৱনতে। চিকিৎসা বিজ্ঞানৰ প্ৰভূত উন্নতি সত্বেও ৰোগ নিৰাময়ৰ কাৰণে গাঁৱলীয়া মানুহে এতিয়াও মন্ত্ৰ তথা বেজ-বেজালিৰ লগতে বনদৰৱৰ সহায় লয়। গুৰু-চৰিত-কথাত বেজৰ উল্লেখে তন্ত্ৰ-মন্ত্ৰৰ কথাকে প্ৰতিপন্ন কৰে — "বেজে ঔষধে চালে বৌএক সজ হল।"[২১৬]

## দেৱতা-অপদেৱতা

অসমীয়া লোকসংস্কৃতিৰ অন্যতম উপাদানসমূহৰ ভিতৰত জনসাধাৰণৰ ধৰ্ম সম্বন্ধীয় বিশ্বাস আৰু পূজা-পাতল অনুষ্ঠানসমূহ অন্যতম। অপদেৱতাৰ ভিতৰত ভূত-ভূতুনী, পিশাচ-পিশাচিনী, যশ-যখিনী, প্ৰেত-প্ৰেতিনী, দৈত্য-দানৱ, খেতৰ-খেতৰী, বিৰা, ডাকিনী-যোগিনী, আলক্ষ্মিণী-বিলক্ষ্মিনী, মাটিগুলৈ, ধনগুলৈ, বুঢ়া ভকত, প্ৰেতাত্মা আদিৰ প্ৰতি জনসাধাৰণৰ গভীৰ বিশ্বাস। গুৰু-চৰিত-কথাতো অপদেৱতাৰ উল্লেখ

২১৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৬৫
২১৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৬৬
২১৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৫



প্ৰসংগক্ৰমে উত্থাপিত হৈছে। গধূলি প্ৰসংগলৈ যাওঁতে বকুল তলত আগচি ভব্য লোকৰ ছাঁ,[২১৭] দ-হোলাৰ হাবিৰপৰা ওলাই অহা বুঢ়াভকত,[২১৮] তিনি যমদূত,[২১৯] চাৰি গুলৈ[২২০] আদি এইবোৰ অপদেৱতাৰ প্ৰকাশ।

## আশীৰ্বাদ

অসমীয়া লোকসংস্কৃতিৰ অন্যতম এটা উপাদান হ'ল আশীৰ্বাদ। কোনো শুভ কামৰ সূচনাত মান্যজনৰ তথা ৰাইজৰ আশীৰ্বাদলোৱাটো অসমীয়া সমাজৰ এক চিৰাচৰিত নিয়ম। "মূৰৰ চুলিৰ সমান আয়ুস হওক, সতী-সাবিত্ৰীৰ দৰে হোৱা — ধৰণৰ আশীৰ্বাদ ডাঙৰে সৰুক দিয়া নিয়ম অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে।"[২২১] ৰাইজৰ শুভাশিস লাভ কৰাটো বৰ সৌভাগ্যৰ কথা বুলি গণ্য কৰা হয়। ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিতত উল্লেখ আছে যে অপুত্ৰক চণ্ডীবৰে বানপানীয়ে দিগদাৰ কৰাৰ কাৰণে প্ৰজাৰ কুশলৰ কাৰণে নিজ বুদ্ধিৰে ব্ৰহ্মপুত্ৰৰ জানত ধৰ বান্ধিবলৈ সক্ষম হোৱাত ৰজা আৰু ৰাইজ সন্তুষ্ট হৈ পুত্ৰ সন্তান হ'বলৈ আশীৰ্বাদ কৰিছিল। সেই কাৰণে চণ্ডীবৰৰ পুত্ৰ সন্তানৰ নাম ৰাজধৰ ৰাখিছিল— "হস্ত তুলি আশীৰ্বাদ কৰি দিলা বৰ।[২২২]

এনেদৰে অনেক আশীৰ্বাদ চৰিত পুথিসমূহৰ পাতে পাতে সিঁচৰতি হৈ আছে। পৰম্পৰাগতভাৱে অনেক লোকবিশ্বাস অসমীয়া সমাজত চলি আছে। জ্ঞাত-অজ্ঞাতভাৱে দৈনন্দিন জীৱনত এইবোৰ কম-বেছি পৰিমাণে অসমীয়া লোকে মানি চলে। " অসমৰ লোকসংস্কৃতিত সৰু-সুৰা অজস্ৰ বিশ্বাসৰ নিজাকৈ মৰ্যদা আছে, সুকীয়াকৈ সেই বিশ্বাসক ওলগ জনোৱা হয়।"[২২৩] এনেকৈয়ে অসমীয়া সমাজত জন্মৰপৰা মৃত্যুলৈকে আচাৰ-আচৰণ, ৰীতি-নীতিবোৰ চলি আছে। অৱশ্যে সময়ৰ সোঁতত এইবোৰৰ পৰিৱৰ্তন নোহোৱাকৈ নথকা নহয়, তথাপিও অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ এই চৰিত পুথিসমূহৰ মাজেদি মানৱ জীৱনৰ, বিশেষকৈ অসমীয়া লোকসমাজৰ বৈচিত্ৰ্যৰে মহিমামণ্ডিত হৈ থকা সঁচা ৰূপ উদ্ভাসি উঠিছে। চৰিতকাৰসকলে গুৰুসকলৰ চৰিত্ৰ বৰ্ণনাৰ জৰিয়তে সময় আৰু সমাজ জীৱনক শ্বাশত ৰূপত ধৰি ৰাখি অসমীয়া লোকসংস্কৃতিকেই এক বিশেষ মৰ্যদা প্ৰদান কৰিছে।

২১৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৪০
২১৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৪৪
২১৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৫০
২২০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ২৬৮
২২১। নিৰ্মল প্ৰভা বৰদলৈ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৬
২২২। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৫২
২২৩। নিৰ্মল প্ৰভা বৰদলৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১

## নৱম অধ্যায়

# অসমৰ চৰিত পুথিত চিত্ৰিত দৈনন্দিন জীৱন-চৰ্যা

কোনো এটা জাতিৰ জীৱনচৰ্যা চিত্ৰিত হয়, সেই জাতিটোৰে দৈনন্দিন ব্যৱহাৰ্য বিবিধ সামগ্ৰী, খাদ্যাদি, জীৱন ধাৰণ প্ৰণালী, খাৱন-শোৱন, থকা-মেলা, ঘৰ-দুৱাৰ, জীৱিকা আদিৰ মাজত। মধ্যযুগৰ অসমৰ দৈনন্দিন জীৱনৰ ছবি চৰিত পুথিসমূহত চিত্ৰিত হোৱা দেখিবলৈ পাওঁ —

## জীৱিকা

জীয়াই থাকিবলৈ হ'লে দুবেলা দুমুঠি অন্নৰ প্ৰয়োজন। এই অন্ন মুঠিৰ কাৰণে মানুহে ভিন ভিন বৃত্তি অৱলম্বন কৰিবলগীয়া হয়। বৃত্তি অনুযায়ী মানুহৰ জীৱন ধাৰণ প্ৰণালী কিছু পৃথক হোৱাটো স্বাভাৱিক কথা। সেই সময়ত কৃষিয়েই আছিল অসম, কামৰূপ আৰু কোচবেহাৰৰ মানুহৰ জীৱিকাৰ প্ৰধান উপায়। অসম কৃষি প্ৰধান দেশ। কৃষিৰ ওপৰতে জনসাধাৰণৰ সকলো সপোন নিহিত হৈ থাকে। এই কৃষি কৰ্মৰ উল্লেখ প্ৰায় প্ৰতিখন চৰিত পুথিতে প্ৰসংগক্ৰমে পোৱা যায়। বাৰভূঞাসকলে কছাৰীৰ আক্ৰমণৰপৰা ৰক্ষা পোৱাৰ আশাৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ ৰটাত খেতি-বাতি কৰি ছমাহ থাকিল। ইয়াৰ পাচত — "গাঙ্গমৌত থিত লৈ কিৰ্ষি গৃহ কৰি ৰল বাৰেও ভূঞা।"[১]

প্ৰাচীন কামৰূপত কৃষিয়েই আছিল প্ৰধান জীৱিকা। খেতি-বাতি কৰিয়েই পৰিয়ালৰ ভৰণ-পোষণ দিছিল। খেতিৰ ভিতৰত ধান খেতি আছিল অন্যতম। মাধৱদেৱৰ সখা নাৰায়ণ দাস ঠাকুৰ আতাই খেতি কৰিছিল। ঠাকুৰ আতাৰ ধানখেতি শ্ৰীৰাম আতাই দিনৰ ভাগত দাইছিল — "দিবাভাগে ঠাকুৰৰ ধানক দাৱন্ত।"[২]

**বৰদোৱা-গুৰুচৰিতৰ** ভূমিকাত আছে যে লেচাকণীয়া গোবিন্দই মাধৱদেৱৰ

১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৩৭

২। ৰামানন্দ ঠাকুৰ, *মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ আৰু শ্ৰীশ্ৰী গোপাল আতাৰ চৰিত্ৰ*, পৃঃ ২



ওচৰলৈ আহি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিলে। গোবিন্দই ঘৰৰ মায়া-মোহ ত্যাগ কৰি শৰণ লৈ গুৰু সংগতে ব'ল। বৰপেটা সত্ৰত তেওঁ শলাবন্তিৰ বিষয় বাব পাইছিল। বহুদিনৰ মূৰত ঘৰৰপৰা মানুহ আহি নিবলৈ ওলোৱাত গুৰু মাধৱদেৱক নাযাওঁ বুলি ক'লে। তেতিয়া মাধৱে ঘৰলৈ উভতি গৈ কৃষিতে মনোনিৱেশ কৰি সেৱকসকলক পোহ-পাল দিবলৈ ক'লে — "বাৰু, আমি পাঁচিছো। যোঁৱা, সেৱকসকলৈকে বুলি কৃষি কৰাঁগৈ।"[৩] গুৰুজনৰ এই উপদেশ পাই গোবিন্দ আতৈ নিজ গৃহলৈ গৈ খেতি-বাতি কৰি পৰম নিষ্ঠাৰে গুৰুৱে কোৱা মতে অৰ্জনৰ শস্যৰ তিনি ভাগৰ এভাগ গুৰু কীৰ্তনত লগাইছিল স্বয়ং মাধৱদেৱে — "খেতিৰ কামত মন দি হালোৱা বনুৱাৰ লগত মিলি হৈ খেতি কৰাইছে।"[৪] অইন বছৰ মাটিত যিমান শস্য হৈছিল এই বছৰ সেই পৰিমাণৰ নোহোৱাত দামোদৰে আহি মাটি বোৱা কম দেখি কৈছে — আনকাল ইমান সৰহ মাটি ৰোৱাতো নোজোৰে, এইবাৰ জুৰিবনে? মাধৱে কৈছিল — এইবাৰ আৰু এটি ভঁৰাল সজাব লাগিব। সেইদৰে সময়ত ফল হোৱা দেখি দামোদৰে মাধৱক প্ৰশংসা কৰিছে।[৫]

ঘাঘৰি মাজিয়ে সাতখন হালেৰে খেতি কৰিছিল — "সাতখন হাল মোৰ বাহাৰে সদায়।"[৬]

ঘাঘৰি মাজিৰ গৃহত মাধৱদেৱে এদিন ধান নিকোৱাবলৈ গৈছিল। ধান, বন চিনি নেপাই ধানবোৰকে তেনেই কাটিলে। মাজিৰ কথামতে মাধৱদেৱে খেতিৰ কাম কৰি থাকিল। মাহ খেতিৰ সময় পালেহি, দুই কঠা মাটিতে এদোন মাহ সিঁচিলে। মাহ বৰকৈ ঘন হৈ গজিল। এদিন মাজিয়ে গৈ দেখে যে এনেদৰে মাহ সিঁচিলে কি হ'ব; এই বুলি বেজাৰ কৰি আতাক ক'লেহি; মাধৱে মাজি আৰু পিতৃদেৱৰ কথাত বিৰক্ত হৈ এজাক গৰু নি গজা মাহ খুৱালে। কিছুদিনৰ পাচত খোৱা মাহ দুগুণ হ'ল, চৈঁইও বৰকৈ ধৰিলে।[৭]

কৃষিয়েই আছিল মধ্যযুগৰ অসমৰ লোকৰ প্ৰধান উপজীৱ্য। মাটি-বাৰী, হাল-গৰু, হালোৱা-বনুৱা আদি সকলোৰে প্ৰধান চিন্তা। এই অঞ্চলৰ মাটি সাৰুৱা। সাধাৰণতে হালেৰে খেতি কৰিছিল। যি সকলে হাল, গৰু, হালোৱাৰ দিহা কৰিব নোৱাৰিছিল, সিসকলে কোৰেৰেই নিজে খেতি-খোলা কৰিছিল — "বাউসিৰ কোৰ

৩। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, ভূমিকা, পৃঃ ২৩

৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৯

৫। *পূৰ্বোক্ত*

৬। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত*, পৃঃ ৪২

৭। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৬

দামোদৰে তিনিটা বাৰি পোসে ঃ কোৰ খানেৰেই ঃ মাক বাএক বউএক।।"[৮]

কোনোৱে আকৌ নিজৰ মাটি-বাৰী থকা সত্বেও নতুন ঠাইত পাম ধৰে।[৯]

বিভিন্ন প্ৰকাৰৰ ধানৰ খেতি ইয়াৰ উৰ্বৰ ভূমিত উৎপন্ন হৈছিল। অসমৰ মাটিত হোৱা ধানৰ ভিতৰত বৰলাহি, বাওমঠঙ্গা, ফৰমা ফাকৰি, বৰজহা আদিয়েই প্ৰধান। মন কৰিবলগীয়া যে পংকজ আদি ধানৰ নাম আধুনিক। উল্লেখনীয় যে ধান খেতি অসমত আৰ্যভাষীসকলৰ আগমনৰ আগৰপৰাই হৈ আহিছিল।[১০] মধ্যযুগৰ অসমৰ লোকে বৰলাহি, ফৰমা ফাকৰি, বৰজহা, বাওমঠঙ্গা আদি ধানৰ খেতি কৰিছিল। নাৰায়ণ দাস ঠাকুৰ আতাই তিয়ঁহৰ তলিত কোৰ ধৰি আছিল। — "আতা তিয়হ তলিত কোৰ ধৰি আছিল।"[১১]

সেই সময়ত অসম দেশৰ অৱস্থা অতি শোচনীয় আছিল। নিজৰ পেট আৰু পৰিয়ালক পোহ-পাল দিবৰ কাৰণে মানুহে দিনজোৰা কঠোৰ পৰিশ্ৰম কৰিব লগাত পৰিছিল। 'কৰ্মই ধৰ্ম' বুলি মানি লোৱা লোকসকলে সমাজত যিকোনো বৃত্তিকে জীৱিকা নিৰ্বাহৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। কমাৰ, কুমাৰ, কঁহাৰ, নাপিত, মুচী আদি সকলো বৃত্তিধাৰী লোকেৰে সমাজ ভৰি আছিল।

কমাৰসকলৰ কাম হ'ল লোহা কটা। লোহাৰে তৈয়াৰী পাত্ৰ এওঁলোকে কৰিছিল। পশ্চিমৰপৰা এজন তাৰ্কিক আহি গৌৰেশ্বৰত উপস্থিত হ'লহি, চণ্ডীবৰৰ লগত তৰ্ক কৰিবৰ কাৰণে — "লখি কমাৰক দি লোহা কটাই তুলিঃ"[১২] ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিততো কমাৰৰ উল্লেখ আছে।[১৩]

নাপিতৰ কৰ্ম হ'ল চুলি, দাড়ি খুৰুৱা। গুৰু-চৰিত-কথাতো নাপিতৰ উল্লেখ পোৱা যায়- "নাপিতে খৌৰে কৰ্ম্ম কৰাই।"[১৪] চণ্ডীবৰ কায়স্থক পোতাশালৰপৰা মোকলাই আনি নাপিত লগাই নখ-চুলি পৰিষ্কাৰ কৰাই ধৌতবস্ত্ৰ পৰিধান কৰোৱাই পণ্ডিতৰ লগত বাদৰ কাৰণে পঠাবলৈ প্ৰস্তাৱ কৰিলে।[১৫] একেটা প্ৰসংগতে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিততো নাপিতৰ উল্লেখ পোৱা যায় — নাপিতক মাতি দাড়ি নখ কটাইলন্ত।।[১৬]

৮। তদীয়, *গুৰু-চৰিত-কথা*, পৃ, ১১৮

৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৮

১০। নগেন শইকীয়া, 'অসমীয়া মানুহৰ ইতিহাস', *গৰীয়সী*, একাদশ বছৰ, দশম সংখ্যা, জুলাই২০০৪

১১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৫৮

১২। তদীয় ঃ *গুৰু-চৰিত-কথা* পৃঃ ৯

১৩। ভূষণ দ্বিজ, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ১৯১

১৪। মহেশ্বৰ নেওগ (সম্পাঃ), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯

১৫। তদীয়, *বৰদোৱা-গুৰুচৰিত* , পৃঃ ৪২

১৬। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৪



তপাৰ বলোৰাম আতৈয়ে খেতি কৰিছিল। ধান ভালকৈ পকা নাই, আধা পকা হৈছিল, ধান কাটি আনি উবালত বানি একঠি চাউল উলিয়াই পড়ি (?) আহি মাত লগাইছে।[১৭]

কৃষিপ্ৰধান দেশখনৰ খেতিয়কসকলে খেতিৰ উপযুক্ত যত্ন লৈছিল। সময়ত শস্যৰ যত্ন নল'লে আশানুৰূপ ফচল পোৱাৰপৰা বঞ্চিত হ'বলগীয়া হয়। নবছৰ বয়সত ধান, বন চিনি নোপোৱাৰ সময়তে মাধৱদেৱে ধান নিকাইছিল — "উজৰিৰ ধান নিবাবলৈ নিলে মাতিঃ পাছে গুৰুজনে ধান কাটে বনকে ৰাখে।"[১৮]

সমাজত তাঁতী, মাছমৰীয়া, তেলী, ধোবা আদি বৃত্তিৰ লোকো আছিল। নাপিত 'নাপিত লগাই নখ-চুলি পৰিষ্কাৰ কৰাই'[১৯] বাঢ়ৈ "কোৰোলা-বাঢ়ৈক মতাই আনি পদূলিত থকা বেলগছ জোপা কটাই"[২০] চান্দসাই দৰ্জী আছিল,[২১] তেলৰ ব্যৱসায় "এদিন এজন ভাৰী তেল লৈ অহাত বাটত পিছল খাই পৰিল",[২২] মূদৈ "এজন মূদৈ নাৱৰপৰা উঠি জুই আনিবলৈ গৈছে"[২৩] ভৱানন্দ আতৈ নিজে মূদৈ আছিল,[২৪] পোহাৰী "আতৈয়ে এজনী পোহাৰীৰ লগত এফাল পাণৰ নিমিত্তে কাজিয়া কৰি দুপৰ বেলিলৈকে স্নান কৰা নাই।" তাঁতী, দৰৈ "গোপাল নামে এজন তাঁতী বেহাৰত চিলাৰায় দেৱানৰ কাৰখানা গৃহত দৰৈ কাম কৰি আছিল"[২৫] । গোবিন্দ নামে এজন তাঁতী আছিল;[২৬] ডোমবিলাকে সুন্দৰী বিলত মাছ মাৰে।[২৭]

সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক অৱস্থা ইমানেই শোচনীয় আছিল যে এচাম লোকে সদায় ভিক্ষা বৃত্তি অৱলম্বন কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়াত পৰিছিল। বৰদোৱা-গুৰুচৰিতৰ কেইবা ঠাইতো ভিক্ষা বৃত্তিৰ উল্লেখ আছে। "গোপালে সদায় 'হৰিশ্চন্দ্ৰ উপাখ্যান' পদ গাই চাউল মাগি ফুৰে, মানুহবিলাকে শুনি সন্তোষ পাই ভিক্ষা দিয়ে।"[২৮]

১৭। মহেশ্বৰ নেওগ (সম্পাঃ), পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২১৪

১৮। তদীয়, *গুৰু-চৰিত-কথা* , পৃঃ ৪৮

১৯। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪২

২০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৬৩

২১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৬

২২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০০

২৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৪

২৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৭

২৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫৮

২৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৩

২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬১, ১৮০

২৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১২২

“ভিক্ষাত চতুৰ মাধৱ ভিক্ষা কৰিবলৈ গাঁৱলৈ গৈছে”,[২৯] শ্ৰীৰাম আতাই ভিক্ষা কৰি যি পাই বেছি হ'লে এদিনৰ খোৰাকি ৰাখি দৰিদ্ৰ আৰু ভকতক দান কৰে।[৩০]

গুৰু চৰিত-কথাতো ভিক্ষা বৃত্তিৰ উল্লেখ একাধিকবাৰ পোৱা যায়। মাধৱদেৱে দেউতাকৰ লগত দেশত আকাল হোৱাত ভিক্ষা কৰিবলৈ গৈছিল — 'পিতা-পুত্ৰ দুয়ো ভিক্ষা ধৈলে দিনটো ভিক্ষা কৰে গধূলি খাই পুৰা নাটেঃ'[৩১] ভিক্ষাকৈ প্ৰৱৰ্ত্তে[৩২]। ভিক্ষা মাগিও ভিক্ষা নোপোৱা কথা-গুৰু-চৰিত কথাতে পাওঁ— এদিন শ্ৰীৰাম আতা ভিক্ষালৈ গৈছিল নেপালেঃ'[৩৩] দীননাথ বেজবৰুৱাৰ বৰচৰিততো ভিক্ষাৰ কথা পোৱা যায়।[৩৪] সেই সময়ৰ অসমত এটি কথা মন কৰিবলগীয়া যে গোটেই দিনটো কষ্ট কৰিও পেটে ভাতে নটা অৱস্থাও আছিল। এই কথাৰ স্পষ্ট উল্লেখ আছে বৰদোৱা-গুৰুচৰিতত—

গোবিন্দ নামে এজন তাঁতী আছিল, তেওঁৰ স্ত্ৰী ভিন্ন আন
লোক নাছিল। দম্পতিদ্বয় উভয়ে তাঁতীৰ ব্যৱসায় কৰে,
তথাপি ভাতে কাপোৰে নাটে।[৩৫]

মাহ, সৰিয়হ, ধান, গুড় বেচিও অৰ্থ উপাৰ্জন কৰিছিল।[৩৬] ভিঙ্গা নগৰৰ উত্তৰ পাৰৰ এজনী গোৱালীয়ে পাণ গুচিকৈ বিক্ৰী কৰিছিল। গুচি ভাঙি বিক্ৰী কৰাৰ কথা নাজানিছিল। ঠাকুৰ আতাই কথাটো শিকাই দিছিল। ভিঙ্গা নগৰত 'সবেও পান বেহা কৰে।'[৩৭]

কড়ি খেলিও এচাম লোকে টকা-পইচা গোটাইছিল। ঠাকুৰ আতাই এদিন চাৰি টকা কড়ি খেলি জিকি পাইছিল। পাচত সেই কাম ভাল নহয় বুলি এৰি দিছিল —

ই বৃত্তি সজ নহই মিচা হোচা দন্দবাদ হতাহতি কতঃ নগলেও
নেৰে সাজালৰ জিকি আনিছো।।[৩৮]

মানুহৰ জীৱিকাৰ এটা অন্যতম মুখ্য দিশ হ'ল ব্যৱসায়। ব্যৱসায়ৰ মূল উদ্দেশ্য হ'ল লাভ। ইয়াক ভালদৰে চলাব নোৱাৰিলে লোকচান নোহোৱা নহয়। গুৰু-চৰিত-কথাত

২৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৪২
৩০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭৭
৩১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰু-চৰিত-কথা, পৃঃ ৪৯, ৯৪, ১২২
৩২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭৬, ২২৯, ২৪৭,২৯৩,৩১৩,৩৮৫,৩৯৫
৩৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২২৫
৩৪। দীননাথ বেজবৰুৱা, *বৰচৰিত*, পৃ, ১৮৩
৩৫। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃ, ১৯৩
৩৬। তদীয়, *গুৰু-চৰিত-কথা* পৃঃ ৫১, ৫৪, ৭৪, ৭৫
৩৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭০
৩৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭১



ব্যৱসায়ত লোকচানৰ ছবি দেখিবলৈ পোৱা যায়। লাভ হোৱা দূৰৰ কথা মূল ৰাখিবলৈ নোৱাৰিলে--“লাভ চাৰি মূল ৰাখিবজে নপাইলো একা।”[৩৯]

ব্যৱসায়ৰ এটি কৌশল হ'ল — কম দামত বস্তুবোৰ কিনি বেছি দামত বিক্ৰী কৰা। এনেকুৱা কৰিলে সাধাৰণতে ব্যৱসায়ত লোকচান নহয় — “বনিয়াৰ আঁতৈয়ে সদায় বেপাৰ কৰি জীৱিকা চলাই বস্তু সুলভ মূল্যত খৰিদ কৰি ৰাখি বেছি দাম উঠিলে বিক্ৰি কৰে।”[৪০] মাধৱদেৱে নিজেই তামোলৰ বেপাৰ কৰিছিল।[৪১] মাধৱদেৱে শঙ্কৰদেৱক লগ পোৱাৰ আগতে গুৱা বিক্ৰী কৰাৰ কথা দৈত্যাৰিৰ চৰিতত বেইৰাবাৰো উল্লেখ আছে।[৪২]

ঘাঘৰি মাজিয়ে খেতিত উৎপাদিত শস্য মগু, মাহ, তিল, ধান আদি বজাৰত বেচি দুই-চাৰি পইচা জমা কৰিছিল —

'আকে বেচি যিবা দুই-চাৰি পোণ পোৱা।'[৪৩]
'বেচি কিনি ৰাহি তাঙ্গ কৰন্ত হাতত।'[৪৪]

বেচা-কিনা কৰিবৰ কাৰণে সেই সময়ত 'বজাৰ' ব্যৱস্থা আছিল। পোৱা ভিঠাৰ ওচৰত তেনেকুৱা এখন বজাৰ আছিল। গোপাল আতাৰ সৰু গৰাকী ভাৰ্যাৰ বিয়োগৰ পাচত সকাম কৰিবৰ কাৰণে পোৱা ভিঠাৰ ওচৰৰ বজাৰৰপৰা বস্তু কিছু কিনি আনিবলৈ কৈছিল —

পোৱা ভিঠাৰ সমীপত বজাৰ আচয় তাত
বস্তু কিছু কিনিবাক যাহা।[৪৫]

বেহাৰৰ ৰজা নৰনাৰায়ণে অসমত প্ৰৱেশ কৰাৰ সময়ত ভিন্ন বৃত্তিৰ লোক দেখা পাইছিল —

ঠাঠাৰী সোণাৰী যে কুন্দাৰ কুম্ভকাৰ।
চৰ্ম্মকাৰ চমাৰ কমাৰ চিত্ৰকাৰ।।
তান্তী পঢ়িয়া আনো বৃত্তীয়া যতেক।[৪৬]

বৰপেটা থানে নাৰায়ণে গুৰুক কৰ হিচাপে কমাৰ, কুমাৰ, পাইক, দোলাধাৰী,

৩৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৬
৪০। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১২৫
৪১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৮
৪২। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ* পৃঃ ৫৬-৫৮
৪৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৪
৪৪। *পূৰ্বোক্ত*
৪৫। মোহনচন্দ্ৰ মহন্ত, নবীনচন্দ্ৰ বৰদলৈ (সম্পাঃ), *মহাপুৰুষ শ্ৰীশ্ৰী গোপালদেৱৰ চৰিত*, পৃঃ ৪২০
৪৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯৮

ঢুলীয়া, কালীয়া আদি বিভিন্ন বৃত্তিধাৰী লোক দিলে —

থানে অষ্টাদশ ঘৰ পাইকক দিল।।
খুটি কটা, তেল পেৰা থল সাৰা হাৰি।
কামাৰ, কুমাৰ দিলে আৰ দোলাধাৰী।।
ফিৰ ফিৰ ধৰা দিল আৰ চোঁৱৰ ধৰা।
ঢুলীয়া কালীয়া দিল তাৰ তাল ধৰা।।[৪৭]

সেই সময়ত তাঁতীয়ে আছিল সৰ্বাধিক। বৰপেটাত ছয়কুৰি ঘৰ তাঁতী থকা অঞ্চলটিক 'তাঁতীকুছি' বুলি জনা যায়।[৪৮] ছয়কুৰি তাঁতীৰ লগত বুঢ়া আতাই বৃন্দাবনী বস্ত্ৰ বৈছিল— "ছয়কুৰি তাঁতী সমে বুঢ়া আতা বোৱে।"[৪৯] ৰামানন্দ ঠাকুৰৰ চৰিততো তাঁতীৰ উল্লেখ পোৱা যায়।[৫০]

সৰিয়হৰ বেহা কৰিও জীৱিকা নিৰ্বাহ কৰিছিল— "মাহ সৰিহ ধান গুৰ সবাতে বৈ বেচে"।[৫১] খৰি বিক্ৰী কৰিও জীৱন নিৰ্বাহ কৰিছিল — "বোলে খৰি বেচি জিউ"।[৫২] কপাহৰো বেহা-বেপাৰ কৰিছিল। "বোলে বাপ কপাহ বেহা কৰিছে।"[৫৩]

সমাজত এচাম লোকে দোকান-পোহাৰ দি ঘৰ-বাৰী চলাইছিল। ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিতত দোকানীৰ উল্লেখ পোৱা যায়।[৫৪] সেই সময়ৰ সমাজত বৃত্তিধাৰী লোকো আছিল।[৫৫] সেই সময়ত অসমৰ সৰ্বত্ৰে নানা বৃত্তিধাৰী লোক আছিল। বুদ্ধিৰ বৃত্তিত চলা, সাপ মেলা লোক বৈদ, যোগী শ্ৰেণীৰ লোক আছিল।[৫৬] হাত বা দেহাৰে কাম কৰিব নলগা বৃত্তিধাৰী হ'ল পুৰোহিত আৰু দৈৱজ্ঞসকল। বাকী বৃত্তিধাৰী সকলে হাতে-কামে লাগে। বনিয়া হৈদাহ আতৈয়ে 'ৰজত সুৱৰ্ণৰ বিচিত্ৰ বন কৰে'।[৫৭] কুমাৰ হ'ল হাতেৰে কলহ, চৰু গঢ়া লোক। হিৰা কুমাৰ মাটিৰ পাত্ৰ বনোৱা লোক

৪৭। জগন্নাথ মহন্ত, *শ্ৰীশ্ৰী মথুৰাদাস বুঢ়া আতাৰ চৰিত*, পৃ, ১০৫
৪৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭
৪৯। *পূৰ্বোক্ত গ্ৰন্থ*, ঃ পৃঃ ৯
৫০। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫, ১১
৫১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৫১, ৮০, ২০৩
৫২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৪
৫৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ১১৪
৫৪। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ, ১৮৩, ১৮৯
৫৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৬৮
৫৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯
৫৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭০



আছিল। শঙ্কৰদেৱে কপিলী মুখৰ কমাৰৰ হতুৱাই খোল গঢ়িছিল।[৫৮] চালৰ কাম কৰা চমাৰ,[৫৯] কমাৰ[৬০] ধাতুৰ নানা বস্তু তৈয়াৰ কৰি বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰা লোক। কমাৰৰ উল্লেখ শ্ৰীশ্ৰী শঙ্কৰদেৱৰ চৰিততো পোৱা যায়।[৬১] চামৰাৰ কাম কৰা লোকক 'মুচী' বুলিও কোৱা হয়। শঙ্কৰদেৱে মুচীৰ ঘৰৰপৰা গৰুৰ চাল আনিবলৈ মানুহ পঠাইছিল —

মুচিৰ ঘৰক যায়োক কেতাই
গৰুছাল আনা যাই।[৬২]

বাঢ়ৈ শ্ৰেণীৰ লোকো সমাজত আছিল। কাঠৰ কাম কৰা লোকক বাঢ়ৈ বুলি কোৱা হয়। শঙ্কৰদেৱেই কোবোলা বাঢ়ৈৰ হতুৱাই মদন মোহন মূৰ্তি সজাইছিল —

কৰালা বাঢ়ৈক মাতি আনিলা শঙ্কৰ।
সাজা জগন্নাথৰ প্ৰতিমা ৰুচিকৰ।।[৬৩]

সমাজত ধোবাও আছিল। ৰঘুপতি ধোবাই শঙ্কৰদেৱ আৰু ভক্তসকলৰ কাপোৰ ধোৱে— "ৰঘুপতি নামে ধোবা গুৰুজনৰ ভকতৰ বস্ত্ৰ ধোএ নামো গাই।"[৬৪] ইয়াৰ উপৰি, সমাজত শামুক-চুণ পোৱা মুখি[৬৫], মিঠাই কৰা সালৈ[৬৬] আদি বৃত্তিধাৰী লোক আছিল।

নাও বাই যাত্ৰী অনা-নিয়া কৰি জীৱন নিৰ্বাহ কৰা লোকক মাজী বুলি কোৱা হয়। চৌকীয়া মাজী তেনে এজন লোক আছিল।[৬৭]

মাছমৰীয়া লোকৰ উল্লেখো চৰিত পুথিত পোৱা যায়— "এদিন মাছমৰিয়া গৈ আতাক দেখি বোলে তিৰিৰ মুখ নেদেখা দেখিলো মাচো নেপাঞ।"[৬৮] ইয়াৰ উপৰি—

ধনু খান্দা বিল তাতে মাছ মাৰে[৬৯]

মন কৰিবলগীয়া যে নৌকাৰ বেপাৰ কৰিও ঘৰ-দুৱাৰ পুহিছিল — "নৌকাৰ বেপাৰ কৰে নৌকা থাকে সাজি।"[৭০]

৫৮। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ৩১৮
৫৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৩
৬০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২১৬
৬১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯১
৬২। ৰামচৰণ ঠাকুৰৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১৮
৬৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫০০
৬৪। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০০, ১৫৮
৬৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৪
৬৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৬৬
৬৭। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৩৬-৫৩৭
৬৮। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭৬
৬৯। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭
৭০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১২

ইয়াৰ উপৰি সেই সময়ৰ সমাজত অন্য কিছুমান বৃত্তিয়াল লোক দেখিবলৈ পোৱা যায়। ডোম, "পচিমে ডোম গাএ"[৭১], তেলী, "কমলা পতি আতৈয়ে তেল বেচিছিল"[৭২], যুগী, "পাত পলু পোহা যুগী[৭৩]" আদি লোক সমাজত আছিল।

কিছুমান বৃত্তিয়াল লোকক ৰজাঘৰে নিজ কামৰ বাবে নিয়োগ কৰিছিল— "এক ৰাজাৰ খেৰকটিয়া"।[৭৪] মাধৱদেৱৰ লগৰ ভকতসকলৰ মাজত অনিৰুদ্ধ আতৈ আছিল পূৰ্বতে হাতীঘাঁহী, সনাতন আতৈ মাউত, মুকুন্দ আতৈ বৰঢুলীয়া, কমলা আতৈ বাঢ়ৈ, ৰাম আতৈ পহাৰী (দোকানী), নাৰায়ণ নিৰঞ্জন আতৈ দুনিয়া (দাৰনি), বলাই আতৈ চিনিপগোৱা[৭৫] আছিল।

চান্দসাই দৰ্জি আছিল। বেহাৰৰ ৰজা নৰনাৰায়ণৰ কথামতে চান্দসাই শঙ্কৰদেৱলৈ দগলা চিলাই কৰিছিল — "চান্দসাই দৰ্যিত ৰাজা বোলে এটা দগলা সি দে শঙ্কৰদেৱৰ গালৈ।"[৭৬]

ৰামানন্দ ঠাকুৰৰ চৰিতত পাণ্ডাৰ উল্লেখো আছে — "হৰিদাস নামে পাণ্ডা ভক্ত শঙ্কৰৰ"[৭৭]। গোপালদেৱে জন্মগ্ৰহণ কৰা নাজিৰাহাট ঠাইখন সকলো ফালৰপৰা উন্নত আছিল। লোকসকলে সুখেৰে বাস কৰিছিল। শস্য-মৎস্য উভৈনদী আছিল — "শস্যে মৎস্যে পুৰিখন অতি সুবেশিত।"[৭৮]

খৰি বেচিও জীৱন নিৰ্বাহ কৰিছিল।[৭৯] পোহাৰীৰ উল্লেখো গুৰু-চৰিত-কথাত পোৱা যায়। ভিঙ্গা নগৰীৰ উত্তৰপাৰে এজনী পোহাৰী আছিল।

মাধৱদেৱৰ পিতৃ বনগএগিৰি কনৌজপুৰৰপৰা আহি বাণ্ডুকাত আছিল ব্যৱসায় কৰাৰ ইচ্ছাৰে — "বাণিজ্যৰ মনে আইলা আসাম দেশক।"[৮০]

সাউদ হ'ল বেহা-বেপাৰ কৰা লোক। তেওঁলোকে এঠাইৰপৰা অন্য ঠাইলৈ নাওৰে বেহা-বেপাৰ কৰিছিল।[৮১] বেহা-বেপাৰ কৰি টকা ঘটা লোকক মহাজন বুলি

৭১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৫
৭২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২০৩
৭৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৯
৭৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১১৭
৭৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৩৫-২৩৭, ২৫৫, ২৯৮, ৩০৭
৭৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৬৮
৭৭। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫
৭৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫
৭৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৪
৮০। ৰমাকান্ত দ্বিজ, *শ্ৰীশ্ৰী বনমালীদেৱৰ চৰিত্ৰ*, পৃঃ ৮৮
৮১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৯



কোৱা হৈছিল। নাৰায়ণ দাস ঠাকুৰ আতা তেনে এজন লোক আছিল।[৮২] সদাগৰসকলেও কিনা-বিকা কৰি ফুৰিছিল — "কিনা বিকা কৰি ফুৰো যেন সদাগৰ।"[৮৩]

মানুহে গোবৰ বিক্ৰী কৰিও পৰিয়ালক পোহ-পাল দিব লগাত পৰিছিল —

গোৱৰ বিকয় পোৱাল বিকয়
বিস্ময় ভৈলোহে দেখি।[৮৪]

বনগএগিৰিৰ মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ চৰিতত গাখীৰৰ ব্যৱসায় কৰিও জীৱন নিৰ্বাহ কৰা লোকৰ কথা উল্লেখ আছে। হৰিদেৱক জগন্নাথ, পুৰী ক্ষেত্ৰৰ ৰামপাল আৰু হৰিপালে গাখীৰৰ যোগান ধৰিছিল —

হৰিপাল ৰামপাল বৈদ্য দুইজন।
বাণিজ্য কৰিয়া পাচ বৰ্ষে বহুধন।।[৮৫]

তেল বিক্ৰী কৰিও আৰ্জিছিল— "সুন্দৰীত কমলা পতিয়ে তৈল বেচি প্ৰবৰ্ত্তে।"[৮৬]

গুৰুৱে ছাত্ৰশালত ছাত্ৰ পঢ়ুৱাই জীৱিকা নিৰ্বাহ কৰিছিল। শঙ্কৰদেৱক পাঠশালাত নাম লগাবলৈ যাওঁতে ককাক জয়ন্তই কৈছিল —

কৰোহো কাতৰ গুৰু পঢ়ায়ো ইহাক।
যথা যোগ্য দক্ষিণাক দিবোহোঁ তোমাক।।[৮৭]

সাপ নচুৱাইও মানুহৰ মন মুহি আভুৱা ভাবি জীৱিকা নিৰ্বাহ কৰিছিল — "সৰ্প নচুৱাই সিটো ফুৰে দেশে দেশে।"[৮৮]

ৰজাঘৰত নতুবা সমাজত নিৰ্দিষ্ট বিষয়বাব লৈও এচাম লোকে পেট পুহিছিল। বিষয়াৰ ভিতৰত ৰাজখোৱা তিনিবিধ আছিল।[৮৯]

কিনা-বেচা কৰোতে টকা, কড়ি আদি ব্যৱহাৰ হৈছিল। গুৰু দুজনা তীৰ্থলৈ যাওঁতে টকাৰে কিনা-মেলা কৰিছিল। বেহা-বেপাৰৰ প্ৰসংগত কড়িৰ কথা চৰিত পুথিসমূহত উল্লেখ আছে। ৰূপৰ মুদ্ৰাবিলাকক জোখ হিচাপে টকা, গোটা টকা বা ৰূপ,

৮২। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৭-৭৯
৮৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৫
৮৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬২
৮৫। বনগএগিৰি, *মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ*, পৃঃ ১৬১
৮৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৩
৮৭। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৯৬
৮৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬১
৮৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯৭

আতোলা, আদটকি বা আধলি, মহা বা সিকা, আদমহা, একনা, ছৰাতি বা ছৰতীয়া আৰু খাতি বোলা হৈছিল।[৯০]

ওজন কৰিবলগীয়া বস্তুৰ সেৰ (চেৰ), আধেৰ, পোৱা, তোলা হিচাপ হৈছিল, নহ'লে জোখ, পুৰা, দোন, কঠা আদি হিচাপে হৈছিল।[৯১] শ্ৰীৰাম আতাই এদোন চাউলৰ ভাত খাই সাজত।[৯২] খেতিৰ উৎপাদিত শস্যসমূহ ৰাহি হ'লে বজাৰত বেচিছিল "খেতিৰ উৎপন্ন বস্তু বিক্ৰী কৰি পোৱা টকা জমা কৰিছিল।"[৯৩] টকাক কড়িও বোলা হৈছিল — "কড়ি বিচাৰি কাৰবাৰ ওচৰলৈ যাব পায়", "কড়ি বিচাৰি মাধৱ ফিৰি আহিছে।"[৯৪] পাঁচটি টকা দি সেৱা জনাইছে"।[৯৫] গোটা বস্তু জুখিবৰ কাৰণে 'দোন' 'এদোন চাউল', কাউন 'দুই কাহণ' আদিৰ ব্যৱহাৰ আছিল।[৯৬] ইয়াৰ উপৰি 'পোণ'ৰ ব্যৱহাৰো আছিল— "চাৰি পোণ কড়ি"[৯৭] পুৰা 'দুই পুৰা ধান'[৯৮] আদিৰ ব্যৱহাৰ আছিল। বস্তু জোখ-মাপ কৰিবৰ কাৰণে দোনৰ ব্যৱহাৰ ৰামানন্দ ঠাকুৰৰ চৰিততো উল্লেখ আছে।[৯৯] কড়িৰ ব্যৱহাৰো আছিল।[১০০] ভূষণ দ্বিজৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ চৰিততো কড়িৰ উল্লেখ আছে।[১০১] বস্তু জুখিবৰ কাৰণে পুৰা, দোন, কাউন আদিৰ উল্লেখ এই চৰিততো পোৱা যায়।[১০২] জগন্নাথ মহন্তৰ চৰিতত টকা-পইচাৰ ক্ষেত্ৰত টকা, কড়ি, আৰু হিচাবৰ ক্ষেত্ৰত পোন, গণ্ডা, দোন আদিৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়— নাগৰি টকা[১০৩], কড়ি গণ্ডা[১০৪], পোণ 'দিলো কড়ি চাৰি পোণ'[১০৫] 'চাৰিপোণ কড়ি লৈয়া শৰাইত থৈল'[১০৬] ভৱানীৰ বাবে 'এক দোণ চাউলক দিবে।'[১০৭]

---

৯০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫১, ৫৩, ১২৪, ২৩৭, ২৪৯
৯১। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৬৩, ২৭৯
৯২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২২৩
৯৩। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত,* পৃঃ ৭৬
৯৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৯
৯৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৩৫
৯৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৪২, ২০৮
৯৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৬
৯৮। *পূৰ্বোক্ত*
৯৯। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৫৬
১০০। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ১৭
১০১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৫০, ৫১, ১০৮, ১৫৭, ১৫৮
১০২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৮, ১১৩, ১৪৮
১০৩। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৬৪
১০৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৮, ৮০
১০৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৮৭
১০৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯১
১০৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১১৬



দৈত্যাৰি ঠাকুৰৰ চৰিতত উল্লেখ আছে যে মাধৱদেৱে গুৱা বেচি টকা, কড়ি গোটাইছিল — "গুৱা কিনি নাৱ ভাৰা দিয়া লৰি গৈলা।।"[১০৮]

বস্তুবোৰ বেচা-কিনা টকাৰ মাধ্যমত কৰা হৈছিল। টকাৰ উল্লেখ চৰিতখনৰ কেইবা ঠাইতো আছে।[১০৯] কড়িৰ উল্লেখো নোহোৱা নহয়।[১১০] বস্তু জুখিবলৈ দোণৰ ব্যৱহাৰ আছিল — 'আধা দোণ মাষ আনি তান আগে দিলা।"[১১১] দৈত্যাৰি ঠাকুৰৰ চৰিতত 'তোলা'ৰ উল্লেখো আছে'।[১১২] মন কৰিবলগীয়া যে খাদ্য সামগ্ৰী কিনিবলৈ কেতিয়াবা গাঁৱলৈ যাব লগীয়া হৈছিল — "চাউল কিনিবাক লাগি গ্ৰামক গৈলন্ত।।"[১১৩]

বস্তু বিক্ৰী কৰিবৰ সময়ত দৰ-দামো চলিছিল। টকা, কড়িৰ উল্লেখ ৰামচৰণ ঠাকুৰৰ চৰিততো আছে।[১১৪] ভবানন্দই মাধৱদেৱৰ মাকৰ শ্ৰাদ্ধত 'পঞ্চ কাওন কড়ি' দিছিল।[১১৫]

সেই সময়ত মানুহ কিনা-বেচা হৈছিল। নৰনাৰায়ণে শঙ্কৰৰ ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক ভোটৰ হাতত বিক্ৰী কৰিছিল —

ৰাত্ৰি প্ৰভাততে ৰাজা ভোটত বেচিল।।
ছয় কুৰিটকা ভোট নৃপতিক দিলা।[১১৬]

ৰামচৰণ ঠাকুৰৰ চৰিতত সোণ জুখিবৰ কাৰণেতোলাৰ হিচাপ আছিল — দুই তোলা সুবৰ্ণক আঙ্গুষ্ঠিক দিল।।[১১৭] ঠাকুৰ চৰিততো টকাৰ উল্লেখ কেইবা ঠাইতো পোৱা যায়।[১১৮]

মধ্যযুগৰ অসমত 'বস্তু বিনিময় প্ৰথা' প্ৰচলিত আছিল। মুদ্ৰাৰ প্ৰচলন কোচ-আহোম দুই ৰাজ্যত থাকিলেও মুদ্ৰাই ঢুকি নোপোৱা আওহতীয়া অঞ্চলত 'বস্তু বিনিময় প্ৰথা' সঞ্চালনীকৈ চলিছিল। বস্তু-বাহানিৰ বিনিময় কড়িৰ মাধ্যমেৰে হৈছিল। ভাউকি গাঁৱৰ বুঢ়াই পলা, কুলা, জকাই, পল, জুলুকি সাজিছিল আৰু বুঢ়ীয়ে সেইবোৰ সলাই

---

১০৮। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৫৬
১০৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫০, ১৫১, ২১৩, ২৫৮, ২৭৪, ৩১০
১১০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৫৯
১১১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৩
১১২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৭৫
১১৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৪৩
১১৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪০১
১১৫। *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৫৯৫
১১৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৫২
১১৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৩৮
১১৮। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ,* পৃঃ ৪২, ৫২, ৬৭

জীৱিকা অৰ্জন কৰিছিল —

বুৰাই পাচি কাউলি ডলা পলা কুলা জকাই খালৈ পল যুলকি
এই বৃত্তিকৈ প্ৰবৰ্ত্তে বুৰা সাজে বুৰিত্ৰ সলাইগৈ ফুৰি।[119]

মধ্যযুগৰ অসমত সৰ্বসাধাৰণৰ আৰ্থিক অৱস্থা একেবাৰে শোচনীয় আছিল। ভাৰ্যা পুত্ৰক পোহ-পাল দিবৰ কাৰণে ঘৰৰ মূল মানুহজনে আনৰ ঘৰত কেতিয়াবা কেতিয়াবা 'বন্ধা' থাকিব লগীয়াও হৈছিল। জয়ন্ত্ৰ-মাধৱ "অৰ্থৰ অভাৱ হেতু আন এঘৰত বন্ধা আছিল"[120] তপাৰ বলোৰাম আতৈ কুৰি টকাত বামুণৰ ঘৰত বন্ধা আছিল।[121] সেই সময়ত দাস-দাসী আদিয়ে আনৰ ঘৰত গোলাম খাটিছিল। শঙ্কৰদেৱৰ গুৰু মহেন্দ্ৰ কন্দলিয়ে খেতি কৰিছিল। জেঠ মাহত পকা ধান, হাতীয়ে খাই থকা দেখি খেদিব নোৱাৰি গোলাম গুচি গ'ল —

কন্দলিৰ ধান এফেৰি বৈচিল ঃ জেঠ মহ্য পকাত হাতি সাতোটা
খাইচেহিঃ একে ৰূপে খেদিব নুৱাৰি এৰি গ'ল গোলাম।[122]

খেতিৰ কামত সহায় কৰিবৰ কাৰণে সেই সময়ত হালোৱা-বনুৱাও আছিল। মাধৱদেৱে এবাৰ হালোৱা-বনুৱাৰ লগত মিলি খেতি কৰিছিল —"খেতিৰ কামত মন দি হালোৱা বনুৱাৰ লগত মিল হৈ খেতি কৰাইছে।"[123]

মধ্যযুগৰ অসমত খাজনা ব্যৱস্থাও আছিল। অসম দেশৰ মাটি সাৰুৱা। মাটিৰ গৰাকী হ'ল ৰজা। জমি ভোগ কৰিবলৈ হ'লে গৰাকীক জামিন অৰ্থাৎ খাজনা দিব লাগে। ইয়াক 'ৰাজহ' বুলিও কোৱা হয়। দখিনকুলীয়া বৰবিষ্ণু আতাই পৰৰ মাটিত খেতি কৰি জামিন চাৰিপোণে কড়ি দিব নোৱাৰি বেঙনা বেচি সেই জগৰ মাৰে।[124]

খেতি কৰাৰ বিনিময়ত প্ৰজাই ৰজাক ৰাজহ দিব লাগে। সেই সময়ত ৰাজহ তোলাৰ বিশেষ বিষয়া ৰজাই নিয়োগ কৰিছিল। হৰিশিঙ্গা বৰা তেনে এজন বিষয়া আছিল — "বৰাই খুত তোলা কাম মাধৱক চমজাই দিলে, তাৰাই প্ৰজাৰ পৰা খুত তুলি আনি দিয়ে, হৰিশিঙ্গা বৰাই ৰজাক শোধায়।"[125]

সেই সময়ত মাটিও বেচা-কিনা হৈছিল। গৰাকীয়ে নিৰ্দিষ্ট পৰিমাণৰ মূল্যৰ বিনিময়তহে মাটি বিক্ৰী কৰিছিল। ভৱানীপুৰীয়া গোপাল আতাই দুটকাৰ মাটি লৈ তাৰ ওপৰত গৃহ বাৰী কৰিছিল।[126]

১১৯। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৬৯
১২০। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১১২
১২১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১১৩
১২২। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৩
১২৩। তদীয়, *বৰদোৱা-গুৰুচৰিত* , পৃঃ ৭৯
১২৪। তদীয়, *গুৰু-চৰিত-কথা* , পৃঃ ১৯৮
১২৫। তদীয়, *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৭৩
১২৬। তদীয়, *গুৰু-চৰিত-কথা*, পৃঃ ২১৭-২১৮



সমাজত চোৰ বৃত্তিও আছিল। নিকনি খোৱা মহাচোৰ আছিল। মাধৱদেৱৰ ওচৰত শৰণ লোৱাৰ পাচতো চোৰ বৃত্তি এৰিব পৰা নাছিল। এদিন ভকত এজনৰ লোটা, বাতি নি নিজৰ ঘৰত থৈছিলগৈ। ভকতে মাধৱদেৱৰ ওচৰত আপত্তি দৰ্শোৱাত মাধৱদেৱে মাতি নিয়াত সৈ কাঢ়িছিল —

বোলে বাপ আগে বৰচোৰ আছিলো ঃ এতিয়া সেই ভোৰ
গুচিল তোমাৰ অভই পদত শৰণ লবৰ পৰা ঃ তেওঁ এই
বৃত্তিটো এৰিব পৰা নাই।[127]

চোৰ, ডকাইতৰ উপদ্ৰৱত মানুহ শান্তিৰে বাস কৰিব পৰা নাছিল। মাধৱদেৱৰ পিতৃ গোবিন্দই টেম্বুৱানী অভিমুখে পত্নীসহ যাত্ৰা কৰোতে ক্ষন্তেক বিশ্ৰাম কৰোতে নিদ্ৰা যোৱাত, লগৰ লোকে আটাইবোৰ বসন-ভূষণ চুৰি কৰি লৈ পলাই গ'ল।[128] আঠটি কল দেউবীয়ে চোৰ কৰিলে।[129] ইয়াৰ উপৰি বৰদোৱা-গুৰুচৰিতত ডকাইতৰ উল্লেখ আছে।[130] শঙ্কৰদেৱৰ জন্মৰ বিশ দিনৰ দিনা ঘৰত চোৰ সোমাইছিল —

বিংশতি দিনে চোৰ সোমাই সবে দ্ৰব্য লৈ ওলাব নপাৰি বেবুৰা
লাগি ভু হৰাই নিশা পুৱালঃ দেখি ধৰি মাৰ কিলকৈ এৰিলে।।[131]

ৰামচৰণ ঠাকুৰৰ গুৰু চৰিততো চোৰৰ উল্লেখ আছে — "তিনি চোৰ নিশাভাগে মিলিলন্ত তথা।।"[132] চোৰ-ডকাইতক কঠোৰ শাস্তিও বিহা হৈছিল। খগেশ্বৰ গোস্বামীৰ শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰত ইয়াৰ উল্লেখ পোৱা যায়।[133]

## দাস প্ৰথা

মধ্যযুগৰ অসমত দাস প্ৰথা প্ৰচলিত আছিল। সাধাৰণতে বিষয়াসকলে ঘৰত দাস-দাসী, বান্দী-বেটি ৰাখিছিল। চৰিত পুথিতো ইয়াৰ উল্লেখ পোৱা যায়। গৌৰ দেশৰপৰা কমতাপুৰলৈ চণ্ডীবৰ আহোতে লগত দাস-দাসী আহিছিল-

দেৱীদাস লোক বিত যত আছে মানে ।
দাসী-দাসসকলক নিলা নিজ থানে।।[134]

১২৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩১০
১২৮। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃ, ৭১
১২৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৯৩
১৩০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৩৭, ১৪১
১৩১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১৯
১৩২। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৯
১৩৩। খগেশ্বৰ গোস্বামী, *শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰ*, পৃঃ ৯
১৩৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১

সেই সময়ত কন্যাৰ লগত যৌতুক হিচাপে দাস-দাসী দিয়াটো এক পৰম্পৰা আছিল। এই কথাৰ ইংগিত ৰামচৰণ ঠাকুৰৰ চৰিতৰপৰা পাব পাৰি। ৰামগিৰিয়ে জীয়েক খেৰসুতিক সূৰ্যবৰলৈ বিয়া দিওতে লগত "উছৰ্গিয়া দিলা যত দাস দাসী গ্ৰাম।"[১৩৫] সত্যসন্ধাক বিয়া দিওতে দেউতাকে লগত ধনৰ উপৰি দাস-দাসী দিছিল—

পিতৃৰ উছৰ্গা যত কৰিবোহো সীমা ক'ত
ৰত্ন ধন দিলা দাস দাসী।[১৩৬]

শঙ্কৰদেৱৰ ঘৰতো দাস-দাসী আছিল। গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়াই আই গোঁসানীক দেখা কৰিবলৈ যাওঁতে "এজনা দাসীক গৈয়া পাইলা দৰিশন।"[১৩৭]

নীলকণ্ঠ দাসৰ শ্ৰীশ্ৰীদামোদৰ চৰিত্ৰতো দাস-দাসীৰ উল্লেখ কেইবা ঠাইতো আছে।[১৩৮] ধনৱন্ত তথা আঢ্যৱন্ত শ্ৰেণীৰ লোকে সাধাৰণতে দাস-দাসী ৰাখিছিল। তপাৰ বলোৰাম আতৈ পাঁচ টকতা এঘৰত বন্ধা আছিল।[১৩৯]

## খাদ্যাদিৰ প্ৰকাশ

জলপান অসমীয়া মানুহৰ অতিকৈ প্ৰিয়। জলপান নানা ধৰণেৰে তৈয়াৰ কৰা হয়। বকুলবৰা ধানৰ কৰাই, চিৰা-সান্দহ, দোৱা-ভজা চিৰা, বোকা-চাউল, পিঠাগুৰি আৰু নানাবিধ পিঠা-পনাই প্ৰধান। বোকা চাউল আৰু পিঠাগুৰি অসমীয়াৰ জাতীয় আহাৰ। ম'হৰ দৈ সাধাৰণ মানুহৰ প্ৰীতিকৰ খাদ্য। চ'তৰ প্ৰখৰ ৰ'দত দুপৰীয়া টেঙাদৈ, মিঠৈ, কল আদিৰে জলপান খোৱা জুতি অসমীয়া মানুহে ভালদৰে জানে। মাধৱদেৱে এবাৰ ৰবাৰ লগত চ'ত মাহত ফুৰিবলৈ যাওঁতে প্ৰখৰ ৰ'দত টেঙা দৈ, মিঠৈ, কল খোৱাৰ মানসেৰে বৃক্ষৰ তলত জিৰাইছিল। এনেতে দুজন লোকে কল, দৈ, মিঠৈ লৈ উপস্থিত হ'লহি। গুৰু আৰু ৰবাক দেখি লোক দুজনে খাবলৈ দিলে। খাই-লৈ পুনৰ যাত্ৰাপথত আগবাঢ়িল।

আসম কৃষি প্ৰধান দেশ। অসমীয়া মানুহৰ প্ৰধান আহাৰ হ'ল ভাত। বিবিধ প্ৰকাৰৰ ধানৰ খেতি ইয়াৰ উৰ্বৰ ভূমিত উৎপন্ন হৈছিল। বৰলাহি, বৰজহা, বাও মঠঙ্গা আদি ধানৰ খেতি কৰিছিল। আহাৰৰ ভিতৰত দুগ্ধ, চিৰা, পৰমান্ন আদিও আছিল— "দুগ্ধ চিৰা ভোজন কৰাই ।"[১৪০] ঘাঘৰি মাজিৰ ঘৰত পিতা-পুত্ৰ দুয়োজন উপস্থিত

১৩৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৪
১৩৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৪
১৩৭। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২১
১৩৮। নীলকণ্ঠ দাস, *শ্ৰীশ্ৰী দেৱদামোদৰ চৰিত্ৰ*, পৃঃ ৩৮, ৪৩, ৬৮
১৩৯। বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া ভাষা আৰু সংস্কৃতি*, পৃঃ ৭০
১৪০। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃ, ৪২



হোৱাত হাত-ভৰি ধুৱাই ঘৰৰ ভিতৰলৈ নি দধি, দুগ্ধ, চিৰা, কল খাবলৈ দিলে— "কৰাই ভোজন চিৰা কলা দুগ্ধ দধি।"[১৪১]

মাছ, মাংস, দধি, দুগ্ধ সেই সময়ত উভৈনদী আছিল। ঘাঘৰি মাজিৰ ঘৰত মাধৱদেৱে দুয়োবেলা মাছ-মাংসৰে ভোজন কৰিছিল —

'মৎস্যে মাংসে দুয়োবেলা কৰান্ত ভোজন।।
দধি দুগ্ধ গুৱা পাণ দেন্ত অভ্যুদয়।[১৪২]

এবাৰ শঙ্কৰদেৱে ভকতসকলৰ লগত ব্ৰহ্মপুত্ৰৰ বুকুয়েদি বৰপেটালৈ গৈ থাকোতে এটি গেলা মাছ লৈ আহিল। কুঁয়া মাছৰ গোন্ধত ভকতবৃন্দ থাকিব নোৱাৰি মাছটো আনিব খোজা নাছিল। বাটত পোৱা মাছ এৰিব নাপাই বুলি লৈ আহি যত্ন সহকাৰে পাগত দি "মৰিচ গুৰি লোণ সানিলন্ত", অনন্তৰে ভক্তসকলে তকালি পাৰি ভাত খাই ক'লে — "এহ্ন মাছ এহ্ন হৈবে আক কোনে জানে।।"[১৪৩]

ভাতৰ লগত ব্যঞ্জন হিচাপে মাছ-মঙহ আৰু বিভিন্ন শাক-পাচলিয়েই প্ৰধান। অসমীয়া সমাজত ব্ৰাহ্মণ, বৈষ্ণৱ সকলো সম্প্ৰদায়ৰ মাজত মাছ-মাংসৰ প্ৰচলন আছে। অসমীয়া মানুহ মৎস্য প্ৰিয়। নদীৰ কাষত বসতি হোৱাৰ সিও এটা কাৰণ। অসমৰ নদ-নদী, খাল-বিল, মাছ-পুঠিৰে পৰিপূৰ্ণ। শাল, শ'ল, শিঙি, চেঙ্গা, বামী, বৰালি, বালিচন্দা, দড়িকণা, বৌ, চিতল আদি অসংখ্য মাছেৰে উভৈনদী । চৰিত পুথিসমূহতো বিভিন্ন মাছৰ উল্লেখ পোৱা যায়। তাৰ ভিতৰত কুহি মাছ,[১৪৪] কাতল মাছ[১৪৫] উল্লেখযোগ্য।

পুৰুষেই হওক বা মহিলাই হওক ভাত মুঠিৰ উপৰি প্ৰয়োজনীয় তৰকাৰী, শাক-পাচলি আদি ঘৰতে উৎপাদন কৰিছিল। গুৰুপত্নীয়ে নিজৰ গৃহতে লাউগছ ৰুইছিল। শ্ৰীৰাম আতাই গুৰুপত্নীৰ খবৰ ল'বলৈ যাওঁতে — "আইবোলে লাউ পাৰা দুটি লাগি আছে।"[১৪৬] তাৰে এটি মাধৱদেৱলৈ দি পঠিয়াইছে। অসমীয়া তিৰোতাই লাউ গোটৰ উপৰি লাউপাতৰ সুন্দৰ ব্যঞ্জন ৰান্ধিব জানে। মথুৰা আতাই

১৪১। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ, ৩৯
১৪২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১
১৪৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১১৬
১৪৪। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১২৪
১৪৫। তদীয়, *গুৰু-চৰিত কথা*, পৃঃ ৫৩
১৪৬। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩

গুৰুপত্নীৰ গৃহ বান্ধিবলৈ গৈ আয়ে নিৰামিষ খোৱা বুলি জানি লাউগছ নাকাটি অন্য এখন চালি বান্ধি দিলে —

আতায়ে ভাবিছে আই নিৰামিষ খাই।
লাউপাত গোট সব ব্যঞ্জন হোৱই।।
এহি ভাবি তাঙ্গা কাটি চালিক বান্ধিলা।[১৪৭]

উল্লেখযোগ্য যে লাউগছৰ গুৰি ফালি দিলে বেছিকৈ লাগে।[১৪৮] মাধৱদেৱে বুঢ়া আতাক দধি, মিঠৈ, চিৰা, কলেৰে জলপান দিছে কলৰ দোনাত —

স্নান কৰি আসিলন্ত।
এক চৰু চিৰা দেন্ত।।
দধি মিঠৈ কল দেন্ত।
দোনা আদি যগাৱন্ত।।[১৪৯]

বেহাৰৰ ৰজা বীৰ নাৰায়ণে বৰপেটা সত্ৰ দৰ্শন কৰিবলৈ আহোতে ৰজাৰ কাৰণে সিধাৰ যোগাৰ কৰিছিল গাখীৰ, ঘিউ, বৌ মাছ, মুগৰ দাইল সহিতে —

দুগ্ধ দধি ঘৃত দিল জাহা চাউলক।
আৰ বৌ মাছ দিলন্ত মুগৰ দালিক।।[১৫০]

ৰজাই এইবোৰ নালাগে বুলি কোৱাত ভঁৰালত যি আছে তাকে দিল —

কুমুৰা আহু চাউল লোণ তৈল জালা।
মাহৰ দালিক দিল হালধি মছলা।।[১৫১]

বান্ধনিয়ে আতাৰ মতে ভাত বান্ধি ৰজাক দিলে। ৰজাই খাই বৰ স্বাদ পালে বুলি প্ৰশংসা কৰিছে —

আজি ইটো দ্ৰব্য ভুঞ্জি যি স্বাদ পাইলো।
এহিতো স্বাদক ৰাজভোগত নপাইলো।।[১৫২]

অন্যান্য জীৱ-জন্তুৰ মাংসতকৈ অসমীয়া মানুহৰ খাদ্যত 'মাছ'ৰ ব্যৱহাৰ অধিক। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসমীয়া মানুহৰ মাজত প্ৰাচীন কালৰেপৰা মাছ ধৰাৰ বাবে বৃত্তিয়াল কৈৱৰ্তসকল আছিল। "অসমত মাছ আৰু মঙহৰ ব্যৱহাৰ কিৰাতীয়

১৪৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৪, ২৫
১৪৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৬
১৪৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭, ১৮
১৫০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৪
১৫১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৫
১৫২। *পূৰ্বোক্ত*



খাদ্যভাস তথা সাংস্কৃতিক ফল।"[১৫৩] ডোমবিলাকে সদায় সুন্দৰী বিলত মাছ মাৰি পুৰুষত যোগায়। এদিন গুৰুৰ আজ্ঞা লৈছে — "বাপ বৰপেটা বিলত মাছ মাৰিবলৈ অনুমতি হক। বাৰু, যোৱাহঁক, কিন্তু কাটল মাছ দুটি পাবা, সেই দুটি আমাৰ বৈষ্ণৱ সকলক দিবাঁহি। ডোমে বাৰখন জালেৰে মাছ মাৰি মাছ দুটি পাই অতি সমাদৰে দি সেৱা কৰিছে।"[১৫৪] নৈ, বিল, পুখুৰীত সাধাৰণতে জালেৰে মাছ ধৰা হয়। জাল কেইবা প্ৰকাৰৰো আছে। তাৰ ভিতৰত লাঙ্গি জাল, পঙ্গি জাল প্ৰধান।

মাছ ধৰিবৰ কাৰণে বাঁহৰ বিভিন্ন সঁজুলি তৈয়াৰ কৰি লোৱা হয়। পল, জুলুকি, চেপা, জাকৈ, খালৈ আদি মাছ ধৰাৰ প্ৰধান সঁজুলি। ভাউকি গাঁৱৰ বুঢ়াই পল, জুলুকি, জাকৈ, খালৈ, আদি নিতৌ সাজিছিল।[১৫৫]

অসমীয়া মানুহৰ মাজত মাছ পুৰি খোৱা আৰু খৰিকাত দি খোৱা প্ৰথা চলি আহিছে। মাধৱদেৱে এদিন মাছ কিছু অনাই সকলো ভকতক কৈছে, যাৰ যিমান ইচ্ছা মাছ নি তিনিখন ব্যঞ্জন প্ৰস্তুত কৰি ভোজন কৰিব লাগে। শ্ৰীৰাম আতাই সকলোৰে শেষত সৰু মাছ কেইটিমান পাই গ্ৰহণ কৰিছে, তাকে পাতত দি তিনিভাগ কৰি এভাগ টেঙ্গাগুৰি, এভাগ খাৰণি আৰু এভাগ তেল দি ভোজন কৰিছে।[১৫৬] অসমীয়া মানুহৰ খাদ্য তালিকাত টেঙা আৰু খাৰে বিশেষ স্থান লাভ কৰি আহিছে। টেঙাই গ্ৰহণীৰ দৰে ৰোগৰ আৰু খাৰে পিত্তজনিত ৰোগৰ উপশম ঘটায়।

অসম ভূমি শস্য-মৎস্যৰে উৰ্ভৈনদী। বিভিন্ন শাক-পাচলি ইয়াত উৎপাদিত হয়। তাৰ ভিতৰত চুকা, কচু, ঢেকীয়া, ভেদাইলতা, খুতুৰা শাক, পূৰৈ শাক, জিকা, বেঙেনা, ঔটেঙা আদিয়েই প্ৰধান। টেঙা অসমীয়াৰ প্ৰিয় ব্যঞ্জন। গাঁজ, কাহুদি, খাৰলি আদিও বিশেষ প্ৰিয় খাদ্য। চৰিত পুথিসমূহতো বিভিন্ন শাক-পাচলিৰ উল্লেখ পোৱা যায়। শ্ৰীৰাম আতা অতিশয় দৰিদ্ৰ আছিল। ভোজনৰ নিমিত্তে কোনো আড়ম্বৰ নাই। 'হাঁহেৰে খালেও খোৱা মাহেৰে খালেও খোৱা' প্ৰবচন ফাঁকিৰ দৰে শ্ৰীৰাম আতায়ো যেতিয়াই যি পাইছিল, সেইৰে অন্ন ভোজন কৰিছিল। নিজৰ বাসগৃহৰ সন্মুখত শ্ৰীৰাম আতাই পূৰৈ এজোপা ৰুইছিল। এই পূৰৈ শাকৰ পাত পাঁচটা সিজাই লোণ-তেল মিহলাই ভক্ষণ কৰে।[১৫৭] দামোদৰদেৱেও চোতালৰ সন্মুখত থকা পূৰৈ শাকৰ পাত চাৰিটা প্ৰত্যেক দিনে ভাতত দি তাকে সুমিষ্ট আহাৰ বুলি গ্ৰহণ কৰিছিল।[১৫৮]

১৫৩। নগেন শইকীয়া ঃ 'অসমীয়া মানুহৰ ইতিহাস', *গৰীয়সী, পূৰ্বোক্ত* সংখ্যা
১৫৪। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৮০
১৫৫। তদীয়, ঃ *গুৰু-চৰিত-কথা* , পৃঃ ২৬৯
১৫৬। তদীয় ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ২০৪
১৫৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭৭,১৭৮
১৫৮। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২২

মাংসৰ ভিতৰত হৰিণাৰ মাংস আৰু খাচি মাংসৰ উল্লেখ পোৱা যায়। মাধৱদেৱে ভকতসকলক 'হৰিণাৰ মাংস আজি ভোজন কৰিবে'"[১৫৯] বুলিছিল। বৰপেটাৰ বিলত পোৱা কাটল মাছ দুটা ভকত সহিতে সকলোৱে খাই — "খাচিতো অধিক স্বাদ মাছ সুকোমল"[১৬০] বুলি প্ৰশংসা কৰিছিল।

প্ৰকৃতিৰ সন্তান স্বৰূপ অসম পাহাৰ-পৰ্বত, গছ-গছনি, জান-জুৰিৰে চিৰ সেউজ। অসমৰ মাটি বিভিন্ন ফল-মূলৰ বাবে উপযোগী। অসমৰ মাটিত হোৱা বিভিন্ন ফলৰ ভিতৰত আম, কঁঠাল, তেঁতেলি, পনিয়ল, তিয়ঁহ, শিলিখা, বেল, আমলখি, জামু, কল আদিয়েই প্ৰধান। আলোচ্য চৰিত পুথিসমূহতো বিভিন্ন ফলৰ উল্লেখ পোৱা যায়।

ফলৰ ভিতৰত কল উত্তম। 'সুফল কদলি' বুলি অসমীয়াত কথা এষাৰ আছে। মানৱ জীৱনৰ কাৰণে কলগছৰ প্ৰতিটো অংশই অতি প্ৰয়োজনীয়। 'কলাখাৰ' অসমীয়া মানুহৰ প্ৰধান ব্যঞ্জনৰ ভিতৰত এবিধ। বৰদোৱা-গুৰুচৰিতত উল্লেখ আছে যে শ্ৰীৰাম আতাই এজোপা কল ৰুইছিল, কলৰ পাতৰ ঠাৰিৰ কঠ বনাই, থোক পৰিলে পকাই, আকৌ গছজোপাৰ খাৰ কৰি ৰাখে।[১৬১] খাৰ অসমীয়া খাদ্য প্ৰস্তুতিত বিভিন্ন ধৰণেৰে ব্যৱহৃত হৈ আহিছে। কলৰ লগত অসমীয়া সংস্কৃতি ঘনিষ্ঠভাৱে জড়িত। ডাকৰ বচনত ৩৬০ জোপা কল ৰোৱাৰ বাবে পৰামৰ্শ দিয়া আছে। কলৰ প্ৰজাতিও অনেক। চেনিচম্পা, আঠিয়া, মনোহৰ, বগীমনোহৰ, মালভোগ, বৰতমণি, পুৰাকল বা কাচকল, ৰামকল আদি বিভিন্ন কলৰ উল্লেখ পোৱা যায়। উদাৰ গোৱিন্দ আতৈয়ে পকা কল এথোকা আনি সেৱা কৰিছে। কলথোকা বঙ্গা পৰিছিল, দেখিবলৈ সুন্দৰ দেখি সকলো ভকতক ভগাই দিলে, আতৈসকলে ভোজন কৰি বৰ তৃপ্তি পাইছে।[১৬২]

গুৰু-চৰিত-কথাত প্ৰসংগ ক্ৰমে বিভিন্ন কলৰ উল্লেখ আছে। তাৰ ভিতৰত "দিগজোৱা মালভোগ বৰতমণিঃ গোৱিন্দ তুলসীঃ বগিতৰা পূৰাঃ ধিৰমণি"[১৬৩] আদি। দৈত্যাৰি ঠাকুৰৰ চৰিততো বিভিন্ন প্ৰকাৰৰ কলৰ উল্লেখ পোৱা যায় — মালভোগ কল, আঠিয়া কল আদিয়ে প্ৰধান।[১৬৪]

ৰামৰায়ৰ গুৰু-লীলাত খাদ্যদ্ৰব্যৰ পয়োভৰ ঘটিছে, দামোদৰ দেৱক বেদুৱাৰ

১৫৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৪১
১৬০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৪৪
১৬১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৬
১৬২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৭
১৬৩। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩৩৭, ৪৬০
১৬৪। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫১, ২৮৩, ৩১৫



ঘৰত কৰা আতিথ্যত —

ইক্ষু আখৈ জৰা নাৰিকেল যে ত্ৰীফল।
মধুকৰ তণ্ডুল যে সুপক্ক কাঠাল।।
মুগৰ কলাৰ গাজি আদা লোণ সমে।
ঘৃত চিনি মোদক সন্দেশ যথাক্ৰমে।।[১৬৫]

'প্ৰসাদ' অসমীয়াৰ প্ৰিয়। কামৰূপী উপভাষাত ইয়াক 'গাজি' বুলিও কোৱা হয়। বুট, মগুমাহ, কলাৰ লগত আদা, লোণ সানি তৃপ্তিৰে গাজি খোৱাত অসমীয়া লোকসকল পাকৈত। নাম প্ৰসংগৰ অন্তত মাহ-প্ৰসাদ লোৱা হয়। বৰদোৱা-গুৰুচৰিতত মাহ-প্ৰসাদৰ উল্লেখ আছে।[১৬৬] ৰামৰায়ৰ চৰিততো গাজিৰ উল্লেখৰ কথা সুন্দৰকৈ আছে।[১৬৭] ভক্তসকলে দামোদৰদেৱৰ ওচৰত অৰ্পণ কৰা উৎপাদিত ফলবোৰৰপৰাই মধ্যযুগৰ অসমৰ ফল-মূলৰ ছবি এখন প্ৰতিফলিত হয় —

আম জাম লেতুক কাঠাল নাৰিকল।
মধুফল ডাৱিম্ব বেল আৰু যে ত্ৰিফল।।
আলু কচু মুলা আদা কেৰেলা বেঙ্গন।
মুগ মাহ বৰকালা নান বস্তুগণ।[১৬৮]

নানা প্ৰকাৰৰ শাক-পাচলি বাৰীত উৎপন্ন হৈছিল — "সাত পাত ঢেকীয়া অউটেঙ্গা বেতগাজ।"[১৬৯]

বেতগাজ অসমীয়াৰ প্ৰিয় খাদ্য। খাদ্য দ্ৰব্য হিচাপে মাহ, সৰিয়হ, লোণ, তৈল, কচু, কোমোৱা আদি আছিল।[১৭০] নিমখ, তেল, খাৰ আদিৰ ব্যৱহাৰ আছিল — "এপোৱা লোণঃ এপোৱা তৈলঃ আদপোৱা খাৰ।"[১৭১] ইয়াৰ উপৰি সৰৰ উল্লেখ পোৱা যায়। "মুগ মাটি মচুৰ কলা চেনি দুগ্ধ তৈল লোণ চাউল সব দি পঠালে।"[১৭২]

১৬৫। ৰামৰায়, *গুৰু-লীলা*, পৃঃ ৮২
১৬৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৮৩
১৬৭। ৰামৰায়, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮২
১৬৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৮৫
১৬৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত কথা*, পৃঃ ১০৫
১৭০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১
১৭১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৪
১৭২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১১২

'পায়স' বৰ তৃপ্তিকৰ খাদ্য। যিকোনো শুভকৰ্মত পায়স থাকেই। কুসুমগিৰিয়েও পুত্ৰজন্মৰ আনন্দতে শত ব্ৰাহ্মণক পায়স ভোজন কৰাইছিল।[১৭৩] বৰদোৱা-গুৰুচৰিততো সুমিষ্ট আহাৰ পায়সৰ উল্লেখ আছে — "ব্ৰাহ্মণসকলে পায়স ঈশ্বৰক নিদিয়াকৈ ভোজন কৰিলে।"[১৭৪] মিঠৈ অত্যন্ত তৃপ্তিদায়ক।[১৭৫]

ঠাকুৰ চৰিততো চেনি, চিৰা, কলৰ, উপৰি দধি, দুগ্ধ, ঘৃত, মধুৰ উল্লেখ পোৱা যায়।[১৭৬] খগেশ্বৰ গোস্বামীৰ শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰতো খাদ্যাভাস পোৱা যায়।[১৭৭] গাখীৰ সেই সময়ত উভৈনদী আছিল। প্ৰতিখন চৰিততে গাখীৰৰ উল্লেখ পোৱা যায়। জলপানৰ লগত গাখীৰ খোৱাৰ উপৰি গাখীৰ পগাই 'ক্ষীৰ' কৰি খাইছিল। মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰতো গাখীৰ পগাই ঘন খিৰিষা কৰি খোৱাৰ উল্লেখ আছে।[১৭৮] গোপালদেৱে মাধৱদেৱৰ ওচৰত শৰণ ল'বলৈ সন্দেশ কৰাইছিল, কল পকাইছিল আৰু তামোল-পাণ গোটাইছিল।[১৭৯] বেতগাজো খাদ্য হিচাবে ব্যৱহাৰ কৰিছিল। গোপাল আতা নৰিয়াত পৰি থাকোতে তিতা খাবৰ ইচ্ছা কৰি-বেতগাজ আনিবাক কৰিলন্ত গমন"[১৮০] বুলি উল্লেখ আছে উক্ত চৰিতত। পিঠা, চিৰা, লাৰুও খাদ্য আছিল। কবিৰত্নই ভক্তসকলক পাটবাউসীত চিৰা, লাৰু, পিঠা ভোজন কৰাইছিল —

চিৰা লাৰু পিঠা যত।
কদলি যে নানা মত।।
দধি মধু লাৰু ক্ষীৰ।
সুগন্ধি উত্তম নীৰ।।[১৮১]

ইয়াৰ উপৰি দামোদৰদেৱৰ বাৎসৰিকৰ কাৰণে বেহাৰৰ বীৰনাৰায়ণে পিঠা-পনা, চিৰা, লাড়ু, ক্ষীৰ আদি যোগাৰ কৰিছিল —

পিঠা পানা চিৰা লাড়ু দধি মধু ক্ষীৰ।
কদলি শৰ্কৰা ঘৃত খিৰসা ৰুচিৰ।।[১৮২]

১৭৩। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৪
১৭৪। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰু চৰিত*, পৃঃ ৯১
১৭৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৬৮
১৭৬। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২, ২৭, ৭০, ৮৪, ১২৫
১৭৭। খগেশ্বৰ গোস্বামী ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৭
১৭৮। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২
১৭৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭
১৮০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৩৬
১৮১। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫১
১৮২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮০



বাতাচা, জেলেপি, লুচি-পুৰি আদিও মানুহে তৃপ্তিৰে খাদ্য হিচাপে গ্ৰহণ কৰিছিল। ৰূপ আৰু সনাতনে অনেক ব্ৰাহ্মণ, বৈষ্ণৱ যাত্ৰী আদিক 'দুগ্ধ চিৰা চেনি ঘৃত মধুঃ সাতা মনোহৰা বাতাচাঃ জেলেপিঃ ফেনিং লুচিপুৰিঃ জিনৈ এটাঃ মোদকঃ ইক্ষু আখৈ জৰা পুৰা"[১৮৩] আদিৰে আপ্যায়ন কৰিছিল।

মন কৰিবলগীয়া যে অসমীয়া মানুহৰ আহাৰ ৰীতি ভাৰতৰ অন্য প্ৰদেশতকৈ কিছু সুকীয়া। ভৌগোলিক পৰিৱেশৰ কাৰণে এনে হোৱাটো সম্ভৱপৰ হ'ব পাৰে। "অসমৰ থলুৱা মঙ্গোলীয় মানুহৰ পূৰ্বাপৰ প্ৰচলিত আহাৰ ৰীতিৰ প্ৰভাৱো ইয়াৰ অন্যতম কাৰণ হ'ব পাৰে।"[১৮৪] অসমীয়া মানুহৰ ৰন্ধন প্ৰণালীও কিছু সুকীয়া। আলু পিটিকা, মাছ পোৰা আদি অসমীয়া মানুহৰ প্ৰিয়। অসমীয়া মানুহে জুতি লগাই খাব জানে। কিহৰ লগত কি ৰান্ধিলে জুতি লাগিব সেই সম্পৰ্কেও চৰিত পুথিসমূহত উল্লেখ আছে। ব্যঞ্জন বিধিৰ উল্লেখে অসমীয়া মানুহৰ খাদ্য সম্পৰ্কে অৱগত কৰায়। সাধাৰণতে ভকতবৃন্দই যেতিয়াই যি পাইছিল তাকে আদৰেৰে গ্ৰহণ কৰিছিল —

শাকে পাতে যেনে তেনে কৰিলা ভোজন।
খাৰ তেল আঞ্জা দিয়া কৰিয়ো ব্যঞ্জন।[১৮৫]

নৈ, বিল, খাল, পুখুৰীত ৰৌ, কাটল আদি বৰ বৰ মাছৰ উপৰি ভুৰা, ডৰিকণা, মৌৱা মাছ আদি সৰু সৰু মাছ আছিল উভৈনদী। কি শাকৰ লগত কি মাছ ৰান্ধিলে আঞ্জা জুতি লগা হ'ব সেই সম্পৰ্কেও চৰিতত উল্লেখ আছে। শিশু শংকৰে গোপাল ৰূপে "ডেম ডেউকা মাগুৰ মাছৰ গৰি দিঃ বালিচুকা লাঙ্গি ভাঙ্গন দিঃ বালি বাবৰিএ বৰিৰলা মাছে ৰান্ধোতে 'অমৃত প্ৰাই" হৈছিল।[১৮৬] ৰান্ধোনৰ জুতি "সলে মলেঃ কাৱৈ পালেঙ্গেঃ ডৰিকে বাঙ্গনেঃ ৰউএ অউত্ৰঃ চুকা মাগুৰেঃ ঢেকিয়া মোৱাঃ বাবৰি বটিয়াঃ খলিহা বেহাৰে"।[১৮৭] শঙ্কৰদেৱে শেষ বয়সত নৈত উটি যোৱা কুঁয়া কাটল মাছ ধৰি "বাকলি গুচাই খুতুৰাকৈ তৰাপাত পতৰা কৈলে.... আদখাৰ ভজা টেঙা জনি জালুক হৰিদ্ৰা দি ৰান্ধিলে।"[১৮৮] মাছো বিবিধ ধৰণে ৰান্ধি খাইছিল। মাছৰ টেঙা, খাৰ, ভজা, পোৰা আদি।[১৮৯]

১৮৩। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ১৩৪
১৮৪। লীলা গগৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৬৯
১৮৫। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৪, ১০৫
১৮৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২
১৮৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৬৮
১৮৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৮২
১৮৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩১৪

মা-মছলাৰ ভিতৰত আদা, জলকীয়া, জালুক, হালধি, লোণ, কলাখাৰ আদিৰ উল্লেখ পোৱা যায়। পুৰণি কালত লোণ বৰ দুৰ্লভ আছিল। লোণদান বিশিষ্ট দান হিচাপে ধৰা হৈছিল। দুৰ্লভ হেতুকে লোণৰ পৰিবৰ্তে সণ্ঢালনীকৈ কলাখাৰৰ খাৰণি ব্যৱহাৰ হৈছিল — লোণ বা নাই খাৰণি মৰিচে খাই অহা।[১৯০]

কলাখাৰ হ'ল আঠীয়া কল বা ভীম কলৰ শুকান বৌখা বা মধুনা পুৰি কৰা ছাইৰ নিঃসৃত পানী। ই লুণীয়া গুণযুক্ত। বিশেষকৈ আহিন-কাতি মাহত কলাখাৰ তৈয়াৰ কৰা হয়। বিভিন্ন ব্যঞ্জনত কলাখাৰ ব্যৱহাৰৰ উপৰি কাপোৰ-কানি লেতেৰা বা মলিয়ন হ'লে কলাখাৰেৰে সিজাই ধুলে পৰিষ্কাৰ হয়। আজিৰ দৰে কাপোৰ-কানি ধোৱাৰ বাবে সেই সময়ত অসমীয়া সমাজত আধুনিক বিজ্ঞানসন্মত ৰাসায়নিক দ্ৰব্যৰ ব্যৱহাৰ নাছিল। সেই সময়ত অসমীয়া মানুহে খাৰণিৰে মূৰ ধোৱা, কাপোৰ ধোৱা আদি কৰিছিল। গুৰু-চৰিত-কথাত উল্লেখ আছে যে এবাৰ গুৰুজনাৰ কাপোৰ লেতেৰা হোৱাত মাধৱদেৱে — "খাৰ থালি যোঁকে প্ৰাৱসে আহি ধনুখন্দাৰ কাখে সিজাই ধুই দিলে"।[১৯১]

মৌ আছিল তৃপ্তিকৰ আহাৰ। বিভিন্ন অসুখ-বিসুখত মৌ খোৱা হয়। গুৰু-চৰিত-কথাত উল্লেখ আছে যে খাগৰি কটা হাবিত মাখি মৌ এবাহ পাই ভক্তসকলে মাধৱদেৱক দিছিলহি। মাধৱদেৱে সকলোকে বিলাই দি কৈছিল — "তোমাসবে মৌ ভোজন কৰিলাহকঃ আমিও মাউতৰিয়া ঘোষা কৰো"।[১৯২] চাউলৰ বিভিন্ন ভাগৰ ভিতৰত মোটা চাউল, উষ্ণ চাউল আছিল।[১৯৩]

সাধাৰণতে খাদ্য গ্ৰহণৰ অন্তত তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজৰ এটি ৰীতি। অসমীয়া সংস্কৃতিত পাণ-তামোলৰ এক বিশেষ স্থান আছে। আলহী-অতিথি ঘৰলৈ আহিলে প্ৰথমতে তামোল-পাণৰ বটাখন আগবঢ়াই দিয়া হয়। তামোল-পাণেৰে মান-সৎকাৰ কৰা হয়। হাজাৰ দোষ এখন গুৱা-পাণেৰে মৰিষণ কৰাও হয়। চৰিত পুথিসমূহতো তামোল-পাণৰ উল্লেখ পোৱা যায়। মুখশুদ্ধি তামোল-পাণেৰে কৰা নিয়ম। হৰি কথা আলাপ কৰোতেও গুৱা ভোজন কৰা হয়।[১৯৪] ৰজা নৰনাৰায়ণে বন্দী কৰি ৰাখোতে নাৰায়ণ দাস আৰু গোকুল চান্দক কান্ধত কুন্ধা বান্ধি হৰিষাই আনিছিল।

১৯০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২১১
১৯১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭০
১৯২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৬৮
১৯৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০১
১৯৪। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰু চৰিত*, পৃঃ ১৮০



কুন্দাৰ ভৰৰপৰা সকাহ পাবৰ কাৰণে এখন দোকান পাই তামোল মাগিছিল —

এক দোকানীত তাম্বুল মাগিলন্ত।।

.................................................

তাম্বুল ভঞ্জিয়া কিছু স্বচ্ছ লভিলন্ত।।[১৯৫]

তামোল বোৱা সম্পৰ্কেও ডাকৰ বচনত উল্লেখ আছে "সাতে তনু পাঁচে ঘন ছয়ত তামোল নদন বদন।"

দৈনন্দিন জীৱন যাত্ৰাত ঘৰ-বাৰী সজাৰপৰা আৰম্ভ কৰি বেমাৰ-আজাৰলৈকে বহুতো সৰু সৰু কাম-কাজত অসমীয়া মানুহৰ জীৱন ধাৰণ প্ৰণালী প্ৰতিফলিত হৈছে। অসমীয়া মানুহৰ গৃহৰ আকাৰ অন্য প্ৰদেশৰ মানুহতকৈ সুকীয়া। ব্যৱহাৰ্য সামগ্ৰীৰ ভিতৰত ঘৰ মানুহৰ মুখ্য উপাদান। "গৃহ নিৰ্মাণ প্ৰথা, গৃহৰ আকাৰ, প্ৰকৃতি আৰু ভিতৰৰ আহিলা-পাতিৰ ব্যৱহাৰত দেশৰ সভ্যতা আৰু জাতিৰ মনোবৃত্তি প্ৰকাশ পায়।"[১৯৬] এটি বিৰাট ঘৰৰ সলনি অসমীয়া মানুহে বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ, ৰান্ধনি ঘৰ, গোঁসাইঘৰ, ভঁৰালঘৰ, বাটচৰা, গোহালি ঘৰ আদি বিভিন্ন প্ৰয়োজনৰ কাৰণে সৰু সৰু সুকীয়া ঘৰ সাজে।[১৯৭] 'বৰঘৰ বৰমেলা নকৰিবা তুমি' বুলি ৰামচৰণৰ চৰিতত উল্লেখ আছে। মূলঘৰতকৈ পাকঘৰ সৰুকৈ সাজিব লাগে। ভাদ, কাতি, পুহ, মাঘ আৰু চ'ত মাহত ঘৰ সাজিব নাপায় বুলি লোক বিশ্বাস আছে। ঘৰৰ প্ৰথম খুঁটা পোতোতে মূল ধৰণী খুঁটা স্বৰূপে গণ্য কৰি ধ্বজাৰ প্ৰতীক ৰূপে খুঁটাত বস্ত্ৰ মেৰিয়াই দিয়া নিয়ম। উত্তৰে পাকঘৰ, দক্ষিণে গোহালিঘৰ সজা হয়। সাধাৰণতে "উত্তৰে চৰু দক্ষিণে গৰু" বুলি বিশ্বাস আছে। গোহালি ঘৰত লক্ষ্মীৰ বাস হয় বুলি বিশ্বাস কৰা হয়। পাগঘৰ আৰু গোহলি ঘৰত জোতা, চেণ্ডেল আদি সোমোৱা নিষেধ। পাগঘৰটোত এক নিৰ্দিষ্ট এলেকাৰ ভিতৰত ৰান্ধনীৰ বাহিৰে অন্য মানুহৰ প্ৰৱেশ নিষেধ। ৰন্ধন শালত এক বিশেষ সাজ-পোছাক পিন্ধা নিয়ম। খোৱা আৰু শোৱা ঘৰৰ কোঠা মাটিৰে লেপন কৰা নিয়ম। পাগঘৰ, গোহালি ঘৰ তথা মূল ঘৰৰ উপৰি ভঁৰাল ঘৰ এটি সজাৰো নিয়ম আছে। এই ঘৰবোৰ সাধাৰণতে বাঁহ, কাঠ, খেৰেৰে তৈয়াৰ কৰা হয়। অৱশ্যে আধুনিক প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱত এইবোৰৰ ব্যৱহাৰ প্ৰায় নাইকিয়া হৈ আহিছে। তাৰ ঠাইত ইটা, বালি, চিমেণ্ট, টিনপাত আদিয়ে ঠাই ল'লে। অসমীয়া মানুহৰ ব্যৱহাৰ্য সামগ্ৰীসমূহে তেওঁলোকৰ জীৱন-যাত্ৰাৰ পদ্ধতিৰ পৰিচয় বহন কৰে। অসমীয়া মানুহৰ ব্যৱহাৰিক

১৯৫। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৩
১৯৬। বিৰিঞ্চি কুমাৰ বৰুৱাঃ *অসমীয়া ভাষা আৰু সংস্কৃতি*, পৃঃ ৬৫
১৯৭। *পূৰ্বোক্ত*

সঁজুলি অসমত প্ৰচুৰ পৰিমাণে হোৱা বাঁহ, কাঠ, খেৰ, বেত, ইকৰা,খাগৰি, টকৌপাত, নাহৰপাত আদিৰে তৈয়াৰ কৰি আহিছে। অসমীয়া মানুহৰ ব্যৱহাৰ্য প্ৰতিটো সঁজুলিতে বাঁহৰ ব্যৱহাৰ কৰা হয় বুলিয়েই ক'ব পাৰি। বাঁহৰ ব্যৱহাৰৰ প্ৰাচুৰ্যৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া সংস্কৃতিক কোনো কোনোৱে "বাঁহ-সংস্কৃতি" বুলিও নামকৰণ কৰিব খোজে। খেতি-বাতিৰ লগত জড়িত সঁজুলিবিলাকৰ ভিতৰত- বিন্ধা, দলিমাৰি, ওখোন, হেলোঙা, বিৰিয়া, চিপিয়া, বাও, খাং, ডুলি, পাচি, খৰাহি, ডুগী আদি। গুৰু-চৰিত-কথাত উল্লেখ থকা ডাউকি গাঁৱৰ বুঢ়াই পলা, ঢলা, কুলা, জকাই, জুলুকি আদি ঘৰৰ আৰু মাছ ধৰা সঁজুলি নিজে সাজিছিল।[১৯৮] মন কৰিবলগীয়া যে এই আটাইবোৰ সঁজুলি আছিল বাঁহৰ। কৃষি কৰ্মৰ লগত জড়িত অন্যান্য সঁজুলিৰ ভিতৰত কোৰ, খন্তি আদি উল্লেখনীয়। বিভিন্ন প্ৰকাৰৰ কটাৰী, কাচি আদিৰ ব্যৱহাৰো মন কৰিবলগীয়া। এই ধাতৱ সঁজুলিবোৰতকৈ কাঠ, বাঁহৰ সঁজুলিবোৰ আগৰ। অৱশ্যে ধাতৱ সঁজুলিৰ ব্যৱহাৰো খ্ৰীষ্টপূৰ্ব কালৰপৰাই হৈ অহাৰ উমান পোৱা যায়।[১৯৯] দৈনন্দিন জীৱনত বিভিন্ন কামত সততে ব্যৱহাৰ কৰা লোৰ সঁজুলিৰ ভিতৰত কোৰ, দা, কুঠাৰ আদিয়ে প্ৰধান।[২০০]

বাঁহ অসমীয়া সংস্কৃতিৰ অপৰিহাৰ্য অংগ। দৈনন্দিন জীৱনত বাঁহৰ ব্যৱহাৰেই আটাইতকৈ বেছি। অৱশ্যে আজিকালি বিজ্ঞানৰ প্ৰভাৱত ন ন সামগ্ৰীৰ উৎপাদনে বাঁহৰ ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত মাধমাৰ শোধাইছে। প্ৰতিখন চৰিততে বাঁহ, বেতৰ উল্লেখ আছে। ধান থ'বৰ বাবে বাঁহেৰে ডুলি তৈয়াৰ কৰি লোৱা হয়। গুৰু-চৰিত-কথাতো ডুলিৰ উল্লেখ পোৱা যায়।[২০১] কাপোৰ থোৱা জপাৰ উল্লেখো চৰিত পুথিত পোৱা যায়। 'যাৰ নাই বাঁহ, তাৰ নাই সাহ' প্ৰৱচন ফাঁকিয়ে দৈনন্দিন জীৱনত বাঁহৰ প্ৰয়োজনীয়তাৰ কথাকে সোঁৱৰায়। সেই কাৰণে বোধকৰোঁ ব্যৱীৰ পিচ পিনে অন্ততঃ বাঁহ এজোপা ৰোৱা হয়।

পিতলৰ ব্যৱহাৰো প্ৰাচীন। পিতলৰ বাচন-বৰ্তন সাধাৰণতে খোৱা-বোৱা তথা ৰন্ধা-বঢ়াৰ লগত সম্পৰ্কিত। অসমত কাঁহ-পিতলৰ কুটীৰ শিল্প প্ৰাচীন কালৰেপৰা চলি আছে। হাজো আৰু সৰ্থেবাৰীত কাঁহ-পিতলৰ বাচন-বৰ্তন আজিও তৈয়াৰ কৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসমৰ ইছলামধৰ্মী মৰীয়া সম্প্ৰদায়ৰো বৃত্তি পিতলৰ বাচন-বৰ্তন তৈয়াৰ কৰা।[২০২] পিতলৰ বাচন-বৰ্তনৰ ভিতৰত টৌ, কলহ, চৰিয়া, খৰাহি, চাকি, বাটি, হেতা,

১৯৮। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৬৯
১৯৯। নগেন শইকীয়া, 'অসমীয়া মানুহৰ ইতিহাস', *গৰীয়সী, পূৰ্বোক্ত* সংখ্যা
২০০। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৯, ৬৫, ১০৩
২০১। *পূৰ্বোক্ত গ্ৰন্থ*, ঃ পৃঃ ৬৪
২০২। নগেন শইকীয়া, 'অসমীয় মানুহৰ ইতিহাস', *গৰীয়সী, পূৰ্বোক্ত* সংখ্যা।



কাঁহী, ঘটি, লোটা আদিয়েই প্ৰধান। "মৰীয়াসকলে পিতলৰ টৌ-চৰিয়া, গাগৰি আদি বান্ধনি ঘৰত লগা বাচন-বৰ্তনৰ বাহিৰেও হিন্দু ধৰ্ম আৰু মাঙ্গলিক অনুষ্ঠানত প্ৰয়োজন হোৱা বনবাই দুলড়ি আদিও মনোৰমভাৱে আজিকোপতিও তৈয়াৰ কৰি আছে।"[২০৩] গুৰু-চৰিত-কথাত লোটা, বাটি, টৌ, চৰিয়া, কলহ, কাঁহী আদিৰ উল্লেখ পোৱা যায়।[২০৪] এইবোৰে দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য সামগ্ৰীৰ কথাকে সোঁৱৰায়।

ঘৰখনত দৈনন্দিন লগা সামগ্ৰীৰ ভিতৰত গাৰু, তুলি, ধুতী, গামোচা, আদিও উল্লেখনীয়। পুৰুষ-মহিলা ভেদে সাজ-পাৰ বেলেগ। সাধাৰণ মানুহে শালে কটা চুৰীয়া, চাদৰ, চেলেং গামোচা মূৰত মাৰে। কপাহী, এৰী, মুগা কাপোৰ ব্যৱহাৰৰ প্ৰাচুৰ্য আছিল। তিৰোতাই ৰিহা-মেখেলা, চেলেং, চাদৰ, গুণাকটা খনীয়া ব্যৱহাৰ কৰিছিল। গুৰু-চৰিত-কথাত পাটভুনি, পাট কাপোৰৰ উপৰি ধুতী, গামোচাৰ উল্লেখো আছে।[২০৫] উল্লেখযোগ্য যে মধ্যযুগৰ অসমত 'খৰম'ৰ ব্যৱহাৰ কৰা হৈছিল।[২০৬] মন কৰিবলগীয়া যে কোনো এটা জাতিৰ সাজ-পোছাকে সেই জাতিটোৰ সাংস্কৃতিক মনৰ প্ৰকাশ ঘটায়। অসমীয়া তিৰোতাসকল তাঁত বোৱাত বিশেষকৈ ফুলবছা, দহি কটা আদি কামত পাকৈত। অৱশ্যে পুৰুষেও বস্ত্ৰ শিল্পত নিপুণতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। সেই সময়ত তাঁতীকুছিৰ তাঁতীসকলে নিৰ্মাণ কৰা বৃন্দাবনী বস্ত্ৰই অসমীয়া জাতিৰ শিল্প কুশলতা তথা নৈপুণ্যতাকে সোঁৱৰায় —

সু বিচিত্ৰ বস্ত্ৰখান তেখনে দেখিয়া।
বৃন্দাবন লীলা সব তাহাক জানিয়া। [২০৭]

অসমীয়া তিৰোতাই বিশেষকৈ গাভৰু ছোৱালীয়ে ডিঙিত মাছৰ চকু যেন বিৰী, গেজেৰা, সোণ পোৱালৰ মণি, কাণত পৰিয়লী বাখৰ খটোৱা কেৰু, থুৰীয়া, জাংফাই, হাতত খাৰু, দহো আঙুলিত আঙঠি পিন্ধিছিল। চৰিত পুথিসমূহতো বিভিন্ন প্ৰকাৰৰ আ-অলংকাৰৰ কথা পোৱা যায়। জোৰণৰ লগত কন্যালৈ দিয়া বিভিন্ন প্ৰকাৰৰ আ-অলংকাৰ এই ক্ষেত্ৰত দ্ৰষ্টব্য।[২০৮] ঠাকুৰ চৰিততো মাধৱদেৱে পুৰুষোত্তম ঠাকুৰ আতাক সোণৰ গুণি, মণিধাৰী দিয়াৰ উল্লেখ আছে। ঠাকুৰ আতাই পৰম আনন্দে

২০৩। বিৰিঞ্চি কুমাৰ বৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৮
২০৪। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৯, ১৬৪
২০৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০০, ১১৫, ৬৪, ৭৪,৭৮
২০৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯০
২০৭। দীননাত বেজবৰুৱা ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৬
২০৮। পূৰ্ব-বিবৃত

মণিধাৰী কণ্ঠত পিন্ধিলে —

পুৰুষোত্তমক আতা মণিধাৰী দিলা।
পৰম আনন্দে আতা কণ্ঠত পিন্ধিলা।[২০৯]

ইয়াৰ উপৰি— "দুই পাতি খাৰু দিয়া চাহিয়া থাকিয়ো।।"[২১০]

তদুপৰি প্ৰসাধনত হালধি, তেল, জেতুকা আদিৰ ব্যৱহাৰ কৰে। সৌন্দৰ্য সাধনৰ কাৰণে গাভৰুৱে খোপাত মালা আৰু ফুল গুঁজি লয়। বিবাহিতা মহিলাই হিন্দু ধৰ্মৰ নিয়ম অনুসৰি শিৰত সেন্দূৰৰ জোৰ ফোঁট মাৰে। গুৰু-চৰিত-কথাত শঙ্কৰ-মাধৱৰ মিলনৰ সময়ত যুক্তি তৰ্কত প্ৰসংগক্ৰমে তিৰোতাৰ কপালৰ সেন্দূৰৰ সৌন্দৰ্যৰ কথা শঙ্কৰদেৱে দাঙি ধৰিছে এনেদৰে — "প্ৰাণৰ ভোজনে ইন্দ্ৰিয় তুষ্টঃ বতিস অলংকাৰে কচালে সিৰ ন'হলে অশোভন"।[২১১]

মানুহে বিভিন্ন প্ৰকাৰৰ জীৱ-জন্তু পোহে। অসমীয়া সমাজৰ প্ৰায় লোকেই হাঁহ-পাৰ, কুকুৰা, গৰু, ছাগলী, ম'হ, কুকুৰ আদি পোহ-পালন কৰি আহিছে। গুৰু-চৰিত-কথাত ঘৰচীয়া জন্তুৰ উপৰি বিভিন্ন বনৰীয়া জীৱ-জন্তুৰ উল্লেখ পোৱা যায়। গৰু, ম'হ, ছাগলীৰ[২১২] উপৰি "বাঘে ভালুকে ঘোঙ্গে মহে বৰা হস্তী"[২১৩] নেউল, কেৰ্কেটুৱা, মৃগেন্দ্ৰ[২১৪] আৰু পক্ষৰ[২১৫] উল্লেখো আছে। উল্লেখনীয় যে নৰোত্তম আতৈৰ চৰিতত পেৰাৰ উপৰে পাৰ চৰাই উৰাৰ কথা আছে এনেদৰে —"দেখয় পাৰৱা উৰে পেৰাৰ উপৰে।"[২১৬]

দৈনন্দিন জীৱনত ব্যৱহাৰ্য কাঠৰ সামগ্ৰীৰ ভিতৰত পীৰা, পেৰা আদিয়ে প্ৰধান। পীৰাত বহি খোৱা-লোৱাৰ উপৰি লিখা-মেলাও কৰা হৈছিল। ঠাকুৰ চৰিতত পীৰাৰ প্ৰসংগ উত্থাপিত হৈছে এনেদৰে —

পীহ্লাত দুখানি চৰণ তুলিয়া
ভোজনক কৰিলন্ত ;[২১৭]

২০৯। কেশৱানন্দ দেৱগোস্বামী (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫
২১০। *পূৰ্বোক্ত*
২১১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৭
২১২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৫৬, ৬৮
২১৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৩
২১৪। *পূৰ্বোক্ত*
২১৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃ. ১১৯
২১৬। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫
২১৭। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৯



পেৰা হ'ল কাপোৰ-কানি থোৱা; কাঠেৰে নিৰ্মিত বাকচ। ই যথেষ্ট আহল-বহল আৰু এন্দুৰ-নিগনিৰপৰা সম্পূৰ্ণ নিৰাপদ। যথেষ্ট ওজনযুক্ত হোৱা কাৰণে আধুনিক টিনৰ বাকচৰ দৰে সঘনাই লৰচৰ কৰিব নোৱাৰি। নৰোত্তম আতৈৰ চৰিতত পেৰাৰ উল্লেখ পোৱা যায়।[২১৮]

'বাসগৃহ' মানুহৰ এটি মৌলিক উপাদান। খাদ্য, বস্ত্ৰ, গৃহ জীয়াই থাকিবলৈ নিত্যন্তই প্ৰয়োজন। সাধাৰণতে সৰু ঘৰত বাস কৰিবলৈ অসুবিধা। আহল-বহল মুকলি পৰিৱেশ স্বাস্থ্যৰ কাৰণেও উপযোগী। গৰু-মহ-ছাগলী আদি পুহিবলৈ অন্য ঘৰ সাজে। আনকি শোৱা, খোৱা আৰু আলহী-অতিথিৰ কাৰণেও সুকীয়া সুকীয়াকৈ গৃহ নিৰ্মাণ কৰি লোৱা হয়। নীলকণ্ঠৰ চৰিতত উল্লেখ আছে যে সতানন্দই হাজোৰপৰা উজাই গৈ বৰপেটা বিলৰ কাষত চন্দ্ৰাৱতীপুৰত থাকিবলৈ ঠিক কৰি বাসগৃহ সজালে এনেদৰে—

গৰ-খাই দিয়া আলি পদুলি বান্ধিলা।
হৰকলিয়া চৌপাশে বেড়ি দিলা।।
শয়ন ভোজন গৃহ বসিবাৰ থান।
অতিথি নিবাস দেৱগৃহৰ নিৰ্ম্মাণ।।
কুপ বাটঘৰ আনো সমস্তে কৰিলা।
পুত্ৰ ভাৰ্য্যা সমে দ্বিজ তথাতে বহিলা।।[২১৯]

ইয়াতে অসমীয়া মানুহৰ জীৱন-চৰ্যাৰ পৰিচয় পোৱা যায়।

ইয়াৰ উপৰি গৃহ শুদ্ধ কৰিবৰ কাৰণে গোবৰেৰে ঘৰ লিপাটো নিয়ম। দামোদৰদেৱে বেহাৰত প্ৰৱেশ কৰি এঘৰ গৃহস্থৰ ঘৰত থাকিবলগীয়া হ'ল। তেতিয়া গৃহস্থই এটা গোট গৃহ আজৰি কৰি গোবৰ পানীৰে মচি শুদ্ধ কৰি দিছিল —

গোময় দিয়া আঙ্গিনা গৃহক
লিপিয়া শুদ্ধ কৰিলা।
বহুমান্য কৰি সেহি গৃহে নিয়া
বহিবাক স্থান দিলা।।[২২০]

দৈনন্দিন জীৱন-চৰ্যাত এটি উল্লেখনীয় দিশ হ'ল বেমাৰ-আজাৰ আৰু প্ৰতিপালৰ ছবি। জীৱ মাত্ৰেই বেমাৰ-আজাৰ আছে। বেমাৰ-আজাৰ হ'লে সেই সময়ৰ মানুহে প্ৰথমে

২১৮। নৰোত্তম আতৈ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫, ২৬
২১৯। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৪, ৪৫
২২০। ৰামৰায় দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯

বেজৰ ওচৰ চাপিছিল। সমাজ বেজ, ধনন্তৰী, ওজা আদিৰে ভৰি আছিল। অৱশ্যে এতিয়াও গাঁৱলীয়া সমাজত বেজালি, ওজাবিদ্যা আদি আছে। চৰিত পুথিসমূহতো বেজ-ওজাৰ উল্লেখ পোৱা যায়। এবাৰ কলিংগ দেশৰ ৰজাৰ মুখত দুৰাৰোগ্য ৰোগ ওলোৱাত অৰ্ধ ৰাজ্যৰ আশাত " অনেক দেশৰ অনেক বেদ ধন্বন্তৰী অথৰ্ব্ব বেদী আহি"[২২১] ৰজাক চিকিৎসা কৰিলে। সেই সময়ত জৰা-ফুঁকাৰ ব্যৱহাৰো আছিল। গোবিন্দ নামে এজন ভকতক ডাঁহি সাপে দংশন কৰাত বিষ হোৱাত বেজ-বিচাৰি আৰাম পাইছে।[২২২] হৰিচৰণ ঠাকুৰে ৰামদাস আতাৰ কন্যাক বিয়া কৰোৱাৰ কিছুদিন পাচত পাগল হোৱাত ঔষধ সেৱন কৰাই ভাল কৰিলে।[২২৩]

## যাতায়তঃ

দৈনন্দিন জীৱনত মানুহে এঠাইৰপৰা অন্য ঠাইলৈ বিভিন্ন কাৰণত অহা-যোৱা কৰিবলগীয়া হয়। মধ্যযুগৰ অসমত যান-বাহনৰ সুগম নোহোৱা কাৰণে মানুহে প্ৰায়ে খোজ কাঢ়িয়েই অহা-যোৱা কৰিছিল। শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণ কৰোতে সংগী সহিতে গয়া, বৃন্দাবন, মথুৰা আদি তীৰ্থস্থানসমূহ পদব্ৰজে ভ্ৰমণ কৰিছিল। গুৰু দুজনা, নাৰায়ণ দাস ঠাকুৰ আতা, গোবিন্দ আতৈ, মথুৰা আতৈ, শ্ৰীৰাম আতা, ৰামৰাম আতা প্ৰভৃতিয়ে উজনিৰপৰা বেহাৰলৈ খোজ কাঢ়িয়েই অহা-যোৱা কৰি ধৰ্ম প্ৰচাৰ কৰিছিল।

নাও আছিল যাতায়তৰ প্ৰধান আহিলা। প্ৰতিখন চৰিত পুথিতে নাৱৰ উল্লেখ একাধিকবাৰ আছে। নদীপ্ৰধান দেশ হোৱা কাৰণে মূদৈবোৰে নাৱেৰে বেহা-বেপাৰ কৰিছিল।[২২৩] হৰিচৰণ ঠাকুৰে দক্ষিণ কূলৰ সৰু গুৰুৰ ঠাইলৈ যাওঁতে "ধানে-কোৰে-গুৰে পাঁচখন নাও ভৰাই দি সন্মান কৰিছে।"[২২৫] যাওঁতে সকলোবিলাক নৌকা কৰি গৈছিল।[২২৬] নৰনাৰায়ণ ৰজাই ৰাজদূত পঠাই শঙ্কৰদেৱক ধৰিবলৈ পঠোৱাত "গুৰুজনে নাও ভৰা দি বঢ়াৰ পোক জনাইছে, সকলো বস্তুবোৰ লৈ শীঘ্ৰে ওলোৱা, একো বস্তু এৰি থৈ নাহিবা।" "আটাইবোৰে নাও যোজাই কৰি উজাই যাবলৈ প্ৰস্তুত হৈছে ।..... নাও উজাই ৰাত্ৰি যোগে ভাটী মুখে নাও মেলি দিলে।"[২২৭]

২২১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৩
২২২। তদীয় ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১২৪
২২৩। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৭৪
২২৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৪, ১০৭
২২৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৮
২২৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯৯
২২৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৩



নাও তাকৰ হ'লে কেতবোৰ কলৰ ভুৰ সাজিও গৈছিল।[২২৮] ইয়াৰ উপৰি কেতিয়াবা নাৱেৰে যায়, কেতিয়াবা বামে যায়।[২২৯]

ৰাজ-দৰবাৰত সাধাৰণতে দোলা ব্যৱহাৰ কৰা হৈছিল। নৰনাৰায়ণ ৰজাই শৰণ লোৱাৰ ইচ্ছাৰে শঙ্কৰদেৱক নিবলৈ দোলা দি পঠাইছিল।[২৩০] সকলোৱে দোলা ব্যৱহাৰ কৰিব নোৱাৰিছিল।

প্ৰাচীন অসমত যুদ্ধৰ সময়ত হাতী, ঘোঁৰা, উট, গাধ, ৰথ আছিল যাতায়তৰ প্ৰধান মাধ্যম। এবাৰ কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু গৌৰেশ্বৰ ধৰ্মনাৰায়ণৰ মাজত বিবাদ লাগিলত কামেশ্বৰে- "হস্তি ঘোৰা উট গৰ্দ্দভ ৰথ যোকৈ খেদি গৈ গোৰেশ্বৰ ৰাজ্য পালেগৈ"।[২৩১]

তেতিয়াৰ দিনত যাতায়তৰ ব্যৱস্থা উন্নত নাছিল। এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰাটো আছিল বৰ কষ্ট সাধ্য। যাতায়তৰ প্ৰধান মাধ্যম আছিল নাও। নাও আছিল অনেক বিধ। কোথা, মানচৈ, গমাৰি নৌকা, কোষ্ণ নাও, গিনিচ, ৰজৰা আদি।[২৩২] মূদৈ, সদাগৰসকলে নাৱেৰে বেহা-বেপাৰ কৰিছিল। ভৱানন্দই "নাঞ বেহা ধৰিলে ঃ"[২৩৩] আৰু এসময়ত যথেষ্ট ধনৰ গৰাকী হৈছিল। শঙ্কৰদেৱে নাৰায়ণ দাস ঠাকুৰ আতা আৰু মাধৱদেৱক 'সখি' কৰাই দিব বুলি আলোচনা কৰি থাকোতে পলম হোৱা কাৰণে — "পাচে আতা নাৱলৈ গল বিদায় লৈ সেৱাকৈ "।[২৩৪] এদিন মাধৱদেৱ আৰু ঠাকুৰ আতাই গুৰুজনৰ ওচৰলৈ যাওঁতে বাটতে —

এটি জান আছে তাতে নাঞখানি সিপাৰে আছে ঃ
হেচুকি দিলে ই পাৰে পাই ঃ সিপাৰে এটাই ভুই কৰিচে ঃ
তাকে বোলে নাঞখানি ইপাৰকৈ দে ঃ আমি জগতগুৰু
ঠাইলৈ জাঞ ঃ[২৩৫]

দৈত্যাৰি ঠাকুৰ[২৩৬], ভূষণ দ্বিজৰ[২৩৭] চৰিততো একাধিক বাৰ নাৱৰ উল্লেখ আছে।

২২৮। *পূৰ্বোক্ত*
২২৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৬০
২৩০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৯
২৩১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৭
২৩২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৫, ১৮৭, ৩৫৩, ৩৬০, ৪৫২
২৩৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২
২৩৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৭৮
২৩৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯৪, ৯৫
২৩৬। দৈত্যাৰি ঠাকুৰ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৬,১০৬,১১৪,১৬৯,১৭০,
২৩৭। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৪, ৭৬,৭৭, ৮৮,১০০,১০৭

ৰামচৰণ ঠাকুৰৰ গুৰু চৰিততো নাৱৰ উল্লেখ আছে। ভকতসকলৰ লগত শঙ্কৰদেৱ নাৱত উঠি পাটবাউসীলৈ গৈছিল —

নৌকা বায় গৈলা শঙ্কৰক আগ কৰি।।
মহাৰঙ্গে ঘাটে যাই উঠিলা শঙ্কৰ।[২৩৮]

শঙ্কৰদেৱে দ্বিতীয়বাৰ বেহাৰলৈ যাবলৈ ওলাই নাৰায়ণ ঠাকুৰক "নাও সাজিবাক তুমি কৰা আয়োজন"[২৩৯] বুলি কৈছিল। ৰামচৰণ ঠাকুৰৰ চৰিতত যাতায়তৰ বাহন ৰূপে ঘোঁৰাৰ উল্লেখো আছে —

ঘোড়াত চৰিয়া কৰিলা গমন
যাহাৰ পৰম নাম।।[২৪০]

ৰামানন্দ দ্বিজৰ **শ্রীগুৰুচৰিতত** নাৱৰ উপৰি ভুৰৰ উল্লেখো আছে। 'ভুৰ' কলগছৰ গা অংশৰে বনোৱা হয়। এই কথা চৰিতখনত আছে এনেদৰে — "কলকাটি লৈলা পাচে চলিলা ভুৰত।।"[২৪১] ৰজা নৰনাৰায়ণে শঙ্কৰদেৱক নিবলৈ দোলাৰ কথা পাইকক কৈছিল।[২৪২] ৰমাকান্ত দ্বিজৰ চৰিততো নাৱেৰে যাতায়ত কৰাৰ কথা আছে।[২৪৩] **শ্রীশ্রীগোপালদেৱ চৰিততো** নৌকাৰ কথা পোৱা গৈছে।[২৪৪]

---

২৩৮। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১৮
২৩৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৮০৫
২৪০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১
২৪১। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯১
২৪২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২৪
২৪৩। ৰমাকান্ত দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৭, ৬৯, ৭৩
২৪৪। ৰত্নেশ্বৰ গোসাঁই (সংক) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২, ১১৪, ১৭০-১৭৩

## দশম অধ্যায়

# অসমৰ চৰিত পুথিত চিত্ৰিত ৰাজনীতি ঃ সম্প্ৰীতি আৰু সংঘাত

অসমৰ চৰিত পুথিসমূহত মধ্যযুগৰ অসম, কামৰূপ আৰু বেহাৰৰ ৰাজনৈতিক অৱস্থাৰ চিত্ৰণ ছেগা-চোৰোকাকৈ ঘটা দেখিবলৈ পোৱা যায়। ইতিহাসৰ পিনে চালে দেখা যায় যে তেৰ-চৈধ্য শতিকাতে কামৰূপলৈ বিভিন্ন মানুহৰ ভিন্ন কাৰণত প্ৰৱেশ ঘটিছিল। অসমৰ ইতিহাসত সুদীৰ্ঘ কাল ৰাজত্ব কৰা ৰাজশক্তিটো হ'ল আহোম। আহোমসকল টাই বা থাই মংগোলীয় গোষ্ঠীৰ মান বংশৰ লোক। এই জাতিৰ মানুহ বৰ্তমান দক্ষিণ-পূব এচিয়াত পূৱে কোৱানচি আৰু হাইনানৰপৰা পশ্চিমে অসম, আৰু উত্তৰে ইউনানৰপৰা দক্ষিণে থাইলেণ্ড পৰ্যন্ত বিয়পি আছে। ১২২৮ খ্ৰীঃ ত চুকাফাই অসমত আহোম ৰাজ স্থাপন কৰে। ১২২৮ খ্ৰীঃ ৰপৰা ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী পৰ্যন্ত আহোম ৰাজশক্তি আছিল যদিও নামনি অসমত কোঁচ ৰজাসকলে ৰাজত্ব কৰিছিল। মন কৰিবলগীয়া যে অৰ্থনৈতিক, ৰাজনৈতিক তথা ভৌগোলিক কাৰণত বাস্তৱ পৰিস্থিতিৰ সলনি হয়। অসম, কামৰূপ আৰু বেহাৰ এই তিনিখণ্ডৰ মাজত যোগাযোগ আছিল। ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততে নতুবা সামাজিক বান্ধোনৰ কঠোৰতাৰ কাৰণতে মহাপুৰুষদ্বয়ে ইঠাইৰপৰা আন ঠাইলৈ গৈ ধৰ্ম প্ৰচাৰ কৰিব লগাত পৰিছিল। নামনি অসম আৰু মধ্য অসমত হিন্দু সমাজ পদ্ধতি প্ৰচলিত আছিল। "নামনি অসম, মধ্য অসম আৰু উজনি অসমৰ হিন্দুসকলৰ মাজত সমাজ গাঁথনিৰ ক্ষেত্ৰত ই নামনিত যিমান গাঢ়, মধ্য অসমত তাতোকৈ শিথিল আৰু উজনিত আৰু একেবাৰে শিথিল থকা বুলি ধাৰণা হয়।"[১] পাটকাই পৰ্বতমালাৰ মাজেৰে অসমলৈ অহা আহোমসকলৰ সংস্কৃতি পোনতে হিন্দু আৰ্য সংস্কৃতিৰ দৰে একে নাছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ-পূব আৰু দক্ষিণ-পূৱৰ চুতীয়া, মৰাণ, নগা, কছাৰী আদিৰ বাসভূমিত শঙ্কৰদেৱৰ মতাৱলম্বী গোপাল আতা, বংশীগোপালদেৱ আৰু তেওঁলোকৰ

---

১। অনিল ৰায়চৌধুৰী, *অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ*, পৃঃ২২

অনুগামীসকলৰ উজনিত ধৰ্ম বিস্তাৰৰ প্ৰতিক্ৰিয়া কামৰূপ, নগাঁও জিলাৰ তুলনাত অধিক সংঘাতপূৰ্ণ আৰু বৈচিত্ৰ্যময় আছিল। উজনিত কছাৰী, মৰাণ, চুতীয়াসকল, আনহাতে নামনিত কোঁচসকলে বসবাস কৰিছিল। শঙ্কৰদেৱ প্ৰমুখ্যে ধৰ্ম প্ৰচাৰকসকলৰ পৰিয়ালবোৰ তথা বাৰভূঞাসকল ৰজাৰ পৃষ্ঠপোষকতাতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰিছিল। কমতাধিপতি দুৰ্লভনাৰায়ণে সাতঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণ এনেদৰেই আনিছিল গৌৰেশ্বৰ ধৰ্মনাৰায়ণৰপৰা। বেছি ভাগ চৰিততে এই প্ৰসংগটোৰ উল্লেখ আছে। **বৰদোৱা-গুৰুচৰিত**ত আছে গোৰেশ্বৰ আৰু কামেশ্বৰৰ মাজত কাজিয়া লাগিল। সাত দিন সাত ৰাতি যুদ্ধ কৰি দুয়োপক্ষ সমকক্ষ হোৱাত মিল হৈ কামেশ্বৰে কৈছে—

> মোৰ দেশত উচ্চজাতীয় লোক নাই, কেইজনমান ব্ৰাহ্মণ আৰু উত্তম কায়স্থ লোক দিলে ভাল হয়। গৌৰেশ্বৰে সন্মত প্ৰকাশ কৰি কনৌজপুৰৰ পৰা কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাতঘৰ ব্ৰাহ্মণ আৰু চণ্ডীবৰ প্ৰমুখ্যে সাতঘৰ কায়স্থ দিয়ে।[২]

**গুৰু-চৰিত-কথা**ত উল্লেখ আছে এনেদৰে, শঙ্কৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰৰ দিনত কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণ আৰু গৌৰেশ্বৰ ধৰ্মনাৰায়ণৰ মাজত "বিবাদ সংগ্ৰাম লাগি ঃ কামেশ্বৰে সেনা সন্তাই লৈ হস্তী ঘোঁৰা উঠি গৰ্দ্দভ ৰথ যোৰৈকে খেদি গৈ গৌৰেশ্বৰৰ ৰাজ্য পালেগৈ"।[৩] কটোৱাল পঠাই যুদ্ধ বা দেশ খুজিলত সাতদিন সাতনিশা যুদ্ধ হ'ল। কাৰো জয়-পৰাজয় নাই। দুয়ো দেৱী দুৰ্গাৰ শিষ্য। শেষত দেৱীৰ কৃপাত দুয়োৰো মাজত মিত্ৰতা হয়। পাচত গৌড়ৰ ৰজাই কমতাপুৰৰ ৰজালৈ " ব্ৰাহ্মণ সাত সূদ্ৰ সাতঘৰ দিলে।"[৪] মন কৰিবলগীয়া যে কামেশ্বৰে মিত্ৰতাৰ চিন স্বৰূপে গৌৰেশ্বৰলৈ গুৱা, সম্ফুৰা, টেমি, কটাৰী সোণৰ শৰাই আনি দিছিল —

> গুৱাৰ সম্ফুৰা টেমি কটাৰী আনিয়ো ।
> সুৱৰ্ণৰ শৰাই আনি সখি আগে দিয়ো।।[৫]

চণ্ডীবৰৰ পুত্ৰ ৰাজধৰ বৰভূঞা হোৱাৰ সময়ত বিশ্বসিংহ (১৫১৫ - ১৫৪০ খ্ৰীঃ) ৰজা আছিল। বিশ্বসিংহ শিৱভক্ত আছিল। শিৱৰ দয়া লাভ কৰি — "মহেশত হন্তে বিশ্বসিংহে সবাকে জিনি একেছত্ৰে ৰাজ লৈছে।"[৬] বাউসীৰ ৰজা গন্ধৰ্ব ৰায়ক বিশ্বসিংহই

২। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪১
৩। তদীয় ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৭
৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৮
৫। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ১৭
৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১



বশ কৰিছিল। শ্ৰীৰামখাঁক ছলে-কৌশলে জিনি ভূঞাসকলকো বশ কৰিছিল। তেতিয়া প্ৰতাপ ৰায় আৰু গাভুৰ্খাৰ ভয় হ'ল। প্ৰতাপ ৰায়ৰ অসমলৈ আহিবৰ মন আছিল। কিন্তু গাভুৰ্খাই বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণৰ ওচৰলৈহে নিছিল। প্ৰতাপ ৰায়ে জীয়েকক নৰনাৰায়ণলৈ বিয়া দি বন্ধুত্ব স্থাপন কৰিলে।[৭]

কছাৰীসকল আছিল অসমৰ অতি প্ৰাচীন অধিবাসী। চণ্ডীবৰে কছাৰী ৰজা দুৰ্লভনাৰায়ণৰ ৰাজ সেৱা কৰিছিল। চণ্ডীবৰক 'দেৱীদাস' নাম দুৰ্লভনাৰায়ণে দিছিল—

> চণ্ডীবৰে ৰাজসেৱা বিস্তাৰ কৰিলা।
> দুৰ্ল্লভ নাৰায়ণে দেৱীদাস নাম দিলা।।[৮]

মাজে-সময়ে ভোটসকল আহি সৰ্বসাধাৰণ মানুহৰ ওপৰত উপদ্ৰৱ চলাইছিল। ৰাজধৰে পথাৰত ধানৰ খেতি কৰি তাতে থকাত ভোটে ধৰি নিলে। চণ্ডীবৰে খবৰ পাই খেদি গৈ দেখিলে যে ৰাজধৰক মাজত লৈ শুই আছে। ভোটক কাটি ৰাজধৰক লৈ আহিল।[৯] গুৰুজনাই জন্ম লাভ কৰাৰ সময়ত অসমৰ ৰজা চুচেনফা ৰাজ-সিংহাসনত আছিল। হিন্দু নাম লোৱা নাছিল, আহোম নামেই প্ৰচলিত আছিল।[১০]

ভূঞা আৰু কছাৰীসকলৰ মাজত মাজে-সময়ে কাজিয়া হৈছিল। এবাৰ "ভূঞাসকলৰ গৰু কছাৰী ৰজাৰ প্ৰজাৰ গৰু একেলগে পথাৰত চৰোৱাত এদিন উভয় দলৰ মাজত কাজিয়া হয়, পাচত ভূঞাসকলে বুদ্ধি কৰি ম'হ আৰু ছাগলী কাটি এটি ভোজৰ আয়োজন কৰি কছাৰীইঁতক নিমন্ত্ৰণ কৰে, সিহঁতে ঢাল-বাৰু পেলাই খাবলৈ ধৰাত ভূঞাসকলে অনেক কছাৰীলোকক কাটে, কেতবোৰ প্ৰাণ লৈ কোনোমতে পলাই যায়।"[১১] ইয়াৰ উপৰি ডফলা আক্ৰমনো[১২] মাজে মাজে হৈছিল। ভূঞাকছাৰীৰ যুদ্ধ, কোঁচ-মৰাণ, ডফলা-মৰাণৰ বৰ্ণনা **গুৰু-চৰিত-কথা**তো উল্লেখ আছে।[১৩]

ঘাঘৰি মাজিও "ডফলা-মৰাণত অচম ৰাজ্যৰ পৰা ভটিয়াই কামৰূপে গো মুৰা সথৈবাৰিতে ৰৈ ঃ খেতি কৃষিকৈ আঢ্যবন্ত হৈ আছে"[১৪] কামৰূপৰ মানুহেও আঁতিগুৰি নেপাই 'অহমিয়া' বুলি বাচে।

আলিপুখুৰীত ৰাজধৰৰ পৰিয়াল থকা সময়তে কছাৰীয়ে ৰাজ্য আক্ৰমণ

৭। ভূষণ দ্বিজ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃঃ ৮৮
৮। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত*, পৃঃ ৩
৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৩
১০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৫
১১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৬৬
১২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৮
১৩। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩৭-৪২
১৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৭৬

কৰিছিল— "তেনেতে কছাৰিএ দেশ খেদি লুট মাৰি নি কপিলিমুখতে ৰৈছেগৈ।।"[১৫] ৰজাই ভয়তে 'ৰাজ ভাগি হাবি সোমাইছে"।

মধ্যযুগৰ অসমত প্রায়ে যুঁজ-বাগৰ হৈছিল। টেম্বুৱানী অঞ্চলতো আসামৰ দৌৰাত্ম্য আছিল। প্রজাই নিজ ঠাই ত্যাগ কৰিবলৈ বাধ্য হৈছিল, আনকি শঙ্কৰদেৱেও প্রাণৰ ভয়ত পলাইছিল —

এক কালে আসামে মাৰিলে টেম্বুৱানী।
আসামৰ ভয়ত পলাইলা সবে প্রাণী।।
শঙ্কৰো পলায়া গৈলা লোকৰ লগত।[১৬]

শঙ্কৰদেৱৰ পিচে পিচে আসামে খেদি গৈ থকাত 'লৌহিত্যত গৈয়া জাম্প দিয়া পৰিলন্ত।' আসামেও গৈ লোহিতৰ কাষ পালে —

হানিবাক খোজয় হাতত যাঠী লৈয়া।।
সাতুৰি শঙ্কৰদেৱ কতো দূৰ যান্ত।[১৭]

ব্রহ্মাপুত্রৰ বুকুত গীতা শাস্ত্রখন পাই উঠি আহি ক'লে — মই ব্রাহ্মণক কি কাৰণে মাৰিবলৈ ওলাইছা? তেতিয়া "উলটি আসাম গৈল দ্বিজ হৈন জানি।।"[১৮]

আহোমসকলে হাতী ধৰিবলৈ মানুহ গোটাই থাকোতে ভূঞাসকলকো ধৰি নিবলৈ কৈছিল —

এককালে ভূঞাধৰা লাগিল দেশত।
আছিল যতেক ভূঞা পলাইলা সমস্ত।।[১৯]

আনকি, 'পলাইলা শঙ্কৰদেৱ জোঁৱাইক এৰিয়া'। মাধৱ আৰু জোঁৱায়েকক আসামে ধৰি নি দুয়োকো বন্দী কৰি থৈছিল —

কতিপয় দিন বন্দী হুয়া আছে তথা।
অনন্তৰে আসামে পুছিলা দুইতো কথা।।[২০]

শেষত মাধৱক উদাসীন বুলি জানি এৰি দিলে আৰু জোঁৱায়েকক 'ভাই ভার্য্যা নফৰ চাকৰ নিৰন্তৰ' বুলি জানি কাটিবলৈ ল'লে।

নৰনাৰায়ণ ৰজাৰ ওচৰত বিদ্যাবাগীশ চক্রৱর্তীয়ে শঙ্কৰদেৱৰ বিৰুদ্ধে গোচৰ

১৫। *পূৰ্বোক্ত গ্রন্থ*, পৃঃ ১১
১৬। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্রন্থ*, পৃঃ ২১
১৭। *পূৰ্বোক্ত গ্রন্থ* ঃ পৃঃ ২২
১৮। *পূৰ্বোক্ত*
১৯। *পূৰ্বোক্ত গ্রন্থ*, পৃঃ ৯৬
২০। *পূৰ্বোক্ত গ্রন্থ* ঃ পৃঃ ৯৭



দিছে যে শংকৰে গংগা, তুলসী, শালগ্রাম, ব্রাহ্মণ একোকে নামানে আৰু পিতৃ-মাতৃৰ শ্রাদ্ধ নকৰে। ৰাজলক্ষ্মী দুর্গা পূজা নকৰিলে ৰাজাৰ ছত্র ভংগ হয়। ৰজাই দহজন গৰমালি মাতি আনি শঙ্কৰদেৱক ধৰি আনিবলৈ পঠালে। ৰামানন্দ আৰু কণ্ঠভূষণে চিলাৰায় দেৱানক এই কথা জনোৱাত কথা বিষম দেখি দহজন ধোপধৰা পঠাই দিছে পাটবাউসীলৈ। ধোপধৰাই নিশাই গৈ শঙ্কৰদেৱক লৈ আহিল। যুৱৰাজে গোপনে ৰাখিলে। ইফালে গৰমালিয়ে শঙ্কৰদেৱক বিচাৰি নেপাই বাটতে গোকুলচান্দ আৰু নাৰায়ণ দাস ঠাকুৰ আতাক ধৰি আনিলে। শঙ্কৰদেৱৰ বিষয়ে কোনো কথা সৈ কঢ়াব নোৱাৰি কটোৱালে খং কৰি চাৰিটা টেকেলা পঠাই চেংগেলি, কুন্দা প্রভৃতি ওঠৰটা শাস্তি দিছে। শেষত যেতিয়া ভোট আহিল, হেমা-পেমা নামে দুজন ভোটত তেওঁলোকক বিক্রী কৰি ঘোঁৰা লৈছে ।[২১]

নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক বিচাৰি লোকৰ মুখে ছোট দেৱানৰ ঘৰত থকা বুলি শুনি তিনিবাৰ দূত পঠাইছে। তথাপিও দেৱানে গুৰুজনক এৰি দিয়া নাই। চতুর্থবাৰ দূত পঠোৱাত চিলাৰায়ে শঙ্কৰদেৱক জনাইছে —

বাপ যাব লগা হ'ল; কোনো সংশয় নাই, আমি পাছত যাব
লাগিছো, ভয় নকৰিব, ৰজাই যদি কিবা অন্যায় কৰে, তেন্তে
চিলা পৰাদি পৰিম।[২২]

শঙ্কৰদেৱৰ ধর্মমতৰ শুদ্ধতা উপলব্ধি কৰি নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ ইচ্ছা পোষণ কৰিলে। ৰজাই আগদিনা উপবাসে থাকি শঙ্কৰদেৱক নিবলৈ দোলা পঠিয়াই দিয়াত ৰজাৰ মানৱীয়তাৰ পৰিচয় পোৱা যায়। গুৰুজনাই পাচদিনা বৈকুণ্ঠলৈ গমন কৰাৰ বাতৰি পাই নৰনাৰায়ণ ৰজাই কান্দি কান্দি অনুশোচনা কৰিছে— "হায় হায় আমাৰ অধমৰ নিমিত্তেই ইমান সোনকালে বৈকুণ্ঠ গমন কৰিলে।"[২৩]

ভোটসকলে সময়ে সময়ে উপদ্রৱ কৰিছিল — "বিচামদ্বাৰে ভোট নামি দেশ ভাঙ্গিচে ঃ চিপাহি দি হাজৰা আতৈক ৰণলৈ দিলে ঃ গৈ লাগিল ৰণ ঃ বহু চিপাহি চাকৰি কাটিলে"।[২৪] উদয়াদিত্য ৰজাৰ দিনত ডফলাৰ ৰণ লাগিছিল — "ডফলাৰ ৰণ লাগিল লঠোদ্বাৰে নামি দেশ মাৰিছে"।[২৫] এওঁৰ দিনত ভক্তৰ বৰ বিপর্যয় হৈছিল। সত্র-সভা,

২১। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৪৯
২২। *পূৰ্বোক্ত গ্রন্থ*, পৃঃ ১৫২
২৩। *পূৰ্বোক্ত গ্রন্থ* ঃ পৃঃ ১৭০
২৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩৫৭
২৫। *পূৰ্বোক্ত গ্রন্থ* ঃ পৃঃ ৩৭৫

নাম-গুণ এৰি ভক্ত পলাইছিল। বদুলা আতায়ো চুকাভিঠালিলৈ পলাইছিল।[২৬]

ৰজা নৰনাৰায়ণে ৰঘুক বৰ আদৰ-মৰম কৰিছিল। ৰজা নৰনাৰায়ণৰ মৃত্যুৰ পাচত লক্ষ্মীনাৰায়ণ ৰজা হৈ ৰঘুৰ বিপক্ষে থিয় দিছিল।[২৭] ছোট দেৱানৰ বীৰত্বৰ কাৰণে 'চিলাৰায়' নাম পোৱাৰ কথা ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিতত আছে। নৰনাৰায়ণে গৰমালিৰ হতুৱাই শঙ্কৰদেৱক ধৰি নিয়াত চিলাৰায়ে অভয় দিছে যে আমি বিদ্যমানে কাকো ভয় কৰিব নালাগে। কিয়নো, ৰণৰ মধ্যে চিলাৰ দৰে জপিয়াই পৰাৰ সাহসৰ কাৰণে 'চিলাৰায়' নাম মোৰ।[২৮]

শঙ্কৰদেৱ বেলগুৰিত থাকোতে বাৰভূঞাসকলক নিবলৈ নৰনাৰায়ণে চিলাৰায় আৰু গাভুৰ্খাক পঠায়। শিৱ দেৱতাৰ ঔৰসত জন্মি বিশ্বসিংহ গৰখীয়াৰ দলপতি হয়— "সবাৰে উপৰি দলৈ হল।"[২৯] বিশ্বসিংহই ঘট পৰীক্ষা কৰি ওঠৰজন পুত্ৰৰ মাজত নৰনাৰায়ণক যুৱৰাজ আৰু চিলাৰায়ক ডেকাৰজা পাতে।

ৰাজনীতিৰ এটা অংগ কূটনীতি। ছল কৰি মাতি আনি বন্দী কৰাটো ৰাজনীতিৰে এটা কৌশল। 'মিত্ৰ কৰো বুলি চণ্ডীবৰক আনা ধৰি' বুলি ৰজাই আদেশ দিছিল। কিয়নো-

ছল কৰি আনি সবে কৰিবোহো বন্দী।
কৰিবো অনেক তিৰস্কাৰ কৰি নিন্দি।।[৩০]

ভোট আৰু কমতাপুৰৰ ৰজাৰ মাজত যুদ্ধ হৈছিল। ভোটে জয়লাভ কৰি নগৰ পুৰিছিল। চণ্ডীবৰৰ পুতেক ৰাজধৰক লেংগামাগুৰিকপৰা ধৰি নিছিল। আনকি গৰ্ভৱতী মহিলাকো কাটি মাৰি শেষ কৰিছিল —

মহাসতী গৰ্ভৱতী তৰুণী যে নাম।
তাক দেখি খেদি গৈল সবে যেন যম।।
গৰ্ভৰ ভৰত তেহে হাঠিতে নাপাৰে।
সেহি দোষে কাটিলেক ভোট দুৰাচাৰে।[৩১]

কাহিলি পুৱাই আক্ৰমণ কৰাটো ৰণকৌশল আছিল। কছাৰীসকলে ভূঞাসকলৰ সকলো ধন-সম্পত্তি লুটি নিয়াত এদিন ৰাতিপুৱাই কপিলীমুখত ভূঞাসকলে কছাৰীসকলক দুয়োফালৰপৰা বেঢ়ি ধৰিলে — "উষা সময়ত সবে কছাৰীক বেঢ়ি।[৩২]

২৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৫০
২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯২-৩৯৩
২৮। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭১
২৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০
৩০। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২
৩১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৪৪
৩২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২২৭



গাংগমুখত (গাংমৌ) ভূঞাসকল ৰওঁতে কোঁচবিলাকে আক্ৰমণ কৰিছিল। শঙ্কৰদেৱে মন্ত্ৰণা কৰি কোঁচক খেদিলে। শেষত ধুৱাহাটতে ঘৰ-দুৱাৰ কৰি ভূঞাসকলে থাকিবলৈ লৈছিল। বিশ্বসিংহ কামৰূপৰ ৰজা হোৱাত ভূঞাসকলে যুদ্ধ পৰিহাৰ কৰি ৰজাক আদৰিছিল।

ৰজাৰ শাস্তি আছিল বিচিত্ৰ। লঘু দোষতে গুৰু শাস্তি বিহিছিল। ৰজাই দোষীক শাস্তি দিয়াৰ কথা নৰনাৰায়ণৰ ৰাজত্ব কাল (১৫৪০-১৫৮৭)ৰ পৰাই গম পোৱা যায়। নৰনাৰায়ণ আছিল কোঁচ ৰজা বিশ্বসিংহৰ পুত্ৰ। পূৰ্বৰ নাম মল্লদেৱ। কোঁচসকল মংগোলীয় গোষ্ঠীৰ লোক আছিল। ৰজা নৰনাৰায়ণৰ আদেশত শঙ্কৰদেৱক বিচাৰি নাপাই গোকুল চান্দ আৰু নাৰায়ণ ঠাকুৰক নানা ধৰণৰ শাস্তি বিহিলে —

নানা ভাএ শাস্তি কৰিব ধৈলে ঃ আঠাৰে (৫৮ক) জোৰ কঠাৰে
কঠাই ঃ চাল টানি কমাৰ সৰাহেৰে ধৰে ঃ তলে চেপাকুন্দা
নিশা পোতাকুন্দা হাতে ডফলা কুন্দা ঃ চাকসালঃ শৰীৰ যুৰি
দিত্ৰ ঃ ঠাই নথকাকে ঃ[৩৩]

ৰামচৰণ ঠাকুৰৰ চৰিততো গোকুল চান্দ আৰু নাৰায়ণ দাস ঠাকুৰক দিয়া শাস্তিৰ উল্লেখ আছে এনদৰে —

আঙ্গুলিক চেপা নখে শলাক সোমাই।
গাত খান্দি পোতে দাগে কোদাল তপতাই।।[৩৪]

বন্দীশালতো লোহা লগাই শাস্তি দিবলৈ ৰজাই হুকুম দিছিল। নৰনাৰায়ণ ৰজাক শঙ্কৰৰ বিৰুদ্ধে লগোৱাত ৰজাই অগ্নিশৰ্মা হৈ কোৱা কথাতে শাস্তিৰ চূড়ান্ত নিদৰ্শন ফুটি উঠিছে — "বোলে সিবাৰ পলাই ৰল ঃ ইবাৰ পালে চালেৰে দামা চাম ঃ হাৰেৰে বাম শঙ্কৰৰ।"[৩৫]

ৰামচৰণৰ চৰিতত আছে এনেদৰে —

শঙ্কৰক ধৰি আন সমে সঙ্গীগণ।।
হাৰে পুৱাইবো জুই ছালে ডামা সিম।
শৰীৰৰ মাংস তাৰ কুকুৰক দিম।।[৩৬]

শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিততো একেদৰে শাস্তিৰ উল্লেখ আছে — শঙ্কৰক লাগ পাইবোঁ তাৰ ছাল দবা চাইবোঁ।।[৩৭] উল্লেখনীয় যে শঙ্কৰদেৱৰ উত্তৰত ৰজা সন্তুষ্ট হৈ

৩৩। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৯
৩৪। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৪৮
৩৫। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৩
৩৬। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৪৬
৩৭। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৬

তেওঁক সমাদৰহে কৰিলে —

মানুহৰ শকতি নুহিকে শঙ্কৰৰ।
ঈশ্বৰৰ শক্তি ইটো জানা সাৰোত্তৰ।।[৩৮]

শঙ্কৰদেৱে যেনেদৰে বিদ্বেষী ব্ৰাহ্মণৰ অত্যাচাৰ সহ্য কৰিব লগা হৈছিল, মাধৱদেৱেও ব্ৰাহ্মণৰ কোপৰ কবলত পৰিছিল। চিলাৰায় দেৱানৰ পুতেক ৰঘুদেৱক ব্ৰাহ্মণসকলে লগাইছিল —

শুদ্ৰ একগোট আছে মাধৱ নামত।
অনাচাৰ কৰি নষ্ট কৰিলে জগত।।[৩৯]

ৰঘুদেৱে মাধৱক ধৰি আনিবৰ কাৰণে সুৱানন্দাক পঠাইছিল। কতোদিন মাধৱক ৰজাই বিজয়পুৰত বন্দী কৰি ৰাখিলে। ৰজাই ব্ৰাহ্মণৰ কু-অভিসন্ধি বুজি পাই মাধৱক পুনৰ বৰপেটাত থৈ আহিবলৈ কলে।[৪০]

ৰাজ আদেশ অনুসৰি মাধৱদেৱে সুন্দৰী ত্যাগ কৰি হাজোত বাস কৰিবলৈ লয়। হাজোত তিনিমাহ থাকোতে যাত্ৰীসকলে হয়গ্ৰীৱ মাধৱৰ থানলৈ নগৈ মাধৱদেৱৰ ওচৰলৈ সকলোৱে যাবলৈ ধৰিলে। আনকি 'জীয়া মাধৱ', 'মৰা মাধৱ'ৰ কথা ওলোৱাত জগৰ লগাৰ ভয়ত মাধৱদেৱে কামৰূপ ত্যাগ কৰে।[৪১]

ৰজা নাথকিলে ৰাজ্যত অৰাজকতাৰ সৃষ্টি হয়। ৰজা দুৰ্লভ নাৰায়ণৰ পাচত প্ৰায় বাৰ বছৰ ধৰি ৰাজ্যত কটা-মৰা, অৰাজকতাৰ সৃষ্টি হৈছিল। মানুহৰ মনত ভয় হৈছিল। মাধৱদেৱৰ পিতৃ বৰকণাগিৰী পুনৰ বেপাৰৰ কাৰণে অসম দেশলৈ আহিব খোজাত জ্ঞাতি-মিত্ৰই বাধা দিছিল —

কাৰ ৰূপে ৰাজা নাই ভৈলা অৰাজক।
ধন বিত্ত কাঢ়ি লৈয়া মাৰিব প্ৰাণক।।[৪২]

ৰজা নৰনাৰায়ণে অসম অভিযানৰ মানসেৰে আহোমৰ ৰাজধানী গড়গাঁৱত উঠিছিলগৈ — "আসাম ৰাজ্যক মানিবাক প্ৰতি কৰিছো মই গমন।"[৪৩]

সোণকোষ নদীৰ দুয়ো পাৰে 'চকী' আছিল। অসমৰ ৰাজনৈতিক অৱস্থা সম্পৰ্কে গোপাল আতাই ভৱিষ্যৎ বাণী কৰিছিল। জয়ধ্বজ সিংহক যবনে 'কৰিবে বৰ বিঘাত'

৩৮। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৩
৩৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩২১
৪০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩২৮
৪১। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩৩২
৪২। ৰমানন্দ দ্বিজ, *শ্ৰীশ্ৰী বংশীগোপলদেৱৰ চৰিত্ৰ*, পৃঃ ৮৯
৪৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ২২৩



বুলি কৈছিল। দেশত আকাল হ'ব। প্ৰজাই ঘৰ-বাৰী এৰি পাহাৰে-পৰ্বতে থাকিব বুলি কৈছিল।

গোপাল আতাৰ মৃত্যুৰ সময়ত কমতাপুৰৰ ৰজা আছিল পৰীক্ষিত নাৰায়ণ (১৬০৩-১৬১৭ খ্ৰী)। সেই সময়ত মোগলে যুদ্ধ কৰি প্ৰজাক অনাথ কৰি ধৰি নিছিল। ৰাজ্যত থকা চকী ব্যৱস্থা সহজতে পাৰ হৈ অন্য ৰাজ্যলৈ যাব পৰাটো সহজ নাছিল। বৰআতা যদুমণি অসম দেশলৈ বুলি কালঝাৰ সত্ৰৰপৰা গোপালদেৱৰপৰা বিদায় লৈ আহি — 'চকি টান কৰিচন্ত সেহি সময়ত'[৪৪] কাৰণে অসম দেশত সোমাব পৰা নাছিল।

বেহাৰৰ ৰজা নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ আৰু চিলাৰায় দেৱানৰ নাতি পৰীক্ষিত নাৰায়ণ দুয়োজনে সীমা কৰি কোঁচ ৰাজ্য ভগাই লৈছিল। কামৰূপত পৰীক্ষিত নাৰায়ণ আছিল।

চতুৰ্ভুজ ঠাকুৰ আতাই ধৰ্ম প্ৰচাৰ কৰাৰ সময়ত ৰঘুদেৱ ৰজা আছিল — "ৰঘুদেৱ নৃপতিৰ গড়গৈয়া পাইলা।"[৪৫] শঙ্কৰদেৱৰ নাতি হৰিচৰণ ঠাকুৰ ৰাজ্যত থাকিব বুলি শুনি ৰজাই আনন্দ লভিছে —

ৰাজা বোলে ইটো মোৰ মহাভাগ্য হয়।
শঙ্কৰৰ নাতি যদি ইৰাজ্য আসয়।।[৪৬]

সেই সময়ত গড়গাঁৱত জয়ধ্বজ সিংহই ( ১৬৪৮ - ১৬৬৩ খ্ৰীঃ) ৰাজত্ব কৰি আছিল — "জয়ধ্বজ মহাৰাজা গড়গ্ৰামে আছে।"[৪৭] হৰিচৰণ ঠাকুৰে নাৱেৰে গৈ দিখৌমুখ পালেগৈ। ৰজাই ঠাকুৰক ৰূপ, সোণ তথা ৰাজ্য দিলে। আনকি, "নামধৰ্ম প্ৰচাৰিবা সত্ৰ কৰি দিবো।"[৪৮] জয়ধ্বজ সিংহৰ ৰাজত্ব কালতেই মীৰজুমলাই অসম আক্ৰমণ (১৬৬২-১৬৬৩ খ্ৰী) কৰে।[৪৯] মীৰজুমলাৰ অসম আক্ৰমণ অসমৰ ইতিহাসত এক উল্লেখযোগ্য ঘটনা। সৰু গোহাঁই 'ৰুদ্ৰসিংহ' ঠাকুৰৰ ভক্ত আছিল। ৰুদ্ৰসিংহই ১৬৯৬ খ্ৰীঃ ৰপৰা ১৭০৪ খ্ৰীঃলৈ ৰাজত্ব কৰিছিল। গজপুৰ নামে ঠাইত ৰজাই বাহৰ পাতি থাকোতে ঠাকুৰক তালৈকে নি উৎসৱ কৰিলে।[৫০] ঠাকুৰ চৰিতত উল্লেখ আছে যে পূৰ্বে জয়ধ্বজ সিংহই নৰোৱা সত্ৰৰ মাজত যি বৰ নামঘৰ সাজি দিছিল তাক খহাই নিয়াত

৪৪। মোহন চন্দ্ৰ মহন্ত, নবীন চন্দ্ৰ বৰদলৈ (সম্পাঃ) ঃ *মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ*, পৃঃ ৩৩৪
৪৫। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *ঠাকুৰ চৰিত*, পৃঃ ১০০
৪৬। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫০
৪৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫২
৪৮। *পূৰ্বোক্ত*
৪৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫৬
৫০। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৫৭

পুনৰাই শিৱসিংহই সাজি দিছিল —

শিৱসিংহ নৃপতিত জনাই বৰ নামঘৰ
সিটো পুনৰপি সাজি দিল।।[৫১]

আনকি তাম্রপত্র কৰি শিৱসিংহ (১৭১৪-১৭৪৪ খ্রীঃ) ই ভূমি দান দিছিল।

নৰোত্তম আতৈৰ **লক্ষ্মীকান্ত আতৈৰ চৰিত্র**ত উল্লেখ আছে যে ১৫৭৪ শকত বীৰ নাৰায়ণ ৰজাই আতৈৰপৰা উত্তম, মধ্যম আৰু প্রাকৃত ভক্তৰ ব্যাখ্যা শুনি ৰং পাই কৃষ্ণ সহিতে পঞ্চমুখী এটা উপহাৰ দিয়ে।

১৬০১ শকত ভাদৰ কৃষ্ণ একাদশী ১১৩ বছৰ বয়সত আতৈয়ে বৈকুণ্ঠ প্রয়াণ কৰাৰ কেইদিনমান আগতে মৃগয়া কৰিবৰ নিমিত্তে 'পশু' গড় নির্মাণ কৰিবৰ অর্থে ধোপগুৰিৰপৰা আঁতৰি যাবলৈ লক্ষ্মীকান্ত আতৈক আদেশ দিছিল।

লক্ষ্মীকান্তই কাজালা লস্কৰৰ কন্যা অৰুন্ধতীক দ্বিতীয় বিবাহ কৰোঁতাৰ সময়ত বেহাৰৰ ৰজা আছিল লক্ষ্মীনাৰায়ণ —

সেহি সময়ত ৰাজা বেহাৰ ৰাজাৰ।
সিংহাসন আছে লক্ষ্মীনাৰায়ণ ৰাজাৰ।।[৫২]

মধ্যযুগৰ অসমত ৰজাৰ শাসন আছিল যমকাল সদৃশ। ৰজা দুৰাচাৰ হ'লে প্রজাৰ শান্তি নাইকিয়া হয়। মাধৱদেৱেও সেই দেখিয়েই ধুঁৱাহাট এৰিছিল —

শুনি গুৰুজনে কয় ৰাজা দুৰাচাৰ।
ধুৱাহাটা এৰি আইলো দেখি অবিচাৰ।
অবিচাৰ ৰজাৰ শাসন যমকাল।[৫৩]

লক্ষ্মীকান্ত আতৈয়ে ধোপগুৰিত সত্র পাতি ধর্ম প্রচাৰ কৰি থাকোতে, সত্র ত্যাগ কৰিলে ৰঘুৰজাই নিষ্কৰ মাটি যিমান লাগে তাকে দিব বিচাৰিছিল —

এহি হেতু আনথলে আঁতৰিবা জানি।
নিষ্কৰ মাটিক দিবো খোজা যতখানি।।[৫৪]

লক্ষ্মীকান্তই কৈছিল যে মহাৰাজ সদায় পূজ্য, কিন্তু গুৰুক পূজা কৰাটো

৫১। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ১৬৪
৫২। নৰোত্তম আতৈ, *লক্ষ্মীকান্ত আতৈৰ চৰিত্র*, পৃ, ৮৮
৫৩। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ৯৭
৫৪। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ১৫৫



তাতোকৈ অধিক শ্রেষ্ঠ। আনকি গুৰু বাক্য শাস্ত্র তুল্য, বেদৰ সমান —

মহাৰাজ যেনে পূজনীয় সদা হয়।
গুৰু পূজনীয় ততোধিক বেদে কয়।
গুৰু বাক্য শাস্ত্র তুল্য বেদৰ সমান।[৫৫]

ৰামৰায়ৰ গুৰু-লীলাত উল্লেখ আছে যে পৰীক্ষিত ৰজাই বেহাৰ ৰাজ্য আক্রমন কৰাৰ পাচত ৰাজ্যৰ নাৰীসকলেও লক্ষ্মীনাৰায়ণক তিৰস্কাৰ কৰিছিল — "ধিক ধিক বাহুবল নৃপতি তোমাৰ।"[৫৬] তেতিয়া প্রতিশোধ পৰায়ণ লক্ষ্মীনাৰায়ণে যবনৰ সহায় লৈ পৰীক্ষিতক আক্রমণ কৰিছিল। বিজয়পুৰ নগৰ যবনে অধিকাৰ কৰিছিল — "বিজয়পুৰ নগৰ যবনে লৈলেক।"[৫৭]

ৰাজনৈতিক চিত্র জগন্নাথ মহন্তৰ চৰিতখনিত প্রকাশ পোৱা নাই বুলিয়েই ক'ব পাৰি। মাত্র বেহাৰৰ ৰজা বীৰ নাৰায়ণে বৰপেটা সত্র দর্শন কৰাৰহে উল্লেখ আছে —

বিহাৰ ৰাজ্যৰ ৰজা বীৰ নাৰায়ণ।।
বৰপেটা সত্র দেখিবাক কৰি মন।[৫৮]

বৰপেটা আহিব বুলি শুনি খুঁটাত ৰঙা বস্ত্র মেৰিয়াই ধূপ, দীপ, ধুনা আদি লগালে। ৰজাই সুবর্ণৰ খৰাহিত মাটি আনি মথুৰা আতাক দিলে। ৰজাই সত্রৰ কাৰুকার্য দেখি বৈকুণ্ঠ ভুৱন বুলি ক'লে — "ৰাজা বোলে ইটো দেখো বৈকুণ্ঠ ভুৱন।।"[৫৯]

ৰজা বীৰ নাৰায়ণে অন্ন গ্রহণ কৰি বৰপেটা সত্রলৈ 'গুৰু কৰ' হিচাপে —

থানে অষ্টাদশ ঘৰ পাইকক দিল।।
খুটি কটা, তেল পেৰা থল সাৱা হাৰি।
কামাৰ কুমাৰ দিলে আৰ দোলা ধাৰী।।
ফিৰফিৰি ধৰা দিল আৰু চোঁৰৰ ধৰা।
ঢুলীয়া কালীয়া দিল তাৰ তাল ধৰা।।[৬০]

— দি ৰাজাই নিজ ৰাজ্যলৈ গমন কৰিলে।

আহোম ৰজাসকলে বৈষ্ণৱ ধর্মত শৰণ লৈ ধর্ম প্রচাৰার্থে বিভিন্ন স্থানত আতাসৱক সত্র স্থাপন কৰি দিছিল। " নিৰঞ্জনদেৱে সত্র প্রবর্ত্তাইলা, ভগনীয়া ৰাজাক শৰণ কৰাইলা।

৫৫। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ১৫৬
৫৬। ৰামৰায়, *গুৰু-লীলা*, পৃঃ ১৫৩
৫৭। *পূর্বোক্ত গ্রন্থ*, পৃঃ ১৫৫
৫৮। জগন্নাথ মহন্ত, *শ্রীশ্রী মথুৰাদাস বুঢ়া আতাৰ চৰিত্র*, পৃঃ ১০২
৫৯। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ১০৪
৬০। *পূর্বোক্ত গ্রন্থ* ঃ পৃঃ ১০৫

জয়ধ্বজ ৰাজা আউনীআটিত সত্ৰ কৰি দিলা।" "লক্ষ্মীনাৰায়ণ গোসাইৰ শাপক ভয়ে জয়ধ্বজ ৰাজা যাত্ৰী পঠাই জগন্নাথ হন্তে বংশীবদনক আনি গড়মূৰত সত্ৰ কৰি দিলা।"[৬১] বনমালীদেৱে দক্ষিণপাটত সত্ৰ কৰোতে চক্ৰধ্বজ (১৬৬৩-১৬৬৯ খ্ৰীঃ) ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।[৬২]

দেশত ৰাজ আজ্ঞাধাৰী গড়মৌলি বা গড়মালি আৰু ধোপধৰা আদি লোক আছিল।[৬৩] কটোৱালে দোষীক শাস্তি দিব পাৰিছিল।[৬৪]

শঙ্কৰদেৱত ৰজা নৰনাৰায়ণে শৰণ ল'ব খোজাত শঙ্কৰদেৱে কৈছিল —

ৰাজা ভৈলে দেৱদেৱী পূজিবে লাগয়।
প্ৰজাপালি ৰাজনীতি ধৰ্ম্ম প্ৰৱৰ্ত্তয়।।[৬৫]

ভূঞাসকলে নিজৰ ৰাজ্য, প্ৰজা আদি একাদিক্ৰমে পৰিচালনা কৰিছিল। সকলো ভূঞাই আলোচনা কৰি পঁচিশ বছৰ বয়সত শঙ্কৰদেৱক ভূঞাসকলৰ 'শিৰোমণি ভূঞা' পাতিছিল। তেতিয়া শংকৰে কৈছিল —

ইসব কাৰ্য্যত মোৰ নাহি প্ৰয়োজন।
তোমাসাৰ বাক্য ৰাখি কৰিবো চৰ্চ্চন।।[৬৬]

মাধৱদেৱ মাতৃগৰ্ভত থাকোতে কছাৰীবিলাকে গৈ বাণ্ডুকা আক্ৰমন কৰাত, ৰাইজ গৈ ঘোৰ অৰণ্যত প্ৰৱেশ কৰিছিল। কছাৰীয়ে টকা-পইচা, আ-অলংকাৰ, লোটা-বাটি সকলো লুটি-পুটি নিছিল —

লোটা-বাটি গুপ্ত বস্ত্ৰ বিত্ত অলংকাৰ।
লৈয়া গুচি গৈলা একো নাথাকিল আৰ।।[৬৭]

কছাৰীৰ উৎপাতত দেশত আকাল হৈছিল।

ৰঘুদেৱ ৰজাৰ সময়ত মাধৱদেৱে এবাৰ দিনত 'ভোজন বেহাৰ', ৰাত্ৰি 'দধি-মথন' যাত্ৰা কৰি অনেক লোকৰ সমাদৰ লাভ কৰিলে। বহুতো লোক ধৰ্ম পথলৈ অহা দেখি ব্ৰাহ্মণসকলে অসূয়া-পৰৱশ হৈ ইন্দ্ৰ ব্ৰাহ্মণক পঠাই ৰঘুদেৱ ৰজাৰ ওচৰত গোচৰ দিয়ালে বেহাৰলৈ গৈ —

মহাৰাজ, মাধৱে সোন-ৰূপৰ ঘৰ সজাই যুৱতী-স্ত্ৰীসকল লৈ আমোদ-প্ৰমোদ কৰি থাকে। বৈষ্ণৱ হৈ উদাসীন ভাৱ দেখুৱাই

৬১। গোবিন্দ দাস, *সন্ত-সম্প্ৰদায়-কথা*, পৃঃ ১০৫
৬২। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১০৬
৬৩। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৪, ১৭৬, ১৭৭
৬৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৮১
৬৫। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮১২
৬৬। ৰমানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৫
৬৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৯০



গোপনে ৰাজসিক হোৱা দেশৰ অমংগল। আপোনাৰ ৰাজ্য নষ্ট কৰিলে।[৬৮]

ৰজাৰ আদেশমতে কটোৱালে 'দধি-মথন' ভাওনা কৰা গোপীসকলৰ কাপোৰ গুচাই দেখে যে সকলো বিলাক পুৰুষ, এজনীও তিৰোতা নাই।

বিজয়পুৰত ৰঘুদেৱ ৰজাক ব্ৰাহ্মণসকলে মাধৱদেৱৰ বিৰুদ্ধে গোচৰ দিছে যে মাধৱ নামে শূদ্ৰ এজনে ধৰ্ম প্ৰচাৰ কৰিছে, ব্ৰাহ্মণ-বেদ নামানে, শ্ৰাদ্ধ পাঠ নকৰে, অনাচাৰ কৰি দেশ নষ্ট কৰিলে। ৰজাই ব্ৰাহ্মণসকলৰ কথা শুনি সেৱকীয়া সহিতে ধৰাই নিবৰ নিমিত্তে সুৰানন্দ কটোৱালক আদেশ কৰিছে। পাচত ৰজাই মাধৱদেৱক বৰপেটালৈ যাবলৈ বিদায় দিছে। মাধৱদেৱ কিছুদিন বৰপেটাত থকা সময়তে ৰজাৰপৰা ঘোষণা-পত্ৰ পালেহি যে —

মাধৱৰ যেনে শুদ্ধ ধৰ্ম, থানো তেনে শুদ্ধ, তেওঁ হাজোলৈ গৈ লোকসকলক ধৰ্ম শিক্ষা দিয়ক।[৬৯]

মহাৰাজ লক্ষ্মীনাৰায়ণে মাধৱদেৱক প্ৰশংসা কৰি সকলো ধৰ্মৰ ওপৰত ৰজা পাতিলে — "আমাৰ ৰাজ্যত যিমান সত্ৰ আছে সকলোৱে মাধৱৰ মত আচৰণ কৰক। সকলো ধৰ্মৰ উপৰে মাধৱক ৰাজা পাতিলো।"[৭০]

দৈত্যাৰি ঠাকুৰৰ চৰিততো লক্ষ্মীনাৰায়ণে মাধৱৰ মতক গ্ৰহণ কৰি বৈষ্ণৱ ধৰ্মক বেহাৰৰ ৰাজধৰ্ম হিচাপে ঘোষণা কৰাৰ কথা আছে —

আজি হন্তে প্ৰৱৰ্ত্তোক মত মাধৱৰ।।
আগৰ মতক মানে সবে দূৰ কৰ।
জানিলোহো মহাশুদ্ধ মত মাধৱৰ ।।[৭১]

৬৮। মহেশ্বৰ নেওগ (সম্পাঃ), ৰবদোৱা-গুৰুচৰিত, পৃঃ ১৯৬
৬৯। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২০৮
৭০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২৩
৭১। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৭২

## একাদশ অধ্যায়

# অসমৰ চৰিত পুথিত চিত্ৰিত মহাপুৰুষীয়া ধৰ্ম আৰু সংস্কৃতিৰ ক্ৰমবিকাশৰ ছবি

মধ্যযুগৰ অসমৰ চৰিত পুথিসমূহত চৰিতকাৰসকলে সেই সময়ৰ অসমৰ ধৰ্মীয় পৰিৱেশ, পৰিস্থিতি আদিৰ বিষয়ে বিতংভাৱে লিপিবদ্ধ কৰি গৈছে। বৈষ্ণৱ সন্তসকলৰ জীৱন কথাৰ লগত ধৰ্মীয় কথা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত ধৰ্মগুৰুসকল তথা অনুগত সন্তসকলে কেনে পৰিস্থিতিৰ সন্মুখীন হৈছিল, তাৰ বিশদ বিৱৰণ চৰিত পুথিসমূহত আছে।

"সাধুসকলে কয় মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম ভাৰতৰ আন আন বৈষ্ণৱ ধৰ্মৰ লগত পাৰ্থক্য আছে। ইয়াক বৈষ্ণৱ ধৰ্ম্ম নুবুলি 'একশৰণ হৰিনাম ধৰ্ম্ম' বুলিবহে লাগে। কাৰণ ইয়াৰ বৈশিষ্ট্য হ'ল ইয়াত বিগ্ৰহাদি পূজা অৰ্চনা বিধি-বিধান আদিৰ প্ৰাধান্য নাই। এই ধৰ্ম্মৰ শৰণ লৈ ভগৱৎ ভক্তি লাভ কৰিলে মানুহৰ অন্তৰৰপৰা জাত্যাভিমান, দম্ভ, গৰ্ব্ব, অহংকাৰ, ঈৰ্ষা দুৰ হয়। বৰ সৰু উচ্চ-নীচ ভাব নেথাকে। ভক্ত মাত্ৰেই এক জাতি হয়। ভক্তৰ সেৱাই তথা মানৱ সেৱাই ভক্তৰ প্ৰধান ধৰ্ম্ম বা কৰ্ত্তব্য হয়।"[1]

মন কৰিবলগীয়া যে "শ্ৰী শঙ্কৰদেৱক মহাপুৰুষ আখ্যাৰে আখ্যায়িত কৰিলেও, সেই আখ্যাৰ বাবে শ্ৰী শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মক 'মহাপুৰুষীয়া ধৰ্ম' বোলা হোৱা নাই নিশ্চয়। যিজন মহাপুৰুষ অৰ্থাৎ ভগৱানক কেন্দ্ৰ কৰি শ্ৰীশঙ্কৰদেৱে ধৰ্ম প্ৰচাৰ কৰিছিল, সেইজন মহাপুৰুষ বা ভগৱানৰ নাম অনুসৰিহে এই ধৰ্মক 'মহাপুৰুষীয়া' বোলা হয় হৈছে।"[2] এইজন মহাপুৰুষ 'অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী', 'সৃষ্টি-

১। ৰত্নেশ্বৰ গোঁসাই (সংকঃ), *শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত্ৰ*, পৃঃ ১৮
২। পদ্মৰাম শাৰৈ, *ভক্তি ধৰ্ম আৰু ভক্তি কাব্যত এভুমুকি*, পৃঃ ৪১



স্থিতি-প্ৰলয়ৰ', 'ব্ৰহ্মৰূপী সনাতন' আৰু ধৰ্ম আৱতাৰৰ কাৰণ'। এনেদৰে সৰ্বশ্ৰেষ্ঠ দেৱতাৰ ওচৰত আত্মসমৰ্পণ কৰি শৰণ লোৱাটো বা আশ্ৰয় লোৱাটোৱেই 'এক শৰণ' আৰু তেওঁৰ নাম শ্ৰৱণ-কীৰ্তন কৰাটোৱেই 'নাম ধৰ্ম'। মহাপুৰুষীয়া ধৰ্ম ভগৱৎ সম্পৰ্কীয় অৰ্থাৎ ভগৱানেই এই ধৰ্মৰ ভজনীয় দেৱতা; সেই কাৰণে এই ধৰ্মক 'ভাগৱতী ধৰ্ম'ও বোলা হয়। নাইবা ভাগৱতেই এই ধৰ্মৰ মূল হোৱা হেতুকে ইয়াক 'ভাগৱতী ধৰ্ম'ও বোলা হয়। ভগৱানক 'বিষ্ণু' বোলা হয়। বিষ্ণুৰ নাম শ্ৰৱণ-কীৰ্তনেই এই ধৰ্মৰ প্ৰধান উপাসনা, সেই কাৰণে এই ধৰ্মক 'বৈষ্ণৱ ধৰ্ম'ও বোলা হয়।[3] মহাপুৰুষীয়া ধৰ্ম আৰু ক্ৰমবিকাশৰ ছবি চৰিত পুথিসমূহত চিত্ৰিত হৈছে এনেদৰে —

শঙ্কৰদেৱৰ জন্মৰ সময়ছোৱাত প্ৰাচীন কামৰূপত শাক্ত আৰু শৈৱ দুয়োটা ধৰ্মই চলি আছিল। শঙ্কৰদেৱৰ উপৰি পুৰুষসকলে তেওঁলোকৰ উপাস্য দেৱতাক উপাসনা কৰিহে পুত্ৰ লাভ কৰিছিল।[4] "লণ্ডাদেৱ চণ্ডীৰ ভক্ত আছিল, আৰাধনা কৰি পুত্ৰ লাভ হ'লত নাম চণ্ডীবৰ দিলে।"[5] 'চণ্ডীদাতা দেখি চণ্ডীবৰ' বুলি গুৰু-চৰিত-কথাত উল্লেখ আছে।[6] শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকলে নানা দেৱ-দেৱীক উপাসনা কৰি সন্তান লাভ কৰিছিল আৰু সেইমতে সন্তানৰ নামকৰণো কৰিছিল।

সেই সময়ত শিৱ আৰু দেৱী দুয়োৰে উপাসনা সমানে চলিছিল। শঙ্কৰদেৱৰ পিতৃ কুসুমেও শিৱ আৰু দেৱীক পূজা কৰিছিল — স্নান কৰি কুসুমে শিৱক নমিলন্ত।[7]

তাৰ পাচত,

প্ৰথমতে দেৱীক পূজি কৰিলা ভকতি ।[8]

ৰামচৰণ ঠাকুৰৰ চৰিতত দেৱী পূজাৰ অৱসানৰ ইংগিত পোৱা যায় শঙ্কৰদেৱৰ শিশুকালৰ এটি অলৌকিক কৰ্মৰ মাজেদি —

হাণ্ডিশাল সোমাই চৰু হান্তি ভঙ্গে যাই।
দেৱীক মূৰ্ত্তিকে থৱে মুণ্ড ওলটাই।।[9]

শঙ্কৰদেৱৰ উপৰি পুৰুষসকলে বিভিন্ন দেৱ-দেৱীক পূজা কৰিছিল।[10] শঙ্কৰদেৱৰ

৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
৪। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪০
৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১
৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৭
৭। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ১৪১
৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৩
৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৫
১০। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫-৮

আৱিৰ্ভাৱ হোৱাৰ পূৰ্বেই দেৱ-দেৱীৰ নামত যাগ-যজ্ঞ, পূজা-পাতল চলাৰ উপৰি বিভিন্ন জীৱ-জন্তু বলি দিছিল —

ই দেশত পূৰ্ব্বকালে নাছিল ভকতি ।
নানা ধৰ্ম্ম কৰ্ম্ম লোকে কৰিলে সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ-পাৰ কাটে সহস্ৰ প্ৰমাণ।।
তপ-জপ যজ্ঞ দান তীৰ্থস্নান কৰে।
ঘোৰ নৰকত পৰি পৰি সবে মৰে।।[১১]

শঙ্কৰৰ পিতৃ কুসুমেও পুত্ৰ কামনা কৰি অনেক সম্ভাৰেৰে শিৱক পূজিছিল—

অনেক সম্ভাৰে শিৱলিংগ পূজিলন্ত।।
বিধি ব্যৱহাৰে পূজা কৰি নিৰন্তৰ।[১২]

মন কৰিবলগীয়া যে মাধৱদেৱে শঙ্কৰদেৱক লগ পোৱাৰ আগতে দেৱী উপাসক আছিল। মাধৱদেৱে মাতৃ টান নৰিয়া হোৱাৰ খবৰ পাই দেৱীলৈ এযোৰ পঠা মানিছিল[১৩] আৰু শঙ্কৰদেৱৰ লগত প্ৰথম সাক্ষাৎ হওঁতে 'বেলবন্ধ দুৰ্গ্গৎসৱ'ৰ উল্লেখেৰে পাতনি তৰিছিল। মাধৱ কন্দলিয়ে ছাত্ৰশালত থকা শ্ৰীশঙ্কৰক একদিনা "বোলে ডেকাগিৰি দুৰ্গাৰ ৰিচ আহ্নিক শিখাঞ্ঃ মাহ চাউল জবা পুৰা হাহ পাৰ কি পোৱা আনা চপাই ঃ"[১৪] তেতিয়া শংকৰে কৃষ্ণৰ কথাহে কৈছিল। কৃষ্ণ স্তুতিত তুলসী পাতেই যথেষ্ট — "নিসিকোঁ কৃষ্ণন্তৱকে দিয়া ঃ তুলসী পাতেৰেই সন্তোষ আমাৰ পুজিবৰ শক্তিও নাই"।[১৫]

বৈষ্ণৱ ভকতবৃন্দৰ মাজত তুলসীৰ মাহাত্ম্য অপাৰ। তুলসী গছক এক বিশেষ পৱিত্ৰতা প্ৰদান কৰি অহা হৈছে। বিভিন্ন উৎসৱ-পাৰ্বনত, সত্ৰ-নামঘৰ তথা মহাপুৰুষৰ তিথি-উৎসৱত তুলসীৰ পাত পৱিত্ৰ নিৰ্মালি হিচাপে ভক্তিভাৱে গ্ৰহণ কৰা হয়। প্ৰসংগক্ৰমে উল্লেখনীয় যে হাজোৰ 'হয়গ্ৰীৱ' মাধৱ মন্দিৰত কাতি মাহত তুলসীৰ পাত বা মালা দিলে সেৱকৰ মনোবাঞ্ছা পূৰণ হয় বুলি বিশ্বাস কৰা হয়। গুৰু-চৰিত- কথাতো তুলসীৰ উল্লেখ আছে। জয়ন্তৰ পৰিনাতি তুলসীৰামৰ শ্বেতৰোগ হোৱাত শঙ্কৰদেৱে

১১। দৈত্যাৰি ঠাকুৰ, *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত*, পৃঃ ২, ৩
১২। ভূষণ দ্বিজ ঃ *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ৪
১৩। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ* , পৃঃ ৫৫
১৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ২৩
১৫। *পূৰ্বোক্ত*



উপদেশ দিছিল — "এস তুলকি ৰুই নাম গোৱাগৈ ঃ অন বস্ত্ৰ দিব ঈশ্বৰে।।"[১৬]

প্ৰাচীন কামৰূপত দুৰ্গা পূজাৰ বহুল প্ৰচলন আছিল। শিৱ আৰু ইৰা-হীৰাৰ মিলনৰ ফলত জন্ম হোৱা পুত্ৰ সন্তানটি সাত বছৰ বয়সত গৰখীয়া দলৈ হ'ল। দলৈয়ে "গৃহকৈ মাটিৰ দুৰ্গা সাজি ফৰিঙ্গ কাটি বলি দি পুজে নিতে।"[১৭] পূজাত গৰু, ম'হ আদি বলি দিয়াৰ উপৰি দেৱীৰ সন্তুষ্টিৰ কাৰণে "গৰখীয়া দলৈ ৰাজাহে দেৱীক মানুহৰ বলি দিচে।"[১৮] দুৰ্লভ নাৰায়ণৰ দিনতো দেৱী পূজাৰ নামত নৰবলি দিয়া হৈছিল।

অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হোৱাৰ পাচৰপৰাই ব্ৰাহ্মণ আৰু বৈষ্ণৱসকলৰ মাজত ধৰ্মযুদ্ধ চলি আছিল। ব্ৰাহ্মণসকলে প্ৰথমাৱস্থাত শঙ্কৰদেৱ আৰু তেৰাৰ শিষ্যসকলক বৰকৈ উৎপীড়ন কৰিছিল। আচাৰ্য, কন্দলি, উপাধ্যায়, ভাৰতী আদি বিপ্ৰগণে ভক্তসকলৰপৰা —

মালাক লৱয় কাঢ়ি কুকুৰৰ গলে আৰি
উপহাস কৰে বিপ্ৰগণ।[১৯]

কাৰণ,

হৰি ভকতিত লোক প্ৰৱৰ্ত্তিবে দেখি আতি
ব্ৰাহ্মণগণৰ দহে মন।।[২০]

হৰি ভকতিত মানুহৰ মতি হ'লে ব্ৰাহ্মণসবৰ জীৱিকাৰ মুধা মৰিব।

যিজনে নামক নিন্দা কৰে তেওঁ পাতকী, নাম নিন্দুকজন চণ্ডালতকৈও হীন। শঙ্কৰদেৱৰ পাণ্ডিত্যৰ ওচৰত ব্ৰাহ্মণসকল হাৰ মানি ভাবিবলৈ বাধ্য হৈছিল —

বোলয় শঙ্কৰ নুহি মনুষ্য ঈশ্বৰ অংগ
অৱতাৰ জানিবা নিশ্চয়।[২১]

কুসুম্বৰৰ সৰিয়হ তলিত নামঘৰ, মনিকূট কৰি তিনি প্ৰসংগৰ কথা শ্ৰৱণ কৰি সুখে আছে।[২২] পাটবাউসীতো কীৰ্তনঘৰ মণিকূট নিৰ্মাণ কৰি তিনি প্ৰসংগৰ শ্ৰৱণ-কীৰ্তন কৰি আছে।[২৩] নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক ধৰি নি ৰাজসভাত সুধিছিল—'শঙ্কৰ

১৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮
১৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০
১৮। *পূৰ্বোক্ত*
১৯। দৈত্যাৰি ঠাকুৰ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭০
২০। *পূৰ্বোক্ত*
২১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৫
২২। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত* , পৃঃ ৫৮
২৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১২

তুমি কি ধৰ্ম প্ৰচাৰ কৰিছা?' গুৰুজনাই উত্তৰ দিছে এনেদৰে —

আমি ভাগৱত, গীতা, সহস্ৰনাম পাঠ কৰি যি ধৰ্ম পাইছো
তাকেহে প্ৰকাশ কৰিছো। গীতাৰ শৰণ, সহস্ৰনামৰ ৰাম-নাম
প্ৰকাশ কৰা হৈছে।[২৪]

শঙ্কৰদেৱে আহোম ৰাজ্যৰ অন্তৰ্গত মাজুলীৰ ধুৱাঁহাট থান ত্যাগ কৰি নৰনাৰায়ণ ৰজাৰ কামৰূপলৈ ব্ৰহ্মপুত্ৰয়েদি ভটিয়াই আহোতে দৰঙৰ নানা ঠাই দেখি গৈছিল। তেওঁৰ দিনত এইবোৰ ঠাইত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ নহ'ল। গুৰুজনে মাথোন মাধৱ পুৰুষক সেই ৰাজ্যত ধৰ্ম প্ৰকাশ কৰাৰ অৰ্থে এজন সুদক্ষ লোক পঠাবলৈ কৈ গ'ল। শিয়ালকুছিত শিয়ালৰ হোৱা শুনি আৰু বং গোৱা ওজাৰ প্ৰভাৱ দেখি হেনো গুৰুজনে কৈছিল — "দৰঙৰ ধৰ্ম লৰং-ফৰং হ'ব।" গুৰুজনৰ আজ্ঞা সুমৰি মাধৱদেৱে নাৰায়ণ ঠাকুৰ আতাৰ সাক্ষাতত গোবিন্দ আতৈক আজ্ঞা কৰিলে — 'গোবিন্দ তুমি পূব দেশলৈ যাব লাগে।' গোবিন্দই একো নামাতি তলমূৰ কৰি ৰ'ল, কাৰণ সেই দেশ হেনো বৰ জয়াল। মাধৱদেৱে দুই-তিনিবাৰ কোৱাতো গোবিন্দ নিমাত থাকিল। অৱশেষত নাৰায়ণ ঠাকুৰে মাত লগালে, "গোবিন্দ, তুমি গুৰুৰ বাক্য লেচাৰ কাণত কোৱা বুলি ভাবিছা নেকি?" গোবিন্দই নিজকে অসমৰ্থ আৰু দৰঙৰ মানুহৰ স্বভাৱ চৰিত্ৰৰ কথা শুনি মনৰ শংকা হোৱাত মাধৱদেৱে শ্ৰীকৃষ্ণকো লগত যাবলৈ ক'লে। গোবিন্দ আৰু শ্ৰীকৃষ্ণই গুৱা-পাণ আগ কৰি প্ৰাৰ্থনা জনালে। মাধৱদেৱে সকলোৰে আগত দুয়োজনক মালা দি ধৰ্ম প্ৰকাশৰ আজ্ঞা কৰিলে। গোবিন্দই তিনিজন ভকত লৈ বৰপেটা সত্ৰৰপৰা চাৰিদুৱাৰলৈ বুলি আগবাঢ়িল। সত্ৰ পাতিবলৈ হাবি কাটোতে দশভূজাৰ মূৰ্তি ওলাল। ওচৰ-নিলগৰ সকলো লোকে গোসাঁনীৰ আগত হাঁহ-পাৰ বলি দিবলৈ জুম পাতি আহিব ধৰিলে। গোবিন্দ নিৰুপায়ত পৰিল। উপায় বিচাৰি মাধৱদেৱৰ ওচৰ পালেগৈ । মাধৱদেৱে তাঁতীকুছিত 'ৰাম-যাত্ৰা' কৰোতে ৰাম-সীতা-হনুমন্তৰ মূৰ্তি সজাইছিল। এতিয়া গোবিন্দক সেই 'ৰাম যাত্ৰা'ৰ ৰাম-সীতা-হনুমন্তৰ মূৰ্তি দি সত্ৰত নি থাপিবলৈ আদেশ দিলে। গোবিন্দই সেই মতে মূৰ্তিকেইটা নি দশভূজাৰ ঠাইত থাপনা কৰিলে। 'ৰামযাত্ৰা'ৰ ৰাম-সীতা-হনুমন্তৰ মূৰ্তি এতিয়াও খটৰা সত্ৰত আছে।[২৫]

বনগএগিৰিৰ মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ চৰিতত গণেশক পূজা, স্মৰণ কৰাৰ

২৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৩
২৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৭



কথা কেইবাঠাইতো আছে। আৰম্ভণিতে গণেশ সহিতে পঞ্চদেৱতাক পূজা কৰাৰ কথা আছে —

নাৰায়ণ গণেশ দিনেশ সিব সিবা।
ভক্তিভাবে পূজিবাহা পঞ্চই দেৱতা ।।[২৬]

চৰিতখনিত কেইবা ঠাইতো গণেশৰ উল্লেখ আছে। মাধৱ মন্দিৰ, কেদাৰ তথা শিৱকো স্তুতি কৰাৰ কথা আছে—

প্ৰথমতে কেদাৰক কৰিবো দৰ্শন।
তাত পাচে মাধৱোক যাইবো তিনিজন।।[২৭]

হৰিদেৱে পূৰীত বেলপত্ৰে শিৱক পূজা কৰিছিল —

সেৱা কৰি বেল্যপত্ৰে সিৱক পূজিলো।[২৮]

শঙ্কৰদেৱৰ সময়ত অসমত শৈৱ, শাক্ত ধৰ্ম চলি আছিল। এই দুয়োটা ধৰ্মৰ উপাসকসকলৰ মাজতে ভক্তসকলক লগত লৈ নানা ঠাইত সত্ৰ, নামঘৰ পাতি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। বাৰভূএগসকলে কলাবাৰীত বংশীগোপালক সত্ৰ পাতি দিয়ে। তাত কীৰ্তন কৰিছিল। কাঁহিকুছিত ডফলাসকলৰপৰা ভয় থকাত —

ডেবেৰা পাৰত পাছে সত্ৰক কৰিলা।[২৯]

কাঁহিকুছিৰপৰা ডেবেৰাপাৰলৈ সকলো গুচি আহিছিল। তেৰকুৰি ভক্তই সদায় প্ৰসংগলৈ গৈছিল।

বৈষ্ণৱ ধৰ্মত বিষ্ণু আৰু বৈষ্ণৱৰ মাজত পাৰ্থক্য নাছিল —

বিষ্ণু-বৈষ্ণৱৰ অলপমানো ভেদ নাই।[৩০]

বৈষ্ণৱৰ মনত ভাগৱতেই মূল গ্ৰন্থ। কিয়নো —

শ্ৰীকৃষ্ণ মুখবানী শ্ৰীভাগৱত।
তাৰ পাঠ বিনে হইব প্ৰসংগ কেমত।।[৩১]

গোপালদেৱে মাধৱৰ ওচৰত শৰণ ল'বলৈ আহোতে সন্দেশ আৰু পকা কল লৈ আহিছিল। মাধৱে একান্ত শৰণ ল'বলৈ একো বস্তুৰ প্ৰয়োজন নাই বুলি ক'লে।

২৬। বনগএগিৰি, *মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ*, পৃঃ ৫
২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৮
২৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৪
২৯। ৰমানন্দ দ্বিজ, *শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ*, পৃঃ ৬৯
৩০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০০
৩১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৭

লাগে মাথো মনৰ দৃঢ়তা আৰু গুৰুৰ প্ৰতি শ্ৰদ্ধা। সকলো মায়াময় বুলি ভাবি হৰিক ভজিব লাগে। তাৰ পাচত ভাগৱত আগত থৈ গোপালক শৰণ কৰালে। বৈষ্ণৱ ধৰ্মত গুৰুৱে শ্ৰেষ্ঠ ধৰ্ম, গুৰুৱে সৰ্বস্ব — "গুৰু সেৱা শ্ৰেষ্ঠ ধৰ্ম।"[৩২]

নামধৰ্ম প্ৰচাৰৰ কাৰণে শঙ্কৰদেৱে বৰদোৱাৰপৰা আহোঁতে বাটত পোৱাভিঠাত সত্ৰ স্থাপন কৰিছিল। ৰামৰায়ক বিষয়াৰ কাৰ্যভাৰ দি শঙ্কৰদেৱ পাটবাউসীলৈ আহি, তাতো সত্ৰ স্থাপন কৰিছিল। শঙ্কৰদেৱে পাটবাউসীলৈ অহাৰ পাচত সকলোৱে অন্য ধৰ্ম ত্যাগ কৰি কৃষ্ণত ভজিলে —

অন্যদেৱ ধৰ্ম্ম মানে দূৰতে তেজিলা।
নাম ধৰ্ম্ম লৈয়া সবে কৃষ্ণত ভজিলা।।[৩৩]

নাম-কীৰ্তন কৰি ভাগৱত পাঠৰ অন্তত প্ৰসাদ বিতৰণ কৰা হয় —

কীৰ্ত্তনৰ অন্তে ভাগৱত পঢ়িলন্ত
প্ৰসাদ যতেক মানে বিৰৰ্তি দিলন্ত।।[৩৪]

বেহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে পত্নী-পুত্ৰসহ দামোদৰদেৱৰ ওচৰত শৰণ লৈছিল। দামোদৰে পাটবাউসী সত্ৰৰ দায়িত্ব কবিৰত্নক অৰ্পণ কৰিছিল।[৩৫]

মাধৱদেৱে শঙ্কৰদেৱৰ আদেশ শিৰত লৈ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল —

শঙ্কৰৰ আদেশক ধৰিয়া শিৰত।
প্ৰবৰ্ত্তাইবে লৈলে ধৰ্ম্ম বসি আসনত।।[৩৬]

গুৰু সেৱা মহাধৰ্ম বুলি মানি লৈ অহৰ্নিশে কৃষ্ণনাম স্মৰণ কৰি সুন্দৰীদিয়াত সত্ৰ স্থাপন কৰি মাধৱদেৱে গুৰুবাণী প্ৰচাৰ কৰিলে। নাৰায়ণ দাস ঠাকুৰ আতাই শ্ৰীৰাম আতাক লগত লৈ বৰপেটালৈ শঙ্কৰ-মাধৱৰ ওচৰলৈ গ'ল। ঠাকুৰ, শ্ৰীৰামে গুৰুজনৰ চৰণত প্ৰণিপাত জনাই মাধৱদেৱৰ সমীপত আসন গ্ৰহণ কৰিলে। শঙ্কৰ-মাধৱ যে অভিন্ন আত্মা, দুয়োজনৰ মাজত ভেদাভেদ নাই, সেই কথা শঙ্কৰদেৱে শ্ৰীৰাম আতাক জনালে —

মাধৱক মোক একে বুলি জানিবা।[৩৭]

গোপালদেৱ আতাৰ সময়ত প্ৰাচীন কামৰূপত বংগদেশী মতৰ পয়োভৰ আছিল। গোপালদেৱৰ প্ৰতিখন চৰিতত‌ে এই কথাৰ উল্লেখ আছে। প্ৰাচীন কামৰূপত চৈতন্যপন্থী

৩২। ৰত্নেশ্বৰ গোসাই (সংকঃ), *শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত*, পৃঃ ১২৯
৩৩। নীলকণ্ঠ দাস, *শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত্ৰ*, পৃঃ ৬৭
৩৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২
৩৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৪
৩৬। ৰামানন্দ ঠাকুৰ, *মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ আৰু শ্ৰীশ্ৰীগোপাল আতাৰ চৰিত্ৰ*, পৃঃ ১
৩৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩



লোক আছিল। গোপালদেৱৰ মাতৃ চৈতন্যপন্থীৰ যোল্ল নামত প্ৰৱৰ্তা লোক —

চৈতন্যৰ মতে বঙ্গদেশী বৈষ্ণৱৰ।
যোল নাম লৈয়া জপ্য কৰয় মনত।।
..................................................
গোপালৰো মাতৃ সেহি পথে প্ৰৱৰ্ত্তন্ত।
গোপালে মনত তাক ভাল নপালন্ত।।[৩৮]

ৰামানন্দ ঠাকুৰৰ চৰিতত উল্লেখ আছে যে—

গোপালৰ সমীপত যি সব থাকয়,
বঙ্গদেশী মতে কৰি আছয় আশ্ৰয়।।
চৈতন্যৰ মতে বঙ্গদেশী বৈষ্ণৱত।
ঈশ নাম লৈয়া জপ কৰয় মনত।।[৩৯]

ৰাতিপুৱা, দুপৰীয়া আৰু সন্ধ্যা সময়ত চকু মুদি দণ্ডৱতে সকলোৱে জপ কৰে। আনকি গোপাল আতাৰ মাতৃয়েও সেই পথ লৈছিল —

গোপালৰ মাতৃ সেহি পথে প্ৰৱৰ্ত্তন্ত।[৪০]

গুৰুজনাই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ সময়তো চৈতন্যপন্থীৰ লোক আছিল। ভৱানন্দই যোল্ল নাম ল'বলৈ দিহা কৰাৰ সময়তে শঙ্কৰদেৱৰ সম্ভেদ পাই শৰণ লৈ ভৱানন্দ নাৰায়ণ দাস হৈছিল —

তোম্ৰাক দেখি চাৰি বেদৰ সাৰ চাৰি বস্তুত্ৰ পৰম মঙ্গল নাৰায়ণ
নাম উচাৰ হল ঃ এতেকে তিনি পূৰ্ণ্নত্তম ভৱকৈ সম্প্যুৰ্ন্নে
নাৰায়ণ দাস নাম থাকক কিন্তু।।[৪১]

শঙ্কৰদেৱে জন্ম লোৱাৰ পূৰ্বে এই দেশৰ লোকে 'কাক হৰি বোলে', 'হৰিকথা' কি আদি কথাবোৰ নাজানিছিল। তেওঁলোকে অন্য দেৱ-দেৱীক পূজা-সেৱা আগবঢ়াইছিল। এই দেশত বৌদ্ধ ধৰ্মৰ মত প্ৰৱৰ্তাৰ কথা সন্ত-সম্প্ৰদায়-কথাত উল্লেখ আছে —

ই দেশত পূৰ্ব্বে লোকসৱে কাক হৰিবোলে ঃ হৰি কথাও
নাজানিলে ঃ অন্য দেৱ-দেৱীকে মাত্ৰ ভজিল ঃ কতো কতো
সৱে বৌদ্ধমত প্ৰৱৰ্ত্তিল।[৪২]

৩৮। ৰত্নেশ্বৰ গোসাই (সংকঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮০
৩৯। ৰামানন্দ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮
৪০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮, ২৬
৪১। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু -চৰিত-কথা*, পৃ ঃ ৭৭
৪২। গোবিন্দ দাস, *সন্ত-সম্প্ৰদায়-কথা*, পৃঃ ৯৪

বেহাৰৰ ৰজা পৰীক্ষিতক কামেশ্বৰগিৰি নামৰ এজন সন্ন্যাসীয়ে লগাইছিল যে 'গোঁসাৱী ৰাজ্য কামৰূপ নামে খ্যাত' মাতৃ কামাখ্যাৰ দুৰ্গা গোসাঁনীক সেৱা নকৰা লোক এজন ৰাজ্যত আছে। গতিকে — "তজু ৰাজ্য নষ্ট ভৈল জনালোঁ তোমাত।"[৪৩] আনকি শৰৎ কালতো পূজা নকৰে। কেৱল ভাগৱত ধৰ্ম মানে। ঠায়ে ঠায়ে থান প্ৰৱৰ্তন কৰিছে দামোদৰে। তেতিয়া মানুহ পঠাই দামোদৰক ৰজাই ধৰি আনে। দামোদৰে বিজয়নগৰৰ ৰাজসভাত ৰজাক অভিযোগৰ উত্তৰ দিছিল এনেদৰে —

তীৰ্থক সেৱন, দেৱী উপাসন,
ধৰ্ম্ম কৰ্ম্ম যাগ যোগ।
ৰামকৃষ্ণ নামে, সকলো সিজয়,
নলাগে একো উদ্যোগ।।[৪৪]

এবাৰ পৰীক্ষিত ৰজাই মৃগয়ালৈ ৰাজ্যৰপৰা ওলাই যোৱাৰ সুযোগত ৰাজ-অন্তেষপুৰৰ সকলো নাৰীয়ে দামোদৰৰ ওচৰত শৰণ লৈছিল।[৪৫] মৃত্যুৰ আগমুহূৰ্তত দামোদৰদেৱে ভক্তসকলক উপদেশ দিছিল—"কদাচিতো ইতো থান খনিক নেৰিবা।"[৪৬]

বৈষ্ণৱ ধৰ্মৰ দুৱাৰ সকলোৰে বাবে মুকলি। জাতি ভেদৰ প্ৰশ্ন নাই। অভক্তয়ো ভক্তি ধৰ্মত শৰণ লৈ মুক্তি লাভ কৰিব পাৰে —

অভৈক্তক ভক্তি দিয়া বৈকুণ্ঠক নিলা।।[৪৭]

গীতা, ভাগৱত অধ্যয়ন কৰি শঙ্কৰদেৱে শৰণ-ভজনেৰে ভক্তিধৰ্ম লোকসমাজত প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱে ভাগৱতৰ শ্লোক ভাঙি পদ-পয়াৰ, গীত, নাট, ভটিমা আদিৰ উপৰি গুণমালা ৰচনা কৰি লোকসকলক হৰিত দৃঢ়মতি কৰালে।

শূদ্ৰ কুলত জন্ম গ্ৰহণ কৰিও হৰি ভক্তি প্ৰকাশ কৰিব পাৰি — "শূদ্ৰ কুলে শঙ্কৰ ৰূপে অৱতৰি আচাৰ্য হয়া লোকত হৰিভক্ত প্ৰকাশ কৰি মোক্ষ কৰিলা।"[৪৮] হৰি ভক্তিয়ে কেতিয়াও জাতি-অজাতি নাবাছে। ভক্তিমন্ত হ'লে বিপ্ৰতকৈয়ো চণ্ডালো গৰিষ্ঠ হয়।

শঙ্কৰদেৱে বৰদোৱা, বেহাৰত সত্ৰ কৰি ভক্তিধৰ্ম স্থাপন কৰিলে। গুৰুজনাই পাটবাউসীত সত্ৰ স্থাপন কৰি দামোদৰক গীতা, ভাগৱতৰ ভক্তিমত দেখুৱাই লোকসকলক হৰিত শৰণ কৰাবলৈ দি, পাটবাউসীত ধৰ্মৰ অধিকাৰ পাতিলে।

৪৩। ৰামৰায়, *গুৰু-লীলা*, পৃঃ ৫৯
৪৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৭
৪৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৫
৪৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬১
৪৭। জগন্নাথ মহন্ত, *শ্ৰীশ্ৰী মথুৰাদাস বুঢ়া আতাৰ চৰিত্ৰ*, পৃঃ ২
৪৮। গোবিন্দ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৪



মাধৱদেৱেও বৰপেটা সত্ৰৰ অধিকাৰী হৈ শ্ৰৱণ-কীৰ্তন কৰি শঙ্কৰদেৱৰ আদৰ্শৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলে। মাধৱদেৱৰ সহিতে বৰপেটা সত্ৰত হৰিগুণ আলচ কৰি কিছুদিন থাকি বংশীগোপালদেৱে দামোদৰদেৱৰ ওচৰলৈ গ'ল। বংশীগোপালে দণ্ডৱতে প্ৰণাম কৰি শৰণ লোৱাৰ ইচ্ছা পোষণ কৰাত দামোদৰদেৱে ক'লে— "মোৰ গুৰু শংকৰে জানিবা। তোমাত দৃঢ় কৰি কহিলো। তুমিও শ্ৰীশঙ্কৰ মত শ্ৰৱণ কীৰ্তন কৰা।"[৪৯] পাছে গোপালে দামোদৰদেৱক গুৰু মানি মাধৱৰ থানে আহিল। এদিন মাধৱে মধুৰ বচনেৰে গোপালক ক'লে —

জানা গোপাল ঃ শ্ৰীশঙ্কৰদেৱে আসম দেশক প্ৰতি শোক কৰিলা ঃ হৰি হৰি আসম দেশৰ লোকসৱে হৰি ভক্তি নজানিলা। হেন খেদ কৰি মোক বুলিলা ঃ তুমি একজন পাত্ৰ চাই পঠাইবা। আৰু তোমাক হেনো ধুৱাৰোল বেলগুৰিত শ্ৰীশঙ্কৰে লাগ পাইলা তাক মোত কহিলা ঃ যদি ব্ৰাহ্মণ ছাৱালগুটি ই থাইক আসে, তাক তুমি সেই দেশক পঠাইবাঃ তেহো লোকত ধৰ্ম্ম প্ৰচাৰ কৰিবা ঃ[৫০]

সেই দেশৰ মানুহৰ ধৰ্মত কোনো ৰতি নাই, জাতি-অজাতিৰ বিচাৰ নাই, অন্ন-যোনিৰ বিচাৰ নাই, আনকি বিধৱাই পুত্ৰ জন্ম দিয়ে; তেনে পাপী দেশত ভক্তি ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰি বুলি কোৱাত ৰাতি সপোনত গোপালে হৰিক দেখিলে। পাচদিনা দেৱগোপালে লগত এজন বৈষ্ণৱ দিলে, যাব বুলি কোৱাত মাধৱদেৱে যদুমণিক ক'লে—

"তুমি গুৰুৰ ঠাইক যোৱা। .... এহি বুলি মাধৱে তুলসীৰ মালা শিৰত দি হৰিধ্বনি কৰি দেৱ গোপালক ধৰ্ম্ম দিয়া অধিকাৰী পাতিলা। যদুমণিক পুষ্পৰ মালা দিয়া মেধি পাতিলা।"[৫১]

দেৱগোপালে কাঁহিকুছিত আৰু যদুমণিয়ে আধলিয়াত সত্ৰ স্থাপন কৰি সেই অঞ্চলৰ লোকসৱক হৰিত শৰণ দিয়ালে। ধন-সম্পত্তিত মত্ত নহৈ হৰিভক্তি প্ৰচাৰ কৰি নতুবা শ্ৰৱণ-কীৰ্তন কৰি মোক্ষ লাভ কৰাটোৱেই বৈষ্ণৱ ধৰ্মৰ মূল উদ্দেশ্য। ধন-সম্পদ অনিত্য, ভক্তিহে নিত্য।

শঙ্কৰদেৱৰ লগত ভক্তসকলে সদায় হৰি কীৰ্তনত বহিছিল। তেতিয়া তেওঁলোকে 'প্ৰহলাদ চৰিত', 'কংসবধৰ পদ', 'দশমৰ পদ' গাইছিল।[৫২] এইবোৰৰ যোগেদিও ভক্তপ্ৰাণ বৈষ্ণৱসকলৰ জীৱন চিত্ৰ ফুটি উঠিছিল।

৪৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৮
৫০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৯
৫১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০০
৫২। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২, ৬৪

শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মত ভকতক শ্ৰেষ্ঠ স্থান দিয়া হয়। গোবিন্দ আতৈ শঙ্কৰদেৱৰ ওচৰত শৰণ ল'বলৈ আহোতে শঙ্কৰদেৱে কৈছিল —

> কৃষ্ণে বুলিছে মোৰ ভক্ত থাকে জত উদাৰ চৰিত্ৰ ঃ কীট
> পতঙ্গকো তথা কৰয় পবিত্ৰ। এ উলুৱনিতো পদ্ম ফুলিচেহি ।[৫৩]

মহাপুৰুষীয়া ধৰ্মত হৰিনামৰ মহিমা অপাৰ। হৰিনামে বিপদ সময়ত ভক্তক তৰে। এই কথা গুৰু-চৰিত-কথাৰপৰাই প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি। ব্ৰাহ্মণসকলে নৰানাৰায়ণ ৰজাৰ ওচৰত শঙ্কৰদেৱৰ বিৰুদ্ধে গোচৰ দিয়াত ৰজাই গবমিল পঠাই দিলে শঙ্কৰদেৱক ধৰি আনিবলৈ। শঙ্কৰদেৱক বিচাৰি নাপাই ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক ধৰি আনিলে। শঙ্কৰদেৱৰ বাতৰি সুধি দুয়োকো শাস্তি বিহিলে। কেৱল হৰিনামৰ বাহিৰে কোনো কথাই নোকোৱাত ৰজাই দুয়োকো ভোটত বেচিবলৈ আদেশ দিছিল। কিন্তু বৈষ্ণৱৰ মাহাত্ম্য গম পাই 'এই দুই দেৱ মানুহ নলাগে আমাক'[৫৪] বুলি এৰি গুচি গৈছিল।

বিষয়ীজনে ধৰ্ম ধৰিবলৈ আহিলে মাধৱদেৱে নানা পৰীক্ষা কৰিছিল —

> তোমৰা আচা গৰ্ব্ব পৰ্ব্বতত উঠি ঃ আৰু শ্ৰী ব্যাধিএ অন্ধকৈ
> থৈছে।। আমাৰ জি ধৰ্ম্ম দেখিচা ঃ ই পিতৃ-মাতৃ এৰা ধৰ্ম্ম
> আৰু উশৃত উখৰা ভূমিত জল নৰই ঃ দ চোটত হে বাগৰি
> ৰই ঃ সৰু হৈ হে সৰকিব পাৰি ঃ[৫৫]

এনেদৰে সকলো মানিবলৈ ৰাজী হোৱাৰ পাচতহে মনৰ দৃঢ়তা লক্ষ্য কৰি ভকত কৰিছিল।

গুৰু আৰু ধৰ্মৰ প্ৰতি ভকতসকলৰ অসীম শ্ৰদ্ধা আৰু আগ্ৰহ আছিল। পঢ়িয়াৰ আতৈয়ে বহুদিন ধৰি দাড়ি-চুলি নকটাকৈ থকা দেখা পাই নাৰায়ণ দাস ঠাকুৰে মাধৱদেৱৰ ওচৰলৈ লৈ আহিল। তেতিয়া মাধৱে "জীৱৰ এনে দুখ হলে ধৰিব কোনে ৰব কোন গুৰু ধৰ্ম্মই লোপহে হ'ব আগলৈ আৰু"[৫৬] — বুলি কৈছিল।

দিন যোৱাৰ লগে লগে বৈষ্ণৱসকলৰ মাজত বিভাজন দেখা দিলে। প্ৰথমতে দামোদৰ আৰু মাধৱদেৱৰ মাজত। শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত বছৰেকীয়া শ্ৰাদ্ধ পতাৰ সময়ত মাধৱদেৱ আৰু দামোদৰদেৱৰ মাজত বিৰোধ হয়। অসমৰ বৈষ্ণৱ ধৰ্মৰ

৫৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮০
৫৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫১
৫৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫৭-২৫৮
৫৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৬২



ইতিহাসত ই এক উল্লেখযোগ্য ঘটনা। ইয়ে সংহতি বিভাজনৰ সূত্ৰপাত। শঙ্কৰদেৱৰ শ্ৰাদ্ধ পোৱাভিঠাত নাপাতি পাটবাউসীত পতাৰ পক্ষপাতী দামোদৰদেৱ, কিয়নো —

> পিতৃ কৰ্ম্ম কৰিবাক লাগে নিজ ঠাই।[৫৭]

ৰামানন্দই মাধৱৰ লগত পোৱাভিঠাত পাতিলে। ইয়ে বিৰোধৰ কাৰণ। লাহে লাহে এই বিৰোধ বাঢ়ি গ'ল। দামোদৰদেৱৰ শিষ্যই দামোদৰদেৱৰ ওচৰলৈ ভকত ফুচুলোৱাৰ চেষ্টা কৰিছিল — "আৱাতহে শঙ্কৰদেই ধৰ্ম্ম থৈ গৈছে বুলি কৈ দি থৈ থুৱাই ভক্ত কৰাই"।[৫৮]

মাধৱদেৱে ঠাই নিদিয়া লোকক দামোদৰদেৱে ঠাই দিয়া বুলি মাধৱদেৱে গম পাই কৈছিল — "সেৱকৰ গুৰুজনৰ আমাৰ বৰ্জনি হলে তেঞ ৰাখিব পাইনে"।[৫৯]

দামোদৰদেৱে ইয়াৰ উত্তৰত কৈছিল —

> তাৰাক ধৰ্ম্মৰ আচাৰ্য পাতিছে এৰিবও পাৰে সামৰিবও পাৰে,
> আমি তেনে নে এৰিবৰো সামৰ্থ নাই ঃ সোমালেহি খেদিব
> নোৱাৰো ঃ সবেও মোৰ আপোন ভক্ত-বস্তু ।।[৬০]

মাধৱদেৱে জনাৰ্দন আতৈক শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম চাৰি ভাগে প্ৰৱৰ্তিব বুলি কৈছিল —

> ব্ৰহ্মাঘটি, পুৰুষ ঘটি, নিকা ঘটি, কাল ঘটি এই চাৰ ঃ কাল
> ঘটিৰ নিৰ্জনা ভক্তি হ'ব গুৰুত নিষ্ঠা ঃ ব্ৰহ্মাঘটিৰ ভাগৱত ধৰ্ম
> গাব ঃ পুৰুষ ঘটিৰ নামত নিষ্ঠ হ'ব কেৱল ঃ নিকা ঘটিৰ গুণ
> যশ একান্ত ভক্তক নিষ্ঠা সপ্রে (মা) হ'ব।[৬১]

কলিযুগত হৰিনামে সকলো দুখ-দুৰ্গতি নাশ কৰে। হৰিনামৰ শ্ৰৱণ-কীৰ্তন কৰি, হৰিনামৰ নাৱত উঠি "বঠাৰ ছাব নেৰিব ঃ ঈশ্বৰে পাৰ চপাবগৈ ঃ"।[৬২]

অসম দেশলৈ বদুলা আতা আহি ধৰ্ম কথা প্ৰচাৰ কৰাৰ সময়তো ব্ৰাহ্মণসকলে বিৰোধ কৰিছিল, আতাৰ ভায়েকসকলেই আতাৰ ওচৰলৈ নাহিছিল।[৬৩]

৫৭। নীলকণ্ঠ দাস, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২০
৫৮। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২৭
৫৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭৮
৬০। *পূৰ্বোক্ত*
৬১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০১
৬২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪২৬
৬৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩৪

গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত গোপালদেৱে গোসাঁইঘৰ বান্ধি নিতৌ প্ৰসংগ কৰে। তাঁতীসকলে নিতৌ গধূলি সময়ত নাম গাইছিল —

গধূলিকা বেলা সৰ্ব্বলোকে আসি
নামক বসি গাৱয়।।[৬৪]

সাধু-সংগ লৈ কৃষ্ণকথা শুনিলে অগতিৰ গতি হয়। শঙ্কৰদেৱৰ মুখত প্ৰতিদিনে ভকতসকলে কৃষ্ণকথা শুনাৰ উল্লেখ পাওঁ ভূষণ দ্বিজৰ চৰিতত —

মাধৱক মুখ্য কৰি যতকে ভকত।
প্ৰতি দিনে শুনে কথা শঙ্কৰ মুখত।।[৬৫]

গীতা, ভাগৱত মহাপুৰুষীয়া ধৰ্মৰ মূল গ্ৰন্থ। দুয়োখনকে এক বিশেষ স্থান দিয়া হয়। শঙ্কৰদেৱৰ ইচ্ছামতে পুণ্য মাঘ মাহত ব্ৰহ্মানন্দই গীতা শাস্ত্ৰখন পাঠ কৰিলে। গীতা শাস্ত্ৰৰ মাহাত্ম্যৰ কথা, কৃষ্ণৰ বচন শুনি সকলো মোহিত হ'ল। আনকি —

কৃষ্ণৰ বচন যিটো জনে নমানয়।
পাবগুতো ধিক সিটো ছুইবে যোগ্য নয়।।[৬৬]

ধৰ্ম কথা আলোচনাৰ কাৰণে বৈষ্ণৱসকলে সত্ৰ স্থাপন কৰিছিল, দেৱগৃহ সাজিছিল, কীৰ্তনঘৰ নিৰ্মাণ কৰিছিল, মণিকূট সাজিছিল —

'তান্তিকুছি নাম গ্ৰামে সত্ৰ পাতিলন্ত ৰঙ্গে
দেৱগৃহ নিৰ্ম্মিলা তহিত।'
'সত্ৰ পাতি ভক্তি প্ৰবৰ্ত্তাইবা ঠাই ঠাই।।'
'ঘৰসিয়া এড়ি সেহি থানে গৈয়া
কীৰ্ত্তন ঘৰ বান্ধিলা।[৬৭]

মহাপুৰুষীয়া ধৰ্মত নামৰ মহিমা অপাৰ। নামৰ মাহাত্ম্য ইমানেই আছিল যে গোকুল চান্দ আৰু নাৰায়ণক বন্দী কৰি ৰখা নৰনাৰায়ণ ৰজাৰ কৰ্মচাৰী হৰিৰাই শেষত নামত শৰণ লৈছিল।[৬৮] শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ পন্থা দেখি ৰজা নৰনাৰায়ণেও বৈষ্ণৱ ধৰ্মত দীক্ষা ল'বলৈ স্থিৰ কৰিছিল।[৬৯]

ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ অকল যে গুৰু তথা সন্ত-মহন্তসকলেই উঠি-পৰি

৬৪। ৰামানন্দ ঠাকুৰ ঃ পৃঃ ২২
৬৫। ভূষণ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৩
৬৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৮
৬৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৪, ১৫২, ২০৯
৬৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৫
৬৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২০৪-২০৫



লাগিছিল তেনে নহয়; গুৰুপত্নীয়ে আনকি নাতিৰ থানত থাকি মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰাৰ কথা ঠাকুৰ চৰিতৰ পৰা পাওঁ —

শঙ্কৰদেৱৰ পত্নী গোঁসানী আছন্তি।
নাতিৰ থানত থাকি ধৰ্ম প্ৰকাশন্তি।।[৭০]

দূৰ-বিদূৰৰপৰা ভক্তপ্ৰাণ ৰাইজে আহি গুৰু তথা আতৈসকলৰ মুখনিসৃত ধৰ্মীয় কথা শ্ৰৱণ-কীৰ্তন কৰিছিল। মুকুন্দ আতৈয়ে সকলো ভকতক মাতি আনি কৃষ্ণকথা চৰ্চা কৰিছিল। পুৰুষোত্তম ঠাকুৰে জনিয়ালৈ যাওঁতে গুৰুপত্নী তেওঁৰ লগতে আছিল। ঠাকুৰে সদায় গুৰুপত্নীক সেৱা-শুশ্ৰূষা কৰে, গুৰুপত্নীয়ে অশান্তি বোধ কৰা সত্বেও চতুৰ্ভুজ ঠাকুৰৰ থান সুন্দৰীদিয়ালৈ দোলাত ভক্তসকলে লৈ গ'ল —

এহি বুলি ভকত সকলে দোলা-লৈলা।
সুন্দৰীদিয়া ৰংগে প্ৰৱেশ যে ভৈলা।।[৭১]

ভক্তসকলে মাধৱদেৱে কোৱা সকলো কথাই মনোযোগেৰে শুনে আৰু পালন কৰে। মাধৱদেৱে যি কয় সি বেদান্তৰ তত্ব আছিল —

এতেকে মাধৱদেৱে যিটো কহিছন্ত।
জানিবাহা সেহিবাক্য বেদন্তৰো তত্ব।।[৭২]

শঙ্কৰদেৱৰ নাতিয়ে বৰনগৰত ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে এই অঞ্চলত শাক্ত-ধৰ্ম চলি আছিল। এই অঞ্চলৰ লোকে ধৰ্ম কাক বোলে একো নাজানি হৰিবো কীৰ্তন কৰে আৰু আনফালে শৰৎ কালত ঘৰে ঘৰে ঘট-পাতিবো ব্যৱস্থা কৰে—

পূৰ্বত ইসৱ লোকে মহাধৰ্ম নজানয়ী
শক্তি আছিলেক বড় আতি;
হৰিবো কীৰ্ত্তন কৰৈ শৰত সময় ভৈলে
ঘৰে ঘৰে থৰৈ ঘট পাতি।।[৭৩]

ঠাকুৰ আতা বৰনগৰলৈ অহাৰপৰাই সকলো লোকে আন ধৰ্ম ত্যাগ কৰি 'এক শৰণ নামধৰ্ম' গ্ৰহণ কৰিলে —

শঙ্কৰ দেৱৰ নাতি আসিবাৰ পৰা লোকে
আন ধৰ্ম সবে তেজিলেক;

৭০। বিদ্যানন্দ ওজা, হৰিনাৰায়ণ দ্বিজ, *ঠাকুৰ চৰিত*, পৃঃ ১৩
৭১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭
৭২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২
৭৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩০

কৃষ্ণৰ অভয় পদে শৰণ পশিয়া এক-
শৰণ ধৰ্মক জানিলেক।[৭৪]

বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে গুৰুসকলে বিভিন্ন ঠাইত মণিকূট-নামঘৰ সাজিছিল। এই মণিকূট-নামঘৰবোৰ ধৰ্ম কথা চৰ্চাৰ বিহাৰ সদৃশ আছিল। সুন্দৰীদিয়াত মণিকূট-নামঘৰ সাজিবলৈ মাধৱদেৱে ঠাকুৰ আতাক কৈছিল —

কৰাওক হাটী মণিকূট নামঘৰ ।
সেৱক সহিতে হৌক ধৰ্ম্মৰ বিহাৰ।।[৭৫]

নৱ-বৈষ্ণৱ ধৰ্মত গুৰু নিতান্তই প্ৰয়োজন। গুৰুবিহীন ধৰ্ম অনৰ্থক —

গুৰু বিনা ধৰ্ম ইটো হয় অনৰ্থক ।[৭৬]

বৈষ্ণৱ ধৰ্মত কৃষ্ণকথা চৰ্চা কৰিবলৈ কোনো নিৰ্দিষ্ট সময় নাছিল। ভক্ত সহিতে গুৰুৱে সকলো সময়তে কৃষ্ণকথা আলচ কৰিছিল। প্ৰাতঃ সময়তো কৃষ্ণকথা আলোচনা কৰাৰ উল্লেখ লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰত আছে —

প্ৰাতসে গুৰুয়ে সেৱক সমাজে
কষ্ণ কথা আলাপয় ।[৭৭]

লক্ষ্মীকান্ত আতৈয়ে হাজোৰ ধোপগুৰিত সত্ৰ পাতি ভক্তি ধৰ্ম প্ৰচাৰ কৰি থাকোতে হাজো অঞ্চলৰ অনেক ভকত আহি শৰণ লয়হি। আতৈয়ে মহাপুৰুষীয়া ধৰ্মৰ মূল সাৰমৰ্ম ভকতসবৰ আগত দাঙি ধৰিছিল এনেদৰে —

মহাপুৰুষৰ ধৰ্ম্ম ইটো শুদ্ধ সত্ব।।
কেৱল এক কৃষ্ণ বিনা আন সেৱা নাই।
দেৱী পূজা নিৰ্ম্মালি এৰিবা সদায়।।
তাৰ কৰ্ম্ম, ধৰ্ম্ম মূৰ্ত্তি গৃহক ত্যাগিবা।
অধৰ্ম্ম বুলিয়া মনে বৰ্জ্জিত কৰিবা।।[৭৮]

শঙ্কৰদেৱে আলিপুখুৰীত থাকি হৰিকীৰ্তন কৰি কৃষ্ণকথা চৰ্চি আছিল। তাত কিছুদিন থকাৰ পাচত জঞ্জাল পাই গাঁৱৰপৰা দূৰৰ কুসুমবৰৰ নিজঞ্জাল সঁৰিয়হ তলিত 'চাৰি হাটি কৰিঃ হৰিগৃহ বান্ধে'। এয়ে পৰৱৰ্তী পৰিৱৰ্ধিত সত্ৰ অনুষ্ঠানৰ আদি ৰূপ-হৰিগৃহ, কীৰ্তনঘৰ

৭৪। *পূৰ্বোক্ত*
৭৫। দীননাথ বেজবৰুৱা, *বৰচৰিত*, পৃঃ ১৫৮
৭৬। নৰোত্তম আতৈ, *লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ*, পৃঃ ২৮
৭৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪১
৭৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৬



বা নামঘৰ। উল্লেখনীয় যে ইয়াৰ পাচত দুজনা গুৰু যি যি স্থানত বসবাস কৰিছিল তাতেই সেই আৰ্হিৰেই সত্ৰ নামৰ অনুষ্ঠান গঢ় লৈ উঠিছিল।[৭৯]

দিবা-নিশা ভক্তসকলে হৰিভক্তি ৰসত মজি আছিল। নামৰ মহিমাত আপ্লুত হৈ আতৈসবে পৰম শ্ৰদ্ধাৰে কৃষ্ণকথা পান কৰে। কীৰ্তন গৃহত কেহো আতৈয়ে গীত গাইছে 'কৃষ্ণ সূৰ্য্য উদয় হল'। দিন-ৰাতি প্ৰভেদ নোহোৱাকৈ 'হৰিকথাতে দুপৰ চাইদণ্ড হুইগৈ নিতে'।[৮০]

গুৰুজনৰ 'গুণমালা' আৰু 'লীলামালা' পুথি দুখনি ভকতসকলে ব্ৰহ্মামুহূৰ্ততে গায়। কেতিয়াবা ভকতসকলে হাটিতে বহিও প্ৰসঙ্গ কৰে।[৮১] এইবোৰ নিজ প্ৰসংগৰ উপৰি নৈমিত্তিক প্ৰসংগও পালন কৰে। মাধৱদেৱৰ দিনত সত্ৰত উদাসীন (অবিবাহিত) আৰু আশ্ৰমী (বিবাহিত) দুই বিধ ভকতেই আছিল। ভকতসকলক সাধাৰণতে আতৈ বুলি সম্বোধন কৰা হৈছিল; উচ্চ ধৰণৰ ভকত হ'লে আতা নাম পাইছিল।[৮২] কোচবেহাৰৰ অনেক বিষয়া, ৰজাৰ আইধাই আৰু ৰাণীসকলেও ভক্তি ধৰ্ম পালন কৰিছিল।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে সত্ৰ-নামঘৰ তথা কীৰ্তনঘৰ আদিৰ জৰিয়তেই যে ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল এনে নহয়; বিভিন্ন পদ-পুথি, গীত-মাত, নাটক আদিৰ মাধ্যমেৰেও মহাপুৰুষীয়া ধৰ্ম প্ৰসাৰ আৰু প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱে বেছিভাগ পদ-পুথি পাটবাউসীতে ৰচনা কৰি ভক্তিতত্ত্ব প্ৰচাৰ কৰিছিল —

কীৰ্ত্তন ঘোষাৰ শেষ, আছিল ৰছিত।
তাহাকো কৰিলা সেহি স্থানে বিৰছিত।।
মহা ভাগৱতৰ পয়াৰ কৰিছয়।
প্ৰথম দ্বিতীয় আৰু অষ্টম ত্ৰিতয়।।
আদ্যৰ দশম আৰু বলিৰ ছলন।
কুৰুক্ষেত্ৰ নৱসিদ্ধ ৰুক্মিনী হৰণ।।
একাদশ দ্বাদশ ভকতি প্ৰদীপ।
কৰিল শঙ্কৰদেৱে জ্ঞানৰ প্ৰদীপ।।
কালীক দমন আদি নাট যত।
গীত স্তোত্ৰ ভটিমাক কৰিলা বহুত।।

৭৯। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, 'ভূমিকা' পৃঃ ১২৮
৮০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৪২
৮১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৮৩
৮২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮৩

বেদ বেদান্তৰ গীতা ভাগৱন্ত তত্ব।
ভক্তি ৰত্নাকৰ নামে শাস্ত্র কৰিলন্ত।।[৮৩]

মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰক শঙ্কৰদেৱে হিন্দু শাস্ত্ৰবোৰ মন্থন কৰি বৈষ্ণৱ ধৰ্মতত্ত্ব প্ৰকাশ কৰে। তেওঁ গোটেই ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান তীৰ্থস্থানবোৰ ভ্ৰমণ কৰি অনেক লোকৰ লগত আলাপ-আলোচনা কৰি বিভিন্ন দেশৰ সুৰ-সঞ্চাৰ, গীত-নাট, বাদ্য শিকি আহি এই দেশত পূৰ্বৰেপৰা চলি অহা কৃষ্টিৰ লগত সংমিশ্ৰণ কৰি প্ৰচলন কৰে। পূৰ্বৰেপৰা চলি অহা ধৰ্মৰ আৱৰ্জনাবোৰ গুচাই উদাৰ চিত্তেৰে তাত শঙ্কৰদেৱে নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল।

শঙ্কৰদেৱ-মাধৱদেৱৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম ভাৰতৰ অন্য প্ৰদেশৰ বৈষ্ণৱ ধৰ্মৰ লগত নিমিলে। মহাপুৰুষীয়া ধৰ্মৰ উপাসনা পদ্ধতি, আচাৰ-ব্যৱহাৰ ভাৰতৰ আন বৈষ্ণৱ ধৰ্মৰ লগত একে নহয়। গুৰুজনাৰ বৈষ্ণৱ ধৰ্ম এক ঈশ্বৰ-সেৱা ধৰ্ম। 'এক দেৱ এক সেৱ এক কিনে নাই কেৱ'। গতিকে এক ঈশ্বৰে এই ধৰ্মৰ মূল। এই ধৰ্মত এক কৃষ্ণৰ নাম, ৰূপ, গুণ; চিন্তা আৰু কীৰ্তন কৰা হয়। শ্ৰীচৈতন্যদেৱৰ ধৰ্ম প্ৰেম ভাৱৰ; ৰাধাকৃষ্ণৰ যুগল মূৰ্তি উপাস্য বিগ্ৰহ। মহাপুৰুষীয়া ধৰ্মত নাম, দেৱ, গুৰু, ভকত — এই চাৰিটাই সাৰ। শ্ৰীচৈতন্যদেৱৰ ষোল্ল নাম। গতিকে শঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্মৰ লগত ভাৰতৰ আন ঠাইৰ বৈষ্ণৱ ধৰ্মৰ মিল নাই।

মহাপুৰুষীয়া ধৰ্মত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰাধান্য নাই। ইয়াৰ আচাৰ্য যেই — সেই বৰ্ণৰ লোক হ'ব পাৰে। সকলো বৰ্ণৰ সমান আসন। বৰ্ণ লৈ উচ্চ-নীচ ভেদভাৱ নাই। মহাপুৰুষীয়াসকল সামিষভোজী। অৱশ্যে একাদশী, অমাৱস্যাত ফলাহাৰ কৰি ব্ৰত পালন কৰে।

মাধৱদেৱ শঙ্কৰদেৱৰ ছাঁৰ দৰে সকলো সময়তে ওচৰতে আছিল। গুৰুক নানাভাৱে সেৱা-শুশ্ৰূষা কৰি গুৰুসেৱাৰ আদৰ্শ দেখুৱাই 'গুৰু সেৱাই শ্ৰেষ্ঠ ধৰ্ম' বুলি সকলোকে পথ দেখুৱাইছিল। দামোদৰদেৱেও শঙ্কৰদেৱৰ লগত পাটবাউসীত একেলগে প্ৰসংগ, ভাগৱত পাঠ আৰু শাস্ত্ৰালাপ কৰিছিল। ৰামৰায় ভণিত গুৰু-লীলাত দামোদৰদেৱে একশৰণ নামধৰ্ম প্ৰচাৰ কৰাৰ কথা সুন্দৰভাৱে উল্লেখ কৰিছে এনেদৰে —

তীৰ্থক সেৱন দেৱী উপাসন,
ধৰ্ম্ম কৰ্ম্ম যাগ-যোগ।
ৰামকৃষ্ণ নামে, সকলো সিজয়,
নলাগে একো উদ্যোগ।।[৮৪]

৮৩। দীননাথ বেজবৰুৱা, *পূৰ্বোক্ত গ্ৰন্থ*পৃঃ ৮৮
৮৪। ৰামৰায় ঃ *পূৰ্বোক্ত গ্ৰন্থ*পৃঃ ৯৭



আকৌ কৈছে —

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰে পূজা সম্প্ৰতি।
কলিত কৃষ্ণৰ নাম ব্যতিৰেক,
নাই নাই আন গতি ।।[৮৫]

ইয়াৰ উপৰি —

অন্য দেৱ নভজিবা ভক্তদ্ৰোহ নচাৰিবা
কৰিবাহা শ্ৰৱণ-কীৰ্ত্তন।।[৮৬]

হৰিদেৱেও মানেৰিৰপৰা নিতৌ পাটবাউসীলৈ আহি শঙ্কৰদেৱৰ ওচৰত প্ৰসংগ, ভাগৱতৰ পাঠ কৰ্ণপান কৰিছিল। এনেদৰে দেখা যায় শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্ম অসমৰ ইমূৰৰপৰা সিমূৰলৈকে সত্ৰ-সংস্কৃতিৰ মাজেদি গা কৰি উঠি চৌদিশে পল্লৱিত হৈ জনগণৰ হৃদয় জয় কৰি এক সবল ৰূপত আত্মপ্ৰকাশ কৰিছিল। সেই ফালৰপৰা 'চৰিত পুথি'সমূহক শঙ্কৰদেৱ প্ৰৱৰ্তিত অসমৰ ভক্তি আন্দোলনৰ এক মনোৰম অভিলেখ বুলি ক'ব পাৰি।

৮৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৮
৮৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৬

## দ্বাদশ অধ্যায়

# অসমৰ চৰিত পুথিত প্ৰতিফলিত কলা-চৰ্চাৰ প্ৰসংগ

সংস্কৃতি মানৱ জাতিৰ আভৰণ স্বৰূপ। সংস্কৃতি বিহীন জাতি বস্ত্ৰবিহীন হোৱাৰেই অনুৰূপ। মানৱ জীৱন পূৰ্ণাংগ কৰি তোলে সংস্কৃতিয়ে। অসম ভাৰতৰ পূব প্ৰান্তত অৱস্থিত। অসম দেশ বিবিধ জাতি আৰু সংস্কৃতিৰ মিলন তীৰ্থ। প্ৰাচীন কালৰপৰাই যদিও অসমীয়া সংস্কৃতিয়ে বিকাশ লাভ কৰি আহিছে, তথাপিও কিন্তু এই সংস্কৃতিৰ বৰঘৰটোৰ পূৰ্ণসৌধ নিৰ্মিত হৈছে খ্ৰীঃ পঞ্চদশ শতিকাৰ শেষাৰ্ধৰপৰাহে। শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক দিশত নৱজাগৰণৰ উন্মেষ ঘটিছিল। শঙ্কৰদেৱ-মাধৱদেৱে মধ্যযুগত যি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলে, সেই ধৰ্মৰ লগত জড়িত সত্ৰ, নামঘৰ আদি অনুষ্ঠান আৰু নাট, বৰগীত, সত্ৰীয়া নাচ আদি সাহিত্য আৰু সুকুমাৰ কলাই অসমীয়া জনজীৱনক এক নৱৰূপ প্ৰদান কৰিলে। শঙ্কৰদেৱ-মাধৱদেৱে অসমৰ চুকে-কোণে সত্ৰ, নামঘৰ প্ৰতিষ্ঠা কৰি যাত্ৰা, ভাওনা পাতিলে। নাচ-গান তথা গায়ন-বায়নেৰে জনসাধাৰণৰ মন জয় কৰিলে। খোল-তালৰ ধ্বনিৰে চৌদিশ মুখৰিত হৈ পৰিল। মধ্যযুগৰ চৰিত পুথিসমূহতো অসমীয়া জনজীৱনে শঙ্কৰদেৱৰ সৃষ্টি ভাৱনাৰ লগত নিজকে সম্পৃক্ত কৰা কলা-চৰ্চাৰ প্ৰসংগ মাজে মাজে চিত্ৰিত হৈছে এনেদৰে —

## চিহ্নযাত্ৰা

অসমৰ প্ৰাচীন নাট্যকলা পুতলা নাচ, ওজাপালি, ঢুলীয়া নাচ আদি লোকনাট্যানুষ্ঠানসমূহৰপৰা সমল লৈ নতুন সাজেৰে সৃষ্টি কৰা অভিনয় কলা 'অংকীয়া ভাওনা' নামেৰে পৰৱৰ্তী কালত পৰিচিত হ'ল। অংকীয়া নাটৰ প্ৰাক্ আৰম্ভণি ঘটে চিহ্নযাত্ৰাৰ যোগেদি। চিহ্নযাত্ৰাই অসমীয়া ভাওনাৰ সূচনা কৰিলে। কিন্তু "চিহ্নযাত্ৰা প্ৰথম ভাওনাৰ আৰম্ভণি যদিও সম্পূৰ্ণ নাট্যৰূপ ইয়াৰ মাজত বিচাৰি পোৱা নাযায়।



চিহ্নযাত্ৰাত গায়ন-বায়ন আৰু নাট্য চৰিত্ৰৰ উপস্থাপন থাকিলেও চিহ্নযাত্ৰা মূলতঃ চিত্ৰিত প্ৰকাশ।"[১] 'চিহ্নযাত্ৰা' শব্দটো দুটা পদৰ সমষ্টি। "চিহ্ন অৰ্থাৎ চিন, চিত্ৰপটত দেখুৱা ছবি, চিত্ৰ। আৰু তাৰ লগৰ শব্দটো হৈছে যাত্ৰা। তাহানিৰ শোভাযাত্ৰা—য'ত আছিল নাচ-গানৰো পয়োভৰ। এতিয়াও কোনো উৎসৱ বিশেষে, কোনো প্ৰতিমাদি আনয়ন-বিসৰ্জনৰ বেলিকা মানুহে বাদ্য বজাই নাচ-গান কৰা ৰীতি প্ৰচলিত।"[২] গুৰু-চৰিত-কথাত শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থৰপৰা ঘূৰি অহাৰ পাচত চিহ্নযাত্ৰা কৰা, বৈকুণ্ঠৰ পট আঁকাৰ উল্লেখ আছে।[৩]

## ভাওনা

'ভাওনা' শব্দৰ অৰ্থ ভাও দেখুৱা কাৰ্য। ভাও লওঁতাজনক ভাৱৰীয়া বোলা হয়। মন কৰিবলগীয়া যে 'ভাওনা' শব্দটো শঙ্কৰ-মাধৱৰ পাচতহে প্ৰচলন হৈছিল।[৪] "ভাওনাৰ সকলো চৰিত্ৰই নাচৰ মাজেদি প্ৰৱেশ, প্ৰস্থান অথবা এটি দৃশ্যৰপৰা আন এটি দৃশ্যলৈ গতি কৰে।"[৫] ভাওনা মূলতঃ এটি নাট্যধৰ্মী অনুষ্ঠান। ভাওনা নৃত্য আৰু গীত সম্পৃক্ত নান্দনিক কলা। "গানিকাৰপৰা সামৰণিৰ গীতলৈকে ভাওনা যেনেদৰে নৃত্যৰ প্ৰায় এক অবিচ্ছিন্ন প্ৰবাহ, একেদৰে ই যেন এক গীতৰ মন্দাকিনী।"[৬] "শিল্পকাৰ শঙ্কৰদেৱৰ সৰ্বোত্তম কৃতি ভাওনাই নামঘৰৰ যোগেদি অসমীয়া সমাজত অভিনয়ৰপৰা আহাৰ্যলৈ, সংগীত নৃত্যৰপৰা বাদ্যযন্ত্ৰ নিৰ্মাণ আৰু আনুষংগিক বিবিধ দিশ সামৰি এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ সূচনা কৰিলে।"[৭]

বৰদোৱা-গুৰুচৰিতত 'দধিমথন'ত শঙ্কৰদেৱে নন্দ আৰু মাধৱদেৱে উপনন্দৰ ভাও দিয়াৰ কথা উল্লেখ আছে।[৮] দধিমথনকাৰীসকলক গোপিনী সাজে সজাই স্ত্ৰীবেশে কৰাইছে। নাট, ভাওনা আদিত স্ত্ৰীৰ ভাও পুৰুষেই কৰিছিল —

> গোপিনীসকলৰ কাপোৰ গুচাই দেখে যে সকলো বিলাক
> পুৰুষ, এজনীও তিৰোত নাই।[৯]

---

১। পীতাম্বৰ দেৱগোস্বামী, *সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য*, পৃঃ ২৪৪-২৪৫

২। কেশৱানন্দ দেৱগোস্বামী, 'শঙ্কৰদেৱৰ এক মহাযজ্ঞ ঃ *চিহ্নযাত্ৰা*', *গৰীয়সী*, নৱম বছৰ, নৱম সংখ্যা, জুন, ২০০২

৩। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৩১

৪। পীতাম্বৰ দেৱগোস্বামী, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৪৫

৫। প্ৰদীপজ্যোতি মহন্ত ঃ 'ভাওনা আৰু শঙ্কৰদেৱৰ শিল্প ভাৱনা', *গৰীয়সী*, পঞ্চম বছৰ, দ্বাদশ সংখ্যা, ছেপ্তেম্বৰ, ১৯৯৮

৬। *পূৰ্বোক্ত*,

৭। প্ৰদীপজ্যোতি মহন্ত, 'শঙ্কৰদেৱৰ সংস্কৃতি ভাৱনা', *অসম সাহিত্য সভা পত্ৰিকা*, চতুঃপঞ্চাশতম বৰ্ষ, দ্বিতীয় সংখ্যা, অক্টোবৰ, ১৯৯৫

৮। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৬৫

৯। *পূৰ্বোক্ত*, পৃঃ ১৯৬

ভাওনাত ভাৱৰীয়াই বিভিন্ন ছোঁ, মুখাৰ ব্যৱহাৰ কৰা দেখা যায়। দৈত্যাৰি ঠাকুৰ আৰু ৰামানন্দ দ্বিজৰ চৰিত কেইখন বাদ দি গুৰু-চৰিত-কথা, বৰদোৱা-গুৰুচৰিত আৰু ৰামচৰণ ঠাকুৰৰ চৰিতত শঙ্কৰদেৱৰ প্ৰথম অভিনয়ানুষ্ঠান চিহ্নযাত্ৰাৰ কথা আছে। ছোঁ, মুখা ভাওনাৰ বাবে প্ৰয়োজনীয় আচবাব আছিল।

## ছোঁ

ছোঁ হ'ল বাঁহৰ কাঠী আদিৰে সাজি বৰণ দি ভাওনাত উলিওৱা মানুহ বা জন্তুৰ আকৃতি। ছোঁ তিনি প্ৰকাৰৰ — সন্ধিম, ব্যাজিম আৰু চেষ্টিম। ঢৰা, ছাল, কাপোৰ আদি মেৰিয়াই বা জোৰ লগাই, গাঁঠি দি কৰা ছোঁক সন্ধিম; যন্ত্ৰ বা কল কব্জা লগোৱা ছোঁক ব্যাজিম আৰু লৰচৰ কৰি যাব পৰা ছোঁক চেষ্টিম বুলি কোৱা হয়।[১০] দৈত্যাৰি ঠাকুৰৰ চৰিতত ছোঁৰ উল্লেখ আছে। তাঁতিকুছিৰ লোকসকলৰ অনুৰোধত মাধৱদেৱে বৰপেটাৰ গোসাঁইঘৰত 'ৰাম-বিজয়' যাত্ৰা কৰিবৰ কাৰণে সুন্দৰা নটুৱাক ৰামৰ প্ৰতিমা সাজিবলৈ ক'লে। লগতে সীতাৰ মূৰ্তি সাজিবলৈ কোৱাৰ উপৰি কিছুমানক ছোঁ সাজিবলৈ ক'লে— "কাহাকো নানান চো সাজিবাক দিলা।"[১১]

## ছোঁ-ঘৰ

ভাওনাত ভাও লওঁতাবিলাকে সাজ-কাজ কৰা ঘৰকে ছোঁ-ঘৰ বোলা হয়। ভাওনাৰ সাজ-সঁজুলি, ৰং, পোছাককে ধৰি আহৰণীয় সকলো সামগ্ৰী আগতীয়াকৈ আনি এই ছোঁ-ঘৰত জমা থোৱা হয়। ছোঁ-ঘৰ নামঘৰৰ বাহিৰত অথবা আন ঠাইতো প্ৰস্তুত কৰি লোৱা হয়।

## মুখা

আকৃতি সলাবৰ নিমিত্তে পিন্ধিবলৈ সজোৱা মুখ। মুখা তিনি প্ৰকাৰৰ। সম্পূৰ্ণ শৰীৰ আবৃত কৰা, অৰ্ধাবৃত কৰা আৰু অংশাবৃত কৰা। অঙ্কীয়া ভাওনাৰ এই মুখা ব্যৱস্থাই অসমৰ ঘৰুৱা দৈনন্দিন জীৱনৰ বিভিন্ন সামগ্ৰী সামৰি লৈছে — মুখাৰ নিৰ্মিতিত বাঁহৰ কাঠী, ফটাকানি, গোবৰ, মাটি, মৰাপাট, হেঙুল-হাইতালে বিশেষ ঠাই পাইছে। ইয়াৰ উপৰি কপাহ, পশুৰ নোম, কাগজ আদিৰেও মুখা নিৰ্মাণ কৰা হয়। চিহ্নযাত্ৰাৰ কৰ্মযজ্ঞত গৰুড়ৰ মুখাপিন্ধা সৰ্বজয় আৰু ব্ৰহ্মাৰ মুখা পিন্ধা সন্তৰায় উল্লেখনীয়।

১০। নৰেন কলিতা, 'আহাৰ্যাভিনয় আৰু অংকীয়া ভাওনা', *ভাওনা সমীক্ষা*, (সম্পাঃ)প্ৰহ্লাদকুমাৰ বৰুৱা,পৃঃ৪৬,৪৭

১১। দৈত্যাৰি ঠাকুৰ ঃ *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ চৰিত*,পৃঃ ২৯৪



## যাত্ৰা

'যাত্ৰা'শব্দৰ অৰ্থ হ'ল গমন, গতি, ভাওনা, অভিনয় । "প্ৰাচীন কালত কোনো দেৱতাৰ উৎসৱ উপলক্ষে মানুহে এঠাইৰপৰা অন্য ঠাইলৈ গৈ নৃত্য-গীতেৰে সেই দেৱতাৰ মাহাত্ম্য প্ৰকাশ কৰিছিল। ইয়াকে যাত্ৰা বোলে।"[১২] 'যাত্ৰা' শব্দটিৰ অৰ্থ বহুধা। মৌলিক অৰ্থ হ'ল — "কোনো পৰ্ব উপলক্ষে এঠাইৰপৰা আন ঠাইলৈ সমদলে গমন।"[১৩] শঙ্কৰদেৱে অভিনয় প্ৰচলন কৰাৰ সময়ত 'যাত্ৰা', 'অঙ্ক' আদি শব্দৰ ব্যৱহাৰ আছিল যদিও এইবোৰ প্ৰধানতে তেওঁ নাটকৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিছিল —

কালিদমন লীলা যাত্ৰা কৌতুকে কৰব ।[১৪]
পাৰিজাত হৰণ লীলা যাত্ৰা কৌতুকে কৰব।[১৫]

ইয়াৰ উপৰি দৈত্যাৰি ঠাকুৰৰ চৰিতত উল্লেখ আছে।

দেবানৰ বাণী শুনি সীতা সয়ম্বৰ।
ৰামায়ণ অঙ্ক কৰি দিলন্ত শঙ্কৰ।।[১৬]

গুৰু-চৰিত-কথাত উল্লেখ আছে — এবাৰ গুৰুজনে পশ্চিমে বাৰভূঞাসকলৰ লগত দৌল যাত্ৰা পাতিলে —

বৈকুণ্ঠৰ পৰা বৰধেমালি ঘোষা ধেমালি ভালেমন লগাই গালে
ভিমা বায়নে ঃ লক্ষ্ণ গায়ন ঃ বলাই গায়ন তিমিৰ ৰাগ দিছেঃ
গুৰুজনে বাউমগুলি ৰাগ দিলে ঃ[১৭]

সাতদিন সাত ৰাতি স্ত্ৰী-পুৰুষ চিন নোহোৱাকৈ ভাওনা উপভোগ কৰিলে —

ৰাত্ৰি দিন পুৰুষ স্ত্ৰী অচিন হ'ল ঃ বাৰনত নটুৱাৎ সূত্ৰ ওজা
নাৰদ এই চধ্য ৰূপ হৈছে ঃ[১৮]

এবাৰ জ্ঞাতি-বন্ধুসকলে বৈকুণ্ঠৰ আৰ্হি দেখুৱাই এটি মহোৎসৱ দেখুৱাবলৈ শঙ্কৰদেৱক খাটনি ধৰিলে। শঙ্কৰদেৱে তেতিয়া নিজে চিত্ৰকৰৰ কাৰ্যত হাত দিলে। "কোৰোলা বাঢ়ৈক মতাই আনি পদূলিত থকা বেল গছজোপা কটাই মদন মোহন প্ৰতিমা সাজিবলৈ আজ্ঞা কৰিছে।"[১৯] বাঢ়ৈয়ে কাঠ কাটি ঈশ্বৰ পুৰুষৰ নিজ ৰূপ মদনমোহনৰ

১২। ৰমেশ পাঠক, *নাটক আৰু নাটক*, পৃ ঃ ৮১

১৩। সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া নাট্য সাহিত্য*, পৃ ঃ১০

১৪। শঙ্কৰদেৱ, *কালিদমন* (সম্পাঃ), তিলক চন্দ্ৰ মজুমদাৰ, পৃঃ ২

১৫। তদীয় ঃ পাৰিজাত হৰণ (সম্পাঃ), সত্যেন্দ্ৰনাথ শৰ্মা,পৃঃ ১৭

১৬। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১৪

১৭। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৩১

১৮। *পূৰ্বোক্ত*

১৯। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা গুৰুচৰিত*, পৃঃ ৬৩

মূৰ্তি প্ৰতিষ্ঠা কৰিলে। যাক যি দিব লাগে সকলোকে দি ঈশ্বৰৰ মূৰ্তি স্থাপন কৰি মহোৎসৱ কৰিলে।[২০]

## বাদ্য

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে অসমতো সংগীত চৰ্চা হৈছিল। নৱবৈষ্ণৱ ধৰ্মৰ মূল কেন্দ্ৰ স্বৰূপ সত্ৰ আৰু নামঘৰত ভাওনাৰ লগতে সংগীতো চৰ্চা হৈছিল। এই সংগীত তথা ভাওনাৰ লগত নানাবিধ বাদ্যযন্ত্ৰৰ সংযোগ আছিল। প্ৰাচীন অসমীয়া সাহিত্যত বিপঞ্চি, দোতোৰা, বিলাস, ৰুদ্ৰ বিলাস, বীণা, ৰুদ্ৰবীণা, ৰামবীণা,টোকাৰী আদিৰ উল্লেখ আছে। টোকাৰীৰ গাঁৱলীয়া নামকৰণ হ'ল লাওটোকাৰী। কাঁহ, তাল, ঘণ্টা, বাঁহী, শিঙা, দবা আদি বাদ্যৰ উল্লেখে কলা-চৰ্চাৰ কথাকে প্ৰসংগক্ৰমে সোঁৱৰায়। যাত্ৰাত বজাবৰ বাবে খোল নথকাত শঙ্কৰদেৱে কপিলীমুখৰ কুমাৰক মতাই আনি খোল গঢ়িবলৈ নমুনা দি কিছুমান মাটিৰ খোল প্ৰস্তুত কৰালে। ৰামচৰণ ঠাকুৰৰ চৰিতত বলৰাম আতৈয়ে খোলৰ জোখ দিয়াৰ কথা আছে এনেদৰে —

বলৰাম আতৈ আসিয়া তেখনে
খোলৰ জোখক দিলা।
ত্ৰয়োদশ আঙুল বাম ভাগ জানা
ডাহিনে ন আঙ্গুল কৈলা ।।[২১]

শালমৰা গাঁৱৰ মুচিয়াৰক মতাই আনি খোল ছিয়াবলৈ দিলে, কাৰিকৰে ছিয়াই দিলে হয়, খোলৰ মাত শুৱলা নহ'ল। এদিন এটি কাউৰীয়ে কৰ্‌কৰা ভাত কিছুমান ঠোঁটত কৰি আনি খোলত ঘঁহিছে। শঙ্কৰদেৱে দেখি কৰ্‌কৰা ভাত আৰু লোৰ গুৰিৰ কঁৱাল দিয়াত খোলৰ মাত শুৱলা হয়। তেতিয়াৰেপৰা এই কঁৱালটিক ঘুণ বোলা হয়। ঘুণ নহ'লে এতিয়াও খোলৰ মাত নোলায়। কঁহাৰৰ হতুৱাই মন্দিৰা, খুটিতাল, বৰতালকে আদি কৰি বহুবিধ তাল প্ৰস্তুত কৰালে।[২২] সভাঘৰ সজাই সাত বৈকুণ্ঠৰ সাতটি ঠাক কৰি যাত্ৰাৰ কাৰ্য আৰম্ভ কৰিলে। গায়ন বনগএগিৰী, বায়ন ডেকাগিৰী, সৰ্বজয় আৰু কমলিধৰা পৰমানন্দ নটুৱা, এই প্ৰকাৰে প্ৰতিজনে নিজ ভাও লৈ যাত্ৰা কৰিলে। প্ৰথমে ন-ধেমালি, তাৰ পাচত নট-ধেমালি, ৰাগ-ধেমালি, ছোট, বৰ-ধেমালি আদি বাজনা বজাই অৱশেষত ঘোষা-ধেমালি গাই বাজনা শেষ কৰে। গুৰু ঈশ্বৰে বায়ুমণ্ডল ৰাগ দিছে। সাত দিন সাত ৰাতি এই যাত্ৰা ক্ৰমে চলি আছিল।[২৩]

২০। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ৭৮
২১। ৰামচৰণ ঠাকুৰ, *গুৰু-চৰিত*, পৃঃ ৩১৮
২২। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৫
২৩। *পূৰ্বোক্ত*



এবাৰ চ'ত মাহত অনেক দিন বৰষুণ নোহোৱাত দেশত হাঁহাঁকাৰ হ'ল। গুৰুজনে ভক্তবৃন্দৰ দুখ দূৰ কৰিবৰ নিমিত্তে 'গোবৰ্ধন যাত্ৰা'[২৪] কৰাৰ লগে লগেই বৰষুণ হ'ল।

## ৰামযাত্ৰা

মাধৱদেৱৰ তাঁতীকুছিত থাকোতে ৰামযাত্ৰা কৰিবৰ নিমিত্তে লোকসকলে নেৰানেপেৰাকৈ ধৰিলে। মাধৱে নটুৱাক ৰামৰ মূৰ্তি সাজিবলৈ দিছে, আন লোকবিলাকে ৰথ আৰু ছোঁ-মুখা সাজিছে। মাধৱে নিজে গীত ৰচনা কৰিছে। ৰাতি যাত্ৰাৰ কথা শুনি অজস্ৰ লোক আহি তাঁতীকুছিত ভিৰ কৰিছে। ৰথত ৰাম-সীতাক তুলি হৰিধ্বনি কৰিছে। একেৰাহে সাতদিন ধৰি 'ৰামযাত্ৰা' হৈছিল।[২৫] ইয়াৰ উপৰি মাধৱদেৱৰ জীৱিত কালতে "তেহে যাত্ৰা পাতি গুৰুজন হ'ল নৃসিংহ ঃ হিৰাদলৈ হিৰনক্ষ"[২৬] ; "অজামিলপক্ষান জাত্ৰা"[২৭] ভৱানীপুৰীয়া গোপাল আতাৰ "জন্মজাত্ৰাৰ পাচটিৰ গীত নাট সূত্ৰ কৰি"[২৮] আদি বিভিন্ন উপলক্ষ্যত অভিনীত হৈছিল।

## দৌল উৎসৱ

শঙ্কৰদেৱৰ লগত তীৰ্থভ্ৰমণ কৰিবলৈ যাওঁতে ৰামৰাম গুৰুসবে গোবিন্দৰ দৌলযাত্ৰা দেখি আহি সেই কথা ইয়াত কোৱাত ৰাম, বনমালী, গোপাল, জয়হৰি আদিয়ে দুয়োহাতে ফাকু গুড়ি লৈ দৌলযাত্ৰা পাতিলে।[২৯] সকলো নৰ-নাৰীয়ে ঘোষা গাই চাপৰি বজালে। শঙ্কৰদেৱে বৰদোৱাত আৰু মাধৱদেৱে বৰপেটা ধামত দৌল উৎসৱ কৰিলে। বুঢ়া আতায়ো গুৰুবাক্য শিৰে ধৰি দৌল উৎসৱ কৰিলে।[৩০] আজিও বৰদোৱা আৰু বৰপেটা সত্ৰত ফাগুন মাহৰ পূৰ্ণিমা তিথিত মহা আনন্দৰে দৌল উৎসৱ পালন কৰা হয়। এই দৌল উৎসৱত সৰুৱে ডাঙৰক আৰু ডাঙৰে সৰুক ভক্তিভাৱে ফাকু দিয়ে। ফাকুৱা ৰঙৰ প্ৰতীক, আনন্দ-উলাহৰ এক মাধ্যম। 'হলি' বা 'ফাকুৱা' উৎসৱক 'দৌলযাত্ৰা বুলিও কোৱা হয়। এই দৌলযাত্ৰা জনসাধাৰণৰ মনত অতি পবিত্ৰ উৎসৱ ৰূপে গণ্য হৈ আহিছে। দৌল উৎসৱত অসমৰ বিধৱা আইসকলে দৌল বান্ধি 'বাৰ দেউল' দৰ্শন

২৪। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৮০
২৫। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ১৯৭
২৬। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ২০৫
২৭। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩২৩
২৮। *পূৰ্বোক্ত গ্ৰন্থ* ঃ পৃঃ ৩২৯
২৯। ভূষণ দ্বিজ ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ১৬৪
৩০। জগন্নাথ মহন্ত ঃ *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ১১৪

কৰাটো মহাপুণ্য কাৰ্য বুলি গণ্য কৰি আহিছে।[৩১] দৌল বান্ধি এই উৎসৱ প্ৰথমে বৰদোৱা থানত উদ্‌যাপন কৰাৰ কথা চৰিত পুথিত পোৱা যায় এনেদৰে —

দৌল বান্ধিবৰ প্ৰতি      শঙ্কৰৰ ভৈলা মতি
ভূঞাগণে হৰিষে বোলয়।।
আনিয়োক কোড় চাঙ্গি      ভূঞাগণে লোক দাঙ্গি
বাল্য বৃদ্ধ যুবা যতমানে।
তাসম্বৰ আজ্ঞা পাই      দূতগণ শীঘ্ৰে যায়
জান দিয়া আনিলা তেখনে।।
কোড় চাঙ্গি হাতে ধৰি      বান্ধিলন্ত ৰঙ্গ কৰি
যত ভূঞাগণে মাটি দিলা।[৩২]

## পুতলা নাচ

পুতলা ভাওনা প্ৰাচীনতম কলা। পুতলা ভাওনাক সাংস্কৃতিক দিশৰ ফালৰপৰা চাৰিটা ভাগত ভাগ কৰিব পাৰি[৩৩] —

(ক) সূত্ৰ বা সূতাৰে পৰিচালনা কৰা পুতলা,
(খ) ছাঁয়া পুতলা,
(গ) লাঠিৰে পৰিচালনা কৰা পুতলা আৰু
(ঘ) হাতেৰে পৰিচালনা কৰা পুতলা।

পুতলা ভাওনা অসমৰ বিভিন্ন অঞ্চলত পুতলা নাচ বত্ৰিছ পুতলা বা বতি পুতলা আৰু জাল পুতেলি নামেৰে পৰিচিত। সাধাৰণতে কাঠ, কুঁহিলা, বাঁহৰ দৈ বা তমাল আদিৰে পুতলা নিৰ্মাণ কৰা হয়। ঠাই বিশেষে কাপোৰ, কলঠৰুৱা আদিৰেও পুতলা নিৰ্মাণ কৰা হয়। পুতলা ভাওনা গীত, নৃত্য আৰু অভিনয়ৰ সমষ্টি। পুতলাৰ বাহিৰেও সূত্ৰধাৰ, ওজা, গায়ন, বায়ন আৰু পালিয়ে পুতলা নাচত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মধ্যযুগীয়া অসমীয়া সমাজত পুতলা ভাওনাৰ কেন্দ্ৰীয় চৰিত্ৰ 'সূত্ৰধাৰ'ক বুজাবৰ বাবে 'টাটকিয়া' বা 'তাতকিয়া' পদটো ব্যৱহাৰ কৰা হৈছিল।[৩৪] গুৰু-চৰিত-কথাত তদানীন্তন অসমত ছায়া পুতলাৰ উল্লেখ আছে। শঙ্কৰদেৱৰ জন্মৰ বাইশদিনৰ দিনা টাটকিয়া

৩১। বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃঃ১৮১
৩২। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫৪
৩৩। নবীন চন্দ্ৰ শৰ্মা, 'অসমীয়া লোক নাট্যৰ পৰম্পৰা আৰু পৰিৱৰ্তন', অসম সাহিত্য সভা পত্ৰিকা, পঞ্চপঞ্চাশতম বৰ্ষ, প্ৰথম সংখ্যা, জুন,১৯৯৯
৩৪। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ১৯



বাজিকৰে ছায়াপুতলা নচুৱাইছিল।[৩৫] কোনো এজন অভিজ্ঞ লোকে চাৰি-পাঁচজন পালিৰ সহায়ত হাতৰ মুদ্ৰাৰে সৰু মিহি সূতাৰে পুতলাবোৰ বিভিন্ন অংগী-ভংগীৰে নচুৱায়। অৱশ্যে আজিকালি পুতলা নাচ কালৰ গতিত নাইকিয়া হোৱাৰ উপক্ৰম ঘটিছে। পুতলা নাচ ওজাপালিতকৈ প্ৰাচীন।

## ওজাপালি

ওজাপালি প্ৰধানতঃ লোকনাট্যানুষ্ঠান। ওজাপালিত এজন ওজা, এজন দাইনাপালি আৰু পাঁচ-ছয়জনমান পালি থাকে। 'ওজাপালি' শব্দটো দুটা শব্দৰ সমষ্টি, ওজা আৰু পালি। 'ওজা' শব্দটো সংস্কৃত 'উপাধ্যায়' শব্দৰপৰা ওলাইছে। ওজাই পালিৰ সহযোগত যি নৃত্য-গীত, অভিনয় সম্বলিত অনুষ্ঠান পৰিৱেশন কৰে সেয়ে ওজাপালি। ওজাপালি মুখ্যতঃ দুবিধ —

(ক) বিষ্ণুপূজাৰ লগত জড়িত ব্যাস গোৱা ওজাপালি বা সভা গোৱা ওজাপালি,
(খ) সৰ্পদেৱী মনসাৰ লগত সম্পৃক্ত সুকনানি ওজাপালি।

চৰিত পুথিসমূহতো গুৰু তথা আতাসকলে প্ৰসংগক্ৰমে ওজাপালি অনুষ্ঠান পৰিৱেশন কৰাৰ কথা উল্লেখ আছে। বৰপেটা সত্ৰৰ প্ৰথম সত্ৰীয়া মথুৰাদাস আতা পূৰ্বতে "বংগদেশী চৈতনিয়ামতে নামমন্ত্ৰলৈ গ্ৰামৰ লোক আঠাৰে জনে সৈতে ৰামায়ণ গাই ফুৰে। আতা ওজা"[৩৬] বাকী ওঠৰজন পালি।[৩৭] লক্ষ্মণ ওজাক গুৰুজনে নিজে পঢ়ুৱাই গান-বাজনা-শিকাই 'চক্ৰৱৰ্তী' ওজা কৰিলে।[৩৮]

ইয়াৰ উপৰি মাধৱদেৱে শঙ্কৰদেৱক গুৰু মানি শৰণ লোৱাত ধুৱাঁহাট বেলগুৰিত আনন্দোৎসৱ হয়। ৰামৰাম গুৰু আৰু ৰামদাস দুয়ো ওজা, মাধৱদেৱে দাইনা পালি হৈ কীৰ্তন কৰিলে —

ৰামৰাম গুৰু ৰামদাস ওজা দুই।
মাধৱে কীৰ্ত্তন কৰা ডাইনা পালী হুই।।[৩৯]

তাঁতীকুছিৰপৰা কীৰ্তনীয়া দল এটি আহি সকলোৱে কীৰ্তন কৰিলে।[৪০] মধ্যযুগৰ

৩৫। *পূৰ্বোক্ত*
৩৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১৯
৩৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২০
৩৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২২৩
৩৯। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৫
৪০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১৯

অসমত ব্যাস গোৱা ওজাপালিৰ উল্লেখ পোৱা যায় ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিতত — "বিয়াসৰ পালি বলোৰাম আছিলন্ত।।"[41]

## ঢুলীয়া

'ঢোল' শব্দৰপৰাই ঢুলীয়া শব্দৰ উৎপত্তি। ঢোল বজোৱা লোকসকলেই ঢুলীয়া। ঢুলীয়াই পৰিৱেশন কৰা অনুষ্ঠানেই ঢুলীয়া অনুষ্ঠান। নৃত্য-গীত বাদ্য তথা ক্ৰিয়া কৌতুকেৰে ভৰপূৰ এই ঢুলীয়া অনুষ্ঠান। ই অসমৰ লোক সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। অসমীয়া ঢোলৰ পৰম্পৰা অসমীয়া সংগীত কলাৰ সমানে প্ৰাচীন। ঢোল কেইবা প্ৰকাৰৰো আছে — দামা অথবা দামামা, গোমুখ, কহাল, কাহিলি, নাগাৰা, পটহ, ভেৰী, দংকা, দুন্দুভি, জয়ঢাক, ৰামভেৰি, জয়ঢোল, বৰঢোল, চুঙাঢোল বা ঢেপাঢোল, দেওঢোল ইত্যাদি। ঢোলৰ লগত তাল অপৰিহাৰ্য। আকাৰত ডাঙৰ তালে হ'ল ৰামতাল বা ভোৰতাল। বাঁহৰ শালেৰে সজা বাদ্যযন্ত্ৰৰ নাম কৰতাল। ঢোলৰ লগত তালৰ উপৰি কালি অপৰিহাৰ্য। ঢুলীয়া অসমৰ বিভিন্ন ঠাইত দেখা যায়। অৱশ্যে উজনিৰ ঢুলীয়াৰ ওজাজনেই সকলো। ঢুলীয়া বিভিন্ন প্ৰকাৰৰ — পূজাৰ অনুসংগত জড়িত ঢুলীয়া; বিহু আদি উৎসৱৰ লগত সম্পৰ্কযুক্ত ঢুলীয়া; সভা, মেল, বিয়া-বাৰু আদিৰ লগত জড়িত ঢুলীয়া। ঢুলীয়া দলৰ শিল্পীসকলকো এনেদৰে ভাগ কৰিব পাৰি— ঘাই ঢুলীয়া, ঢুলীয়া, বায়ন বা বাইল, গায়ক বা গাইন, তালুৱৈ, ভাউৰীয়া বা ভাৱৰীয়া বা ভাইৰা, কালীয়া, আঁৰিয়াধৰা ইত্যাদি। ঘাই ঢুলীয়াকে 'বৰঢুলীয়া' বুলি কোৱা হয়। গুৰু-চৰিত-কথাত বৰঢুলীয়াৰ উল্লেখ আছে। মুকুন্দ-মাধৱ দুই ভাইৰ ঘৰ ঢোপৰ গুৰিত। মাধৱদেৱে গুৰুজনক লগ পাই ধৰ্ম ধৰি হৰিগুণ গাই হাজোত আছেহি। এনেতে ঢোলে-দগৰে বিয়া এখন দেখি দুইৰো গা জিকাৰ খাই উঠিল। গুৰুজনে সোধাত কলে — "পূৰ্ব্বে বৰঢুলীয়া আচিলো নাচনিয়াৰ।"[42]

## গায়ন-বায়ন

গায়ন হ'ল গায়ক, গান গাওঁতা। আনহাতে বায়ন হ'ল বাদ্য বজাওঁতা। ভাওনাত গায়ন-বায়ন অপৰিহাৰ্য। সাধাৰণতে গায়ন-বায়নৰ সাজপাৰ ধূতী, চাপকন, চাদৰ, গামোচা, মলামণি আৰু থেকেৰুপতীয়া পাগ। চৰিত পুথিসমূহতো গায়ন-বায়নৰ কথা একাধিকাৰ উল্লেখ আছে। চিহ্নযাত্ৰা ভাওনা কৰিবৰ কাৰণে কেতেখা ৰামক শঙ্কৰদেৱে

৪১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪৯

৪২। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩৭



বাদ্য শিকাইছিল —

কেতেখা ৰামক বায়ন শিখাইলন্ত
আৰু পালি সাতজন ।[43]

কমলা, কেহো আতৈ, জগন্নাথ আদি প্ৰসিদ্ধ গায়ন আছিল।[44] মাধৱদেৱৰ ওচৰত হাজোৰ গায়নে শিক্ষা লাভ কৰিছিল। এটি গীতত ৰাগ-তাল-মান-ঘাত-বাজনা শুনি বায়ন স্তম্ভিত হোৱাৰ বৰ্ণনা আছে —

হাজোৰ গায়নে গৈ গুৰুজনত প্ৰাৰ্থনাকৈ ধৈলেঃ বাজনা
সিকিবঁলে।। তেহে গুৰুজনে গীত কৰি দিচেঃ তাতে ৰাগ-তাল
মান ঘাত বাজনা সকলো উঠিছে।[45]

ইয়াৰ উপৰি মাধৱদেৱ হাজোৰ ৰামদিয়াত থাকোতে —

ভিমা বায়ন জগন্নাথ গায়ন ঃ দিনে নিশা গাই-বাই নটুৱা নাচ-কাচ কৰে ঃ[46]

বৰদোৱা-গুৰুচৰিতত উল্লেখ আছে যে চিহ্নযাত্ৰা ভাওনাত গায়ন বনগঞাগিৰি, বায়ন ডেকাগিৰি।[47] তদুপৰি, পিতৃ-মাতৃৰ শ্ৰাদ্ধত গায়ন-বায়নক মাতি নানা উৎসৱ পালন কৰাৰ কথা চৰিত পুথিত উল্লেখ পোৱা যায়। বুঢ়াখাই পিতৃৰ শ্ৰাদ্ধত গায়ন-বায়ন মাতি আনি অনেক উৎসৱ কৰিলে।[48]

## পাঠক

পাঠক হ'ল সমজুৱাৰ মাজত ধৰ্মীয় শাস্ত্ৰ পাঠ-কৰোঁতা। পাঠকে বাপ-বান্ধৱ তথা ভক্তসকলক ধৰ্মশাস্ত্ৰৰ কঠিন তত্ত্বকথাবোৰৰ ব্যাখ্যা দাঙি ধৰে। গুৰু-চৰিত-কথাত 'পাঠক'ৰ উল্লেখ পোৱা যায়। কমল, বেহেৰীয়া বিষ্ণুৰ পুত্ৰ কানাই, মথুৰাদাস ভাল পাঠক আছিল।[49] ইয়াৰ উপৰি কামৰূপীয়া ঢুলীয়া অনুষ্ঠানত গীত গোৱা লোকসকলৰ ভিতৰত যিজনে গীত লগাই দিয়ে, তেওঁকো পাঠক বোলে।[50]

৪৩। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩২০

৪৪। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৭

৪৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬৫

৪৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬৪

৪৭। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৬৫

৪৮। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭১

৪৯। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ২৩০,২৩৩

৫০। কৃষ্ণ বৰ্মন, '*কামৰূপীয়া ঢুলীয়া ঃ অসমৰ ঐতিহ্যমণ্ডিত লোকনাট্যানুষ্ঠান*', *অসম সাহিত্য সভা পত্ৰিকা*, পঞ্চপঞ্চাশতম বৰ্ষ, প্ৰথম সংখ্যা, জুন ১৯৯৯

## নৃত্য

অংগ সঞ্চালনৰ প্ৰণালীবদ্ধ ক্ৰিয়াকে নৃত্য বুলি কোৱা হয়। নৃত্যত হাতেৰে অৰ্থ প্ৰদৰ্শন, চকু দুটাৰে মনৰ ভাব প্ৰকাশ আৰু ভৰিৰে তাল ৰাখিব লাগে। নৃত্য আৰু নৃত্ত একে নহয়। কেৱল তাল আৰু লয় ৰাখি অংগ সঞ্চালন কৰাকে নৃত্ত বোলা হয়। নৃত্য-গীতৰ জৰিয়তে মানুহৰ সুকুমাৰ কলাৰ পৰিচয় পাব পাৰি। মাধৱদেৱে ৰামদিয়াত থাকোতে ভিমা বায়ন, জগন্নাথ গায়নে দিনে-নিশাই নটুৱা নাচ কৰাৰ উল্লেখ আছে।[৫১] সুৰানন্দ কটোৱালে লগনীয়াৰ গোচৰ মাধৱক সুধিবলৈ আহি বৰপেটা সত্ৰত 'ৰাধানাচ' অৰ্থাৎ 'গোপীনাচ' চোৱাৰ কথা আছে।[৫২] তেওঁ এটি নটুৱা ল'ৰাৰ কাপোৰ ফালি পৰীক্ষা কৰিলে — "দেখিলে কাঠৰ তন ঃ খোপা গমচাৰ ঃ স্ত্ৰী নহই।"[৫৩]

স্বয়ং মাধৱদেৱে হাজোৰ মাধৱ মন্দিৰলৈ যাওঁতে নাটমন্দিৰত বহি পুজাৰী-দেউৰীৰ লগতে নাচনিয়াৰকো দক্ষিণা দিছিল।[৫৪] বৰপেটা থানত সমস্ত লোকসহিতে কৃষ্ণ গুণ-গান কীৰ্তনত আনন্দৰ পাৰ নোহোৱাকৈ নটুৱাই নাচিছিল —

গাৱয় বাৱয় নটুৱা নাচয়
সঘনে হৰি জোকাৰ ।।[৫৫]

## গীত ঃ

গীত হ'ল সুৰৰ মাধ্যমেৰে প্ৰকাশ কৰা অন্তৰৰ ভাবানুবাদ। গীত সাধাৰণতে দুবিধ— যন্ত্ৰ আৰু গাত্ৰ। বেণু, বীণা আদিৰে যি গীত গোৱা হয়, সি যন্ত্ৰ আৰু কেৱল মুখেৰে গোৱা গীতক গাত্ৰ বুলি কোৱা হয়। গীতৰ আৰু দুটা ভাগ আছে নিবদ্ধ আৰু অনিবদ্ধ। নিৰ্দিষ্ট নিয়ম নথকাকৈ যি গীত গোৱা হয় সি অনিবদ্ধ; আনহাতে তাল-মান ৰক্ষা কৰি গোৱা গীত নিবদ্ধ। সত্ৰীয়া নৃত্য প্ৰসংগত ব্যৱহৃত বৰগীত, ভটিমা, টোটয়, চপয় আদি নিবদ্ধ শ্ৰেণীৰ গীত। চৰিত পুথিসমূহত বিভিন্ন প্ৰসংগত গীতৰ উল্লেখ আছে। এদিনাখন নাৰদে কৃষ্ণৰ ওচৰলৈ যাওঁতে —

ৰাধা আৰু কৃষ্ণসমে নাৰদক বীণা দি বোলে এটি গীত গোৱাঃ
তেহে নাৰদে মহাপ্ৰেমৰসে পঞ্চতত্বে পঞ্চস্বৰ তুলি ঃ তাৰ মন্ত্ৰ
ঘোৰকৈ গীত গালে ঃ[৫৬]

৫১। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬৪
৫২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫৫
৫৩। *পূৰ্বোক্ত*
৫৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭৭
৫৫। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ* পৃঃ ১৬৬
৫৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩



ডফলা-মৰাণসকলে ভূঞাসকলক আক্ৰমন কৰাত মলৱালৰ আটিত চাং পাতি দুমাহ আছিল। তাতেই বৰঠাকুৰদেৱৰ জন্ম হয়। শঙ্কৰদেৱে তেতিয়া —

জীৱক কৃপাকৈ বিষয়ক দুখ দেখাই ভৱটুপিবন্নৰ দুটি গীত
কৰিছে।। পাএ পৰি হৰি।। গোপালে কি গতি কৈলে ।।[৫৭]

গুৰু-চৰিত-কথাত উল্লেখ আছে যে শঙ্কৰদেৱে কালিদমন নাটৰ তাল ঘাতোতে স্বৰ্গৰিপৰা গন্ধৰ্ব নামি আহিছিল শিকিবলৈ; গুৰুজনে তেতিয়া জটিল ষড়ছন্দৰ তাল ধৰিলত গন্ধৰ্বই আঁত ধৰিব নোৱাৰি লাজ পাই ঈশ্বৰ মানি গুচি গ'ল।[৫৮]

ভূষণ দ্বিজৰ **শ্ৰীশ্ৰীশঙ্কৰদেৱ** চৰিতত আছে যে স্বপ্নত জগন্নাথে দিয়া উপদেশ মতে তিৰোতীয়া ব্ৰাহ্মণে গীতা, ভাগৱত পঢ়াৰ উদ্দেশ্যে শঙ্কৰদেৱৰ ওচৰত উপস্থিত হোৱাত 'দেৱগৃহ'ত মহানাট আৰম্ভ হ'ল। লগতে গায়নে হাতে তাল ধৰি গীত গালে— "হাতে তাল ধৰি গীত গায়নে গাৱয়।"[৫৯]

গীতা, ভাগৱতৰ অৰ্থ গীততে নিহিত হৈ থকা দেখি ব্ৰাহ্মণে বিস্ময় মানিলে—

যিসব অৰ্থক কহে গীতা ভাগৱতে।
সবে অৰ্থ বেক্ত হুয়া আছয় গীততে।।[৬০]

জগন্নাথ মহন্তৰ চৰিতত উল্লেখ আছে যে মাধৱদেৱে কীৰ্তন শুনাৰ কথা ব্যক্ত কৰাত মথুৰাদাস বুঢ়া আতাই মূৰত পাগুৰি মাৰি ওঠৰজন পালি লগত লৈ শ্যাম ৰাগত আতাই গীত জুৰিলে। পালিয়ে তাল হাতত লৈ গীতৰ লহৰে লহৰে দশমৰ পদ ধৰিলে—

কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত।
নাম ধৰ্ম কৰিলা বিদিত।।
ৰাম চন্দ্ৰ স্বৰ্গে চলি গৈলা।
অযোধ্যা নগৰী শুন্য ভৈলা।।[৬১]

ঘোষা সম্বৰণ কৰি আতাই গুৰুক সেৱা জনালে। মাধৱে আতাক প্ৰশংসা কৰাৰ

৫৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৮
৫৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৫
৫৯। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৬
৬০। *পূৰ্বোক্ত*
৬১। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬১

উপৰি ঘোষটি নিজ হাতে লিপিবদ্ধ কৰি ৰাখিলে —

নিজ হস্তে সেহি ঘোষা হৰিষে লিখিলা।
ধন্য ধন্য বুলিয়া আতাক প্ৰশংসিলা।।[৬২]

ৰামাৰায় গুৰুৰ নাতি সৰ্বানিন্দই পাটবাউসীত থাকোতে এদিন ৰাতি বাসুদেৱে "বড়গীত ভটিমাক নানা চন্দে গাৱে" নানা বাদ্য তাল, খোল সমন্বিতে।[৬৩] বেলবাৰী গাঁৱৰ কমলাৰ পুত্ৰ কজলা মাজিয়ে ৰাগ টানি গীত গাই গাই ধান কাটিছিল — "ৰাগ টানি গীত গাই ধানক কাটন্ত।"[৬৪] মাধৱদেৱে সুন্দৰীৰপৰা তাঁতীকুছিলৈ অহাৰ পাচত গীত এটি গাইছে ভাটিয়ালি ৰাগত —

আলো ভাই! চলো আইস যাওঁ বৃন্দাবনে।
দেখো গৈয়া আনন্দ নয়নে।।[৬৫]

## ভটিমা

ভটিমা শব্দৰ অৰ্থ হ'ল স্তুতি বা প্ৰশস্তি ভটিমা চাৰি প্ৰকাৰৰ। দেৱভটিমা, নাটভটিমা, ৰাজভটিমা আৰু গুৰুভটিমা। নাট ভটিমা আকৌ তিনি প্ৰকাৰৰ। মঙ্গলাচৰণ ভটিমা, নাটকীয় চৰিত্ৰৰ ভটিমা আৰু মুক্তি মংগল ভটিমা। চৰিত পুথিসমূহতো ভটিমা, পয়াৰ আদিৰ উল্লেখ পোৱা যায়। এবাৰ শঙ্কৰ-মাধৱ দুয়োজনে পাটবাউসীলৈ যাওঁতে বাটতে ব্ৰাহ্মণে ভাট গোৱা শুনি মাধৱদেৱকো গাবলৈ ক'লে। গুৰু আজ্ঞা পাই মাধৱে এই ভটিমাটো গাইছে — প্ৰাতঃ সময়ে যশোৱা জননী।[৬৬] আন এদিন শঙ্কৰদেৱ, মাধৱদেৱ, ঠাকুৰ আতা, জয়ন্তীৰ মাধৱ চাৰিওজন গৈ থাকোতে আজ্ঞা কৰিছে গুৰুৱে— তিনিওজনে তিনিটি পয়াৰ কৰি দিব লাগে। গুৰুৰ আজ্ঞা পালন কৰি তিনিও তিনিটি পয়াৰ ৰচনা কৰিলে।[৬৭]

ইয়াৰ উপৰি নৰনাৰায়ণ আৰু চিলাৰায়ৰ অনুগ্ৰহত কোঁচ ৰাজ্যত বসবাস কৰা কালছোৱাত গুৰুজনাই সৰহখিনি শাস্ত্ৰ ৰচনা কৰিছিল। অকল পাটবাউসীত বাস কৰা সময়খিনিতে একুৰি সোতৰখন শাস্ত্ৰ ৰচনা কৰা বুলি প্ৰবাদ আছে। ইয়াতেই শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষা পুথিখনৰ পদ ৰচনা শেষ কৰিছিল। ভাগৱতৰ প্ৰথম, দ্বিতীয়, সপ্তম,

৬২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬২
৬৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১১
৬৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১২
৬৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৫
৬৬। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ১৬০
৬৭। *পূৰ্বোক্ত*



অষ্টম, দশম, একাদশ আৰু দ্বাদশ স্কন্দৰ পদ ভাঙনি এই সময়তে কৰিছিল। **বলিছলন, কুৰুক্ষেত্ৰ, অনাদি পাতন, নিমি নৱসিদ্ধ সংবাদ** পাটবাউসীতে ৰচিত। **গীতা, ভাগৱত,** বেদ-বেদান্ত আদিৰ সাৰ সংগ্ৰহ কৰি **ভক্তি ৰত্নাকৰ** নামৰ সংস্কৃত গ্ৰন্থখনিও ইয়াতে ৰচিত। নাটসমূহৰ ভিতৰত **কালিদমন, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, কেলিগোপাল** আৰু বহুতো গীত, ভটিমা শঙ্কৰদেৱে পাটবাউসীতে ৰচনা কৰিছিল।[৬৮] পাটবাউসীতে শঙ্কৰদেৱে মাধৱদেৱক ঘোষা শাস্ত্ৰখন লিখিবলৈ নিৰ্দেশ দিছিল। অৱশ্যে শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচতহে এই গ্ৰন্থখনিৰ ৰচনা সম্পূৰ্ণ হয়। প্ৰাক্‌শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱকন্দলিৰ পদ ৰামায়ণৰ আদি কাণ্ড মাদৱদেৱে আৰু উত্তৰা কাণ্ড শঙ্কৰদেৱে ইয়াতে ৰচনা কৰি সম্পূৰ্ণ কৰে।

চিলাৰায়ে ৰজা নৰনাৰায়ণৰ আদেশমতে গুৰুজনাক ৰাজসভালৈ লৈ যাওঁতে সাত তৰপীয়া ৰাজ-দৰবাৰত উঠোতে সংস্কৃতত ৰচনা কৰা "মধু দানৱ দাৰুণ দেৱ বৰম" টোটয়টি সুমধুৰ কণ্ঠেৰে সুললিত সুৰত গাই সকলোকে মোহিত কৰিছিল। ধীৰে-সুস্থিৰে আসন গ্ৰহণ কৰি গুৰু গম্ভীৰ স্বৰেৰে "নাৰায়ণ কাহে ভকতি কৰো তেৰা" বৰগীতটি গালে। শেষত ৰজাৰ প্ৰশস্তি "জয় জয় মল্ল নৃপতি ৰসজান ..." ৰাজ ভটিমাটি ৰচনা কৰিলে। নৰনাৰায়ণ ৰজাৰ নিৰ্দেশতে 'হাতী মাৰি ভুৰুকাত ভৰোৱা' ভাগৱতৰ ক্ষুদ্ৰ তাণ্ডৱণ গুণমালা[৬৯] পুথিখন পাটবাউসীতে ৰচনা কৰে। শঙ্কৰদেৱৰ শেষ বয়সৰ ৰচনা বুলি স্বীকৃত ৰামবিজয় নাটখনিও এই সময়ৰে ৰচনা। গুৰুৰ আজ্ঞামতে মাধৱদেৱে **দধিমথন, ৰাস ঝুমুৰা, পিপৰা-গুচোৱা, চোৰধৰা, ভূমি লুটুৱা** আদি নাট ৰচনা কৰে।[৭০]

৬৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৪,১৬৫
৬৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৫৫
৭০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৬৫

## ত্ৰয়োদশ অধ্যায়

## অসমৰ চৰিত পুথিত চিত্ৰত

# শিক্ষা, সপোন আৰু আলৌকিকতা

মধ্যযুগৰ চৰিত পুথিতসমূহত শিক্ষা, সপোন, অলৌকিকতা আদি অনেক বিষয় প্ৰতিফলিত হৈছে। এই বিষয়সমূহেও সেই সময়ৰ অসমৰ সমাজ জীৱনৰ চিত্ৰ দাঙি ধৰে —

### শিক্ষা

শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকল কিছু আগবঢ়া আছিল। শঙ্কৰদেৱে বহু বছৰলৈকে পাঠশালালৈ নোযোৱাকৈ আছিল। কিয়নো এদিন ভোজনৰ সময়ত বৃদ্ধা মাতাই শঙ্কৰক কৈছিল —

বোপা তুমি পঢ়িব লাগে; আমাৰ বংশত উপৰি পুৰুষ সকলো পণ্ডিত।[১]

লিখা-পঢ়া কৰি জ্ঞানী হ'লে পণ্ডিতৰ শাৰীত থোৱা হৈছিল। কুসুম্বৰ ডাঙৰ হোৱাত নিয়মমতে বিদ্যা শিকাই পণ্ডিতসকলৰ শ্ৰেণীত গণ্য কৰায়।[২] তেতিয়াৰ দিনত গুৰু গৃহত ছাত্ৰক পঢ়ুওৱা হৈছিল। শংকৰে পঢ়িবৰ ইচ্ছা কৰি কৈছিল —

"পঢ়িবোঁহো শাস্ত্ৰ মোক ছাত্ৰশালে থৈয়ো।।"[৩]

শুভদিন, শুভক্ষণে মহেন্দ্ৰ কন্দলিৰ পাঠশালত অৰ্পণ কৰিলে। ভাদ্ৰমাহৰ বৃহস্পতিবাৰে শুভলগ্নত পাঠ আৰম্ভ কৰিলে। মাত্ৰ চৌষষ্ঠি দিনৰ ভিতৰতে ব্যাকৰণ, পুৰাণ, কাব্যাদি নানা শাস্ত্ৰ অধ্যয়ন কৰি জ্ঞানোৎপত্তি হোৱাত হে পঢ়াশালি এৰি আহে।[৪] বিদ্যা-শিক্ষা শেষ হোৱাৰ পাচত গুৰুক আপোন গৃহলৈ মাতি আনি — ভোজন কৰায়া গুৰু দক্ষিণাক দিলা।[৫]

১। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৫০
২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৫
৩। ভূষণ দ্বিজ, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, পৃঃ ৯
৪। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫২
৫। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১১



মাধৱদেৱেও অলপ দিনৰ ভিতৰতে শাস্ত্ৰ অধ্যয়ন কৰি, ন্যায়, তৰ্ক, নীতি প্ৰভৃতি শিক্ষা লাভ কৰি ৰাজেন্দ্ৰ অধ্যাপকৰপৰা বিদায় লৈ গৃহাগত হ'ল।[৬]

মাধৱদেৱে গণককুছিত থাকি ধৰ্ম প্ৰচাৰ কৰিও গুৰুৰ নাতি পুৰোযোত্তম, পুত্ৰ হৰিচৰণ, নিজ ভাগিন ৰামচৰণ তিনিওজনক পঢ়াইছিল।[৭]

সমাজত বিদ্বান লোকৰ স্থান আছিল অতি উচ্চ। আন ধন-সম্পত্তি চোৰে নিলেও বিদ্যাধন কিন্তু কোনেও কাৰো পৰা নিব নোৱাৰে। বিদ্যাধন মহাধন। স্বদেশত মহন্ত আৰু ৰজাক পুজে, কিন্তু বিদ্যাৱন্তক সৰ্বদেশতে পূজা কৰে।[৮]

বিদ্যা-শিক্ষা আহৰণৰ কাৰণে মানুহ এঠাইৰপৰা আন এঠাইলৈ গৈছিল। শিক্ষা অধ্যয়নৰ ক্ষেত্ৰত ভৌগোলিক দূৰত্ব বাধা হ'ব নোৱাৰে। এই কথাৰ উল্লেখ আছে ভূষণ দ্বিজৰ চৰিতত। জগন্নাথৰ আদেশ পাই তিহুতৰপৰা বৰদোৱালৈ শঙ্কৰৰ ওচৰত ভাগৱত পঢ়িবৰ কাৰণে আহিছিল।[৯] নদীয়াৰপৰাও এজন পণ্ডিত আহিছিল গোড়েশ্বৰৰ ৰাজ্যত বাদ কৰিবলৈ।[১০] পণ্ডিত কণ্ঠ ভূষণে ষাঠিজন ছাত্ৰ লৈ বাৰানসীৰ ব্ৰহ্মানন্দৰ ওচৰলৈ বেদান্ত পঢ়িবলৈ গৈছিল —

পৰম পণ্ডিত নাম কণ্ঠ যে ভূষণ।
বেদান্ত পঢ়িবে গৈলা বাৰানশী থান।।[১১]

কণ্ঠভূষণে ভাগৱত পঢ়া শুনি ব্ৰহ্মানন্দ অভিভূত হৈ সুধিছিল যে তেওঁ কাৰপৰা ভাগৱত পঢ়া শিকিছে। উত্তৰত শঙ্কৰদেৱৰ কথা জানিব পাৰি কৈছিল — তেনে এজন পণ্ডিত থাকোতে কিয় বাৰাণসীলৈ আহিলে। পাচত আহিবৰ সময়ত ব্ৰহ্মানন্দই শঙ্কৰদেৱলৈ কণ্ঠভূষণৰ হাতত 'বংশাৱলী' (ৰত্নাৱলী) পুথিখন দি পঠাইছিল।[১২] ৰত্নাৱলী পুথিখন ৰহস্য গ্ৰন্থ হোৱা বাবে সকলোৱে বুজি নোপোৱাত শঙ্কৰদেৱে মাধৱদেৱক অসমীয়াত ৰচনা কৰিবলৈ কৈছিল।[১৩]

শঙ্কৰদেৱে সংস্কৃততে পণ্ডিতৰ লগত কথা কৈছিল — "পুছিলন্ত শংঙ্কৰে বুলিয়া সঙ্গঃকৃত।।"[১৪]

৬। মহেশ্বৰ নেওগ (সম্পাঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৮
৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৩
৮। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯
৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৩
১০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৩
১১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৪
১২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩৭
১৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৪২
১৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৩১

শান্তিপুৰৰপৰা কবিচন্দ্ৰ নামে পণ্ডিত এজনে লগত ষাঠিজন ছাত্ৰ লৈ শাস্ত্ৰ তৰ্ক কৰিবৰ কাৰণে ৰাজ্যলৈ আহোতে চণ্ডীবৰে সংস্কৃততে তৰ্ক কৰিছিল —

পাছে চণ্ডীবৰে সংস্কৃততে চৰ্চ্চিলে।[১৫]

সেই সময়ত শিক্ষকক অগাধ ভক্তি কৰিছিল। শিক্ষকসকল আছিল পৰম গুৰু। গুৰুৱে যি কয় তাকে আখৰে আখৰে পালন কৰে। শিক্ষকক অধ্যাপক বুলিও কোৱা হৈছিল। গুৰুৱে ছাত্ৰসকলৰ প্ৰতিভাৰ প্ৰমাণ লোৱাৰ অৰ্থে মাজে মাজে পৰীক্ষা কৰিছিল। এবাৰ — "এক দিন অধ্যাপকে সবে ছাত্ৰক বোলে মোক একোটা শ্লোক কৰি দেহক।"[১৬] সকলো ছাত্ৰই শ্লোক আনিলে। কোনো অৰ্থ নাই। শঙ্কৰদেৱে বৈকুণ্ঠৰপৰা পাত, কাপ, মহি, মৈলাম চাৰিটা বস্তু আনি ৰচনা কৰিলে —

খগস্বৰঃ আকাৰ ইকাৰ নাই সুদা অৰ্থে পৃথিবী পাতাল বৈকুণ্ঠ
স্বৰ্গ ভেদি গ'লঃ অধ্যাপকে চাই তৈল লোণ নাই সুদা ব্যঞ্জনৰ
এনে স্বাদঃ[১৭]

শঙ্কৰদেৱে কন্দলিৰ পঢ়াশালিত চাৰিবেদ, চৈধ্য শাস্ত্ৰ, অষ্টাদশ পুৰাণ, চৈধ্য ব্যাকৰণ, অষ্টাদশ তন্ত্ৰ, অষ্টাদশ কাব্য, অষ্টাদশ কোষ আৰু অনেক শাস্ত্ৰ অধ্যয়ন কৰিছিল। আনকি শঙ্কৰদেৱে যোগ শাস্ত্ৰও ঘৰতে পঢ়িছিল।[১৮]

অক্ষৰ জ্ঞান নাথাকিলেও ধৰ্মীয় বিষয় বস্তুৰ ওপৰত চন্দৰি আইৰ জ্ঞান আছিল অসীম। এবাৰ শঙ্কৰদেৱে সাত বৈকুণ্ঠৰ চিত্ৰ আঁকোতে কল্পতৰু বৃক্ষ কোনখিনিত দিব সেইলৈ বিমোৰত পৰোতে চন্দৰি আইয়ে দেখুৱাই দিছিল — "বোলে ডেকাগিৰি সেইখিনিতে নিদিয়া কিয়ঃ শ্ৰীমন্দিৰৰ কাখে সপ্তম দ্বাৰ আগকৈ।।"[১৯]

জগন্নাথ মহন্তৰ চৰিতখনিত শিক্ষাৰ কথা উল্লেখ নাই বুলিয়েই ক'ব পাৰি। বুঢ়া আতাই শিশুকালত উমলিয়েই কাল কটাইছিল। অনেক বছৰ পাৰ হোৱাৰ পাচতহে পঢ়িবলৈ মন কৰিলে —

শিশুকালে উমলিয়া অনেক বছৰ গৈল
পাচে মন কৰিলা পঢ়িব।।
পঢ়িবাক গৈল পাছে পঢ়াশালি যৈত আছে
শিক্ষা লৈলা কাইথ সনাতন।।[২০]

১৫। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ৯
১৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩
১৭। *পূৰ্বোক্ত*
১৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৫
১৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩১
২০। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫, ৬



বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰাৰ উপৰিও মাধৱদেৱে কায়স্থিকা বৃত্তি পৰ্যন্ত শিকিছিল—

মাধৱদেৱক পঢ়াইলা সমস্ত
কায়স্থিকা বৃত্তি যত।।
আনো শাস্ত্ৰ যত পঢ়াইলা সমস্ত
গদ্য পদ্য সংস্কৃত ।
ন্যায় তৰ্ক নীতি শিখাইলা সম্প্ৰতি
আনো যত কৰ্ম্ম নিত্য।।[২১]

সেই সময়ত সংস্কৃতৰ চৰ্চা আছিল —

সংস্কৃত বিনে আন মাত নমাতয়।
সামান্য কথাকো সবে সংস্কৃতে কয়।।[২২]

সাধাৰণতে গুৰু গৃহত থাকি শিক্ষা গ্ৰহণ কৰিব লাগিছিল। নিৰ্দিষ্ট সময়ৰ পাচত শিক্ষা শেষ হ'লে ঘৰলৈ উভতি আহিছিল। শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থৰপৰা ঘুৰি আহি ভাগৱত কথা, শাস্ত্ৰ কথা চৰ্চা কৰিছিল। এই শাস্ত্ৰ অধ্যয়নৰপৰাই জ্ঞান বৃদ্ধি হ'ল বুলি অনুভৱ কৰিছিল —

তত্ত্ব মৰ্ম্ম জানিলন্ত মনে খেদ কৰিলন্ত
মায়াময় অনিত্য সংসাৰ।[২৩]

প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে জগন্নাথ ক্ষেত্ৰত স্থানীয়লোকে শঙ্কৰদেৱৰ পাণ্ডিত্যৰ পৰিচয় পাইছিল —

ৰাত্ৰি দিনে শাস্ত্ৰ ব্যাখ্যা কৰিয়া থাকয়।
ক্ষেত্ৰবাসী লোকে শুনি অমৃত পিবয়।।[২৪]

এনেদৰে ৰাতি-দিনে ভক্তসকলে শাস্ত্ৰ ব্যাখ্যা শুনি অমৃত পান কৰাৰ কথা প্ৰায় আটাইকেইখন চৰিততে পোৱা যায়।

## সপোন

কম-বেছি পৰিমাণে আটাইবোৰ চৰিততে সপোনৰ উল্লেখ আছে। প্ৰায় প্ৰতিখন চৰিততে শঙ্কৰদেৱৰ পূৰ্ব-পুৰুষসকলৰ প্ৰসংগত চৰিকাৰসকলে সপোনৰ কথা টানি

২১। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৮
২২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৩
২৩। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৬১
২৪। ৰামানন্দ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১

আনিছে। কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু গৌড়ৰ ৰজা ধৰ্মনাৰায়ণৰ মাজত মাটিৰ সীমাক লৈ বিবাদ লগাত সাত দিন সাত ৰাতি যুদ্ধ হয়। যুদ্ধত কাৰো জয়-পৰাজয় নোহোৱা দেখি দুৰ্গাই সপোনত দেখা দি গৌড়ৰ ৰজাক ক'লে — "তোৰ মাৰাক কালৈ সৰ্প্পে খাব কামেশ্বৰে চালে জীব।"[২৫] সাৰ্বভৌম ভট্টাচাৰ্যই কাশী বাৰাণসীত পঢ়ি পণ্ডিত হৈ গুৰুজনক তৰ্কত পৰাস্ত কৰাৰ মানসেৰে শাস্ত্ৰ বিচাৰি ফুৰোতে — "এক নিশা স্বপ্নত বৰ তাম্ৰৰ জকাত তৈল বসাই ভাজিছে জীৱক।"[২৬] সপোনত দ্বিজে আহি সুধিলে এই প্ৰাণীবোৰে কি পাপ কৰিছে।

কটক নগৰৰ ৰজাই গন্ধতেল একলহ জগন্নাথক দিবৰ কাৰণে ধ্বজা আতৈৰ হাতত দি পঠালে। ধ্বজা আতৈয়ে কিছুদূৰ গৈ বিৰিণা মূঢ়াত জগন্নাথ ল'বা বুলি বাকি গ'ল। কাটোৱালে দেখি ৰজাক গোচৰ দিয়াত ৰজাই ধ্বজা আতৈক বন্দীশালত থোৱালেগৈ। তেতিয়া — "নিশা স্বপ্নত জগন্নাথে ৰাজাক বোলে চা মোৰ মাথা বুৰি গৈছে।"[২৭] শ্ৰীৰাম আতৈক জগন্নাথে সপোনত মহন্তৰ সংগ ল'বলৈ কৈছিল।[২৮]

ভূঞাসকলে আগবঢ়োৱা বিবাহৰ প্ৰস্তাৱ কৃষ্ণকান্তিয়ে প্ৰত্যাখ্যান কৰি অবিবাহিত হৈ থকাত — "স্বপ্নত সদাশিৱ আহি ৰমণ কৰাত ক্ৰমে গৰ্ভৱতী হৈ লোকত প্ৰকাশ পালে।"[২৯] সকলো লোকে কু-কথা ৰচনা কৰাত মহেশে প্ৰতিঘৰে স্বপ্নাদেশ কৰাত আসৈয়া নিবাৰণ হ'ল। এদিন সত্যসন্ধা আয়ে ৰাতি সপোন দেখিলে যে "মহেশে দিব্যৰূপ ধাৰণ কৰি থাকিবৰ ঠাই খুজিছে।"[৩০] পাচদিনা নিজৰ স্বামীৰ আগত স্বপ্নৰ বাতৰি কোৱাত পুত্ৰ সন্তান হ'ব বুলি ক'লে।

এদিন ব্ৰজাৰাম আতৈ সপোন দেখিলে যে "তুমি গুৰু আশ্ৰয় কৰি শৰণ নোলোৱা কিয়?" আতৈয়ে ক'লে — "কাত কি বুলি শৰণ লোৱা হ'ব?" "কুসুম্বৰৰ ঘৰত গুৰুজন জন্ম হৈছে, তাৰাত গুৰু আগ কৰি বস্তু প্ৰকাশ কৰি আগত থৈ শৰণ লবাঁ।"[৩১] গুৰু ঈশ্বৰ মথুৰালৈ যোৱাত সকলোৰে সপোনত শঙ্কৰ আহিছে বুলি গম পাই আগবঢ়াই আনিছে।[৩২]

২৫। মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *গুৰু-চৰিত-কথা*, পৃঃ ৮
২৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৬
২৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১০৫
২৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩০৫
২৯। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪০
৩০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৫
৩১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫০
৩২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৬



সত্যানন্দ বা দেৱীদাস নামে এজন কায়স্থই বিশ্বনাথ দেৱালয়ত দেৱীৰ সেৱা-পূজা কৰি থকাত —

এদিন নিশাভাগে স্বপ্নাদেশ হ'ল, তুমি এইভাৱে মুক্তি নাপাবা,
গাঙ্গমৌত গুৰু অৱতাৰ হৈছে, তালৈ গৈ কৃষ্ণৰ নামত শৰণ
লোৱা।[৩৩]

পাচদিনা দাড়ি-নখ কমাই শুদ্ধভাৱে গুৰুৰ ওচৰত গাঙ্গমৌত উপস্থিত হ'লহি।

হৰি আতৈয়ে প্ৰভুৰ ওচৰলৈ এথোকা কল আনিছে। তিনিজন ভকতে বাটত লগ পাই সিহঁতৰ ক্ষুধা দূৰ কৰিবলৈ কোৱাত প্ৰতিজনক দুটি দুটি কৰি ছয়টি কল দিলে। থোকৰ কল ভগন হোৱা দেখি আতৈয়ে কল থোক ফিৰাই আনিলে। ৰাতি স্বপ্নত শ্ৰীকৃষ্ণই জনাইছে, "ছয়টি কল পোৱা হ'ল, বাকী কল পোৱা নাই।" ৰাতিপুৱাই শুই উঠি আগদিনাৰ বিৱৰণ জনাই দিছে, গুৰুৱে ভকতৰ অৱশেষ বুলি অতি আনন্দৰে ভোজন কৰিছে।[৩৪]

আন আন চৰিতত থকাৰ দৰে ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিতখনিতো সপোনৰ উল্লেখ আছে। কুসুমদেৱে পুত্ৰ সন্তান কামনা কৰি শিৱক পূজা কৰিছিল। পত্নীয়ে গৃহতে ৰাতি সপোন দেখিছিল। আনকি মহাদেৱ সাক্ষাত উপস্থিত হৈছিল —

তান পত্নী গৃহে থাকি স্বপ্ন দেখিলন্ত।
স্বপ্নে মহাদেৱে আসি সাক্ষাত ভৈলন্ত।।[৩৫]

চেতন লাভ কৰি সপোনৰ কথা স্বামীৰ আগত বিৱৰি ক'লে —

শুনিয়োক প্ৰভু মঞি দেখিলো সপোন।[৩৬]

তিহুতৰ বিপ্ৰই জগন্নাথক ভাগৱত শুনাবলৈ যাওঁতে জগন্নাথে সপোনত দেখা দি কৈছিল —

জগন্নাথে তান্তে স্বপ্নত বুলিলা
শুনিয়োক বিপ্ৰবৰ।
উদয় ৰাজ্যত বৰদোৱা গ্ৰামে
আছন্ত শঙ্কৰবৰ।।
তান আগে গৈয়া পঢ়িয়োক ইটো
মহাগ্ৰন্থ ভাগৱত।[৩৭]

৩৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৮
৩৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২৪
৩৫। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫
৩৬। *পূৰ্বোক্ত*
৩৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩৯

নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱৰ ভক্ত গোকুল চান্দ আৰু নাৰায়ণ দাসক বন্দী কৰি ৰখাত দুয়োজন দিনে-নিশাই হৰি নাম লৈ থাকে। হৰিষাই হৰিৰ প্ৰমাণ কিয় নাপাই বুলি সোধাত ৰাতি সপোনত আকাশৰপৰা দিব্য বিমান এখন নামি অহা দেখিলে। বিমানত চতুৰ্ভুজ ৰূপৰ লোকৰ লগত শঙ্কৰদেৱো আহিছিল। বিমানৰপৰাই শঙ্কৰদেৱে কৈছিল —

আমি বিদ্যমান আছন্তে ভক্তক
ভোণ্টে কিনিবাক পাৰে।
কোনোবা দিবেক কোনোবা নিবেক
শকতি আছে কাহাৰ।।[৩৮]

তাৰ পাচত হৰিষাই —

স্বপন দেখিয়া চেতন লড়িয়া
হৰিষা উঠি বসিলা।[৩৯]

ৰামৰায়ৰ গুৰুলীলাতো সপোনৰ উল্লেখ আছে। দামোদৰদেৱৰ জন্মৰ আগতেই মাক সুশীলাই সপোনত দেখিছিল —

শেষ ৰাত্ৰি হৈলে পাছে সপোনত দেখিলন্ত
এক দ্বিজবৰ আহিলন্ত।[৪০]

সপোনত দ্বিজবৰে সুশীলাৰ ওচৰত অলপ ঠাই খোজাত 'সাক্ষাতে ঈশ্বৰ বিষ্ণু তুমি' বুলি কৈছিল। প্ৰাতঃ সময়ে স্বামীৰ আগত সপোনৰ কথা বিৱৰি কোৱাত স্বামীয়ে এই বুলি প্ৰবোধ দিছিল —

তোমাৰ গৰ্ভত আসি সন্তপুত্ৰ উপজিব
জনাইলন্ত আগে চক্ৰপাণি।।[৪১]

প্ৰায়বোৰ চৰিততে সপোনৰ উল্লেখ থকাৰ দৰে দৈত্যাৰি ঠাকুৰ বিৰচিত চৰিতখনিতো সপোনৰ কথা আছে। ভাগৱত শাস্ত্ৰখন লৈ এজন বিপ্ৰই পঢ়িবৰ মনে জগন্নাথ ক্ষেত্ৰলৈ যোৱাত সপোনত জগন্নাথে কোৱা শুনিলে যে, শুনা দ্বিজবৰ, তুমি কামৰূপলৈ গৈ শঙ্কৰক ভাগৱত শাস্ত্ৰখন শুনোৱাগৈ। শঙ্কৰক শুনালেই মই শুনা, শঙ্কৰ

৩৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৩
৩৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৪
৪০। ৰামৰায়, *পূৰ্বোক্ত গ্ৰন্থ*, পৃ ঃ ১৭
৪১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮



আৰু মোৰ মাজত কোনো প্ৰভেদ নাই —

সেহি সময়ত বিপ্ৰে দেখিলা স্বপন।
স্বপনত জগন্নাথে বুলিলা বচন।।
শুনা দ্বিজবাজ তুমি কাম ৰূপে যায়ো।
শঙ্কৰক ভাগৱত শাস্ত্ৰক শুনায়ো।।
শঙ্কৰে শুনিলে মই শুনা হেন জানা।
শঙ্কৰকে মোকে তুমি এক কৰি মানা।
শঙ্কৰে মোৰে কিছু নাহিকে অন্তৰ।[৪২]

মাধৱদেৱ সুন্দৰীদিয়া সত্ৰত থাকোতে এদিনাখন হৰিকথা শেষ হোৱাত ভক্তসকলক মালভোগ কল বিলাই দিওতে বিলনীয়াই আঠটা কল লুকুৱাই থৈছিল। মাধৱদেৱে সপোনত সেই কথা গম পাই ৰাতিপুৱা ভক্তসকলক ক'লে —

আঠ গুটি কল নেদিলা আমাক
আপুনি ঈশ্বৰে কৈলা।[৪৩]

ৰত্নেশ্বৰ গোসাঁই সংকলিত **শ্ৰীশ্ৰীগোপালদেৱ কথা চৰিতত** গোপালদেৱৰ মাতৃৰ মনৰ দুখ দূৰ কৰিবৰ কাৰণে সপোনত ভগৱানে দেখা দিয়াৰ কথা আছে —

তোমাৰ গৰ্ভত দেবী মোক দিয়া স্থান।[৪৪]

ৰামচৰণৰ চৰিততো সপোনৰ উল্লেখ আছে। সত্যসন্ধ্যা আৰু কুসুমদেৱে শুই থাকোতে দেৱীয়ে সপোনত কৈছিল —

তোমাৰ গৃহত আসি আছে চক্ৰপাণি।।
আসিলন্ত আপুনি দেৱৰ আদি দেৱ।
আন্ত বিনে অপৰ নাহিকে আন কেৱ।।[৪৫]

জগদীশ মিশ্ৰক জগন্নাথ ক্ষেত্ৰৰ গোহাঁয়ে সপোনতে আদেশ দিছিল মহাভাগৱত শাস্ত্ৰখন উদয় ৰাজ্যৰ বৰদোৱা গ্ৰামৰ শঙ্কৰক পঢ়াই শুনাবলৈ।[৪৬] শঙ্কৰদেৱে গংগাৰ পাৰলৈ যোৱাৰ কথা গংগাদেৱীয়ে সপোনতে দেখা পাইছিল —

হিলদল ভাঙ্গি পাচে খেদি আসি পাইলা।[৪৭]

৪২। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮
৪৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৮৪
৪৪। ৰত্নেশ্বৰ গোসাই (সংকঃ), *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৬
৪৫। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২১
৪৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৬৪
৪৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬১২

ইয়াৰ উপৰি শঙ্কৰদেৱেও লগৰীয়াসকলৰ লগত জগন্নাথ ক্ষেত্ৰ গৈ পোৱাৰ আগতে — "জগন্নাথ শঙ্কৰক স্বপ্নত দেখিলা।"[৪৮]

এনেদৰে চৰিতখনিৰ কেইবাঠাইতো প্ৰসংগক্ৰমে সপোনৰ উল্লেখ আছে। সপোনৰ ওপৰত জনসাধাৰণৰ বিশ্বাস গভীৰ আছিল । সপোনৰ সকলো কথাকে অতি আস্থাৰে জনসাধাৰণে বিশ্বাস কৰিছিল।

## অলৌকিক

চৰিতকাৰসকলে ধৰ্ম প্ৰচাৰকসকলৰ জীৱনৰ গুণানুকীৰ্তন কৰিবলৈ যাওঁতে সাধাৰণ মানুহতকৈ অলৌকিক, অবিশ্বাস্য, ঘটনা বা কথা সংযোগ কৰিছিল। ইয়াৰ মূলতে বোধকৰো গুৰুৰ প্ৰতি অটল বিশ্বাস জন্মোৱা। প্ৰায়ভাগ চৰিততে অলৌকিকতাৰ উল্লেখ আছে। শঙ্কৰদেৱৰ জন্মৰ সময়ত নানা অলৌকিক ঘটনা ঘটিছিল। জন্ম হোৱাৰ লগে লগে 'কসটিৰ চণ্ডী হলি পৈল এশ বন্তি ঝাৎ কৰে নুমাল।'[৪৯] শঙ্কৰদেৱৰ জন্মৰ পাচৰ পৰাই প্ৰতিদিনে কুসুম্বৰৰ মৃত্যুৰ সময়লৈকে অলৌকিক ঘটনা ঘটি আছিল।[৫০]

এবাৰ তিতাৰাম আতৈৰ ভন্টা খেলি থাকোতে কাণ ছিগিল। তেতিয়া শঙ্কৰদেৱে ক'ত কি ছিগিল বুলি চুই চোৱাৰ লগে লগেই ছিগি যোৱা কাণখন নিমিষতে জোৰা লাগি গ'ল।[৫১] ভক্তসকলৰ পানীৰ কষ্ট দূৰ কৰিবৰ কাৰণে শঙ্কৰদেৱে আকাশীগংগা নমাই আনিছিল।[৫২] এবাৰ কছাৰী ৰজাই ভূঞাসকলক মাৰিবলৈ খেদি অহাত শঙ্কৰদেৱে বাৰভূঞাসকলক লগত লৈ ব্ৰহ্মপুত্ৰত নামিল — "ব্ৰহ্মপুত্ৰ অগাধ জলে গুৰু বাক্য তৰাঙ্গহে পথ দিলে।"[৫৩]

বাল্যকালত মাধৱদেৱে এদিন ধান সিজোৱা আখাৰ জুইৰ মাজত বহি আছিল—

দেখি আই বৰানি হিয়া ধাকুৰি কান্দি গৈ চাই একো হোৱা নাই
সবে আচৰি অদ্ভুত হল।[৫৪]

শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচতো আৰু বহুতো অলৌকিক ঘটনা ঘটিছিল। শঙ্কৰদেৱৰ

৪৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৯৩
৪৯। মহেশ্বৰ নেওগ (সম্পাঃ), *গুৰু-চৰিত-কথা*, পৃঃ ১৭
৫০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮-২১
৫১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২১
৫২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৩০
৫৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭৯৩
৫৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৪



দহাৰ দিনা ভাস্কৰ গুৰু পাটবাউসীত উপস্থিত হ'লহি। মাধৱদেৱে অহাৰ কাৰণ সোধাত "কালি চাই দণ্ড থকাত লগ পালো পথে শ্ৰীশঙ্কৰদেৱক.... বোলে কাইলৈ আমাৰ ঠাই গৈ আহিবা"[৫৫] ইয়াৰ উপৰি অনেক সৰু-সুৰা অলৌকিক ঘটনা চৰিতখনিত প্ৰায় শেষলৈকে আছে।[৫৬]

বৰদোৱা-গুৰুচৰিততো অলৌকিকতা দেখিবলৈ পোৱা যায়। কুসুম্বৰ ভূঞাৰ এজনী কপিলী গাভী আছিল। প্ৰতিদিনে গাইজনীয়ে ব্ৰহ্মপুত্ৰ পাৰ হৈ শিঙ্গৰিৰ গোপেশ্বৰক দুগ্ধ যোগায়, পুনৰ ঘূৰি আহি গোহালিত থাকেহি।[৫৭]

শঙ্কৰদেৱৰ জন্ম সময়ত নানা অলৌকিক ঘটনা ঘটিছিল —

ভূঞাসকলৰ ঘৰৰ এক শ পুৰাৰে ভৰি থকা সৰিয়হৰ ডুলি
বাগৰি পৰিছে। এক শ গছি বন্তি নুমাই দেৱীমূৰ্ত্তিসকল কাতি
হৈ পৰিছে। হাতী ঘোঁৰাই চিয়ঁৰিছে, ডবা, ভেৰী, কালি
দেৱবাদ্য বাজিছে।[৫৮]

এদিন ঘৰৰ ভিতৰত শঙ্কৰদেৱ শুই আছে। এটি চকৰি ফেঁটী সাপে শঙ্কৰক ফণা তুলি ছত্ৰৰে ধৰি আছে —

এটি চকৰি ফেঁটী সাপ আহি ফণা তুলি ছত্ৰ ধৰিছে, চন্দৰিয়ে
দেখি ভয় পাই দৌৰ মাৰি সাপৰ ভয় বুলি আচৰিত হৈ
চিএৰ মাৰি গুৰুমাতাত কোৱাত আথে বেথে গৈ দেখি
সাৱটি ধৰাত সৰ্প অদৃশ্য হ'ল।[৫৯]

মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত এদিনাখন একাদশীত সকলো ছাত্ৰই পাঠ শেষ কৰি ঘৰা-ঘৰি গৈছে, শঙ্কৰদেৱে অকলে পঢ়াশালিত শয়ন কৰি থাকিল। কোমল শৰীৰত ৰ'দ পৰা দেখি স্বয়ং অনন্ত আহি ফণাৰে ছাঁ দিছে, কন্দলিয়ে আহি দেখা পাই দণ্ডৱতে পৰি শৰণ ল'লে; অনন্ত অন্তৰ্দ্ধান হ'ল।[৬০]

গুৰুজন প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰোতে পাণ্ডাসকলে অতি সাদৰেৰে আগবঢ়াই নি মহাপ্ৰভুৰ দৰ্শন কৰালে — "গুৰু ঈশ্বৰে প্ৰদক্ষিণ কৰাত মহাপ্ৰভুৰ মাথা

৫৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৯
৫৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৪৪,২৪৬,২৬৮, ৩০৭, ৩২১, ৩৬১, ৩৭৩, ৩৭৪, ৪২৮, ৪৪৯, ৪৭১, ৪৮৮
৫৭। মহেশ্বৰ নেওগ (সম্পাঃ), *বৰদোৱা-গুৰুচৰিত*, পৃঃ ৪৫
৫৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৫,৪৬
৫৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪৮
৬০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫১

ঘূৰিছিল।"[৬১] ৰাধিকাই শান্তিৰ পানী পেলাই দিয়া মাত্ৰকেই ভেটা বন্ধ হৈ সমুদায় বালি পৰি পানী নাইকিয়া হ'ল। নদীৰ চৰ পৰা হেতু সত্ৰত পানীৰ কষ্ট হোৱাত ভূঞাসকলে শঙ্কৰক জনালে। শংকৰে —

> এদিন নিশা যোগে বটগছৰ তললৈ গৈ ধেনুৰ অগ্ৰেদি চাপাকৃতি আঁক দি গঙ্গাদেৱীক আহ্বান কৰাত বটবৃক্ষ দ্ৰৱিত হৈ গঙ্গা উৎপত্তি হ'ল, লেই দিনাৰ পৰা সত্ৰৰ নাম বটদ্ৰৱা হ'ল। গঙ্গা আগমনৰ হেতু পানীৰ বৰ সুচল হোৱাত প্ৰভাতে লোকসকলে দেখি আচৰিত হৈছে। এই জলাশয়ৰ জল এনেহে স্বচ্ছ স্নান কৰা লোকৰ আঙঠি আদি অলঙ্কাৰ হঠাৎ পৰিলেও দেখি শুনি আনিব পাৰি।[৬২]

এবাৰ কছাৰীয়ে ভূঞাসকলৰ ওপৰত উপদ্ৰৱ চলোৱাত ডেকাগিৰি সহিতে সকলো পলাই গৈছে। বিপক্ষৰ লোকে খেদি যোৱাত ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ উপায় নেদেখি —

> গুৰু দেৱে ব্ৰহ্মাপুত্ৰত নামি গৈছে, প্ৰজাসকলো নামি গৈছে, পানী এক আঁঠু মাথোন হৈছে।[৬৩]

মাধৱদেৱৰ জন্মৰ সময়তো নানা অলৌকিক ঘটনা সংঘটিত হৈছিল —

> হাতী ঘোঁৰাই চিয়ঁৰিছে। ডবা-ভেৰী আদি বাদ্যবোৰ স্বয়ং বাজিছে, দেৱমূৰ্ত্তিসকল কাতি হৈ পৰিছে, অনেক বস্তি নুমাইছে আৰু বহুত সৰিয়হৰডুলি কাতি হৈ পৰিছে। আকাশৰ অপসৰা পাঁচজনী আহি প্ৰসৱিনীৰ আল ধৰিছে।[৬৪]

গোপাল আতা জন্মগ্ৰহণ কৰাৰ সময়তো নগৰৰ হাতী, ঘোঁৰাই চিয়ঁৰিছে।[৬৫] মাধৱে স্বপ্ন দেখিছে যে গুৰু ঈশ্বৰ সোণৰ জখলাৰে উঠি স্বৰ্গলৈ গৈছে।[৬৬]

ৰামৰায়ৰ গুৰুলীলাত ভট্টদেৱৰ মহাপ্ৰস্থানৰ সময়ত বৈকুণ্ঠৰপৰা বিমান নামি অহা কথাটোত অতিৰঞ্জিত দেখিবলৈ পোৱা যায় —

> বৈকুণ্ঠৰ পৰা নামি আসিলা বিমান।[৬৭]

৬১। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৫৫
৬২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬০
৬৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৭
৬৪। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৭২
৬৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৭
৬৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৫
৬৭। ৰামৰায়, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯৯



এই বিমানতে আৰোহণ কৰি ভট্টদেৱ মহাপ্ৰস্থান কৰিছিল।

জগন্নাথ মহন্তৰ চৰিতত শ্ৰীকৃষ্ণই কলি কালত শ্ৰীশঙ্কৰ ৰূপে অৱতাৰ লৈছিল বুলি উল্লেখ কৰিছে —

> সেহি কৃষ্ণ আসি তুমি পুনৰ্ব্বাৰ ফিৰি।
> কলিত জন্মিলা শ্ৰীশঙ্কৰ নাম ধৰি।।[৬৮]

সৰ্বসাধাৰণৰ গভীৰ বিশ্বাস যে অৱতাৰী পুৰুষ বা মহাপুৰুষৰ গাৰ-ছাঁ দেখিবলৈ পোৱা নাযায় —

> তোমাৰ যে ছায়া নাই দেখিলো সাক্ষাত।
> একাৰণে নাম মহাপুৰুষ প্ৰখ্যাত।।[৬৯]

ইয়াৰ উপৰি "নাওঁৰাৰ তলে পদ্ম ফুটা" "বেঙে (ভেকুলীয়ে) সাপক গিলা" কথা অলৌকিক।[৭০]

ভূষণ দ্বিজৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ চৰিতত অলৌকিক ঘটনাৰ উল্লেখ নাই বুলিয়েই ক'ব পাৰি। দুই-এঠাইতহে উল্লেখ আছে। বেহাৰৰ ৰজা নৰনাৰায়ণে গোকুল চান্দ আৰু নাৰায়ণ দাস আতাক ভোটৰ ওচৰত বিক্ৰী কৰিছিল। ভোটে লৈ যাওঁতে বাটতে অন্ধকাৰ দেখিলে, আনকি আগফালে ভৰি নোযোৱা অৱস্থা হৈছিল। ভোটে দেৱমানুহ বুলি ভাবি ওভতাই দিছিল।[৭১] গোকুল চান্দ আৰু নাৰায়ণ দাস দুয়োকো ভোটে ঘূৰাই দিয়াৰ পাচত শিকলি লগাই শুবলৈ দিছিল। ৰাতি শুই থাকোতে কৃষ্ণ নাম স্মৰণ কৰাত শিকলি ভৰিৰপৰা খহি পৰিল —

> অতিশয় বৰ ভাণ্ট লোহাৰ নিহল পাণ্ট
> নাৰায়ণ দাসৰ ভৰিৰ খহিল।।[৭২]

আকৌ, নিহল লগাই স্নান কৰিবলৈ যাওঁতে পুনৰ চিগি গৈছিল।[৭৩]

দৈত্যাৰি ঠাকুৰৰ চৰিতত বিভিন্ন প্ৰসংগত অলৌকিক ঘটনাৰ উল্লেখ কৰিছে। শঙ্কৰ-মাধৱক অৱতাৰী পুৰুষ হিচাপে কেইবা ঠাইতো উল্লেখ কৰিছে। লোকৰ হিতাৰ্থে ভগৱানে

৬৮। জগন্নাথ মহন্ত, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১
৬৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২
৭০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬৩
৭১। ভূষণ দ্বিজ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৮৫
৭২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯০
৭৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৯১

শঙ্কৰ ৰূপে অৱতাৰ হৈছে।[৭৪] ইয়াৰ উপৰি —

মানুহৰ শকতি নুহিকে শঙ্কৰৰ।
ঈশ্বৰৰ শক্তি ইটো জানা সাৰোত্তৰ ।।[৭৫]
ঈশ্বৰৰ অংশ জানিবাহা মাধৱক।[৭৬]

শঙ্কৰৰ জন্ম হোৱাৰ লগে লগেই নানান অলৌকিক ঘটনা ঘটিছিল। প্ৰসূতিৰ অন্ধকাৰাচ্ছন্ন দোভাগ ৰাতিৰ কোঠালি মুহূৰ্ততে জ্যোতিৰ্ময় হৈ পৰিছিল। মেঘে গৰজি উঠিছিল। আনকি ঘোঁৰাবোৰেই চিঞৰি উঠিছিল।[৭৭]

শঙ্কৰদেৱে জলৰ মাজত বহি থাকিলেও বস্ত্ৰ নিতিতে কথাটো অলৌকিক —

বস্ত্ৰো নিভিজয় শুকানে থাকয়
উঠন্ত পুনু জলৰ।[৭৮]

কটা মূৰে তিনিবাৰ ৰাম বুলি মতাটো অলৌকিক।[৭৯]

কলিৰ নামে বুঢ়া এজনে শঙ্কৰদেৱৰ থানলৈ নাযায়, কৃষ্ণক নভজে। বেমাৰত পৰি মৰাৰ পাচত জ্ঞাতিসবে দাহ কৰিবলৈ নিছিল। তেনেতে মাধৱদেৱ ভৱানীপুৰত উপস্থিত হোৱাত মৰাশই মাত লগালে — "আসিল মাধৱদেৱ লৈয়া চলা মোক।"[৮০]

কোৱা বাহুল্য যে ৰামচৰণ ঠাকুৰৰ **গুৰু-চৰিত** অলৌকিক ঘটনাৰে ভৰপূৰ। আৰম্ভণিতে শঙ্কৰক ঈশ্বৰৰ অৱতাৰ ৰূপে দেখুৱাইছে —

জয় জয় অনাদি ঈশ্বৰ অৱতিৰ।
শঙ্কৰ স্ব ৰূপে পৃথিবীত অৱতৰি।।[৮১]

চৰিতখনিৰ বিভিন্ন ঠাইত অলৌকিক কাহিনীৰ বৰ্ণনা পোৱা যায়।[৮২] জগন্নাথ ক্ষেত্ৰলৈ যাওঁতে বাটত বহুতো অলৌকিক ঘটনা ঘটিছিল।[৮৩] উল্লেখনীয় যে প্ৰায় প্ৰতিখন চৰিততে কম-বেছি পৰিমাণে অলৌকিক ঘটনাৰ উল্লেখ আছে।

---

৭৪। দৈত্যাৰি ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২,৩
৭৫। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১৭৩
৭৬। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৭৪
৭৭। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৬
৭৮। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১২
৭৯। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৯৮
৮০। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ২৩০
৮১। ৰামচৰণ ঠাকুৰ, *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ১
৮২। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৮৫, ২৪০, ৪০৫, ৪১৯
৮৩। *পূৰ্বোক্ত গ্ৰন্থ*, পৃঃ ৪০৯, ৪১৫, ৪২৬, ৪৪০, ৫০৬, ৭১৭

## চতুৰ্দশ অধ্যায়

# উপসংহাৰ

পূৰ্বৰ অধ্যায়সমূহত বিভিন্ন প্ৰসংগৰ আলোচনাৰ মাজেদি প্ৰকাশিত হৈছে যে সাহিত্য আৰু সমাজৰ মাজত চিৰাচৰিত ৰূপত সম্বন্ধ থকাৰ দৰে অসমৰ মধ্যযুগৰ চৰিত সাহিত্য আৰু অসমীয়া সমাজ জীৱনৰ মাজত পাৰস্পৰিক যোগসূত্ৰ স্থাপিত হৈ অহাই নহয়, চৰিত পুথিসমূহত সমাজ জীৱনৰ বিভিন্ন দিশ সামৰি লোৱা জীৱন্ত প্ৰতিচ্ছবি এখনি প্ৰতিফলিত হৈছে। চৰিত পুথিসমূহত শঙ্কৰদেৱ-মাধৱদেৱৰ উপৰি সমসাময়িক আন আন আতাপুৰুষৰ নানান প্ৰসংগও আহি পৰিছে। এই আতাপুৰুষসকলৰ জীৱনৰ সামগ্ৰিক আৰু ডুখৰীয়া ছবিৰ লগতে চৰিত পুথিসমূহত প্ৰকাশ পাইছে সামাজিক, সাংস্কৃতিক দিশৰ একোখন বিশাল চিত্ৰপট। সেই ফালৰপৰাও "গুৰুচৰিত আৰু সত্ৰীয়া বুৰঞ্জীসমূহৰ মাজত অসমৰ সামাজিক বুৰঞ্জীৰ সকলো সমল সোমাই আছে।"[১] গতিকে আমাৰ আলোচনাত প্ৰধানকৈ সামাজিক ইতিহাসৰ সমল ক'ব পৰা সাহিত্য হিচাপে এই চৰিত পুথিসমূহৰ মূল্য নিৰূপণৰ প্ৰয়াস কৰা হৈছে।

কোৱা বাহুল্য, শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ আগৰেপৰাই অসমত শাক্ত, শৈৱ, বৈষ্ণৱ ধৰ্ম প্ৰচলিত হৈ আছিল। প্ৰাক্-শঙ্কৰী যুগ তথা শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকলে শক্তি উপাসনাৰ লগতে শিৱকো পূজা কৰিছিল। প্ৰাচীন কালৰপৰাই কামৰূপত শাক্ত, শৈৱ পৰম্পৰা খ্ৰীষ্টীয় পঞ্চদশ শতিকালৈকে যথেষ্ট সবল ৰূপত আছিল। পঞ্চদশ শতিকাত শঙ্কৰদেৱৰ বিশাল প্ৰতিভা আৰু যুগজয়ী সাংস্কৃতিক প্ৰমূল্যযুক্ত নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ ফলত শক্তি উপাসনা আৰু শৈৱ ধৰ্মৰ প্ৰভাৱ স্তিমিত হৈ আহিবলৈ ধৰিলে। উদাৰ মানৱতাবাদী আদৰ্শৰ শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ সহজ উপাসনা পদ্ধতি আৰু উদাৰতাই জনগণৰ হৃদয় জয় কৰি এক জাগৰণৰ সৃষ্টি কৰিলে। এই জনজাগৰণ সৃষ্টিৰ দৃশ্যপট সম্পৰ্কে প্ৰথম অধ্যায়ত নাতিদীৰ্ঘ আলোচনাৰে মুকলিকৈ প্ৰকাশ কৰাৰ যত্ন কৰা হৈছে।

---

১। মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃঃ ৪

জীৱনী সাহিত্যৰ উদ্ভৱ হয় পাশ্চাত্যত, বহু কাল পূৰ্বেই। জীৱনী সাহিত্যই মানৱ জীৱন কথাক শব্দৰ মাজত পুনৰ অংকিত কৰে। জীৱনী সাহিত্য সৃষ্টিৰ মূলতেই হ'ল মানৱ জীৱন-কথাক জনগণৰ মাজত প্ৰসাৰিত কৰাৰ অভিপ্ৰায়। মানৱ জীৱন-কথাক প্ৰকৃত তথা সচেতন প্ৰচেষ্টাৰে সাহিত্যত ৰূপ দিয়াই জীৱনীৰ উদ্দেশ্য। সাহিত্যৰ বিভিন্ন বিভাগৰ দৰে জীৱনী সাহিত্যও বৰ্তমান এটি স্বতন্ত্ৰ আৰু জনপ্ৰিয় ধাৰা। বহু হেজাৰ বছৰ আগতেই মিছৰৰ পিৰামিডবিলাকত ৰজাৰ কৰ্মজীৱন, যশস্যা কাহিনী লিপিবদ্ধ কৰা প্ৰক্ৰিয়াতে জীৱনী সাহিত্যৰ বীজ অংকুৰিত হৈছিল। সময় আৰু যুগ সলনিৰ লগে লগে জীৱনী সাহিত্যই বিভিন্ন পৰিৱৰ্তনৰ মাজেদি আহি, পূৰ্বৰ স্বৰূপ পৰিহাৰ কৰি বৰ্তমান ৰূপ পাইছেহি। আলোচ্য দ্বিতীয় অধ্যায়ত জীৱনীৰ উদ্ভৱ আৰু বিকাশৰ খতিয়ান এটি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

চৰিত পুথিসমূহত বৈষ্ণৱ গুৰুসকলৰ জীৱন কাহিনী ধৰি ৰখা হৈছে। অসমীয়া ভাষাৰ দৰে ভাৰতৰ অন্য ভাষাতো প্ৰাচীন কালৰপৰাই ধৰ্মীয় গুৰুসকলৰ জীৱন কাহিনীৰে ভৰা চৰিত পুথি কিছুমান আছে ।বুদ্ধ চৰিতক ভাৰতীয় জীৱনী সাহিত্যৰ প্ৰথম গ্ৰন্থ বুলি অভিহিত কৰা হয়। বুদ্ধ চৰিতক ভাৰতবৰ্ষ আৰু ইয়াৰ বাহিৰত 'বৌদ্ধিক বেদ' হিচাপে অভিহিত কৰা হৈছিল।[২] সংস্কৃতত লিখা অশ্বঘোষৰ বুদ্ধ চৰিত আৰু বাণভট্টৰ হৰ্ষচৰিতৰপৰাই আৰম্ভ কৰি পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা তথা আধুনিক ভাৰতীয় আৰ্য ভাষা হিন্দীত ৰচনা কৰা নাভাদাসৰ ভক্তমাল, পাঞ্জাবী ভাষাৰ শিখ গুৰু নানকৰ জীৱন চৰিত 'জনমসাখী' আৰু বাংলা ভাষাৰ চৈতন্য জীৱনী সম্পৰ্কে এটি নাতি দীৰ্ঘ আলোচনা তৃতীয় অধ্যায়ত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে। নানান অলৌকিক আৰু অতিৰঞ্জিত কথাৰ সন্নিৱেশ ঘটাই গুৰু তথা সন্তসকলৰ জীৱন কাহিনী চৰিত পুথিসমূহত বৰ্ণনা কৰা হৈছে। উল্লেখনীয় যে সকলো বৈষ্ণৱ চৰিত কাব্যতেই অলৌকিক ঘটনা বা অতি প্ৰাকৃত উপাদান বহুল পৰিমাণে সন্নিৱেশিত হৈছে।[৩]

চৰিত চৰ্চা ৰীতি আমাৰ সত্ৰীয়া তথা ভকতীয়া সমাজত 'চৰিত তোলা' প্ৰথা ৰূপে জনাজাত। চৰিত তোলা প্ৰথাৰপৰাই চৰিত সাহিত্যৰ সৃষ্টি হৈছিল, কিয়নো এই প্ৰথাৰপৰাই চৰিতকাৰসকলে পুথি লিখাৰ অনুপ্ৰেৰণা পাইছিল। ধৰ্ম গুৰুসকলৰ আদৰ্শ আৰু কাৰ্যাৱলী জীয়াই ৰখাৰ পৱিত্ৰ দায়িত্বৰ অনুপ্ৰেৰণাতে জন্ম হৈছিল চৰিত সাহিত্যৰ। প্ৰথম অৱস্থাত মুখে মুখে গুৰুসকলৰ জীৱন-কথা চলি আহিছিল যদিও

২। গোলকেশ্বৰ গোস্বামী, *ভাৰতীয় চৰিত সাহিত্যৰ পটভূমিত মধ্যযুগৰ অসমীয়া গুৰুচৰিত* (এটি চমু বিশ্লেষণ), *মণিকূট*, পৃঃ ১২

৩। দেবীপদ ভট্টাচাৰ্য, *বাংলা চৰিত সাহিত্য*, পৃঃ ৩৫



পাচলৈ এইবোৰ লিপিবদ্ধ হ'বলৈ ধৰিলে। বেছিভাগ চৰিত পুথিয়েই পদ্যত ৰচনা কৰা। গদ্য চৰিতৰ সংখ্যা তেনেই কম। "প্ৰত্যেকগৰাকী পদকৰ্তাই বিভিন্নজনৰ চৰিত লিখিবলৈ ল'লেও প্ৰথমে 'দুজনা গুৰু' আৰু 'দুজনা ঠাকুৰ'ৰ বিষয়ে অলপকৈ হ'লেও বৰ্ণনা নকৰাকৈ থকা নাই।"[৪] চৰিত পুথিতে অসমীয়া জীৱনী সাহিত্যই ভূমুকি মাৰিছিল। অৱশ্যে দৃষ্টিভংগী আৰু ৰচনা ভংগীৰ ফালৰপৰা এই চৰিত পুথিসমূহৰ লগত আধুনিক যুগৰ জীৱন চৰিতৰ বিশেষ পাৰ্থক্য আছে। প্ৰকৃত জীৱনীত ব্যক্তিজনৰ চৰিত্ৰৰ দোষ-গুণ দুয়োটা দিশেই বস্তু নিষ্ঠৰূপত পৰিস্ফুট হ'ব লাগে। চৰিতকাৰসকলে গুৰুসকলৰ জীৱন আৰু কাৰ্যাৱলীক মহৎ দৃষ্টিৰে চোৱাৰ কাৰণে কেৱল গুণৰ দিশটোহে প্ৰধানকৈ উন্মোচিত হ'ল। আনকি সাধাৰণ মানৱীয় দিশবোৰ বহু সময়ত উপস্থাপিত নহ'ল।

